

# সুদক্ষিণা

ত্ৰয়োবিংশতিতম সংখ্যা, ২০১৫ ইং চন

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়




19

সম্পাদিকা ঃ বৰ্ণালী তালুকদাৰ

D.K. GIRLS' COLLEGE LIBRARY
MIRZA
Class No.........................
Book No.........................
Acc. No.........................

## সুদক্ষিণা সম্পাদনা সমিতি



বহি বাওঁফালৰ পৰা ঃ ড° জাহ্নৱী দেৱী, ড° লীলাৱতী চৌধুৰী, ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° জগন্নাথ বৰ্মন।
থিয় হৈ বাওঁফালৰ পৰা ঃ বৰ্ণালী তালুকদাৰ, বনস্মিতা ঠাকুৰীয়া, বন্দিতা নাথ, দীপাঞ্জলি ঠাকুৰীয়া, চন্দনা দাস আৰু মানসী ঠাকুৰীয়া (ফটোত অনুপস্থিত)।

## মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ তথা তত্ত্বাৱধায়ক-তত্ত্বাৱধায়িকাৰ সৈতে ছাত্ৰী একতা সভাৰ সদস্যসকল




বহি বাওঁফালৰ পৰা ঃ অলিভিয়া তালুকদাৰ (ভাঃ প্ৰাঃ সাধাৰণ সম্পাদিকা), বৰ্ণালী তালুকদাৰ (উপ-সভানেত্ৰী), ড° জগন্নাথ বৰ্মন (তত্ত্বাঃ সাংস্কৃতিক বিভাগ), ড° নৱকান্ত অধিকাৰী (তত্ত্বাঃ খেল বিভাগ), অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী (সভাপতি), ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° হৰেণ কলিতা (তত্ত্বাঃ, তৰ্ক আলোচনা চক্ৰ বিভাগ), ড° লীলাৱতী চৌধুৰী (তত্ত্বাঃ সাহিত্য বিভাগ), ৰঞ্জনা ডেকা (তত্ত্বাঃ ছাত্ৰী জিৰণি কোঠা), ইন্দ্ৰানী দেৱী (তত্ত্বাঃ সমাজসেৱা বিভাগ)।
থিয় হৈ বাওঁফালৰ পৰা ঃ তৰালী দাস, ছেহনাজ চুলতানা, পাপৰী দাস, সাধনা কুমাৰী, বৰ্ণালী তালুকদাৰ, ৰোজবেৰী চুলতানা।

NOT FOR ISSUE
LIBRARY COPY
Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# সুদক্ষিণা

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন

ত্ৰয়োবিংশতিতম্ সংখ্যা, ২০১৫ ইং চন

প্ৰীতি আৰু শ্ৰদ্ধাৰে–

.............................................................

.............................................................

তত্ত্বাৱধায়িকা ঃ ড° লীলাৱতী চৌধুৰী

সম্পাদিকা ঃ বৰ্ণালী তালুকদাৰ

## 'সুদক্ষিণা' সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ) |
| উপ-সভাপতি | ঃ | ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ) |
| তত্বাৱধায়িকা | ঃ | ড° লীলাৱতী চৌধুৰী |
| শিক্ষক সদস্য | ঃ | ড° জগন্নাথ বৰ্মন |
| | | ড° জাহ্নৱী দেৱী |
| সম্পাদিকা | ঃ | শ্ৰীবৰ্ণালী তালুকদাৰ |
| ছাত্ৰী সদস্যা | ঃ | শ্ৰীচন্দনা দাস |
| | | শ্ৰীবনস্মিতা ঠাকুৰীয়া |
| | | শ্ৰীমানসী ঠাকুৰীয়া |
| | | শ্ৰীবন্দিতা নাথ |
| | | শ্ৰীদীপাঞ্জলী ঠাকুৰীয়া |


বেটুপাত অংকণ ঃ ড° গজেন্দ্ৰ অধিকাৰী

বেটুপাতৰ প্ৰচ্ছদ কথা ঃ মহাবিদ্যালয়ৰ সন্মুখ আৰু প্ৰাচীৰ পত্ৰিকাৰ প্ৰতিৰূপ।

মুদ্ৰক ঃ চাৰু প্ৰকাশন, উপৰহালী-৭৮১১২২


# শ্ৰদ্ধাঞ্জলি



ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি
ভাৰতৰত্ন এ.পি.জে. আব্দুল কালাম
জন্ম ঃ ১৫ অক্টোবৰ, ১৯৩১ ইং চন
মৃত্যু ঃ ২৭ জুলাই, ২০১৫ ইং চন



থানেশ্বৰ কুমাৰ দাস
জন্ম ঃ ৩১ জানুৱাৰী, ১৯২৮ ইং চন
মৃত্যু ঃ ৩ অক্টোবৰ, ২০১৫ ইং চন



পৰেশ চন্দ্ৰ দাস
জন্ম ঃ ১ ফেব্ৰুৱাৰী, ১৯৫৮ ইং চন
মৃত্যু ঃ ১০ নৱেম্বৰ, ২০১৫ ইং চন



অমিয় কুমাৰ দাস
জন্ম ঃ ২১ জানুৱাৰী, ১৯৫৬ ইং চন
মৃত্যু ঃ ১০ ডিচেম্বৰ, ২০১৫ ইং চন

আমাৰ মাজৰ পৰা চিৰদিনৰবাবে হেৰাই যোৱা
ব্যক্তি কেইগৰাকীৰ লগতে জ্ঞাত-অজ্ঞাত সকললৈ
'সুদক্ষিণা'ৰ জৰিয়তে মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা
'শ্ৰদ্ধাঞ্জলি' জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতি—
'সুদক্ষিণা'

# তত্ত্বাৱধায়িকাৰ কলম

২০১৪-২০১৫ ইং শিক্ষাবৰ্ষৰ বাবে সাহিত্য বিভাগৰ তত্ত্বাৱধায়িকাৰ দায়িত্ব পালনৰ সুযোগ দিয়া বাবে প্ৰথমে অধ্যক্ষ মহাশয়লৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। এই দায়িত্ব পালনত আমাৰ সহকৰ্মী আৰু ছাত্ৰীসকলৰ সক্ৰিয় সহায়-সহযোগে যথেষ্ট আনন্দ দিয়ে। শিক্ষাবৰ্ষৰ আৰম্ভণিৰে পৰা প্ৰাচীৰ পত্ৰিকা "হাৰাঘাট"ৰ দুটি সংখ্যা প্ৰকাশ হৈছে। ইয়াৰে এটি সংখ্যা মহাবিদ্যালয় সপ্তাহ উপলক্ষে আৰু আন এটি সংখ্যা নৱাগত আদৰণি সভাত উন্মোচন কৰা হয়। মৰমৰ ছাত্ৰীসকলৰ নেৰানেপেৰা চেষ্টাৰ ফলত সময় মতে প্ৰাচীৰ পত্ৰিকাৰ সংখ্যা দুটি প্ৰস্তুত কৰি উলিয়াবলৈ সমৰ্থ হৈছিলো। ইয়াৰ জৰিয়তে ছাত্ৰীসকলে নিজৰ চিন্তা, যুক্তি, কল্পনা আৰু সৃজনীশক্তি প্ৰকাশৰ সুবিধা পায়। ইয়াৰ পিচত সৰস্বতী পূজাত অতিকম সময়ৰ ভিতৰত শিক্ষক, কৰ্মচাৰীৰ প্ৰাচীৰ পত্ৰিকা "শ্ৰীপঞ্চমী" সুন্দৰ আৰু পৰিপাটি কৈ প্ৰকাশ কৰিবলৈ পাই যথেষ্ট আনন্দ অনুভৱ কৰিছো।

আনহাতে নৱাগত আদৰণি সভাত অন্যতম হাতে লিখা আলোচনী "নীহাৰিকা" অতি কম সময়ৰ ভিতৰত প্ৰস্তুত কৰি উলিওৱা হয়। আমাৰ মৰমৰ ছাত্ৰী মৃনালীনি কছাৰীৰ হাতৰ তুলিকাই বেটুপাতৰ সৌন্দৰ্য যথেষ্ট বৃদ্ধি কৰে।

"সুদক্ষিণা" হৈছে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সৃষ্টিমূলক প্ৰতিভা প্ৰকাশৰ এক অন্যতম মাধ্যম। ইয়াৰ জৰিয়তে ছাত্ৰীসকলে নিজৰ ভাৱ, চিন্তা, আশা-আকাঙ্খাক গল্প, কবিতা আৰু আন আন সৃষ্টিৰ মাজেৰে প্ৰকাশ কৰিব পাৰে। ইয়াৰ ফলত ছাত্ৰীসকলে ভৱিষ্যতে কবি, গল্পকাৰ হিচাবে নিজৰ পৰিচয় দাঙি ধৰাৰ লগতে সাহিত্যৰ ভঁৰালও চহকী কৰিব পাৰিব।

সাধাৰণতে ছাত্ৰীসকলৰ সৰ্বাংগীন বিকাশৰ বাবে খেলা-ধূলাৰ লগতে সাহিত্য, সংস্কৃতি সকলো দিশৰে অতি প্ৰয়োজন। সেয়ে— "সুদক্ষিণা"ৰ জৰিয়তে যাতে ছাত্ৰী সকলে নিজৰ প্ৰতিভা প্ৰকাশৰ বাবে আগবাঢ়ি আহে তাৰ বাবে আহ্বান জনালো।

যি সকল সহকৰ্মী আৰু মৰমৰ ছাত্ৰীয়ে "সুদক্ষিণা" সম্পূৰ্ণ কৰাত অৰিহণা যোগালে তেওঁলোকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

মাননীয় শ্ৰীযুত যতীন মালী দেৱ আৰু মাননীয় ড° মৃদুল হাজৰিকা ছাৰে বহুমূলীয়া সময় খৰছ কৰি 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী পঠোৱা বাবে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে মাননীয় ড° হিতেশ ডেকা ছাৰে শুভেচ্ছাবাণীৰ পৰিবৰ্তে এটি মুল্যবান লিখনি পঠোৱা বাবে কৃতজ্ঞতা জনালোঁ।

আমাৰ মহাবিদ্যালয়ত বিভিন্ন সময়ত বিভিন্ন গণ্য-মান্য লোকে বক্তৃতা প্ৰদান কৰি আহিছে। এই শিক্ষাবৰ্ষতো মান্যবৰ শ্ৰীযুত বিমল ৰাজবংশী আৰু তেখেতৰ সহধৰ্মিণী শ্ৰীযুতা ভন্তী ৰাজবংশীয়ে বহুমূলীয়া সময় খৰচ কৰি আমেৰিকাৰ কৰ্মজীৱন সম্পৰ্কে এটি মূল্যৱান ভাষণ দাঙি ধৰে আৰু "সুদক্ষিণা"লৈ আন্তৰিক শুভেচ্ছা জনায়। সেয়ে ৰাজবংশী দম্পতীলৈ "সুদক্ষিণা"ৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা জনালো।

শেষত সুদক্ষিণা প্ৰস্তুতি কৰণত প্ৰথমৰ পৰা শেষলৈ দিহা পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী ছাৰলৈ কৃতজ্ঞতা জনালো। লগতে উপাধ্যক্ষ, সমূহ শিক্ষক শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী বৃন্দলৈ সুদক্ষিণা সম্পাদনা সমিতিৰ ফালৰ পৰা কৃতজ্ঞতা জনালো আৰু চাৰু প্ৰকাশনৰ সকলো কৰ্মচাৰীলৈ নতুন বছৰৰ শুভেচ্ছা তথা কৃতজ্ঞতা জনালো।

সদৌশেষত সম্পদনা সমিতিৰ সভাপতি অধ্যক্ষ মহাশয়, শিক্ষক সদস্য ড° জাহ্নৱী দেৱী আৰু ড° জগন্নাথ বৰ্মণক ধন্যবাদ জ্ঞাপন কৰিলো। লগতে একেধাৰে লাগি থকা ছাত্ৰী সদস্যা বনস্মিতা, মানসী, চন্দনা, দীপাঞ্জলী, বন্দিতা আৰু সম্পাদিকা বৰ্ণালী তালুকদাৰলৈ মোৰ আন্তৰিক মৰম যাচি নতুন বছৰৰ ওলগ জনাই সামৰণি মাৰিলো।

"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"

*ধন্যবাদেৰে—*

তাৰিখ ঃ ইং ৩০/০১/২০১৬ চন

**ড° লীলাৱতী চৌধুৰী**

*Sri Jatin Mali,* M.A.
M.L.A, 50 Palashbari Legislative Assembly Constituency
**Ex-Minister, Education , Assam**
H.No.20, Sadhini Path-West,Rukmininagar, Dispur,
Guwahati- 781006
Tel : 2262644, Cell : 94351-41581

সত্যমেৱ জয়তে

Date: ২১/১১/২০১৫



## শুভেচ্ছা বাণী

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ প্ৰত্যক্ষ উদ্যোগত এইবেলিও মহাবিদ্যালয়ৰ প্ৰকাশন "সুদক্ষিণা" প্ৰকাশ হ'ব বুলি জানিব পাৰি সুখী হৈছো। ইয়াৰ জৰিয়তে মহাবিদ্যালয়ৰ সকলোৰে উপকৃত হ'ব পাৰিব। অভিভাৱক লগতে পটুৱৈ সমাজও উপকৃত হ'ব পাৰিব বুলি মই আশা ৰাখিলো।

ছাত্ৰী সকলে নিজ নিজ প্ৰতিভা আৰু সফলতাৰ দিশ সমূহ লিখিত ৰূপত প্ৰকাশ কৰি জনসাধাৰণৰ মাজত প্ৰচাৰৰ সুবিধা পাব পাৰিব। ছাত্ৰী সকলৰ ভৱিষ্যৎ উজ্জ্বল মই কামনা কৰিলো। লগতে মহাবিদ্যালয়খনৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰিলো।

(যতীন মালী)

*Sri Jatin Mali,* M.A.
M.L.A, 50 Palashbari Legislative Assembly Constituency
Ex-Minister, Education Deptt., Assam
২১-১১-২০১৫

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
**Vice Chancellor**
Phone : +91 361 2570412(O), 2570408(R)
Fax : +91-361-2675515
Email ID : hazarika50@gmail.com
vc_gu@yahoo.in



# MESSAGE

I am happy to learn that Dakshin Kamrup Girls' College, Mirza is going to publish its annual college magazine very soon. College magazine is a storng medium for the constituent members of a college for intellectual exercise. It carries, sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I wish all success in their mission and hope the magazine will be immensely beneficial to all concerned.

Date : 09-12-2015

(Mridul Hazarika)

Address: Gopinath Bordoloi Nagar, Jalukbari, Guwahati, Assam 781014 Phone: 0361 257 0415 Website: www.gauhati.ac.in

*Bimal Rajbangsi*
2145 Mulinerave (Capital)
Bronx, NY 10462
kathalmur@gmail.com

Date : ......................

## শুভেচ্ছা বাণী

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ আলোচনী
'সুৰভিৰ' ই ভবিষ্যতে অসমীয়া সাহিত্যত বহুতো লেখিকাৰ
জন্মৰ মূলি আশা কৰিলোঁ। আলোচনীখনৰ সম্পাদ-
নাৰ [illegible] দক্ষিণ কামৰূপ ছোৱালী
মহাবিদ্যালয়ৰ [illegible]
[illegible]
আন্তৰিক [illegible]।

বিমল ৰাজবংশী
২ নৱেম্বৰ, ২০১৫

## শুভেচ্ছা বাণী

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়লৈ মোৰ শুভেচ্ছা থাকিল।

[illegible] ৰাজবংশী

২/১১/২০১৫

শুভেচ্ছাবাণীৰ পৰিৱৰ্তে



# উচ্চ শিক্ষা আৰু সমাজ চেতনা

ডঃ হিতেশ ডেকা
উপাচাৰ্য
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

যিকোনো শিক্ষানুষ্ঠানে সমাজ হিতৈষী চৰিত্ৰৰে আগবাঢ়ে। প্ৰত্যেক শিক্ষানুষ্ঠানৰ এক নিজস্ব জীৱন আছে। শিক্ষানুষ্ঠানে এখন সমাজো গঢ়ে। অৰ্থাৎ জীৱন আৰু সমাজৰ আন্তঃসংযোগৰ কেন্দ্ৰ হৈ ৰয় একো একোটা শিক্ষানুষ্ঠান। শিক্ষানুষ্ঠানৰ বাবে শুভেচ্ছাবাণী বিচাৰিলে শিক্ষানুষ্ঠানৰ অন্তৰ্জীৱন (inner life), সমাজৰ সৈতে ইয়াৰ সম্পৰ্ক, শিক্ষাৰ্থীক গঢ়াৰ বাবে ইয়াৰ প্ৰচেষ্টা —এই সকলোবোৰে মনত ভূমুকি মাৰি যায়।

উচ্চ শিক্ষা প্ৰধানতঃ এক দায়বদ্ধতা (responsibility)। এই দায়বদ্ধতা বহল পৰিসৰৰ। সকলোকে সামৰি, সকলোজনৰ কল্যাণ সাধন এনে দায়বদ্ধতাৰ কেতবোৰ বিশেষ বৈশিষ্ট্য। স্বাভাৱিকতেই এই বৈশিষ্ট্যবোৰে শিক্ষাৰ দায়বদ্ধতাক প্ৰাসংগিক কৰি ৰাখিছে। উচ্চ শিক্ষাই কেৱল আমাক শিক্ষিতই নকৰে, ই আমাক গণজীৱনৰ বাবে প্ৰস্তুতো কৰি তোলে। একবিংশ শতিকাৰ গণ জীৱন অন্যান্য সময়ৰ সমাজ জীৱনতকৈ বহু ধৰণে পৃথক। কাৰণ এই সময়ছোৱাত এজন ব্যক্তিয়ে যিবোৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে, সেই সকলোবোৰেই একেবাৰে নতুন ধৰণৰ। বিশেষকৈ সনাতন অসমীয়া সমাজে এনে ধৰণৰ প্ৰত্যাহ্বানৰ ইতিপূৰ্বে সন্মুখীন হোৱা নাছিল। পৰিৱৰ্তন জীৱনৰ অমোঘ সত্য; পৰিৱৰ্তন আদৰণীয়ও। কিন্তু পৰিৱৰ্তনৰ সদৰ্থক (positive) আৰু নএৰ্থক (negative) দুয়োটা দিশ থাকে। এই কথাটো কোনেও নুই কৰিব নোৱাৰে। সদৰ্থক আৰু নএৰ্থক দুয়োটা দিশৰ সংযোগে তৈয়াৰ কৰি দিয়া পথেৰে আমি জীৱনৰ গতি-ৰথ পৰিচালিত কৰিব লগা হয়। এই পৰিচালনাৰ বাবে যি প্ৰস্তুতিৰ প্ৰয়োজন, নএৰ্থক দিশক বাদ দি সদৰ্থকতাক আদৰি লোৱাৰ যি মানসিকতাৰ নিৰ্মাণ —এই সকলোবোৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে কৰিবলগীয়া কাৰ্য; এয়া এনেবোৰ প্ৰতিষ্ঠানৰ প্ৰধান উদ্দেশ্যও।

উচ্চ শিক্ষাৰ কোনো এক প্ৰতিষ্ঠানে যদিহে বিশেষভাৱে স্ত্ৰী শিক্ষাত মনোনিৱেশ কৰিবলগীয়া হয়, তেন্তে এনে প্ৰতিষ্ঠানৰ দায়িত্ব বহুগুণে বৃদ্ধি পায়। ইয়াৰ কৰ্মৰ পৰিসৰ (sphere of activities) প্ৰতিষ্ঠানৰ আনুষ্ঠানিকতাৰ দেৱাল অতিক্ৰমি ঘৰুৱা পৰিমণ্ডলতো প্ৰৱেশ কৰেহি। কাৰণ শিক্ষাৰ যোগেদি জীৱন গঢ়াৰ যি ধাৰণা, আজীৱন শিক্ষাৰ যি ধাৰণা —এই সকলোবোৰ তেতিয়াহে সম্ভৱ, যেতিয়া স্ত্ৰী শিক্ষাই সমাজত প্ৰসাৰ লভিব পাৰে। কাৰণ স্ত্ৰী শিক্ষাৰ যোগেদি আমি একো একোগৰাকী মাতৃক গঢ়াৰ সুযোগ পাওঁ। ঘৰখনত ল'ৰা-ছোৱালীয়ে জীৱন গঢ়াৰ, সমাজ গঢ়াৰ যি শিক্ষা, যি পৰিৱেশ পাব পাৰে বা পোৱাৰ দৰকাৰ, সেয়া মাকগৰাকীয়েহে দিব পাৰে। আমাৰ বাবে সাংস্কৃতিক শিক্ষা (cultural education)ৰ যি প্ৰয়োজনীয়তা, নতুন প্ৰজন্মৰ অস্থিৰতা, উন্মাদনাক লৈ আমাৰ যি উদ্বিগ্নতা —এই সকলোবোৰ দূৰ কৰিবৰ যি সঁচাৰ কাঠী সি ঘৰখনত, মাকগৰাকীৰ মনত, তেওঁৰ স্নেহাসিক্ত মাত এষাৰত, তেওঁ আথে-বেথে ৰান্ধি দিয়া ভাত সাজত লুকাই থাকে। সেই ফালৰ পৰা চাবলৈ গ'লে, স্ত্ৰী শিক্ষাৰ সৈতে জড়িত শিক্ষানুষ্ঠান এখনৰ দায়িত্ব অসীম। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ দৰে কেইবাটাও ঘটনাবহুল বছৰ অতিক্ৰমি অহা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান একোখনৰ বাবে এনেবোৰ উপলব্ধিৰ গভীৰ মূল্য আছে। অসমৰ দৰে অনগ্ৰসৰ অঞ্চলত, য'ত শিক্ষাৰ প্ৰসাৰে এতিয়াও মনৰ অন্ধকাৰ নাশ কৰিব পৰা নাই, তেনে ঠাইত স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বিশেষ গুৰুত্ব থাকে। অসমৰ এক প্ৰধান সামাজিক সমস্যা, ডাইনী হত্যাৰ দৰে সমস্যাক আঁতৰ কৰিবৰ বাবে স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বিশেষ দৰকাৰ আছে। বীৰুবালা ৰাভা এগৰাকী কিয়, আজিৰ পৰিৱেশত, আজিৰ অসমত, এশগৰাকী লাগে। অমলপ্ৰভা দাস, চন্দ্ৰপ্ৰভা শইকীয়ানী, ৰাজবালা দাসৰ দৰে মহিয়সী আমাৰ সমাজৰ সৰ্বাংগীন উন্নতিৰ বাবে একান্ত প্ৰয়োজন। তেনে ক্ষেত্ৰত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ দৰে অনুষ্ঠানে এনে ধৰণৰ মানৱ সম্পদ গঢ়া (human resource formation)ৰ গধুৰ দায়িত্ব কান্ধপাতি ল'ব লগা হয়। এই মানৱ সম্পদ বিশেষ উদ্দেশ্যত, সমাজ কল্যাণৰ দিশত অগ্ৰসৰ হোৱা মানৱ সম্পদ হোৱাটো বাঞ্ছনীয়। মহাবিদ্যালয়খনৰ সৈতে জড়িত সকলোৱে এই উপলব্ধিৰ মৰ্মাৰ্থত প্ৰৱেশ কৰিব পাৰিলেহে শিক্ষাৰ প্ৰকৃত উদ্দেশ্যত প্ৰৱেশ কৰিব পাৰিব।

আধুনিক জীৱনৰ অন্যতম সমস্যা হ'ল এক সংস্কৃতিৱান জীৱনৰ অধিকাৰী হোৱাটো। কিন্তু সংস্কৃতিৱান জীৱনৰ অধিকাৰী হ'বলৈ হ'লে যি ধৰণৰ শিক্ষা ব্যৱস্থাৰ মাজেৰে আমি আমাৰ তৰুণ প্ৰজন্মক আগুৱাই নিব লাগিব, সেয়া সহজ নহয়। প্ৰকৃত কথাত ক'বলৈ গ'লে এই সংস্কৃতিৱান জীৱনৰ যিবোৰ অপৰিহাৰ্য অংগ, সেইবোৰ এতিয়াও আমাৰ বাবে স্পষ্টকৈ আনুষ্ঠানিক শিক্ষাৰ আওতালৈ অহা নাই। এই ক্ষেত্ৰত ফ্ৰেডেৰিখ নীৎচেয়ে তেওঁৰ বিখ্যাত *Anti-Education* নামৰ বক্তৃতালানি দাঙি ধৰা এক মন্তব্যলৈ আমি আঙুলিয়াব পাৰো ঃ

> No course of instruction that ends in a career, in breadwinning, leads to culture or true education in our sense; it merely shows how one can save and secure the self in the struggle for survival.

আমি জীয়াই থকাৰ সংগ্ৰামত উদ্দেশ্যৰ স্পষ্টতা আৰু তাৎপৰ্যক পাহৰি পেলাও। তাৰ অমোঘ পৰিণতিত আমাৰ লক্ষ্যস্থানক প্ৰায়ে আন্ধাৰে আৱৰি থাকে। আমি পাহৰি যাওঁ যে শিক্ষাৰ উদ্দেশ্য হ'ল জীৱনক শক্তিশালী কৰি তোলা আৰু বিভিন্ন প্ৰত্যাহ্বানৰ বাবে শিক্ষাৰ্থীসকলক প্ৰস্তুত কৰি তোলা। আজীৱন শিক্ষাৰ আধাৰে জীয়াই থকাৰ সংগ্ৰামক অন্য এক দৃষ্টিকোণেৰে চাবলৈ আমাক অনুপ্ৰাণিত কৰে। বহু হাজাৰ বছৰ আগতে গ্ৰীক চিন্তাবিদসকলে আজীৱন শিক্ষাৰ ধাৰণাক আমদানি কৰোতে সেয়েহে শিক্ষাৰ সৈতে জীৱনৰ সম্পৰ্ক নতুন দৃষ্টিৰে চাবলৈ সক্ষম হৈছিল। তেওঁলোকে বিচাৰিছিল যে ব্যক্তিৰ মনৰ শক্তি তেওঁৰ জীৱনৰ শেষ দিনটোলৈকে অটুট হৈ থাকক। আধুনিক শিক্ষা ব্যৱস্থাই আমাক এনে কেতবোৰ দিশৰ সৈতে পৰিচিত কৰাই দিছে, যিবোৰ কিছুদিনৰ আগলৈকে আমাৰ বাবে অপৰিচিত আছিল। তথ্য প্ৰযুক্তিৰ জগতখনত ঘটা অভূতপূৰ্ব বিপ্লৱে আমাক বিশ্বৰ যিকোনো অঞ্চলৰ বাতৰি, উদ্ভাৱন, আৱিষ্কাৰ, তথ্যপাতিক নিমিষতে পাব পৰাৰ সুবিধা কৰি দিছে। এই সকলোবোৰ আমাৰ বাবে জ্ঞানৰ একো একোটা উৎস হৈ পৰিলেও, সেইবোৰে কিমান দূৰ আমাক প্ৰজ্ঞাৰ অধিকাৰী কৰিব পাৰিছে, সেয়া কিন্তু চিন্তাৰ বিষয়। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান এটাই ইয়াৰ শিক্ষাৰ্থীসকলৰ মনত জ্ঞান আৰু প্ৰজ্ঞাৰ সীমাৰেখাডাল স্পষ্টকৈ দাঙি ধৰিব পাৰিব লাগিব। একে সময়তে জ্ঞানৰ পৰা প্ৰজ্ঞালৈ যাত্ৰা কিদৰে সম্ভৱপৰ সেয়াও শিক্ষক-শিক্ষয়িত্ৰীসকলে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলক স্পষ্টকৈ বুজাই দিব পাৰিব লাগিব। আমি বাস কৰা জগতখনে ইমান বেছিকৈ পৰিৱৰ্তনৰ শক্তিসমূহক আঁকোৱালি ল'ব লগা হৈছে যে, কোনটো কথা উচিত বা কোনটো কথা অনুচিত সেয়া বুজিবলৈ আমাক যি সময়ৰ প্ৰয়োজন, সেয়া যেন আমাৰ হাতত নাই। গতিকে আমি নিজকে যেন ঘটনাপ্ৰৱাহত উটি-ভাহি যাবলৈ এৰি দিছো। শিক্ষানুষ্ঠান এখনে ইয়াৰ অধীনত থকা শিক্ষাৰ্থীসকলৰ কুমলীয়া মনবোৰক পথ নিৰ্দেশনাৰ যোগেদি উচিত-অনুচিতৰ প্ৰশ্নৰ মাজলৈ লৈ আহিব পাৰে। প্ৰশ্নৰ উত্তৰ হ'লে ইয়াৰ সমাধান বিচৰাটো মানৱ মনৰ এটা স্বাভাৱিক গুণ। সেয়েহে উচিত-অনুচিতৰ প্ৰশ্নটো শিক্ষাৰ্থীসকলৰ মনত জগাই দিব পাৰিলে তেওঁলোকে জীৱনৰ লক্ষ্যত উপনীত হোৱাৰ বাবে এক সঠিক পথ বিচাৰি পাব।

আজি কিছু দিনৰ আগতে ব্ৰিটিছ কাউন্সিলে প্ৰস্তুত কৰা উচ্চ শিক্ষা সম্পৰ্কীয় এক বিশেষ প্ৰতিবেদনত দেখা গৈছে যে অহা ছয় বছৰৰ ভিতৰত ভাৰতৰ দৰে এখন সীমিত বিত্তীয় সম্পদৰ দেশে চৈধ্য কোটি লোকৰ বাবে উচ্চ শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। এইটো এটা অতি জটিল প্ৰত্যাহ্বান। ইতিমধ্যে দেশে উচ্চ শিক্ষাৰ ক্ষেত্ৰত Gross Enrolment Ratioত বিশ্ব মান স্পৰ্শ কৰিবলৈ সক্ষম হোৱা নাই। এয়া স্বাভাৱিকতে এক উদ্বেগকাৰী পৰিস্থিতি। শিক্ষাৰ ক্ষেত্ৰত লিংগ বৈষম্যৰ দিশটো চালে, ভাৰতত নিশ্চয় উচ্চ শিক্ষাত নাৰীৰ সংখ্যা আপেক্ষিকভাৱে কম হ'ব। সেয়েহে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ দৰে প্ৰতিষ্ঠানসমূহ আমাৰ বাবে আদৰণীয়। কাৰণ এনেবোৰ প্ৰতিষ্ঠানে সমাজত লিংগ বৈষম্য আঁতৰ কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। আমি বাৰে বাৰে নিজকে সোঁৱৰাই থাকিব লাগে যে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহ মূলতঃ সামাজিক প্ৰতিষ্ঠান। কাৰণ সামাজিক প্ৰতিষ্ঠানৰূপে আমি যদি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানক চাব নোৱাৰো, তেনেহ'লে ইয়াৰ সামাজিক ভূমিকাক লৈ আমি নিজকে সন্দেহৰ আওতালৈ লৈ যাব লগা হয়। অথচ অসমৰ দৰে অঞ্চলত সৰহভাগ শিক্ষানুষ্ঠান সমাজৰ বিভিন্ন স্তৰৰ লোকৰ দান-বৰঙণি, তেজ-ঘামেৰে গঢ়ি উঠা প্ৰতিষ্ঠান। সেয়েহে এনে প্ৰতিষ্ঠানসমূহৰ আপডাল নাইবা বিকাশ এক সামাজিক দায়িত্ব, এক সামাজিক সচেতনতাৰ গুৰুত্বপূৰ্ণ পৰিণতি। আমি আশা কৰিম দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ শৈক্ষিক অগ্ৰগতিয়ে সমাজত এক বহল পৰিসৰৰ সচেতনতাৰ সৃষ্টি কৰিব। ইয়াৰ দেওনা গৰকি যিসকল ছাত্ৰী ওলাই যাব তেওঁলোকে জীৱনৰ পৰৱৰ্তী সময়ত গভীৰ আত্মপ্ৰত্যয় আৰু মৰ্যাদাৰে অনুষ্ঠানটোৰ অংগ আছিল বুলি নিজৰ পৰিচয় দিবলৈ সক্ষম হ'ব।

# সূচীপত্ৰ


❑ সম্পাদকীয়
❑ অধ্যক্ষৰ টোকা
❑ প্ৰবন্ধ
ঔদ্যোগিক বিবাদ বণাম ঔদ্যোগিক বিকাশ ✍ জিনু দাস /১
কল্যাণ অৰ্থনীতি আৰু সুখ দুখৰ ধাৰণা ✍ ড° নিবেদিতা দেৱী /৩
Micro Units Development Agency (Mudra) ✍ Indrani Devi /৫
Value of statistics in psychology and education ✍ Habibur Rahman/৭
Social Change and Education ✍ Tarali Sarma /৯
শিশুৰ বিকাশত পৰিয়ালৰ ভূমিকা ✍ টুটুমণি দাস /১১
শিক্ষা সম্পৰ্কীয় কিছু চিন্তা ✍ বন্দিতা নাথ /১৩
Value Education : The Need of the our ✍ Aliviya Talukdar /১৪
আমি বাৰু মিডিয়া স্বাক্ষৰ নে? ✍ ৰূপম কুমাৰ দাস /১৬
Ethical Egoism of Nietzsche ✍ Mitali Goswami /১৮
The Master Morality and slave morality in Nietzsche's Philosophy ✍ Alaka Das /১৯
এ.পি.জে. আব্দুল কালামৰ জীৱনী ✍ অঞ্জলি দাস /২১
মধ্যযুগীয় অসমৰ বিৱৰণ স্বৰূপ গুৰুচৰিত কথা ✍ ৰুমি দাস /২৩
অজিৎ বৰুৱাৰ 'মন কুঁৱলী সময়' ঃ এক আলোচনা ✍ নীলাক্ষী মেধী /২৬
"মামৰে ধৰা তৰোৱাল" উপন্যাসৰ কাহিনী আৰু পটভূমি ✍ ড° জাহ্নৱী দেৱী /২৮
ড° ভূপেন হাজৰিকা মানুহজন ✍ মধুস্মিতা কলিতা /৩২
ফটোগ্ৰাফী (Photography) ৰ অ-আ, ক-খ ✍ জ্যোতিস্মিতা শৰ্মা /৩৪
নাৰী আৰু সমাজ ✍ ভাগ্যশ্ৰী নাথ /৩৭
বিলাসী সামগ্ৰী অত্যাৱশ্যকীয়া কৰি তোলাৰ ষড়যন্ত্ৰ ✍ অংগনা ঠাকুৰীয়া /৩৮
"ভাষাৰ" 'ধ্বনিতত্ব' বা 'Phonology'ৰ এক চমু পৰিচয় ✍ ভূমিকা নাথ /৪০
মানুহ হোৱাৰ আধাৰ বাক্য আৰু বৰ্তমান সময় ✍ কমলেশ্বৰ বৰা /৪৪
অসমত নাৰী শিক্ষাৰ বিকাশ ঃ এক চমু অৱলোকন ✍ দিপ্তী ৰাণী নাথ /৪৭
❑ গল্প
জীৱনৰ এজাক ধুমুহা ✍ সবিতা দাস /৪৯
ক'ত হেৰাল সেই সোণোৱালী দিনবোৰ ✍ মৰমী বেগম /৫০
স্মৃতিপটত নয়নাৰ জীৱন ✍ দীপাঞ্জলি ঠাকুৰীয়া /৫২
শিৱসাগৰীয়া দৰা ✍ ছাহনাজ আখতাৰ /৫৩
সংঘৰ্ষ এজনী ছোৱালীৰ জীৱনত ✍ বৰ্ণালী তালুকদাৰ /৫৬
বাকাৰাপাৰা প্ৰাথমিক বিদ্যালয় ✍ মৃণালিনী কছাৰী /৫৭
মোৰ আধৰুৱা...কথা ✍ কৰবী দাস /৫৯
জীৱনৰ ঘাট প্ৰতিঘাট নেওচি ✍ মাম্পী মালী /৬১
দহ বছৰীয়া খাঁ ডোখৰ ✍ যুতিকা ঠাকুৰীয়া /৬৩







বিশ্বাসৰ মূলতে অন্ধবিশ্বাস ✍ দিপ্তী ঠাকুৰীয়া /৬৫
ক'লাজ ✍ শিল্পীসুধা গোস্বামী /৬৬
❑ কবিতা
ত্ৰিশ অক্টোবৰৰ নষ্টালজিয়া ✍ মমী চৌধুৰী /৬৯
স্বাগতম ✍ ৰুণু কুমাৰী ঠাকুৰ /৬৯
ঘড়ী ✍ পিংকি দাস /৬৯
মই নাৰী ✍ ৰশ্মিউল চুলতানা /৭০
আঘোণত তোমাক পোৱাৰ আশা ✍ বৰষা ঠাকুৰীয়া /৭০
নিষ্ঠুৰ নিয়তি ✍ আশা কলিতা /৭১
পুৱাৰ বেলিটি ✍ পল্লৱী দাস /৭১
মানুহৰ জীৱন ✍ টুটুমণি নাথ /৭১
সময় ✍ সাধনা কুমাৰী /৭২
সপোনৰ কলেজ ✍ যুতিকা ঠাকুৰীয়া /৭২
অপেক্ষা ✍ সান্ত্বনা গোস্বামী /৭২
মৃত্যু ✍ দিপ্তী ঠাকুৰীয়া/৭৩
বুৰঞ্জী ✍ দিপ্তী ৰাজবংশী /৭৩
ভালপাওঁ বুলি নকবা ✍ সংগীতা গোস্বামী /৭৩
চকুপানী ✍ চন্দ্ৰানী কলিতা /৭৪
শৰতৰ সুৱাস ✍ অনুপ্ৰভা নাথ /৭৪
স্বৰ্গ যাত্ৰা ✍ ৰঞ্জন ভুঞা /৭৫
স্বাগতম সুদক্ষিণা ✍ পূজা ডেকা /৭৫
প্ৰতাৰনা ✍ ৰোজবেৰী চুলতানা /৭৬
ঈদ মোবাৰক ✍ চেমিম চুলতানা /৭৬
আহত জীৱন ✍ বন্দনা ঠাকুৰীয়া /৭৬
দেৱকান্ত বৰুৱাৰ অসাৰ্থক কবিতা ✍ ড° জগন্নাথ বৰ্মন/৭৭
❑ **সংস্কৃতি আৰু নিজা অনুভৱ**
ৰাভা সমাজত বিবাহ পদ্ধতি ✍ যমুনা মালী /৭৯
অসমীয়া লোক-সংস্কৃতিত কলগছৰ ব্যৱহাৰ আৰু উপযোগিতা ✍ নিতা মালী /৮২
সাতপখলী গাঁওৰ ঐতিহ্য কলা-সংস্কৃতি ✍ নন্দিতা দাস /৮৪
ৰজাৰ ইতিবৃত্ত ✍ জুতিকা শৰ্মা/৮৬
বিহুৱতীৰ খোপা শুৱনি কৰা কপৌফুল ✍ অনুপ্ৰভা নাথ /৮৮
নাৰী আৰু সামাজিক নিৰ্যাতন ✍ বনস্মিতা ঠাকুৰীয়া /৯০
নাৰী ✍ মন্দিৰা মালী /৯১
মা-দেউতাৰ প্ৰতি আমাৰ কৰ্তব্য ✍ পিংকি দাস /৯২
পৰেশ চন্দ্ৰ দাস দেৱৰ বিষয়ে কিছু অনুভৱ ✍ কুশল কলিতা /৯৩
❑ **বিভাগীয় সম্পাদিকাৰ প্ৰতিবেদন আৰু মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা/৯৫**
❑ **আলোকচিত্ৰ**
❑ **সম্বৰ্দ্ধনাপত্ৰ**








# সম্পাদকীয়—

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল সমাজ সচেতন, সমাজপ্ৰিয় আৰু দায়িত্বশীল ব্যক্তিৰ অশেষ চেষ্টা আৰু সহায়-সহযোগিতা আৰু দান-বৰঙণিৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিছিল; সেই চিৰনমস্য ব্যক্তিসকলক মই শ্ৰদ্ধাৰে প্ৰণাম জনাই সুঁৱৰিছোঁ। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় দেৱলৈ মই শ্ৰদ্ধা যাচিছোঁ। লগতে মোক প্ৰতিটো পদক্ষেপতে শুদ্ধ পথ দেখুৱাই যোৱা তত্বাৱধায়িকা ড° লীলাৱতী চৌধুৰী বাইদেউ তথা মহাবিদ্যালয়ৰ সমূহ অধ্যাপক, অধ্যাপিকা আৰু কৰ্মচাৰী বৃন্দলৈ মই শ্ৰদ্ধা জ্ঞাপন কৰিছো। দক্ষিণ কামৰূপৰ সমীপৱৰ্তী মিৰ্জা চহৰত স্ত্ৰীসকলৰ বাবে উচ্চ শিক্ষা লাভাৰ্থে ১৯৮৮ চনত জ্ঞানৰ আলয় এই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনি গঢ় লৈ উঠিছিল। সেই মহান ব্যক্তিসকলৰ চেষ্টাৰ ফলতেই আজি সকলোৰে আশা আকাংশাৰ থল দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনিয়ে সুদীৰ্ঘ ২৫ টা বছৰ সগৌৰৱেৰে অতিক্ৰম কৰিলে। পুনৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ জন্মদাতা সকললৈ মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

সাহিত্য হল জাতি এটাৰ দাপোণস্বৰূপ। যি সমাজ তথা জাতিৰ ভাষা সংস্কৃতি চহকী, তাৰ সাহিত্যও চহকী। সাহিত্যৰ বিভিন্ন সম্ভাৰে এটা জাতিক স্বতঃস্ফূৰ্ত ভাবে চৌদিশে পৰিস্ফুট কৰে।

সাহিত্য হৈছে সামগ্ৰিক শব্দ। ই গদ্য, পদ্য উভয়কে বুজায়। সাহিত্য মানৱ সমাজৰ প্ৰমূল্যবোধৰ মাপকাঠী। সুস্থ সমাজ নাথাকিলে সাহিত্যৰ সুস্থ, সবল স্থিতিৰ মূল্যাঙ্কণ কৰাত অসুবিধা হয়। মানুহৰ সুখ-দুখ, আশা, নিৰাশা আৰু অনুভূতি বিলাক যেতিয়া লিখকে কাগজত লিপিবদ্ধ কৰে তাৰ অন্তৰ্নিহিত ভাৱ, অনুভূতিয়ে মানুহৰ অন্তৰৰ গভীৰতম কোণত ঢৌৰ সৃষ্টি কৰে আৰু ভাষাৰ মাধ্যমেৰে প্ৰকাশ পায়, সেয়াই হৈছে সাহিত্য। সাহিত্যই হৈছে সুন্দৰৰ পূজাৰী। সেয়ে সাহিত্য অধ্যয়নৰ ক্ষেত্ৰত পদক্ষেপ লোৱাৰ আগতে সহৃদয়তাক মূলধন স্বৰূপে লৈ আগবঢ়া উচিত।

জীৱনৰ ৰঙীন সপোনবোৰ দিঠকত পৰিণত কৰিবৰ বাবে মই এই মহাবিদ্যালয় প্ৰাংগনত ভৰি দিছিলো। সাহিত্যৰ প্ৰতি মোৰ সৰুৰে পৰা থকা প্ৰবল অণুৰাগ আৰু হেঁপাহৰ বাবে মই ২০১৪-১৫ শিক্ষা বৰ্ষৰ ছাত্ৰী একতা সভাৰ "সাহিত্য আৰু আলোচনী" বিভাগৰ সম্পাদিকা পদৰ প্ৰতিদ্বন্দ্বিতা কৰিছিলোঁ। উক্ত পদটিত জয়ী হৈ আলোচনী সম্পাদিকাৰ দৰে এটি গুৰুত্বপূৰ্ণ পদ লাভৰ বাবে তথা মোৰ হেঁপাহ বাস্তৱত ৰূপায়িত কৰিবলৈ মহাবিদ্যালয়ৰ যি সকল ছাত্ৰীবান্ধৱীয়ে এই সোণালী সুযোগকণ দিলে, এই ছেগতে তেওঁলোকলৈও মই ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু মহাবিদ্যালয়খনৰ আন আন আলোচনী সমূহক নিজ হাতেৰে সজাই পৰাই তুলিবলৈ চেষ্টা কৰিলো। এই ক্ষেত্ৰত তত্বাৱধায়িকা বাইদেউৰে নিজেই আগভাগলৈ মোক দিহা-পৰামৰ্শ দি সময়মতে কাম সম্পন্ন কৰাত সহায় কৰে। মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল "মহাবিদ্যালয় সপ্তাহ" উপলক্ষে প্ৰাচীৰ পত্ৰিকা "হাঁৰাঘাটৰ সপ্তবিংশ বছৰৰ প্ৰথম সংখ্যা"টো উন্মোচন কৰে ড° মালৱিকা বয় বাইদেউৱে। ইয়াৰ ওপৰিও মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতা লগতে আৰ্টৰ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়।

সু
দ
ক্ষি
ণা



দ্বিতীয় কাৰ্যসূচী সৰস্বতী পূজা উপলক্ষে প্ৰাচীৰ পত্ৰিকা "শ্ৰীপঞ্চমী" খন উন্মোচন কৰে ড° আজিজুল হক ছাৰে। সেইখন ছাৰ বাইদেউ সকলোৰ লিখনি সমূহৰ দ্বাৰা লিখি উলিওৱা হৈছিল। "শ্ৰীপঞ্চমী" খনৰ বাবে ছাৰ বাইদেউ সকলে মোক নিৰ্দ্দিষ্ট সময়ত তেওঁলোকৰ লিখনি সমূহ দি সহায় কৰাৰ বাবে তেওঁলোকক আন্তৰিক শ্ৰদ্ধা জনালোঁ।

তৃতীয় কাৰ্যসূচী হৈছে মহাবিদ্যালয়লৈ অহা নতুন ছাত্ৰীসকলক আনুষ্ঠানিক ভাৱে আদৰণি জনোৱা। সেই উদ্দেশ্যে ইংৰাজী ২১-৮-২০১৫ তাৰিখে নৱাগত আদৰণি সভাখন পতা হয়। এই নৱাগতা আদৰণি সভা উপলক্ষে "হাঁৰাঘাটৰ" সপ্তবিংশতম্ বছৰৰ দ্বিতীয় সংখ্যাটো উলিওৱা হয়। সেইখন উন্মোচন কৰে সাহিত্য বিভাগৰ তত্বাৱধায়িকা ড° লীলাৱতী চৌধুৰী বাইদেউৱে, লগতে নৱাগতা আদৰণি সভা উপলক্ষে হাতে লিখা আলোচনী "নীহাৰিকা" উন্মোচন কৰে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ড° মালৱিকা ৰয় বাইদেউৱে। উক্ত প্ৰাচীৰ পত্ৰিকা খন মোৰ মৰমৰ বান্ধৱী সকল আৰু তত্বাৱধায়িকা বাইদেউৰ সহযোগত সজাই পৰাই তোলা হয়। মোৰ কাৰ্যকালৰ শেষ দায়িত্ব মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী "সুদক্ষিণা" খন নতুন ৰূপেৰে, নতুন প্ৰভাতৰ নৱ জেউতীৰে প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছো। সুদক্ষিণাৰ প্ৰতিটো পৃষ্ঠাতে থকা প্ৰবন্ধ, গল্প, কবিতা, মহৎ লোকৰ বাণী, আৰু অন্যান্য আদিৰে পাঠকৰ হৃদয় আকৰ্ষণ কৰিবলৈ ৰঙীণ আল্পনা আঁকিছো। মোৰ এই প্ৰচেষ্টাত মই কিমান দূৰ সফল হব পাৰিছো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। আশা কৰো সুদক্ষিণাৰ এই নৱৰূপে আপোনালোকৰ হৃদয় জয় কৰিবলৈ সক্ষম হব।

"সুদক্ষিণা" সম্পাদনাত মোক সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় ড° গজেন্দ্ৰ অধিকাৰী ছাৰদেৱৰ লগতে মোৰ প্ৰতিটো পদক্ষেপতে সাৰুৱা উপদেশ দি বাট দেখুৱাই যোৱা মোৰ তত্বাৱধায়িকা ড° লীলাৱতী চৌধুৰী বাইদেউ আৰু লগতে অসমীয়া বিভাগৰ অধ্যাপক ড° জগন্নাথ বৰ্মণ ছাৰ দেৱলৈ মই মোৰ শ্ৰদ্ধা তথা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে বাইদেউৰ উপদেশেৰে মই সৰু-বৰ অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম হৈছো। সেইবাবে মই তেওঁৰ ওচৰত চিৰকৃতজ্ঞ।

"সুদক্ষিণা" সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাবৃন্দ, ছাত্ৰী একতা সভাৰ সদস্যা সকল তথা মোৰ বান্ধৱী বনস্মিতা, মানসী, চন্দনা, দীপাঞ্জলী; অনামিকা, বন্দিতা, মধুস্মিতা, সংগীতা, ৰুণু আৰু নজনাকৈয়ে যিসকল ছাত্ৰীয়ে মোক সহায়ৰ হাত আগবঢ়াই মোৰ— কাৰ্যকালৰ সমূহ কাৰ্য সম্পন্ন কৰাত মোক সাফল্যমণ্ডিত কৰিলে সেই সকললৈ মই অসীম কৃতজ্ঞতা তথা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

**সদৌ শেষত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি সুদক্ষিণাৰ লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰি নৱবৰ্ষৰ হিয়াভৰা ওলগ তথা আন্তৰিক শুভেচ্ছা জনাই সম্পাদকীয় কলমৰ ইতিৰেখা টানি ইমানতে সামৰণি মাৰিছোঁ।**

"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"
"জয় আই অসম"।

ধন্যবাদেৰে—

**শ্ৰীবৰ্ণালী তালুকদাৰ**

# অধ্যক্ষৰ টোকা

১ঃ১ নতুনবিষয়ৰ প্ৰচলন আৰু পৰীক্ষাৰ ফলাফল

২০১৪-১৫ বৰ্ষটোৱে আমাৰ মহাবিদ্যালয়ৰ বাবে এক গৌৰৱৰ বতৰা কঢ়িয়াই আনিছে। এই বছৰৰ পৰাই কাৰ্য্যকৰী হোৱাকৈ গুৱাহাটী বিশ্ববিদ্যালয়ে আমাক অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণী (M.A in Assamese) আৰু গণ মাধ্যমৰ (Mas communication) নতুন পাঠ্যক্ৰম স্নাতক পৰ্যায়ত খুলিবলৈ অনুমতি প্ৰদান কৰিছে। ইতিমধ্যে দুয়োটা পাঠ্যক্ৰম আৰম্ভ হৈছে আৰু প্ৰথম ষাণ্মাষিকৰ (1st Semester) পৰীক্ষা সম্পন্ন হৈছে। অহা বৰ্ষৰ পৰা শিক্ষাবিভাগ আৰু ৰাজনীতি বিভাগতো স্নাতকোত্তৰ শ্ৰেণী অনুমতিৰ বাবে আবেদন কৰিবলৈ যত্ন কৰা হ'ব। যোৱা বৰ্ষৰ বিভিন্ন পৰীক্ষাৰ ফলাফল এনেধৰণৰ—

| | | | |
|---|---|---|---|
| 1. H.S 2nd Year : | Total appeared | = | 487 |
| | : Total Pass | = | 280 |
| | Pass % | = | 57.49 % |
| 2. B.A. Semster VI | Total appeared | = | 154 |
| | (a) Major | = | 85 |
| | (b) General | = | 69 |
| | Total Pass | | |
| | (a) Major | = | 79 |
| | (b) General | = | 43 |
| | Pass % | = | 79.22% |

সুখৰ খবৰ যে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়ৰ আমাৰ কলেজৰ অধ্যয়ন কেন্দ্ৰত স্নাতক প্ৰথম ষাণ্মাষিক ছাত্ৰ-ছাত্ৰীসকলৰ আটাই কেইগৰাকীয়ে কৃতকাৰ্য্য লাভ কৰি আমাৰ অধ্যয়ন কেন্দ্ৰলৈ সুনাম কঢ়িয়াই আনিছে। সেয়ে ছাত্ৰ-ছাত্ৰী প্ৰমুখ্য শিক্ষক-শিক্ষয়িত্ৰী সকললৈ ধন্যবাদ জনালো।

১ঃ২ উৎসৱ-পাৰ্বন

মহাবিদ্যালয়ত প্ৰতিবছৰে স্বাধীনতা দিৱস (১৫ আগষ্ট) উলহমালহেৰে পালন কৰা হয়। এইবাৰৰ পৰা উক্ত দিৱসত একোখন আলোচনা চক্ৰ আয়োজন কৰাৰ ব্যৱস্থা কৰা হৈছে। উক্ত আলোচনা চক্ৰত বক্তা সকলে আগবঢ়োৱা বক্তৃতা সমূহ থুপাই 'স্বাধীনতাৰ বৰ্ণালী' নামেৰে প্ৰকাশ কৰাৰ দিহা কৰা হৈছে। ইয়াৰ দ্বাৰা ছাত্ৰী আৰু শিক্ষক সকলৰ প্ৰভূত উপকাৰ সাধন হ'ব বুলি আশা কৰা হৈছে। মহাবিদ্যালয়ত অইনবাৰৰ দৰে এইবাৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। উক্ত তিথিত মহাপুৰুষ গৰাকীৰ জীৱন আৰু কৃতিৰ বিভিন্ন দিশ আলোচনা কৰাৰ উপৰিও ছাত্ৰী আৰু শিক্ষক সকলে একেলগে নাম প্ৰসঙ্গত ভাগলৈ তিথিভাগ অধিক ফলপ্ৰসু কৰি তোলে। মহাবিদ্যালয়ত প্ৰথম বাৰৰ বাবে ছাত্ৰী একতা সভাৰ উদ্যোগত ২৭ ডিচেম্বৰ তাৰিখে লাচিত দিৱস পালন কৰা হয়। উক্ত সভাত বিশেষকৈ বুৰঞ্জী বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰী সকলে অসম বুৰঞ্জীৰ ক্ৰান্তিকৰী ঘটনা শৰাইঘাটৰ যুদ্ধ (১৬৭১খৃঃ) আৰু লাচিত বৰফুকনৰ ভূমিকাৰ ওপৰত তথ্য গধুৰ আলোচনা আগবঢ়ায়। আমাৰ মহাবিদ্যালয়ৰ সৰস্বতী পূজা খন সচাঁকৈয়ে অনন্য আৰু আকৰ্ষণীয় হয়। এইবাৰো ছাত্ৰীসকলে আনন্দ উলাহেৰে সৰস্বতী পূজা পালন কৰে।

এইবাৰৰ নৱাগত আদৰণী সভাখনত উপস্থিত আছিল অন্ধ বিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে সৱৰ আন্দোলন আৰম্ভ কৰা মহীয়ষী নাৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সম্মানীয় ডক্টৰেট ডিগ্ৰীপ্ৰাপ্ত শ্ৰীমতী বিৰুবালা ৰাভা। তেখেতে আমাৰ মহাবিদ্যালয় খনকো তেখেতৰ 'মিশ্যন



উচ্চবৰ্গ সহায়ক শ্ৰীমান পৰেশ চন্দ্ৰ দাস চিৰদিনৰ বাবে আতৰি যায়। তেওঁৰ বিয়োগ মহাবিদ্যালয়ৰ বাবে অপুৰণীয় ক্ষতি। একেদৰে পুথিভড়ালী শ্ৰীমতী জয়া খাউণ্ড বাইদেৱে অৱসৰ পাইছে। তেখেতৰ পাছৰ কালচোৱা সুখে শান্তিৰে পাৰ হওক।

২ঃ২ অমঞ্জুৰিকৃত শিক্ষক কৰ্মচাৰীৰ সমস্যা ঃ

মহাবিদ্যালয়ৰ কামৰ পৰিমাণত কৰ্মচাৰীৰ সংখ্যা কম; ফলত বিদ্যায়তনিক আৰু প্ৰশাসনিক দুয়োধৰণৰ কাম সুচাৰুকৈ চলোৱাত মহাবিদ্যালয়ৰ বাবে বৰ অসুবিধা হৈছে। তদুপৰি বিশবছৰৰো অধিক কাল জুৰি একাংশ শিক্ষক-কৰ্মচাৰীয় সামান্য পাৰিতোষিকৰ বিনিময়ত কাম কৰি আছে। সোনকালে তেওঁলোকৰ পদ সমূহ নিয়মীয়া কৰাৰ বাবে চৰকাৰক আবেদন জনালো। একেদৰে কলেজৰ কৰ্মচাৰী সকলৰ ভিতৰত মুখ্যসহায়ক পদৰ দায়িত্ব চম্ভালি থকা শ্ৰীনিৰল শৰ্মাক অতি সোনকালে চুপাৰভাইজিং এচিচটেণ্ট (S/A) হিচাপে স্বীকৃতি দি তেখেতৰ প্ৰাপ্য মৰ্যাদা আৰু পাৰিতোষিক প্ৰদান কৰা উচিত।

২ঃ৩ মহাবিদ্যালয়ৰ মান নিৰ্ণয় ঃ

ৰাষ্ট্ৰীয় শৈক্ষিক মান নিৰ্ণায়ক সংস্থা ঃ (NAAC) ৰ দ্বাৰা ইতিমধ্যে আমাৰ মহাবিদ্যালয় খনৰ মান নিৰ্দ্ধাৰণ কৰা হৈছিল। সম্প্ৰতি ২য় বাৰৰ বাবে উক্ত মান নিৰ্ণয়ৰ বাবে প্ৰয়োজনীয় নথি পত্ৰ সহ NAAC ৰ কাৰ্য্যালয়লৈ আবেদন জনোৱা হৈছে। ২০১৬ বৰ্ষৰ আৰম্ভণীতে তেখেতসকলৰ চৰজমিন পৰিদৰ্শন হ'ব বুলি আশা কৰা হৈছে। সেইসময়ত প্ৰাক্তন ছাত্ৰী, অভিভাৱক আৰু শুভকাংক্ষী সকলে পূৰ্বৰ দৰে সকলো ধৰণৰ সহায় সহযোগ আগবঢ়ায় যেন।

৩ঃ১ কৃতজ্ঞতা ঃ

সদৌ শেহত মহাবিদ্যালয়খন পৰিচালনাৰ সকলো দিশতে সকলো সময়তে দিহা পৰামৰ্শ দিয়া মহাবিদ্যালয় পৰিচালনা সমিতিৰ মাননীয় সভাপতি শ্ৰীযুত তৰুণ চন্দ্ৰ দাস দেৱকে ধৰি সমূহ সদস্য, শিক্ষক, কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰীসন্থা আৰু ছাত্ৰী একতা সভাৰ সমূহ বিষয়ববীয়াক কৃতজ্ঞতা জ্ঞাপন কৰিলো। উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা, শিক্ষক আৰু কৰ্মচাৰী গোটৰ শ্ৰদ্ধেয় সভাপতি-সম্পাদক ক্ৰমে ড° মালবিকা ৰয়, ড° নৱকান্ত অধিকাৰী, শ্ৰীনিৰল শৰ্মা আৰু শংকৰ কলিতালৈ বিশেষ ধন্যবাদ জনালো। অঞ্চলবাসী ৰাইজৰ মৰম চেনেহে তথা অকৃত্ৰিম ভাল পোৱা পূৰ্ব্বৰ দৰে লাভ কৰি মহাবিদালয় খনে দোপতদোপে আগবাঢ়ি যাব— এয়া আমাৰ পৰম বিশ্বাস।

ইতি—

ড° গজেন্দ্ৰ অধিকাৰী

২১ জানুৱাৰী, ২০১৬ ইং

বিহুবালা'ৰ সদস্যভূক্ত কৰি লৈ আমাক গৌৰৱান্বিত কৰিছে। আন এগৰাকী বিশিষ্ট সাহিত্যিক শ্ৰীমতী এলি আহমেদ বাইদেৱে তেখেতৰ অনন্য বাক ভঙ্গিৰে ছাত্ৰীসকলৰ লগত মত বিনিময় কৰি নৱাগত আদৰণী সভাখন অধিক জীপাল কৰি তোলে। সোণত সুৱগা চৰায় এই সভাখন প্ৰাণৱন্ত কৰি তোলে বিশিষ্ট কণ্ঠ শিল্পী প্ৰিয়ংকা ভৰালীয়ে।

১ঃ৩ নিৰ্মাণ ঃ

বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহাৰ্য্যৰে নিৰ্মিত ছোৱালী নিবাসৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে আৰু অহা শৈক্ষিক বৰ্ষৰ পৰা তাত ছাত্ৰীক থাকিবলৈ দিব পৰা যাব। একেদৰে নিৰ্মিয়মান ক্ৰীড়া ভৱনটিৰ প্ৰথম পৰ্য্যায়ৰ কাম সম্পূৰ্ণ হৈছে। আনহাতে অসম চৰকাৰৰ আৰ্থিক অনুদানেৰে নিৰ্মিত ডিজিটেল ক্লাচৰুম আৰু বিভাগপুঞ্জৰ গৃহটিৰ কামো পূৰ্ণ গতিত আগবাঢ়িছে। এই গৃহটিৰ ভেটি (Foundation) চাৰিমহলীয়াৰ বাবে নিৰ্মাণ কৰা হৈছে আৰু দুটা মহলাৰ কাম সম্পূৰ্ণও হৈছে আৰু সম্প্ৰতি ব্যৱহাৰ কৰাও হৈছে। এই নিৰ্মাণ কাৰ্য্যৰ কাৰিকৰী দিশটো আন্তৰিকতাৰে চোৱাচিতা কৰি অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ মিৰ্জা সংমণ্ডলৰ অভিযন্তা শ্ৰীযুত প্ৰণৱ ৰাভা আৰু কনিষ্ঠ অভিযন্তা শ্ৰীযুত বি ৰয় মহাশয়ে আমাৰ পৰম উপকাৰ সাধন কৰিছে। দুয়ো গৰাকী অভিযন্তালৈ এইছোগতে মহাবিদ্যালয় কৰ্তৃপক্ষৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এইবছৰতে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা আৰু তেখেতৰ সহধৰ্মীনি ডা° বন্দনা ভূঞাই তেওঁলোকৰ জ্যেষ্ঠ ভাতৃ ড° বসন্ত কুমাৰ ভূঞা শ্ৰদ্ধাৰ্ঘ্য তোৰণটি সাজি দি আমাক কৃতাৰ্থ কৰিছে। স্থানীয় বিধায়ক তথা অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী শ্ৰীযুত যতীন মালিদেৱে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ প্ৰস্ৰাবগৃহ এটিৰ বাবে ৫.০০০০০ (পাঁচ) লাখ টকা আগবঢ়াইছিল। উক্ত টকাৰে প্ৰস্ৰাৱগৃহটিৰ প্ৰথম পৰ্য্যায়ৰ কাম শেষ কৰা হৈছে। দ্বিতীয় পৰ্য্যায়ৰ অনুদানৰ বাবে ইতিমধ্যে নথি পত্ৰ জমা দিয়া হৈছে। আশাকৰো সোনকালে বিধায়ক মহাশয়ে দ্বিতীয় পৰ্য্যায়ৰ টকাখিনি মুকলি কৰি দিব।

১ঃ৪ ৰাষ্ট্ৰীয় আলোচনা চক্ৰ ঃ

বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ অৰ্থসাহৰ্য্যত আৰু 'মাহেকীয়া কবিতা' নামৰ সাহিত্য আলোচনীখনৰ সহযোগত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা 'ভাৰতীয় অন্যান্য ভাষাৰ সাহিত্যৰ লগত অসমীয়া সাহিত্যৰ স্থান আৰু মান ঃ এক তুলনামূলক অধ্যয়ন' শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা চক্ৰ এখন ১৬ আৰু ১৭ অক্টোবৰ ২০১৫ ইং তাৰিখে অনুষ্ঠিত হয়। অসম আৰু ভাৰতৰ সাহিত্য আৰু শিক্ষা জগতৰ কেবাগৰাকী কৃতবিদ্যৰ উপস্থিতিয়ে আলোচনা চক্ৰখনৰ সৌষ্ঠব বৃদ্ধি কৰিছিল। সামৰণি সভাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ উত্তৰ পূবৰ যুটীয়া চেক্ৰেটাৰী ড° মহম্মদ আৰিফ মহাশয়ৰ উপস্থিতিয়ে আয়োজক সকলক অধিক উৎসাহ প্ৰদান কৰে।

১ঃ৫ ছাত্ৰীসকললৈ জলপানী আৰু প্ৰশিক্ষণ ঃ

প্ৰতি বছৰৰ দৰে এইবেলিও মুঠতে ৭৬ গৰাকী দুখীয়া আৰু মেধাবী ছাত্ৰীৰ মাজত ছাত্ৰী সাহায্য পুঁজিৰ পৰা মুঠ ৩১,৬০০ টকা বিতৰণ কৰা হৈছে। মুঠ ১১ গৰাকীয়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰ 'ঈশান উদয়' আচনিৰ অধীনত আৰু ১৬ গৰাকীয়ে সংখ্যালঘু শ্ৰেণীৰ বিশেষ আচনিৰ অধীনত বৃত্তি লাভ কৰিছে। বগাৰাম দাস বিমলা দাস ন্যাস আৰু ভূপেন্দ্ৰ কুমাৰ চৌধুৰী ন্যাস আৰু গজেন্দ্ৰ চন্দ্ৰ কলিতা ন্যাসৰ পৰা মুঠ ৭ জনী ছাত্ৰীক ২১৩০০ টকা বৃত্তি দিয়া হৈছে। তদুপৰি অসম চৰকাৰৰ নানা আচনিৰ অধীনত মুঠতে ২০৫ গৰাকী অনুসূচীত, আৰু অন্যান্য পিছ পৰা শ্ৰেণীৰ ছাত্ৰীলৈ মুঠতে ৬,৮১,৬৯০ টকাৰ জলপানি প্ৰদান কৰা হৈছে।

ইয়াৰ বাহিৰেও আমাৰ কলেজৰ প্ৰাক্তন ছাত্ৰী সন্থাৰ সভাপতি শ্ৰীমতী ৰুমাৰাণী শইকীয়াৰ সহযোগত ভাৰত চৰকাৰৰ বিশেষ আচনিৰ অধীনত শতাধিক ছাত্ৰীক বিনামূলীয়াকৈ কম্পিউটাৰৰ প্ৰশিক্ষণ দিয়া হৈছে।

কলেজৰ ৰাষ্ট্ৰীয় সেৱা আচনিৰ (NSS) স্বেচ্ছাসেৱিকা সকলৰ দ্বাৰা মহাবিদ্যালয়ৰ চৌহদ নিয়মীয়াকৈ পৰিস্কাৰ কৰাৰ উপৰিও কামৰূপ জিলাৰ উপযুক্ত মহাশয়ৰ আহ্বানত সহাৰি দি স্বচ্ছ ভাৰত আচনি মতে মিৰ্জা চহৰৰ আবৰ্জনা চাফা কাৰ্যও জনহিতকৰ কামৰ প্ৰতি ছাত্ৰীসকলৰ দায়িত্ববোধৰ প্ৰশিক্ষণ দিয়া হৈছে। ইয়াৰোপৰি দক্ষিণ এচিয়ান গেমচত আমাৰ মহাবিদ্যালয়ৰ কেবাগৰাকী ছাত্ৰী আৰু শিক্ষকে স্বেচ্ছাসেৱকৰ দায়িত্বৰ বাবে প্ৰশিক্ষণ লৈছে।

২ঃ১ এই স্তম্ভত মহাবিদ্যালয়ৰ শৈক্ষিক আৰু প্ৰশাসনিক দিশৰ চমু বিৱৰণ এটি দাঙি ধৰা হ'ল। এই বছৰতে আমাৰ মাজৰ পৰা

# ঔদ্যোগিক বিবাদ বণাম ঔদ্যোগিক বিকাশ

জিনু দাস
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ

ভাৰতবৰ্ষৰ নিচিনা এক মিশ্ৰ অৰ্থনীতিৰ দেশত বিভিন্ন দিশত হোৱা শ্ৰমিক আৰু মালিক পক্ষৰ বিবাদৰ বাবে উৎপাদনৰ লগতে উন্নয়নৰ পৰিৱেশ দূষিত হৈছে। এই বিবাদ প্ৰায়েই সংঘটিত হয়। মালিক বা নিয়োগকৰ্তা আৰু শ্ৰমিক সকলৰ মাজত হোৱা মতানক্যৰ বাবে এনে বিবাদ সৃষ্টি হয়। মালিক পক্ষই মজুৰি বৃদ্ধিৰ লগতে কামৰ সময় বৃদ্ধি কৰাৰ চেষ্টাত থাকে আনহাতে শ্ৰমিক সকলে শ্ৰমিক সংঘৰ লগ লাগি মজুৰি বৃদ্ধিৰ লগতে আন আন প্ৰয়োজনীয় চৰ্তসমূহ পূৰণৰ বাবে প্ৰতিবাদী কাৰ্যসূচীত লিপ্ত হয়। এনে প্ৰতিবাদী কাৰ্যসূচীৰ ভিতৰত লাহে লাহে কাম কৰা, ক্ষোভ প্ৰদৰ্শন, ঘেৰাও, ধৰ্মঘট আদি লেখত লব পাৰি। আনপিনে মালিক পক্ষই শৃংখলা বজাই ৰখা আৰু নিজ স্বাৰ্থ পূৰণ কৰিবলৈ শ্ৰমিক ছাটাই, কৰ্মচাৰীক বৰ্খাস্ত আৰু চূড়ান্ত ক্ষেত্ৰত শ্ৰমিক সকলক কামত সোমাবলৈ নিদিবৰ বাবে তলাবন্ধ (lock out) ঘোষণা কৰিব পাৰে। গতিকে ধৰ্মঘট আৰু তলাবন্ধ দুয়োটাই এক চূড়ান্ত পৰ্যায় যত যথেষ্ট সংখ্যক মানৱ সম্পদ আৰু উৎপাদন নষ্ট হয়। শ্ৰমিক পক্ষ আৰু মালিক পক্ষৰ এনে বিবাদক ঔদ্যোগিক বিবাদ বুলি কোৱা হয়।

ভাৰতত ঔদ্যোগিক বিকাশৰ লগে লগে এনে বিবাদৰ সংখ্যাও ক্ৰমান্বয়ে বাঢ়ি গৈ আছে। বাৰ্দ্ধিত মূল্যস্তৰ, জীৱন ধাৰণৰ ব্যয়, শ্ৰমিকপক্ষৰ দক্ষতাহীনতা, ঔদ্যোগিক উৎপাদন কমি যোৱা বিবাদৰ মূল কাৰণ বুলি ধৰিব পাৰি। শ্ৰমিকৰ দক্ষতাহীনতাই শ্ৰমিক জনৰ শৃঙ্খলতাহীনতা, মানসিক অসুস্থতা বৃদ্ধিত অৰিহণা যোগায়। তথ্যমতে পৰিকল্পনাৰ কালছোৱাত ঔদ্যোগিক বিবাদৰ সমস্যা যথেষ্ট বৃদ্ধি পাইছিল। ১৯৭৪ চনত মুঠ কৰ্মবিৰতিৰ সংখ্যা ২,৯৩৮ লৈ বৃদ্ধি পাইছিল যি প্ৰায় ২৮.৫৫ লাখ শ্ৰমিকক বিপদত পেলাইছিল আৰু ইয়াৰ ফলত ৪০২.৬ লাখ জন-দিৱসৰ লোকচান হৈছিল। ১৯৭৫ চনত জৰুৰী অৱস্থা ঘোষণাৰ পিছত এই বিবাদ কমি আহিছিল যদিও ১৮৭৭ আৰু ১৯৭৮ চনত হঠাৎ এই বিবাদৰ সংখ্যা বৃদ্ধি পায়। সাম্প্ৰতিক কালত ঔদ্যোগিক বিবাদ সংঘাট, হৈয়ে আছে। এনে বিবাদৰ লগ জড়িত ধৰ্মঘট আৰু তলাবন্ধ ঘোষণাৰ ফলত নষ্ট হোৱা জন দিৱসৰ সংখ্যা ১৯৮৯-৯০ চনৰ ৩০.৭৭ নিযুতৰ পৰা কিছু কমি গৈ ১৯৯০-৯১ চনত ২৩.৬০ নিযুত হৈছিল, কিন্তু ১৯৯১-৯২ চনত এই জনদিৱসৰ লোকচানৰ পৰিমান ৩৪.১২ নিযুতলৈ বৃদ্ধি পায়।

ঔদ্যোগিক বিবাদ বুলিলে কেইবাটাও কাৰণলৈ আঙুলিয়াব পাৰি—

(১) মজুৰি বা ওপৰঞ্চি বানচ বৃদ্ধিৰ দাবী।
(২) শ্ৰমিক সকলৰ ওপৰঞ্চি লাভ বা বানচৰ দাবী।
(৩) শ্ৰমিক ছাটাই, যত শ্ৰমিক সকলক বাধ্যতামূলক অৱসৰ বা কামৰ পৰা বিতাৰিত কৰা হয়।
(৪) শ্ৰমিকৰ কামৰ পৰিৱেশ বা চৰ্ত উন্নয়ণৰ দাবী।
(৫) তলাবন্ধ ঘোষণা।
(৬) মালিক পক্ষৰ একপক্ষীয় মানোভাৱ।
(৭) অন্যান্য কাৰণ যেনে— কৰ্ম সময় হ্ৰাস, কৰ্মক্ষেত্ৰত নিৰাপত্তা বৃদ্ধি, কৰ্মক্ষেত্ৰত কেনটিন, শৌচাগৰ আদিৰ সুব্যৱস্থা কৰাৰ দাবীৰ বাবে বিবাদৰ সৃষ্টি হয়।

কেৱল ঔদ্যোগিক ক্ষেত্ৰতেই নহয় আন আন ক্ষেত্ৰ যেনে শিক্ষা, সমাজ, কল্যাণ, স্বাস্থ্য, পৰিবহন আৰু যোগাযোগ আদি সকলোবোৰ দিশত শ্ৰমিক মালিকৰ মাজত সুসম্পৰ্ক উন্নয়নৰ এটি

উল্লেখযোগ্য উপাদান হিচাবে লব পাৰি। এনে সম্পৰ্ক য'ত বিশ্বাস, নিৰাপত্তা, সৰ্বাধিক সন্তোষ, স্বজন- প্ৰীতিহিন অৱস্থা থাকে আৰু যাৰ সামগ্ৰিক প্ৰচেষ্টাও সকলোবোৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ উন্নতিৰ এক কাম্য সূত্ৰ হিচাপে পৰিগণিত হয়। আনহাতে এনে অৱস্থাৰ বিপৰীত মুখী পৰিস্থিতিত বিবাদৰ সৃষ্টি হয় আৰু দুয়ো পক্ষৰেই সমান ক্ষতি অৱশ্যম্ভাৱী। সেয়েহে পৰাপক্ষত দুয়োপক্ষই এনে বিবাদ এৰাই চলিব লাগে। কাৰণ এই বিবাদ কোনো ব্যক্তি বিশেষৰ বিৰুদ্ধে নহয়। কোনো উদ্যোগ বা প্ৰতিষ্ঠানৰ সামগ্ৰিক কল্যাণৰ বৃহত্তৰ স্বাৰ্থত ক্ষুদ্ৰ স্বাৰ্থৰে পৰিপূৰ্ণ বিবাদবোৰ পৰিত্যাগ কৰিব পৰিলেহে সকলোৰে বাবে মঙ্গলদায়ক হব। অন্যথাই শ্ৰমিক মালিক দুয়ো পক্ষই ৰুগ্ন প্ৰতিষ্ঠান এটাৰ অগ্ৰগতি বহুদূৰলৈ দেখিবলৈ নাপাব। বিশ্ব অৰ্থনীতিত পংগু অংগ হলে বিশ্বই ভৱিষ্যতলৈ কেতিয়াও গ্ৰহণ নকৰিব বুলি জানিয়েই সুধী কণ্ঠই গীতৰ জৰিয়তে সকলোকে সকিয়াই থৈ যোৱা নাই জানো? ❑

সহায়ক গ্ৰন্থ ঃ ভাৰতীয় অৰ্থনীতিৰ ৰূপৰেখা' —পি. কে. ধৰ।

✦✦✦✦✦

## অসমৰ বিষয়ে জানিবলগীয়া কথা

➤ অসমৰ মাটিকালি কিমান?
উত্তৰঃ ৭৮.৪৩৮ বৰ্গ কিলো মিটাৰ (২০১১)।

➤ মুঠ জনসংখ্যা কিমান?
উত্তৰঃ ৩,১১,৬৯,২৭২ জন (২০১১)।

➤ মহিলা কেইগৰাকী?
উত্তৰঃ ১,৫২,১৪,৩৪৫ গৰাকী।

➤ অসমৰ নগৰ কেইখন?
উত্তৰঃ ১২৫ খন।

➤ নগৰ কিমান শতাংশ লোক বাস কৰে?
উত্তৰঃ ১৪.৭২ শতাংশ।

➤ গাঁৱত বাস কৰা লোক কিমান শতাংশ?
উত্তৰঃ ৮৬ শতাংশ।

➤ অসমৰ গাঁও কেইখন?
উত্তৰঃ ২৬,৩১২ খন।

➤ অসমৰ গাঁও পঞ্চায়ত কেইখন?
উত্তৰঃ ২২০২ খন।

➤ অসমৰ উন্নয়ন খণ্ড কেইটা?
উত্তৰঃ ২১৯ টা।

➤ প্ৰতি এহেজাৰ পুৰুষৰ বিপৰীতে নাৰীৰ সংখ্যা কিমান?
উত্তৰঃ ৯৫৪

➤ সাক্ষৰতাৰ হাৰ শতকৰা কিমান?
উত্তৰঃ ৭৩.২৮ জন।

➤ মহিলা সাক্ষৰতাৰ হাৰ কিমান?
উত্তৰঃ ৬৭.২৭ শতাংশ।

➤ পুৰুষৰ সাক্ষৰতাৰ হাৰ কিমান?
উত্তৰঃ ৭৮.৮১ শতাংশ।

➤ জনবসতিৰ ঘনত্ব কিমান?
উত্তৰঃ প্ৰতি বৰ্গ কি.মি.ত ৩৯৭ জন।

সংগ্ৰাহক ঃ **হিমাশ্ৰী ঠাকুৰীয়া**
উঃ মাঃ প্ৰথম বৰ্ষ





# কল্যাণ অৰ্থনীতি আৰু সুখ দুখৰ ধাৰণা

✍ ড° নিবেদিতা দেৱী
*সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ*

ইংৰাজীত এযাৰ কথা আছে "Happiness depends on quality of your thought". কথাযাৰিৰ যথেষ্ট তাৎপৰ্য্য আছে। অৰ্থাৎ আমাৰ চিন্তাধাৰাৰ গুনাগুণৰ ওপৰত আমাৰ সুখ দুখ নিৰ্ভৰ কৰে। সঠিক আৰু শুদ্ধ চিন্তাৰ দ্বাৰাহে মানুহৰ উৎকৰ্ষ সাধণ হ'ব পাৰে। অৰ্থনীতি শাস্ত্ৰত নোবেল বটা বিজয়ী অধ্যাপক অমৰ্ত্য সেনে সুখৰ তত্ব অৰ্থাৎ Theory of Happiness বুলি এটি ধাৰণা কল্যান শব্দটোৰ লগত সাঙোৰ খুৱাই কল্যাণৰ তত্বৰ এটা নতুন পথৰ সন্ধান দিছে। তেওঁৰ মতে কল্যান শব্দটোৰ লগত কেৱল অৰ্থ বা টকা পইচাই জড়িত হৈ থকা নাই। ই হৈছে এটা মনঃস্তাত্বিক বিষয়। সুখৰ মাত্ৰা কম বা বেছি কৰাৰ এটা নিৰ্দ্দিষ্ট সূচকহে (INDEX) হৈছে আয় বা উপাৰ্জন। জাতিৰ পিতা মহাত্মা গান্ধীয়ে তেওঁৰ তত্ব গধুৰ ধাৰণাসমূহত মানুহৰ মনৰ লগত আৰ্থিক উপাৰ্জনৰ সম্পৰ্কৰ কথা, ধনী দুখীয়াৰ পৃথক পৃথক কল্যাণৰ ওপৰত অৰ্থ উপাৰ্জনৰ প্ৰভাৱৰ কথা নিয়াৰিকৈ আলোচনা কৰি থৈ গৈছে। গান্ধীজীয়ে পূৰ্বতেই কৈছিল যে যিবিলাক বিষয়ে মানুহক অসুখী কৰে সেইবোৰ আৰম্ভ হয় অভাৱৰ পিছত অভাৱ লগ হৈ। আৰু সুখ পোৱা যায় অৰ্থ বা আয়ক অভাৱ বা প্ৰয়োজন আৰু বস্তুৰ দামৰে হৰণ কৰি। অৰ্থাৎ H=Y/P.W. অৰ্থাৎ happiness=Income/price.wants. আনহাতে প্ৰফেচাৰ সেণে বিশ্বাস কৰে যে প্ৰয়োজনীয় সম্পত্তিবোৰ আহৰণ কৰিলেই মানুহ সুখী নহয়। সুখ নিৰ্ভৰ কৰে জীৱনৰ সফলতা আৰু বিফলতাৰ ওপৰত। প্ৰয়োজনীয় সম্পদ আহৰণ কৰি সফলতাৰ শিখৰত কিমান দূৰ উঠিব পাৰিছে সেই কথাহে সুখৰ লগত জড়িত। গতিকে আৰ্থিক কল্যাণৰ বাবে সামাজিক ন্যায় প্ৰতিষ্ঠাৰ দৰকাৰ; ইয়াৰ দ্বাৰাহে মানুহৰ সন্তুষ্টি অৰ্থাৎ সুখ হয়।

মহাত্মা গান্ধীৰ এচোৱা উক্তিৰ ভাবনুবাদ এইখিনিতে উল্লেখ কৰিলো। " মানুহৰ মন এটা বিশ্ৰামহীণ পক্ষীৰ দৰে, যিমানেই ই পায় সিমানেই ই আৰু পাবলৈ ইচ্ছা কৰে আৰু সকলো পোৱাৰ পিছতো অসন্তুষ্টিত ভূগে। আমাৰ পূৰ্বপুৰুষ সকলে সেইবাবেই আমাৰ অধিক বিচৰাৰ বাবে উৎসাহিত হোৱা ভাবৰ এডাল সীমাৰেখা বান্ধি দিছিল। তেওঁলোকে চিন্তা কৰিছিল যে সুখানুভূতি সৰ্বতোপ্ৰকাৰে এক মানসিক অৱস্থা। এজন মানুহ কেৱল ধনী বাবেই সুখী হ'ব নোৱাৰে বা দৰিদ্ৰ বাবেই অসুখী হ'ব নোৱাৰে। প্ৰায়েই দেখা যায় ধনী সকল দুখীয়া সকলতকৈ বেছিহে অসুখী।"

গান্ধীজীৰ এই দৰ্শনৰ আজিৰ যান্ত্ৰিক জগতত যাথেষ্ট সত্যতা আছে। ভাৰতবৰ্ষৰ দৰে মিশ্ৰ অৰ্থনীতিৰ দেশত সামাজিক কল্যাণৰ লগত অৰ্থনৈতিক কল্যাণ কিমানজন মানুহৰ হৈছে সেইটো এটা প্ৰশ্নবোধক চিন। শতকৰা 43 ভাগ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ভাৰতবৰ্ষত বস্তি অঞ্চলৰ অভাৱ নাই। কিন্তু তেওঁলোকৰ মাজত সুখী মানুহৰ অভাৱ নেকি? আজি যি ধৰণে মানুহে ভোগবাদী সমাজ ব্যৱস্থাৰ ফাললৈ গতি কৰিছে ইয়াক চাই ধাৰণা হয় যে কেৱল অৰ্থইহে মানুহক সুখৰ সপোন দেখুৱাইছে। এজন প্ৰখ্যাত মনিষীয়ে কৈছিল "টকা পইচাৰে মানুহে সোণৰ বিচনা কিনিব পাৰে কিন্তু টোপনী কিনিব নোৱাৰে।" অৱশ্যে আজিৰ বস্তুবাদী সমস্যাত পইচা থাকিলে টোপনী আহা বড়ি খাই সুখ নিদ্ৰাত ৰাত্ৰি যাপণ কৰিব পাৰি বুলি যুক্তি তৰ্কত অৱতীৰ্ণ হোৱা মানুহৰ অভাৱ নাই।

মানুহক প্ৰকৃত সুখৰ সন্ধান দিব পৰা চাৰিটা প্ৰধান আহিলা হ'ল সুস্বাস্থ্য, জ্ঞান আহৰণ, পৰোপকাৰ আৰু প্ৰাৰ্থনা। জ্ঞান আহৰণৰ

বাবে অধ্যয়ণৰ প্ৰয়োজন, গুণী জ্ঞানীমানুহৰ সৈতে মত বিনিময় তথা প্ৰকৃতিৰ লগত একাত্মা হৈও মানুহে জ্ঞান আহৰণ কৰিব পাৰে। কিন্তু আজিৰ ইণ্টাৰনেটৰ যুগত এয়া কিমান দূৰ সম্ভৱ! পৰোপকাৰ পৰম ধৰ্ম। নিঃস্বাৰ্থ ভাৱে কাৰোবাক সহায় কৰি যি আনন্দ পোৱা যায় সেয়া কৰোতা জনেহে বুজে। কবিয়ে কৈছে "স্বাৰ্থৰবাটত দুখৰ কাইট/ খোজেপতি বিন্ধে হুলে/নিঃস্বাৰ্থৰ বাট সেন্দুৰীয়া আলি/সুগন্ধি কুসুম ফুলে"।

সুখ অনুভৱৰ আন এক উৎস হ'ল প্ৰাৰ্থনা। ঈশ্বৰ বা ধৰ্মগুৰুৰ উপাসনা অৰ্থাৎ প্ৰাৰ্থনা হৈছে মানুহৰ মনলৈ আত্মবিশ্বাস, আত্মপ্ৰত্যয় আদি বিশ্বাসৰ জন্ম দিব পৰা এটা উপায়। ধৰ্মীয় বিশ্বাসে দুৰ্বল লোকক সবল কৰিব পাৰে, অসুখী বিভ্ৰান্তলোকক পথৰ সন্ধান দিব পাৰে।

'জীৱন শব্দটো বিপুল সম্ভাৱনাসূচক। পূৰ্ণ, সু-সংগতি পূৰ্ণ অখণ্ড আৰু উদ্যমশীল ব্যক্তি হ'বৰ বাবে জীৱনত একান্ত প্ৰয়োজনবোৰৰ অন্যতম হ'ল স্বাস্থ্য। শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দিশত উন্নত হলেই এজনলোকক স্বাস্থ্যৱাণ বুলি কোৱা হয়। সামাজিক কল্যাণৰ লগতে আৰ্থিক কল্যাণো সুস্বাস্থ্যৰ লগত জড়িত।

অমৰ্ত্য সেনৰ 'The Idea of justice' এখন বৰ মনোগ্ৰাহী অৰ্থনীতি বিষয়ক গ্ৰন্থ। ইয়াৰ 'Economices of Happines' শীৰ্ষক অধ্যয়ত তেওঁ কৈছে যে পৃথিৱীৰ প্ৰায়বোৰ ঠাইত বহুতো মানুহ পূৰ্বতকৈ বহু ধনী হৈছে আৰু তেওঁলোকৰ ভোগ বিলাসত আয়ৰ এটা বৃহৎ অংশ পূৰ্বতকৈ বেছি খৰচ হৈছে। কিন্তু দেখা গৈছে যে তেওঁবিলাকে পূৰ্বতকৈ সুখী অনুভৱ কৰিব পৰা নাই। সেইবাবে আজিৰ পৃথিৱীত মানুহে আনন্দ বিহীন জীৱনৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় বিচাৰিছে। কল্যাণ অৰ্থনীতিত কোৱা হৈছে যে Happinessৰ (সুখ) লগত Freedom অৰ্থাৎ স্বাধীনতা জড়িত হৈ আছে। আমি সুখী নে অসুখী তাক জানিবলৈ অৰ্থনৈতিক কল্যাণৰ লগতে এটা স্বাধীনচেতীয়া জীৱন আৰু মনৰ সংযোগ ঘটাতো গুৰুত্বপূৰ্ণ বুলি অৰ্থনীতিবিদ সকলে মত পোষণ কৰিছে।

সুখৰ সংজ্ঞা ব্যক্তি বিশেষে ভিন্ন হব পাৰে কাৰণ সকলো ব্যক্তিৰে সুখ আহৰণৰ পথ বেলেগ বেলেগ হ'ব পাৰে। কোনোবাই নিজস্ব সৃষ্টিৰ মাজেদি সুখ আহৰণ কৰে। শিক্ষকে ছাত্ৰক ভালদৰে পঢ়ুৱাব পাৰিলে সুখ অনুভৱ কৰে, খেলুৱৈসকলে খেল খেলি আৰু দৰ্শকে খেল চাই সুখ আৰ্জিব পাৰে। কিন্তু কিছুমান সুখ ক্ষন্তেকীয়া, কিছুমান দীৰ্ঘকাললৈ ক্ৰিয়া কৰা বিধৰ।

নেপোলিয়ানে এবাৰ আক্ষেপ কৰি কৈছিল—

"Man can invent everything except the Art of being happy". নিজৰ শক্তি সামৰ্থ্যৰ উৰ্দ্ধত আকাংক্ষাক স্থান দিলে তৰাপৰা বিফলতা আহে আৰু বিফলতাই মানুহক অসুখী কৰে। বাট্ৰাণ্ড ৰাচেলৰ মতে 'সুখ হৈছে এক যুক্তি নিৰ্ভৰ অনুসন্ধান প্ৰক্ৰিয়া'। ড° ৰাধাকৃষ্ণনে জীৱন সম্পৰ্কে মানুহক সদায় এটা সদৰ্থক দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ উপদেশ দিছিল। 'আস্থা আৰু অভিজ্ঞতা' নামৰ ড° প্ৰফুল্ল কটকীৰ অনুদিত পুথিখনত লিখকে কৈছে "সুখৰ স্থান মৃদু মধুৰতাত নাথাকে। জোনাক আৰু গোলাপত ইয়াক পোৱা নাযায়। প্ৰতিকূল অৱস্থা, দুঃখ ভোগ, কষ্ট, আয়াস, সাধ্যতাৰ মাজেদিহে গভীৰ সুখানুভৱৰ উপলব্ধি হয়। ইয়াৰ পৰা পোৱা আনন্দ এক সপ্ৰয়াস অশ্ৰুসিক্ত আনন্দ। আপুনি আজি যদি কষ্ট ভোগ কৰিছে তেনেহলে তাতে পুতি থোৱা সুখ নামৰ সোণৰ টুকুৰা এটাৰ সাৱধাণে সন্ধান কৰক।"

পৰিবৰ্ত্তনেই সংসাৰৰ নিয়ম। গতিশীল জীৱন ভাল পোৱা ব্যক্তিসকলে পৰিবৰ্ত্তন বিচাৰে। পৰিবৰ্ত্তনে নতুনক গঢ় দিয়ে আৰু নতুনৰ পৰা সৃষ্টি হয় একোটা সংস্কৃতি। পৰোক্ষ ভাৱে ইয়েই মানৱ জীৱনলৈ সুখ কঢ়িয়াই আনে। ❑

✦✦✦✦✦





# MICRO UNITS DEVELOPMENT AGENCY (MUDRA)

✍ ***Indrani Devi***
*Associate Professor*
*Deptt. of Economies*

Speaking at the launch of the Pradhan Mantri MUDRA Yojana in New Delhi, The prime Minister Said that supporting the small entrepreneurs of India is the biggest way to help the Indian economy grow and prosper.

To 'fund the unfunded' self employed as well as small businesses, Prime Minister launched the MUDRA Yojana on 08th April, 2015 that will offer loans upto Rs. 10 lakh at low rate of interests.

The initial products and schemes under the umbrella have already bean created and the interventions have been named "Shishu". "Kishor" and "Tarun" to signify the stage of growth /development and funding needs of the beneficiary micro unit/entrepreneur as also provide a reference point for the next phase of growth for the entrepreneur to aspire for.

1. Shishu : Covering loans upto Rs.50,000/-
2. Kishor : Covering loans above Rs.50,000/- and upto Rs. 5 lakhs.
3. Tarun : Covering loans above Rs. 5 lakhs and upto Rs. 10 lakhs.

Businesses / unit covered would include proprietorship / partnership firm running as small manufacturing unit, Shopkeepers, fruits/ vegetables sellers, hair cutting saloons, beauty parlours, transporters, truck operators, hawkers, self help groups, etc. in rural and urban areas with financing requirements upto Rs. 10 lakhs.

The products initially been launched are as under :-

Specific schemes, such as schemes for buisness activity in Land transport, community, social and personal services, Food product and textile product sectors. Scheme would similarly be added for other sectors/activities–

1. Micro Credit schemes (MCS)
2. Rafinance Scheme for Regional Rural Bank (RRBs).
3. Mahila Uddyami schemes.
4. Business Loan for Traders and shopkeepers.
5. Missing Middle Credit scheme.
6. Equipment Finance for Micro Units.

The Prime Minister said that in our

country, one often experiences that things revolve around mere perceptions, while the details often point a different picture. Giving the example of the perception that large industries create more employment, he said that a look at the details reveals the reality that only 1 crore 25 lakh people find employment in large industries, whereas small enterprises employ 12 crore people in the cauntry.

But in India only 4 percent of small business units get institutional finance out of 5.77 crore small business units, which runs small manufacturing, trading or service activities, as per NSSO data released in 2013.

"Till now 42 lakh people have taken benefits under the MUDRA scheme and loans of Rs. 26,000 Crores have been given" Prime Minister said, while launching the scheme in Jharkhand on 2nd October 2015.

Of these 42 lakhs people, 20 lakhs are women. This is the best example of empowerment of women who will become a part of the development.

While launching the scheme, the Prime Minister said that mere launching of schemes is not progress.Real success lies in real change on the ground. He said that the established financial system will soon move to the MUDRA model of functioning, i.e. to support entrepreneures that give employment to a large number of people using lest amount of funds.

MUDRA is expected to be beneficial for small and medium enterprises and consequently will enhance their output, income level and employblility.

For the success of the scheme it is very much essential that people should be aware of such schemes. It should be responsibility of all conscious people to make the people aware about the benefits of the scheme and encourage them to avail the benefit provided by the scheme. ❑

**REFERENCE :**

1. MUDRA Bank for enhanching Microfinance– Dr Abhijit sarkar (Kurukshetra Vol. 63)
2. WWW.financial express.Com.
3. WWW. indiainfoline.Com.

✦✦✦✦✦





# Value of statistics in Psychology And Education

✍ **Habibur Rahman**
*Associate Professor*
*Deptt. of Education.*

Now statistics used in many fields, our knowledge and decisions with regard to everything depend on the facts and data available. In economics, statistics helps collection and interpretation of data regarding price, export, import, national imcome, production, etc. In industries, it helps collection and interpretation of data regarding raw material, source of power, transport, employees, and the like. In the task of national reconstruction, it aids in planning. Proper decisions with regard to capital formulation, distribution of income, consumption, population, etc. can be taken only on the basis of available data. Speculators require statistics to know how much stock is available and what stock has yet to arrive in the market. Meterologists use stalistics in keeping the records of rainfall and tempreratüre of various places. The state requires statistics about population, army, income, expenditure taxes, unemployment, health etc. In insurance companies, premium rates are calculated on the basis of probable deaths, life-expectancy, etc. For psychologists and educationists, statistics is useful in test construction, experiments and research.

Statistics has become fundamental in education and psychology. According Guilford, it helps the student of education and psychology in the following ways.

(i) To read the professional literature :- It is not possible to read literature in any specialised field, particularly in the social sciences such as education and psychology, without an understanding of statistical symbolse, concepts and ideas.

(ii) To master techniques in advanced Courses :- In many psychological investigations, statistical understanding is a must. For example, in the laboratory couse results cannot be treated and reports cannot be written unless the student has some stalistical knowledge.

(iii) To have professional training :- Statistical knowledge is very essential for a trained psychologist- Tests cannot be constructed or their results cannot be

interpreated without the knowledge of statistics.

(iv) To keep in touch with research activites :- Knowledge of statistices is very essential to keep research interests alive. If one does not has this knowledge, he will lag behind and cannot keep pace with the advance knowledge in the field.

Statistics has a great role in research. As Guilford put its (a) statistics permits and exact description, because mathematics and statistics both are an essential part of our descriptive language,(b) it helps us to have definite and exact procedures, (c) it enable us to summarise our results in meaningful and converient terms, brings order to choos and see the general picture,(d) it enable us to draw general conclusions with the errors made and their signifi-cance. (e) it help prediction, e.g.prediction of achievement on the basis of intelligence, and (f) it help us to analyse causal factors out of complex events.

Thus, value of statistics in research can not be over-emphasised. In psychology and education we encounter problems such as the measurement of difference among indiuiduals, evaluation or the result of instruction, organisation and administration of schools etc. Statistics has a great say in each of these tasks.

It is useful in psychological research as well as in other fields, whether it is economics, biology, sociology, agriculture or anthropology. As Tate explain in his 'statistics in Education' it helps research in two ways; First of all, it aids in the classification, organisation and summarisation of material facts, so that they may be more readily comprehended and interpreated. Secondly, statistics enables us to infer conclusions and probable nature of objects. It helps us to draw conclusions about the population on the basis of sample. For examples, the conclusion that all men are mortal is not based on the observation of death of all men, but only some men.

Henry Garret in his book, 'Statistics in Psychology and Education' has pointed some important uses of statistics. Precisely speaking, statistics is essential in (i) the study of indiuidual man, how he behaves, thinks, feels and learns, (ii) in the study of social groups or when we wish to compare one group with another group, (iii) in comparing the individual with the norm for his age, class or race, (iv) in drawing curves of growth and development which are vitally important for educatros, (v) in the study of heredity and environment, and (vi) in the study of interrelation of traits in a group of indiuiduals as also in factor analysis. It is because of there reasons that the current psychological and educational literature is full of statistical terms and techniques.❑

Reference :-
1) Measurement and Evaluation in psychology and Education.– Dr. Bipin Asthana.
2) Statistics in psychology and education.' Henry Garret.
3) Measurement and Evaluation in Psychology and Education.– Dr. Marami Goswami.





# Social Change and Education

✍ **Tarali Sarma**
*Ex-Student*

Change is the law of nature. It is a continous process. All things, ideas, civilization, culure and principles of the world changes in course of time. Changes are alway taking place in every society. Change is the law of life. it is an ever present phenomenon everywhere. An ancient Greek Philosopher Heraclitus said that it is not possible for a man to step into the same river twice. It is impossible, becauses in the interval of time between the first and second stepping both the river and the man have changed. Neither remains the same.

Change is a universal process. Any alteration or modification that takes place in an object or situation can be termed as change. Social change has occurred in all societies and at all times. Society is influenced by many factors which bring changes. Indian is today is different from the India of yesterday. Besides economic growth, there are many factors like - population explosion, earthquake, flood, unemployment, migration, war etc. Which are also contributing to many changes around the world.

Change not only takes in the outer world, but it occours in the minds of people also. In order to adjust with the changing environment man develops new feelings, habits, aspirations and ideals. It is man who brings changes. He invents new things and creates new ideas by his imagination. A man can change his natural and social environment in his effort of adaptation. To bring change in the surrounding man takes help of science and technology. Education also plays a major role to bring change. But some changes take place suddenly in which no help from education is taken. Such changes are neither planned nor due to education and it is very difficult to know their causes and nature. But man gladly accepts them if he gets pleasure from such changes.

Social change may be mentioned as the change in social setting. Whenever Social change occurs, It bring change in social values, social relationship, in politics, in economics and even culture of the society. change reflects the dynamic nature of the society. Social change is a continuous process. Society is in a state of continuous change. But the rate of social change differs from society to society. It is not same at all places. Social change is the result of a large number of factors. These factors determine the rate and direction of social change. These factors can be classified as physical,

biological, cultural and technological. These are regareded as the potential factors of social change. Though social change is universal, but there are some other factors which resist social change. Some of the main reasons for the opposition to social change are as follows:

a) Lack of new inventions.
b) Rejection or non-acceptance of new invention.
c) Imperfections of new inventions.
d) Ignorance.
e) The power of vested interests.
f) Population growth.
g) Ethnicity.
h) Economic disparity and difficulty.

Education is considered as the most powerful instrument of social change. It is through education that the society can bring desirable changes and modermize itself. Education is closely related to social change, because inventions and discoveries take place due to education. Consequently, change comes in society also. The changed society again gives direction to education according to its new form. Thus education and social change both are related to each other.

A well-organized education system has the capacity for creating that consciousness in the people which may enable them to understand the need for desirable changes. In the absence of such educational system people can not evaluate good or bad system connected with administration, vocation, recreation, health etc. So it requires planned efforts for the full co-operation of the people. This work is possible only through a systematic and well-organized Education system.

Education can be understood as a factor of social change. It not only brings change in the society but also help in the process of modernization. It can intiate social change by bringing about a change in the out look and attitudes of man. It is the function of education that it prepares people for accepting a change, explains to them the need of change and gives them a knowledge of those means which fulfit this need. So education should provide so much ability and capacity to children that they make the automatic changes useful for the society.

Education not only enables an individual to participate effectively in the society but it also contributes for the progress and development of the society. Education can remove prejudice, superstition and unreasoned fear from the mind of the people. It is the function of education to preserve our culture and transmit it to the nest generation.

Another important contribution of education in recent years is the Fundamental change in the status of women. Women are new actively engaged in various economic activities, besides discharging their duty at home. Education is also increasing political awareness among people and this has brought major changes in the political set up of the country.

Referring to the relation between education and social change and development Peter Worsely points out "that education reflects society, and educational change follows social change". Francis J. Brown also remarks that education is a process which brings about changes in the behaviour of society. It is a process which enable every individual to effectively participate in the activities of society, and to make positive contribution to the progress of society. ❑

**References :-**
(1) Bhatia and Bhatia – The philosophycal and sociological Foundations of Education.
(2) V.R. Taneja –Educational thought and Prachice.





# শিক্ষা সম্পৰ্কীয় কিছু চিন্তা

✍ বন্দিতা নাথ
*স্নাতক, পঞ্চম যান্মাষিক*

শিক্ষা আৰু জ্ঞান ইয়াৰ কোনো পৰিধি নাই, নাই কোনো সীমাৰেখা। মানুহে বিভিন্ন সময় আৰু বিভিন্ন পৰিৱেশৰ মাজত শিক্ষা গ্ৰহণ কৰিব পাৰে।

শিক্ষা হল এটি ব্যাপক ধাৰণা। শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে, প্ৰগতিৰ পথ দেখুৱায়। প্ৰকৃত অৰ্থত জ্ঞান আহৰণেই শিক্ষা। মানুহৰ প্ৰবৃত্তিজনিত আচৰণৰ সংশোধন কৰি মানুহক জীৱ শ্ৰেষ্ঠ হিচাপে পৰিগণিত কৰাটোৱেই শিক্ষাৰ প্ৰধান উদ্দেশ্য। শিক্ষাই ব্যক্তি মনৰ জ্ঞান, বুদ্ধিৰ বিকাশ সাধন কৰে আৰু উপযুক্ত সময়ত তাৰ প্ৰয়োগ কৰাত সহায় কৰে। আজিৰ শিক্ষাই মানৱজাতিক উন্নতিৰ চৰম শিখৰত স্থান দিছে। সমাজৰ পৰিৱৰ্তনৰ লগতে নিজকে খাপ-খুৱাই লবৰ বাবে মানুহক শিক্ষাৰ প্ৰয়োজন হয়। শিক্ষাৰ যোগেদিয়ে মানুহে উচিত অনুচিত, ভাল-বেয়া বিচাৰ কৰিব পাৰে আৰু নতুন চিন্তা তথা জীৱনৰ নতুন পথৰ সন্ধান কৰিবলৈ শক্তি লাভ কৰে।

শিক্ষা কি? এই সম্পৰ্কে বিভিন্নজনে ভিন্ন মত পোষণ কৰিছে। কিছুমানৰ মতে শিক্ষাই মানৱ জীৱনৰ সকলো দিশৰে পৰিৱৰ্তন সাধনত সহায় কৰে। যাৰ জৰিয়তে সামাজিক আচৰণৰ পৰিৱৰ্তন আনিব পাৰি। আন কিছুমানৰ মতে মানুহৰ অন্তৰ্নিহিত শক্তিসমূহৰ স্বাভাৱিক সংগতিপূৰ্ণ, প্ৰগতিশীল বিকাশেই হল শিক্ষা। গতিকে শিক্ষাক কোনো এটা নিৰ্দিষ্ট অৰ্থৰ মাজেৰে প্ৰকাশ কৰিব নোৱাৰি। ই মানুহৰ গোটেই জীৱনৰ লগত জড়িত হৈ আছে। এই শিক্ষা মানুহৰ জন্মৰ লগে লগে আৰম্ভ হয় আৰু মৃত্যুৰ আগমূহুৰ্ত্ত লৈকে চলি থাকে। ই মানুহৰ বিভিন্ন বিষয়ত জ্ঞান অভিজ্ঞতা প্ৰদান কৰি উপযুক্ত মানৱ হিচাপে গঢ়ি উঠাত সহায় কৰে। সেয়েহে শিক্ষাৰ পৰিসৰ অতিব্যাপক বুলি কোৱা হয়। শিক্ষাই মানুহৰ গোটেই জীৱন আগুৰি থকাৰ লগতে বৰ্তমানৰ সমলৰ জৰিয়তে ভৱিষ্যৎৰ পথ ৰচনা কৰিব পাৰে। গতিকে ব্যাপক অৰ্থত শিক্ষাক গোটেই জীৱন যুৰি চলা এটা বিৰামহীন প্ৰক্ৰিয়া বুলি কোৱা হয়।

শিক্ষা হৈছে মানুহৰ অন্তৰ্নিহিত গুণৰ বিকাশ কৰিব পৰা এক মহৎশক্তি, যিয়ে মানুহক পশুত্বৰ পৰা মনুষ্যত্বলৈ ৰূপান্তৰিত কৰিব পাৰে। Lock নামৰ শিক্ষাবিদ গৰাকীৰ মতে উদ্ভিদে যেনেকৈ কৃষি কৰ্মৰ দ্বাৰা লালিত-পালিত হয়। মানুহেও শিক্ষাৰ জৰিয়তে জ্ঞানৰ পোহৰ পায়। Plants are developed by cultivaltion and man by education.

মানুহৰ প্ৰকৃত শিক্ষাই মানৱীয় গুণসমূহ যেনে— সৎ আচৰণ, সততা, ভাতৃত্ববোধ, সহযোগিতাৰ মনোভাৱ, বন্ধুত্ববোধ, সহনশীলতা আদি আৱশ্যকীয় গুণসমূহৰ বিকাশ কৰাটো বুজায়।

Education is the back bone of a nation. শিক্ষাক জাতিৰ মেৰুদণ্ড বুলি কোৱা হয়। মেৰুদণ্ড পোন নহলে যেনেকৈ মানুহে খোজ কাঢ়িব নোৱাৰে, ঠিক তেনেকৈ শিক্ষাহীন মানুহে অন্ধকাৰৰ মাজত থাকি জীৱনৰ বিভিন্ন ঘাট-প্ৰতিঘাতত বাৰে বাৰে উজুতি খাব লগাত পৰে। এন্ধাৰৰ পৰা পোহৰলৈ ধাৱিত হোৱাটোৱেই শিক্ষা। শিক্ষা নহলে মানুহ জ্ঞানী নহয়। মন্দিৰ, মছজিদৰ নিচিনা বিদ্যালয়, মহাবিদ্যালয় সমূহকো পবিত্ৰ আৰু নিৰ্মল ঠাই ,ছাত্ৰ-ছাত্ৰীসকল ভক্ত, শিক্ষক-শিক্ষায়িত্ৰীসকল পুৰোহিত আৰু পৰিচালক হল ৰাইজ। এই ত্ৰিবেণী সঙ্গমতে শিক্ষানুষ্ঠান গঢ় লৈ উঠে। শিক্ষকসকল ছাত্ৰ-ছাত্ৰীৰ লাখুটি স্বৰূপ। তেওঁলোক ছাত্ৰ-ছাত্ৰীৰ পথ প্ৰদৰ্শক।

গতিকে শেষত কব পাৰি শিক্ষাই মানুহক গুণ আৰু জ্ঞানপ্ৰদান কৰে। গতিকে সমাজ গঢ়াত শিক্ষাৰ বাবে আমি প্ৰত্যেকে দায়বদ্ধ হ'ব লাগিব। শিক্ষাই হৃদয় আৰু মগজুৰ বিকাশৰ লগতে যেনেকৈ মন পৰিস্কাৰ কৰিব পাৰে তেনেকৈ ইয়াৰ কু-চিন্তা আৰু কু-শিক্ষাই সমাজ কলুষিত কৰিব পাৰে। ❑

# Value Education : The Need of the Hour

✍ Aliviya Talukdar
B.A. 5th Semister

Value education refers to a wide area of learning and activities ranging from training in Physical health, Mental hygiene, etiquette and manners, appropriate social behaviour, civir rights and duties to aesthetic and even religious training. It is necessary for developing appropriate behaviour and habits involving inculcation of certain virtues and habits. The aim of value education is to increase the ability in making moral judgement based on sound reasoning.

Since independence, the education system in our country has expanded very rapidly. But, till now, even after repeated recommendations by several commissions on education, value education has not been made an integral part of the curriculam, As a result of quick economic growth, the present social scenario of our country clearly shows the influence of western culture, over mechanisation, urbanisation and a craving for materialistic life. The meterialistic needs and a never ending lust to earn more and more by putting in less and less effort has resulted in loss of Values at the individual level and the value system in the country as a whole. It has become imperative to make people understand the they must lead a value based life, that earning money is for leading a respectable life and for helping others who are disadvantaged.

Children are the father of our society. It is said that the moral development of a child takes place automatically from his surrounding social life. The child imbibes the attitudes, values and general behaviour of the people around him and tries to mould himself accordingly. This adjustment to life that the child begins to learn even before he learns to walk constitutes his moral development. So, the environment in which a child grows up is very very important and leaves a indelible impression on him. The way a person behaves clearly reflectes the values he has grown up with. Home is the first place where a child first learns about values and the parents and other family members are the teacher Therefore, it is their duty to ensure that the child is not exposed to any bad influence.

Educational institutions have a very big





# শিক্ষা সম্পৰ্কীয় কিছু চিন্তা

✍ বন্দিতা নাথ
স্নাতক, পঞ্চম যান্মাষিক

শিক্ষা আৰু জ্ঞান ইয়াৰ কোনো পৰিধি নাই, নাই কোনো সীমাৰেখা। মানুহে বিভিন্ন সময় আৰু বিভিন্ন পৰিৱেশৰ মাজত শিক্ষা গ্ৰহণ কৰিব পাৰে।

শিক্ষা হল এটি ব্যাপক ধাৰণা। শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে, প্ৰগতিৰ পথ দেখুৱায়। প্ৰকৃত অৰ্থত জ্ঞান আহৰণেই শিক্ষা। মানুহৰ প্ৰবৃত্তিজনিত আচৰণৰ সংশোধন কৰি মানুহক জীৱ শ্ৰেষ্ঠ হিচাপে পৰিগণিত কৰাটোৱেই শিক্ষাৰ প্ৰধান উদ্দেশ্য। শিক্ষাই ব্যক্তি মনৰ জ্ঞান, বুদ্ধিৰ বিকাশ সাধন কৰে আৰু উপযুক্ত সময়ত তাৰ প্ৰয়োগ কৰাত সহায় কৰে। আজিৰ শিক্ষাই মানৱজাতিক উন্নতিৰ চৰম শিখৰত স্থান দিছে। সমাজৰ পৰিৱৰ্তনৰ লগতে নিজকে খাপ-খুৱাই লবৰ বাবে মানুহক শিক্ষাৰ প্ৰয়োজন হয়। শিক্ষাৰ যোগেদিয়ে মানুহে উচিত অনুচিত, ভাল-বেয়া বিচাৰ কৰিব পাৰে আৰু নতুন চিন্তা তথা জীৱনৰ নতুন পথৰ সন্ধান কৰিববৈলে শক্তি লাভ কৰে।

শিক্ষা কি? এই সম্পৰ্কে বিভিন্নজনে ভিন্ন মত পোষণ কৰিছে। কিছুমানৰ মতে শিক্ষাই মানৱ জীৱনৰ সকলো দিশৰে পৰিৱৰ্তন সাধনত সহায় কৰে। যাৰ জৰিয়তে সামাজিক আচৰণৰ পৰিৱৰ্তন আনিব পাৰি। আন কিছুমানৰ মতে মানুহৰ অন্তনিৰ্হিত শক্তিসমূহৰ স্বাভাৱিক সংগতিপূৰ্ণ, প্ৰগতিশীল বিকাশেই হল শিক্ষা। গতিকে শিক্ষাক কোনো এটা নিৰ্দিষ্ট অৰ্থৰ মাজেৰে প্ৰকাশ কৰিব নোৱাৰি। ই মানুহৰ গোটেই জীৱনৰ লগত জড়িত হৈ আছে। এই শিক্ষা মানুহৰ জন্মৰ লগে লগে আৰম্ভ হয় আৰু মৃত্যুৰ আগমূহুৰ্ত্ত লৈকে চলি থাকে। ই মানুহৰ বিভিন্ন বিষয়ত জ্ঞান অভিজ্ঞতা প্ৰদান কৰি উপযুক্ত মানৱ হিচাপে গঢ়ি উঠাত সহায় কৰে। সেয়েহে শিক্ষাৰ পৰিসৰ অতিব্যাপক বুলি কোৱা হয়। শিক্ষাই মানুহৰ গোটেই জীৱন আগুৰি থকাৰ লগতে বৰ্তমানৰ সমলৰ জৰিয়তে ভৱিষ্যৎৰ পথ ৰচনা কৰিব পাৰে। গতিকে ব্যাপক অৰ্থত শিক্ষাক গোটেই জীৱন যুৰি চলা এটা বিৰামহীন প্ৰক্ৰিয়া বুলি কোৱা হয়।

শিক্ষা হৈছে মানুহৰ অন্তনিৰ্হিত গুণৰ বিকাশ কৰিব পৰা এক মহৎশক্তি, যিয়ে মানুহক পশুত্বৰ পৰা মনুষ্যত্বলৈ ৰূপান্তৰিত কৰিব পাৰে। Lock নামৰ শিক্ষাবিদ গৰাকীৰ মতে উদ্ভিদে যেনেকৈ কৃষি কৰ্মৰ দ্বাৰা লালিত-পালিত হয়। মানুহেও শিক্ষাৰ জৰিয়তে জ্ঞানৰ পোহৰ পায়। Plants are developed by cultivaltion and man by education.

মানুহৰ প্ৰকৃত শিক্ষাই মানৱীয় গুণসমূহ যেনে— সৎ আচৰণ, সততা, ভাতৃত্ববোধ, সহযোগিতাৰ মনোভাৱ, বন্ধুত্ববোধ, সহনশীলতা আদি আৱশ্যকীয় গুণসমূহৰ বিকাশ কৰাটো বুজায়।

Education is the back bone of a nation. শিক্ষাক জাতিৰ মেৰুদণ্ড বুলি কোৱা হয়। মেৰুদণ্ড পোন নহলে যেনেকৈ মানুহে খোজ কাঢ়িব নোৱাৰে, ঠিক তেনেকৈ শিক্ষাহীন মানুহে অন্ধকাৰৰ মাজত থাকি জীৱনৰ বিভিন্ন ঘাট-প্ৰতিঘাতত বাৰে বাৰে উজুতি খাব লগাত পৰে। এন্ধাৰৰ পৰা পোহৰলৈ ধাৱিত হোৱাটোৱেই শিক্ষা। শিক্ষা নহলে মানুহ জ্ঞানী নহয়। মন্দিৰ, মছজিদৰ নিচিনা বিদ্যালয়, মহাবিদ্যালয় সমূহকো পবিত্ৰ আৰু নিৰ্মল ঠাই ,ছাত্ৰ-ছাত্ৰীসকল ভক্ত, শিক্ষক-শিক্ষায়িত্ৰীসকল পুৰোহিত আৰু পৰিচালক হল ৰাইজ। এই ত্ৰিবেণী সঙ্গমতে শিক্ষানুষ্ঠান গঢ় লৈ উঠে। শিক্ষকসকল ছাত্ৰ-ছাত্ৰীৰ লাখুটি স্বৰূপ। তেওঁলোক ছাত্ৰ-ছাত্ৰীৰ পথ প্ৰদৰ্শক।

গতিকে শেষত কব পাৰি শিক্ষাই মানুহক গুণ আৰু জ্ঞানপ্ৰদান কৰে। গতিকে সমাজ গঢ়াত শিক্ষাৰ বাবে আমি প্ৰত্যেকে দায়বদ্ধ হ'ব লাগিব। শিক্ষাই হৃদয় আৰু মগজুৰ বিকাশৰ লগতে যেনেকৈ মন পৰিস্কাৰ কৰিব পাৰে তেনেকৈ ইয়াৰ কু-চিন্তা আৰু কু-শিক্ষাই সমাজ কলুষিত কৰিব পাৰে। ❑

# Value Education : The Need of the Hour

Aliviya Talukdar
B.A. 5th Semister

Value education refers to a wide area of learning and activities ranging from training in Physical health, Mental hygiene, etiquette and manners, appropriate social behaviour, civir rights and duties to aesthetic and even religious training. It is necessary for developing appropriate behaviour and habits involving inculcation of certain virtues and habits. The aim of value education is to increase the ability in making moral judgement based on sound reasoning.

Since independence, the education system in our country has expanded very rapidly. But, till now, even after repeated recommendations by several commissions on education, value education has not been made an integral part of the curriculam, As a result of quick economic growth, the present social scenario of our country clearly shows the influence of western culture, over mechanisation, urbanisation and a craving for materialistic life. The meterialistic needs and a never ending lust to earn more and more by putting in less and less effort has resulted in loss of Values at the individual level and the value system in the country as a whole. It has become imperative to make people understand the they must lead a value based life, that earning money is for leading a respectable life and for helping others who are disadvantaged.

Children are the father of our society. It is said that the moral development of a child takes place automatically from his surrounding social life. The child imbibes the attitudes, values and general behaviour of the people around him and tries to mould himself accordingly. This adjustment to life that the child begins to learn even before he learns to walk constitutes his moral development. So, the environment in which a child grows up is very very important and leaves a indelible impression on him. The way a person behaves clearly reflectes the values he has grown up with. Home is the first place where a child first learns about values and the parents and other family members are the teacher Therefore, it is their duty to ensure that the child is not exposed to any bad influence.

Educational institutions have a very big role in shaping the behaviour of a person particularly a child. After home, school is the place where a child spends maximum time, If value education is included in the curriculan it will guide him to differentiate between the good and the bad, the moral and the immoral and proper values could be developed. Value education helps in educating the feelings and emotions, it could be terned as 'training of the heart'. Traditionally the objectives of value education were based on religion and philosophy. There was no secular value education and very little scope for the development of moral thinking and the capacity for independent moral decision. Everything was predetermined; a person had to do whatever he is told - The demands on an individual were few. In the modern world there are varieties of social demands mad on a person. A civilised individual must possess certain minimum social skills. He has to establish a decent relationship with the people he comes across even if it is for a very short duration. He has to be a good employer, an efficient worker, a helpful colleague, a caring family member, a good citizen of the state, the first seems to be endless, at the same time playing appropriate roles in each of its contexts. There are also many other demands made on him. Imagine the tremendous pressure all these demands can put on a person! On top of that he has the freedom to cope with this pressure as he wishes. No wonder he will make mistakes. To a large extent, value education can prepare a person to meet these demands. It is possible because; value education covers five dimensions physical education emotional education, mental development, aesthetic development and the moral and spiritual domain includes values like sincority, faithfulness, obedience, gratitude, honesty, benevolence, generosity, cheerfulness, selflessness, freedom from egiosm, equanimity on joy and suffering, in success and failure and so on.

The present situation in our country is guite scary. Heinous crimes are being committed everyday. News like children killing their parents, siblings killing each other, extortions, atrocities on woman, senseless killing of animals covers more pages of a paper than any other news. As things are value crisis is a hard reality and a cause of serious concern to our country. But, in spite of our being aware of the gravity of the situation, things are going from bad to worse. We being citizen of this country are also responsible in some way or at her for this sorry state of affairs. So, let us try in our own way to contribute to the betterment of the society, because, it is where we have to live, our children has to live. Let us also hope that good sense prevails and the authorities decide to include value education in the curriculam as a compulsory subject and in the years to come our country becomes a better and a safer place to live in. ❑

✦✦✦✦✦

# আমি বাৰু মিডিয়া স্বাক্ষৰ নে ?

✍ ৰূপম কুমাৰ দাস
গণসংযোগ আৰু সাংবাদিকতা বিভাগ

একবিংশ শতিকাৰ আৰম্ভণিতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব উত্তৰণে সংযোগ আৰু যোগাযোগ ব্যৱস্থাত এক নতুন দিগন্তৰ সৃষ্টি কৰিছে। আমাৰ জীৱনৰ লগত জড়িত বস্তুবোৰ সহজলভ্য কৰি তোলাৰ লগতে এই ব্যৱস্থাই আমাক যথেষ্ট ওচৰ চপাই আনিছে। পৃথিৱীখন হৈ পৰিছে এখন সৰু গাওঁ সদৃশ। ন ন বৈদ্যুতিক মাধ্যম (Electronic Media) আৰু মূদ্ৰণ সংবাদ মাধ্যমে (Print Media) যেন আমাৰ সন্মুখত এখন বৈচিত্ৰ্যময় জগতৰ সৃষ্টি কৰিছে। বিভিন্ন তথ্য আৰু মনোৰঞ্জনৰ উৎস হৈ পৰিছে এই মাধ্যমবোৰ। এবাৰ ভাবো আহকচোন, আমি ৰাতিপুৱা উঠাৰ পৰা ব্যৱহৃত সামগ্ৰীবোৰৰ কথা— জগতখন সম্পৰ্কত জানিবলৈ, বৰ্তমান পৰিস্থিতি বুজিবলৈ, ক'ত কি কি হ'ল উমান ল'বলৈ আমি ৰাতিপুৱাই হাতত লওঁ বাতৰিকাকতখন, সময় পালে অন্ কৰি লওঁ টিভিটো বা ইণ্টাৰনেট— এয়া আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত বস্তু, যি অবিহনে আমি একো ভাবিবই নোৱাৰো।

এনে এক সময়ত, আমি মানুহবোৰ বৰ মনোৰঞ্জন প্ৰিয় হৈ পৰিছো। ভাল নালাগিবলগীয়া বহু চিনেমা, গান, কথা আমাৰ ভাল লাগে। আমি বাৰু নিজকে প্ৰশ্ন কৰিছোনে এনে হোৱাৰ কাৰণ কি?

বিশ্বনাগৰিক হিচাপে এই তথ্য আৰু সম্প্ৰচাৰৰ যুগত আমি বাৰু সঠিক তথ্য সঠিকভাৱে পাইছো নে? আমি পোৱা সকলোবোৰ তথ্য কিমান দূৰ নিৰপেক্ষ? আমি বাৰু প্ৰকৃত তথ্য পাইছোনে নে তথ্যবোৰ TRP (Television Rating point)ৰ বাবে বেছি মনোৰঞ্জনদায়ক কৰি তোলা হৈছে? এই Information ageত তথ্যৰ মাজত থাকিও সত্য আৰু শুদ্ধ তথ্যৰ পৰা আমি বঞ্চিত নেকি? মাজে মাজে এই প্ৰশ্নবোৰে মনত ভুমুকি মাৰে। নহয়নে? এই তথ্যবোৰৰ গুণাগুণ নিৰ্ধাৰণ কৰিবলৈ আমি মানুহবোৰ মিডিয়া স্বাক্ষৰ হ'ব লাগে। মই আজি আপোনালোকৰ লগত মিডিয়া স্বাক্ষৰ হোৱাৰ উপায় আলোচনা কৰিব বিচাৰিছোঁ। প্ৰথমতে, আমি মিডিয়া স্বাক্ষৰতা বিষয়টোত এবাৰ ভুমুকি মাৰি চাওঁ।

**মিডিয়া স্বাক্ষৰতা (Media Literacy) ঃ** মিডিয়া স্বাক্ষৰতা হ'ল মিডিয়াৰ দ্বাৰা সৃষ্ট তথ্যসমূহৰ সম্যক জ্ঞান। ASPEN REPORTৰ সংজ্ঞা অনুসৰি Media Literacy হ'ল— "is the ability to communiate competently in all media forms as well as to understand, interpret, analyze and evaluate the message we receive from television, radio, magazine ,news paper and advertisement." জনসংযোগৰ মাধ্যমবোৰৰ সুচাৰু আৰু অৰ্থপূৰ্ণ ব্যৱহাৰ আৰু লগতে এই মাধ্যমবোৰৰ দ্বাৰা প্ৰচাৰিত তথ্য চালি জাৰি চাই, নিৰীক্ষণ কৰি প্ৰকৃত অৰ্থ উদ্ধাৰ কৰিব পৰা স্বাক্ষৰতাই হ'ল মিডিয়া স্বাক্ষৰতা। আমাৰ আগত প্ৰচাৰিত বিভিন্ন তথ্যই আমাক কেৱল তথ্যই প্ৰদান কৰিছে নে আমাক এক মনোৰঞ্জনময় জগতত আমন্ত্ৰণ জনাইছে— এই কথাবোৰ চালি-জাৰি চাবলৈ এজন মানুহ মিডিয়া স্বাক্ষৰ হোৱাটো প্ৰয়োজন।

এতিয়া মিডিয়াৰ বিষয়বস্তু সমূহ চালি-জাৰি চাই তাৰ অন্তৰ্নিৰ্হিত অৰ্থ উদ্ধাৰ কৰাৰ আগতে আমি মিডিয়াৰ মূখ্যত চাৰিটা গুৰুত্বপূৰ্ণ দিশৰ বিষয়ে পৰ্যালোচনা কাৰোঁ আহক।

মিডিয়াৰ বিষয়বস্তু (Media content) সাধাৰণতে ব্যক্তিবিশেষৰ দ্বাৰা মিডিয়াৰ বিষয়বস্তু সৃষ্টি হয় অৰ্থাৎ মিডিয়াৰ





লগত জড়িত ব্যক্তিজনৰ দৃষ্টিভংগী আৰু তেওঁৰ চিন্তাৰ প্ৰতিফলন হয় এই বিষয়বস্তুত। এতিয়া, আপোনালোকে নিশ্চয় মন কৰিছে যে কোনো এটা বাতৰিৰ বাবে কোনো এটা চেনেলৰ পৰা এজন বা দুজন মানুহ আহে। তেওঁলোকে ঘটনাটো প্ৰত্যক্ষ কৰি নিজৰ জ্ঞান বুদ্ধিৰে যুগুত কৰা তথ্যক এক নতুন মাত্ৰা প্ৰদান কৰি আমাৰ আগত দাঙি ধৰে। গতিকে আমি বাৰু এনেকৈ ক'ব পাৰো নেকি যে মিডিয়াৰ দ্বাৰা প্ৰচাৰিত তথ্যসমূহ আনৰ চিন্তা-চৰ্চাৰে এক নতুন ৰূপত আমাৰ আগত দাঙি ধৰা হৈছে যাক আমি বিনা দ্বিধাই গ্ৰহণ কৰি আহিছোঁ। মিডিয়াই তথ্যসমূহ উপস্থাপন কৰাৰ কৌশলেৰে আমাৰ চিন্তা-চৰ্চাত যে এক য'তি পেলাইছে।

আনহাতে, ইলেকট্ৰনিক মিডিয়া (Electronic media) বাতৰিকাকত সমূহৰ বিভিন্ন বাতৰি আদিত প্ৰয়োগ কৰা ভাষাৰ ক্ষেত্ৰত লক্ষ্য কৰিলে দেখা যায় যে এক একক আৰু নিৰ্দিষ্ট ধৰণৰ ভাষাৰ প্ৰয়োগ পৰিলক্ষিত হয়। এনেধৰণৰ ভাষাৰ প্ৰয়োগ হোৱা মূল কাৰণ হ'ল মিডিয়া হাউচৰ ন্যস্ত স্বাৰ্থ পূৰণ।

জনসংযোগৰ বিভিন্ন মাধ্যমে আমাৰ জীৱনত বহুলভাৱে প্ৰভাৱ বিস্তাৰ কৰে। আমাৰ অজানিতে আমি মিডিয়া বিষয়বস্তুসমূহৰ মাজত এক যোগসূত্ৰ স্থাপন কৰোঁ আৰু ফলস্বৰূপে তাৰ অৰ্থ উদ্ধাৰ আৰু পুনৰুদ্ধাৰ প্ৰক্ৰিয়াত জড়িত হৈ পৰো। ইতিমধ্যে উল্লেখ কৰা হৈছে যে মিডিয়াৰ দ্বাৰা প্ৰচাৰিত তথ্যসমূহ মিডিয়াৰ লগত জড়িত ব্যক্তিবিশেষৰ চিন্তাৰদ্বাৰা হে ৰঙীন হৈ উঠে। যদি তথ্যটো এটা জঁকা বুলি ধৰা হয় তেন্তে সেই জঁকাটোক ব্যক্তিবিশেষে এক আকৰ্ষণীয় ৰূপ প্ৰদান কৰি আমাৰ আগত প্ৰচাৰ কৰে। উদাহৰণস্বৰূপে, হত্যা, লুটপাত, নাৰী উৎপীড়ন আদি ধৰণৰ বাতৰিৰ অৰ্থ আৰু প্ৰভাৱ ব্যক্তিভেদে বেলেগ বেলেগ। ইয়াৰ কাৰণ হ'ল মানুহৰ মনত থকা বিশ্বাস আৰু বুজি পোৱা সক্ষমতা। কিন্তু এই সক্ষমতাক মিডিয়াই অচল কৰিব বিচৰা যেন বোধ হয়। তেওঁলোকৰ তথ্য উপস্থাপনৰ প্ৰক্ৰিয়াই আমাক এনেভাৱে আকৰ্ষণ কৰে যে আমি তেওঁলোকৰ কথা সহমত প্ৰকাশ নকৰি নোৱাৰো, নিজৰ চিন্তা-বুদ্ধি ক'ৰবাত হেৰাই পেলাওঁ। মিডিয়াৰ এনে প্ৰভাৱৰ পৰা মুক্ত হোৱাৰ সময় সমাগত, নহ'লে আমি নিজকেই হেৰুৱাই পেলাম।

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদপত্ৰ বা সংবাদ মাধ্যমে বাৰু কি কৰে? সংবাদপত্ৰইয়ো আমাক আন মাধ্যমবোৰৰ দৰেই প্ৰভাৱিত কৰে নেকি? মন কৰিবলগীয়া কথা এই যে, আমি বাতৰিকাকতত যি দেখো, ৰেডিঅ'ত যি শুনো অথবা টিভিত যি দেখো আৰু শুনো এই গোটেইবোৰে আমাক বেলেগ এখন জগতকৈ আকৰ্ষণ কৰে। বাতৰিকাকতৰ প্ৰথম পৃষ্ঠাৰ পৰাই আৰম্ভ হয় বিভিন্ন বিজ্ঞাপন, 'Sale'ৰ উৎসৱ, ৰেডিঅ', টিভিও এনে বিজ্ঞাপনৰ পৰা মুক্ত নহয়। তথ্য প্ৰদানৰ জৰিয়তে তেওঁলোকে এখন বজাৰৰ লগত আমাক চিনাকি কৰাই দিয়ে, যিয়ে আমাৰ পৰা কাঢ়ি লৈ যায় আমাৰ মগজু, বিভিন্ন ৰঙচঙীয়া বস্তুৰ পয়োভৰে আমাকো যেন সজাই তোলে এটা পুতলা— গ্ৰাহক পুতলা।

**মিডিয়া শিক্ষা আৰু মিডিয়া স্বাক্ষৰতা ঃ**

আধুনিক যোগাযোগ আৰু জনসংযোগ মাধ্যমে আমাৰ জীৱনক এক গতি প্ৰদান কৰিছে। এতিয়া পৃথিৱীত প্ৰত্যেকটো খবৰ মূহুৰ্ততে চাৰিওফালে সিঁচৰতি হৈ পৰে। বৰ্তমান কালত আমি ভোগ কৰা এই আধুনিক জীৱন জনসংযোগ মাধ্যমৰেই ফলশ্ৰুতি নহয়নে? আচলতে, মিডিয়া অবিহনে আমি এক আধুনিক, সুসভ্য পৃথিৱীৰ কথা কল্পনাই কৰিব নোৱাৰো।

মিডিয়াই যদি আমাৰ জীৱনক এক নতুন যাত্ৰা প্ৰদান কৰিছে, এক সভ্য জীৱনৰ বাট মোকোলাইছে তেনেহ'লে মিডিয়া স্বাক্ষৰতা আৰু মিডিয়া শিক্ষাৰ প্ৰয়োজন কিয় আহি পৰিছে তাৰ বিষয়ে ইতিমধ্যে উল্লেখ কৰা হৈছে।

মিডিয়া ইডুকেশ্বন হৈছে এনে এক প্ৰচেষ্টা যি ব্যক্তিসকলক মিডিয়াৰ বিভিন্ন বিষয়বস্তু সমূহ পৰ্যালোচনা কৰি, নিৰীক্ষণ কৰি শুদ্ধ তথ্য আহৰণ কৰাৰ প্ৰয়াসক উদ্‌গনি জগায়।

সেয়েহে বৰ্তমান সমাজৰ ছাত্ৰ-ছাত্ৰী, ডেকা-গাভৰুসকলক মিডিয়া ইডুকেশ্বন প্ৰদান কৰি মিডিয়াৰ দ্বাৰা প্ৰচাৰিত বিভিন্ন বিষয়বস্তুক গভীৰভাৱে অনুধাৱণ কৰিবলৈ প্ৰেৰণা জগোৱাৰ প্ৰয়োজন আহি পৰিছে। মিডিয়া ইডুকেশ্বনে ছাত্ৰ-ছাত্ৰীসকলক মিডিয়া স্বাক্ষৰ কৰি তোলাৰ লগতে তেওঁলোকক বৰ্তমান সমাজৰ ভুল চিন্তাবোৰৰ পৰা মুক্ত হোৱাৰ পথ মোকোলাব পাৰে। সমাজত সামাজিক আৰু ৰাজনৈতিক পৰিৱৰ্তনক এক নতুন অধ্যায়ৰ সৃষ্টি কৰিব পাৰে মিডিয়া ইডুকেশ্বনে।

মিডিয়া হৈছে এক শক্তিশালী মাধ্যম। ইয়াৰ সঠিক প্ৰয়োগে এখন সুস্থ, সবল, সাংস্কৃতিক সমাজৰ সৃষ্টি কৰিব পাৰে। আনহাতে, মিডিয়াৰ দ্বাৰা প্ৰদৰ্শিত সমাজৰ কিছুমান ছবিয়ে এটা জাতি, সংস্কৃতিৰ এখন অদ্ভূত ছবি আমাৰ আগত দাঙি ধৰে। মিডিয়া ইডুকেশ্বনে এনে ক্ষেত্ৰত মানুহক নিজৰ বিবেকেৰে কথা পৰ্যবেক্ষণ কৰিবলৈ বাধ্য কৰি সমাজৰ বিভিন্ন সমস্যাৰ সঠিক সমাধান প্ৰদান কৰে।

ইয়াৰ উপৰিও প্ৰদৰ্শিত তথ্যসমূহ চালি-জাৰি অন্য এক সুস্থ ৰূপত প্ৰদৰ্শন কৰি মানুহৰ মাজত এখন নতুন ছবি দাঙি ধৰে।

সমাজৰ সৰু-বৰ সমস্যাসমূহ জনসাধাৰণৰ মাজলৈ লৈ অহা এই জনসংযোগ মাধ্যম আমাৰ এক অপৰিহাৰ্য্য অংগ। ইয়াৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠানবোৰৰ জৰিয়তে আমি সমাজৰ এক বাস্তৱ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱাটো বিচাৰো। কিন্তু, তেনে হ'বলৈ দিয়া নহয়। ব্যক্তিগত লাভালাভৰ বাবেই হওঁক বা অন্য কোনো কাৰণত সংবাদ মাধ্যমে যেন আমাৰ আগত প্ৰদৰ্শন কৰে আন এখন ছবি সেয়েহে এতিয়া আমি মিডিয়া স্বাক্ষৰ হোৱা প্ৰয়োজন। বিষয়বোৰক তন্ন তন্নকৈ চালি-জাৰি চাই তাক শুদ্ধ ৰূপত প্ৰদৰ্শন কৰাটো আমাৰ নাগৰিকসকলৰ কৰ্তব্য।

তেন্তে আহক, আমি আৰম্ভ কৰোঁ এক নতুন যাত্ৰা, হাতে হাতে হাত থৈ আমিও বিচাৰি যাওঁ এখন সুস্থ সমাজ। ❑


**Reference :**

1. Aufderheide,P & Firestone,C.(1993). Media literacy. A report of the national leadership Conference on media literacy Washington, DC: Communications and Society Program, Aspen Institute.
2. Buckingham, D. (Ed.). (1990). Watching media learning London: The Falmer Press.E.Book.
3. Media Literacy on-line Project- University of Oregon: http://interact.uoreogon.edu/Media it/HomePage
4. Center for Media Literacy. (1995). What is media litearcy? http://www.earthlink.net/cml/MediaLit.html.


✦✦✦✦✦

# 'Ethical Egoism of Nietzsche'


✍ **Mitali Goswami**

*Associate. Professor, Dept. of Philosophy*


Ethical Egoism is the Normative Ethical position that Moral agents ought to do what is in their own self-interest. It differs from psychological Egoism, which claims that people can only act in their self-interest. Ethical Egoism also differs from rational Egoism, which holds that it is rational to act in one's self-interst. Ethical Egoism holds that actions whose consequinces will benefit the doer can be considered Ethical. Ethical Egoism contrasts with Ethical altruism, which holds that moral agents have an obligation to help others. Egoism and altruism both contrast with Ethical utilitarianism, which holds that a moral agent should treat one's self with no higher regard than one has for others. But It also holds that one should Not Sacrifice one's own interests to help others interests, so long as one's our interests one substantially equiva lent to the others's interests and well being, Egoism, Utilitarianism and alteruism are all forms of canswuentialism, but Egoism and altruism contrast with utilitanism in that egoism and altruism are both agent-focused forms of cen sequentialism. Howeven, utilitariansm is held to be agent-Neutral. It does Not treat the subject's own intersts as being more or lens impotant than the interests, desires, or well-being of others.

Ethical Egoism does not, however, require moral agents to harm the interests and well being of others when making moral deliberation. e.g. what is in an agents' self-interest may be incidentally detri mental effects others.

Ethical egoism is often used as the philosophical besis for support of regil-libertarlanism and individualist anarchism. These are political positions based partly an a belief that indiuiduals should not coercively prevent others from evenci sing freedom of action. ❑





# "The master morality and slave morality in Nietzsche's Philosophy"


✍ **Alaka Das**

*Asstt. Professor*

*Dept. of Philosophy*


Nietzsche was a servere critique of morality. Especially he was against Christion morality. For Nietzsche, the gudeo-Christian ethics of pity, the utiliarian morality, which teaches the desirabilty of the greatest happiness for the greatest number of people - is held to be dangerous. Nietzsche insistenly directs his attacks against the traditional morality, the morality that enjoins us to champion the weak and defenceless, the meek and humlde, the less for tunate members of our society such an ethics is one of sympathy of pity, an ethics of self esseness. But these-properly gudeo-christion-values are precisely the ones he calls nihilistic. He was against self-evident apriori values, According to him apriori values would simply amount to the claim that the values in question were utterly indifferent, that they would be simply detached, unrelated to and unmotivated by particulars historical, social, or economic conditions. For Nietzsche, a priori values would be acceptable if one particular human subject happend to live outside of history, outside a particular society, nation, state of community, or if such a person were entirely free from the practical demaneds of an economic order.

But second, and more importantly, he holds these traditional values of pity in a generally negative attitude because they ultimatly, deny life and the conditions of life. After rejecting traditional moral values he argues that there is no simple face value to morality. In other words, for Nietzsche, there are simply no 'moral facts' in and of themselves. There are only moral ' interpretation', or as he says, "misinterpre tations'. He devepols his thought in one of his later works, Twilight of the Idols', written in 1888.

'Moral judgments agree with religious one in believing in realities which are no realities. Morality is merely an interpre tation of certains phenomena - more precisely a mis interpretation. " Moral terms tend to begin with the emergence of strict social and class distinctions. The distinction originally occur between the ruling classes and the ruled or governed classes. Thus, terms designation 'good', 'Noble', 'virtuous', 'strong', 'happy', 'pleasing' and so forth were originally meant

to describe the ruling class itself.

In Beyond Good and Evil Nietzsche says that he has discovered two primary, types of morality in traditional morality, i.e,'master morality' and 'slave morality'. Master morality makes an explicit recognition of the will to power. There fore master morality originates in the strong but slave morality makes an explicit denial. Therefore slave morality originates in the weak. Christion morality is included by Nietzsche in this later category of morality. The difference between the master morality and the slave morality is this that the master creates his own values by his will to power. But the slave does not create his values. He starts by having a set of values which have been imposed on him. This point of view is expound more systematically in the 'Geneology of Morals' where Nietzsche makes use of the concept of resentment. The higher type of man creates his own values out of the aboundance of his life and strength. But the weak and powerless, fear the strong and power ful and they attempt to assert the values of the 'herd'. The revolt of the slaves in morals begins with resentment becoming creative and giving birth to new values.

The essence of master morality is nobility. Other avalitics that are often Valued in master moralities are openmindedness, courage, truthfulness, trust and an accurate sense of self-worth. slave morality is essentially negative and reactive. The slaves wants to feel secure and so he cultivates those values which will help him attain safety and security' for example, his virtues are weakness, humility, kindness and charity. Nietzsche was in favour of the master morality. His concept of the superman is mainly an attempt to restore the ideals of master morality. A necessary condition of the acceptance of the slave morality has always been the recognition of religious authority against the strong man. But now 'God is dead'. The divine authority has disappeared.

Nietzsche's theory of moral nihilism gives rise to the idea that he wanted a rousing of the power of the instincts and an awaking of the passions. Nietzsche had said, every morality is a 'Construction of passion', a prohibition against impulses, and it is one in which priority to reason is given over passion. In his opinion it is the instincts which drive the weak as well as the strong. Nietzsche had suggested a dualism between reason and passion. In birth of Tragedy Nietzsche expressed these two opposite impulses symbolically as Apollonian and Dionysian attitudes, Both the Apollonian and Dionysian attitudes are 'natural' in that they are equally the expression on of natural imfulses. According to Nietzsche suffering and misery is an indeniable reality of human existence. The human will needs a direction and justification. He was there for a critique of Ascetic Ideals. For Nietzsche the Ascetic Ideal has succeded in shuting the door on a suisidal nililism. It cultivates a hatred about the conditions of human existence. The real drive of the human animal is not to attain salvation of its soul but to experiment on itself. Nietzsche's general view of truth is that all 'truths' are 'fictions', all such fictions are interpretations, and all interpretations are perspectives. Even every instinct has its perspective, its point of view. And the categories of reason are also logical fictions and perspectives, not necessary truths, nor a priori forms. In the Brirth of Tragedy Nietzsche proposes that it is only as an aesthetie phenomenon that existence and the world can be justified. ❑





# এ.পি.জে. আব্দুল কালামৰ জীৱনী

✍ অঞ্জলি দাস
স্নাতক, পঞ্চম ষাণ্মাষিক

মহা মানৱ, বিশিষ্ট বিজ্ঞানী ক্ষেপণাস্ত্র প্ৰযুক্তিবিদ তথা ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি ড° এ.পি.জে আব্দুল কালামৰ জন্ম হৈছিল তামিলনাডুৰ ৰামেশ্বৰমৰ ওচৰত ধনুষকোডি গাঁৱৰ এক দুখীয়া পৰিয়ালত ১৯৩১ চনৰ ১৫ অক্টোবৰ তাৰিখে। তেওঁৰ প্ৰকৃত নাম আছিল 'আবু পাকিৰ জয়নুলাব্দিন আব্দুল কালাম। ড° কালামৰ স্কুলীয়া শিক্ষা আৰম্ভ হয় ৰামেশ্বৰমৰ ছামিয়া বিদ্যালয়ত। ইয়াৰ পিছত তেওঁ ৰামনাথপুৰম চহৰৰ শ্বাৱাৰ্টজ স্কুলত ভৰ্তি হয় আৰু এই বিদ্যালয়ত পঢ়োতেই ড° কালামে 'আয়াদূৰাই ছলমন' নামৰ এগৰাকী শিক্ষাগুৰুৰ সান্নিধ্যলৈ অহাৰ সুযোগ লাভ কৰিবলৈ সক্ষম হয় আৰু এই শিক্ষক গৰাকীয়েই তেওঁৰ জীৱনৰ পথ-প্ৰদৰ্শক আছিল। তেওঁৰ দেউতাৰ নাম আছিল জয়নুলাব্দিন মাৰকায়াৰ। তেওঁ আছিল পঞ্চায়ত বোৰ্ডৰ সভাপতি আৰু তেওঁৰ মাকৰ নাম আছিল আছিয়াম্মা। তেওঁ এগৰাকী সাধাৰণ মহিলা আছিল কিন্তু মাকে ল'ৰা ছোৱালীকেইটাক পৰিচাৰ্য কৰাত কোনোদিনেই ক্ৰুটি কৰা নাছিল।

কালামৰ জীৱন দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আদৰ্শৰ প্ৰতীক আছিল। অতি দুখীয়া পৰিয়ালত জন্ম গ্ৰহণ কৰিও যে মানুহে নিজৰ একাগ্ৰতা আৰু নিষ্ঠাৰ বলত কেনেকৈ সন্মানৰ শীৰ্ষ চূড়াত আৰোহণ কৰিব পাৰে, ৰাষ্ট্ৰপ্ৰধান হ'ব পাৰে, তাৰ এক জলন্ত নিদৰ্শন হ'ল ড° এ.পি.জে. আব্দুল কালাম। তেওঁৰ শৈশৱ কাল বৰ সুখৰ নাছিল নানা দুখ কষ্ট আৰু অভাৱ-অনাটনৰ মাজেৰে তেওঁৰ শৈশৱ অতিবাহিত হয় ভৱিষ্যতে কি হ'ব, এই সম্পৰ্কে সৰু কালত তেওঁৰ কোনো ধাৰণা নাছিল। গাঁৱৰ ল'ৰাৰ দৰেই ইফালে-সিফালে ঘূৰি শৈশৱ অতিবাহিত কৰিছিল। সৰুতে তেওঁ সামুদ্ৰিক চৰাইৰ উৰণ



চাই অতি মুগ্ধ হৈ পৰিছিল আৰু সেই চৰাইবোৰৰ দৰে তেওঁৰো আকাশৰ ওপৰত উৰিবৰ মন গৈছিল। শৈশৱৰ এই চিন্তাক তেওঁ বাস্তৱ জীৱনত ৰূপদান দিবলৈ যথেষ্ট চেষ্টা কৰিছিল। সেই উদ্দেশ্যে তেওঁ টিৰুচিৰাপল্লীৰ 'ছেইণ্ট জোছেফ' কলেজৰ পৰা স্নাতক উপাধি লাভ কৰাৰ পিছত, ১৯৫৪ চনত মাদ্ৰাজ ইনষ্টিটিউট অৱ টেকন'লজিত নাম ভৰ্তি কৰে। ইয়াৰপৰাই তেওঁ এদিন বৈমানিক অভিযন্তা স্বৰূপে উত্তীৰ্ণ হয়।

সৰুৰে পৰা উচ্চ প্ৰতিভাসম্পন্ন আৰু এখন উন্নতকামী ভাৰতৰ সপোন দেখা ড° কালামে নতুন প্ৰজন্মক সদায়েই কাম কৰিবলৈ কৈছিল তেওঁ জীৱনত সদায় সন্ত কবীৰৰ এযাৰি কথাই তেওঁৰ ব্যক্তিত্বত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল আৰু এই কথাষাৰিক উদ্দেশ্য কৰিয়েই তেওঁ নৱ প্ৰজন্মক কৰ্মৰ ওপৰত গুৰুত্ব দিয়াৰ কথা কৈছিল।

এই মূল্যবান কথাষাৰি আছিল, "কাইলৈ তুমি কি কৰিম বুলি ভাবিছা, তাক তুমি আজিয়েই কৰা আৰু আজি তুমি যি কৰিম বুলি ভাবিছা, সেই কাম এতিয়াই কৰা।" তেওঁৰ ভাষণত ক্ষুদ্ৰ লক্ষ্য এক অপৰাধ বুলিয়ে মন্তব্য দিয়ে। তেওঁ নৱ প্ৰজন্মক উদ্দেশ্য কৰি কয় যে, নৱ প্ৰজন্ম সকলে যদিহে ভাৰতৰ বাবে একান্ত আৰু নিষ্ঠাৰে কাম কৰি যাবলৈ আগবাঢ়ি আহে, তেনেহ'লে ভাৰত নিশ্চিতভাৱে এখন উন্নতশীল ৰাষ্ট্ৰ হৈ উঠিব— য'ত নাথাকিব দৰিদ্ৰতা, নিৰক্ষৰতা আৰু নিবনুৱা সমস্যা; সেয়া হ'ব অৰ্থনৈতিক উৎকৰ্ষ, ৰাষ্ট্ৰিয় নিৰাপত্তা আৰু আভ্যন্তৰীণ ঐক্যৰ সপোন।"

তেওঁ কৰ্ণাটকী সংগীতৰ এজন ৰসগ্ৰাসী পণ্ডিতো আছিল। আজৰি সময়ত তেওঁ বীণ বজাই তৃপ্তি লাভ কৰিছিল। ড° কালাম আছিল চিৰকুমাৰ। তেওঁ কোনো প্ৰকাৰৰ নিচাযুক্ত দ্ৰব্য নেখায়। তেওঁ নিৰামিষহাৰী আছিল। অতি সহজ-সৰল জীৱন কটাই ভাল পাইছিল তেওঁৰ মূৰত জিলিকি থাকে পৰিচিত দীঘল ৰূপালী বৰণৰ সুন্দৰ কেশ আৰু এটা 'গলাবন্ধ'।

ড° কালাম ২০০২ চনৰ ২৫ জুলাইৰ পৰা ২০০৭ চনৰ ২৪ জুলাইলৈ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি পদত অধিস্থিত হয়। ৰাষ্ট্ৰপতি হোৱা সময়ত তেওঁৰ বয়স আছিল ৭১বছৰ। তেওঁ ৰাষ্ট্ৰপতি ৰূপে শপত গ্ৰহণ কৰি ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া দহ মিনিটীয়া বাণীত, সীমান্ত অতিক্ৰমি সৃষ্টি হোৱা সন্ত্ৰাসবাদ আৰু আভ্যন্তৰীণ দ্বন্দ্বৰ দ্ৰুত উন্নয়ণৰ বাবে দেশৰ সামৰিক আৰু অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতাত অধিক পৰিমাণে গুৰুত্ব আৰোপ কৰে আৰু দেশৰ পৰা দাৰিদ্ৰ আৰু নিবনুৱা সমস্যা দুৰ কৰিবলৈ দ্ৰুত উন্নয়ণ আৰু লগতে ৰাষ্ট্ৰীয় নিৰাপত্তাক প্ৰতিজন ভাৰতীয়ই ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰূপে গণ্য কৰিবলৈও তেওঁ আহ্বান জনায়।

ভাৰতবৰ্ষলৈ তেওঁ বিভিন্ন সেৱা আগবঢ়াই থৈ যায়। ১৯৮০ চনৰ ১৮ জুলাইত ৰোহিণী উপগ্ৰহ উৎক্ষেপণ কৰি ভাৰতীয় মহাকাশ যানলৈ এক বিশেষ গৌৰৱ কঢ়িয়াই আনে। ইয়াৰ পিছত তেওঁ ১৯৮২ চনৰপৰা হায়দৰাবাদত থকা প্ৰতিৰক্ষা গৱেষণা উন্নয়ণ সংস্থাৰ ভাৰত মিছাইল উন্নয়ণ প্ৰকল্পত কাম কৰিবলৈ লয়। ইণ্টিগ্ৰেটেড গাইডেড মিছাইল ডেভলপমেণ্ট আঁচনিৰ দ্বাৰা তেওঁ ভাৰতক প্ৰতিৰক্ষা আৰু মিছাইলৰ ক্ষেত্ৰত এক সুদুৰ প্ৰসাৰী প্ৰভাৱ পেলাবলৈ সক্ষম হয়। এই আঁচনিৰ সাৰ্থক উদ্ভাৱন হ'ল— 'অগ্নি' আৰু 'পৃথ্বি'ৰ উৎক্ষেপণ। ইয়াৰ দ্বাৰা তেওঁ ভাৰতৰ পাৰমাণৱিক বোমাৰ পিতৃৰূপে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হয়।

তেওঁৰ যত্নতে প্ৰতিৰক্ষা গৱেষণা বিভাগত গাইডেড মিছাইল আঁচনিৰ অধীনত পাঁচটা বিভাগত এই বিশেষ কাম সম্পদনা কৰিবলৈ হাতত লোৱা হৈছে। সেই বিশেষ ভাগকেইটা হ'ল অগ্নি, পৃথ্বি, নাগ, আকাশ আৰু ত্ৰিশূল।

তেওঁ ১৯৬২ চনত ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠানৰ লগত জড়িত হৈ পৰে। ৰাষ্ট্ৰপতি কালত তেওঁ কৈছিল যে " শক্তিয়ে শক্তিৰ সন্মান কৰে।" তেওঁ সদায় প্ৰতিৰক্ষা আৰু অৰ্থনীতিৰ ক্ষেত্ৰত দেশ শক্তিশালী হোৱাতো বিচাৰিছিল। তেওঁ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতো জড়িত আছিল। তেওঁ তামিল ভাষাত ৰচনা কৰা ২৭ টা কবিতা ইংৰাজী ভাষালৈ অনুবাদ কৰি 'My Journey" (১৯৯৪) নামেৰে এখন কবিতা পুথি প্ৰকাশ কৰি উলিয়াইছিল।

এনেদৰে ভাৰতবৰ্ষলৈ আগবঢ়োৱা বিভিন্ন সেৱাৰ বাবে ভাৰত চৰকাৰে তেওঁক ১৯৮১ চনত পদ্মভূষণ, ১৯৯০ চনত 'পদ্মবিভূষণ' আৰু ১৯৯৭ চনত 'ভাৰত-ৰত্ন' উপাধিৰে সন্মানিত কৰে। তেওঁক আঠইশখনৰো অধিক বিশ্ববিদ্যালয়ে ডি.এছ.চি. উপাধিৰে সন্মানিত কৰিছে।

কৰ্মপ্ৰিয় আৰু কৰ্মৰ মাজেৰে জীৱন অতিবাহিত কৰা ড° কালামে প্ৰায়ে কৈছিল যে, তেওঁৰ মৃত্যুৰ দিনটোত হেনো কোনো অনুষ্ঠান-প্ৰতিষ্ঠান বন্ধ নাৰাখিব বৰং সেইদিনা বেছিকৈহে মানুহক কাম কৰিবলৈ কৈছিল। আৰু এনেদৰেই এদিন ছিলংৰ এটি অনুষ্ঠানত বক্তৃতা প্ৰদান কৰি থকা অৱস্থাতে নিষ্ঠুৰ নিয়তিৰ কোলাত ঢলি পৰে আৰু সেইদিনাই আমাৰ সকলোৰে মাজৰ পৰা এই মহান মনিষী জনে চিৰবিদায় মাগে। তেওঁৰ সৰলতা আৰু মানৱতাবাদী গুণৰ কাৰণেই মানুহৰ মাজত অতি সোনকালে জনপ্ৰিয় হৈ পৰিছিল।

ড° এ.পি.জে. আব্দুল কালাম আজি আমাৰ মাজত নাই তেওঁৰ মৃত্যুত ভাৰতবাসীয়ে যে এখন সোহাঁত হেৰুৱালে কিন্তু তেওঁ দেখুৱাই যোৱা মহান, আদৰ্শ, চৰম ত্যাগ আৰু সত্যনিষ্ঠা ভাৰতবাসীৰ মাজত সদায় এগচি বন্তি আৰু এটি উজ্বল ভোটা তৰাটোৰ দৰে জিলিকি থাকিব। ❑


<u>সহায়ক গ্ৰন্থ ঃ</u>

সমীহ কলিতা ঃ ভাৰত ৰত্ন






# মধ্যযুগীয় অসমৰ বিৱৰণ স্বৰূপ গুৰুচৰিত কথা


ৰুমী দাস

*অংশকালীন অধ্যাপিকা, অসমীয়া বিভাগ*


**প্ৰস্তাৱনা ঃ** অসমীয়া চৰিত সাহিত্যৰ ইতিহাসত বিশেষভাৱে উল্লেখনীয় গ্ৰন্থখনিয়ে হ'ল 'গুৰুচৰিত কথা'। এই গ্ৰন্থখনিয়ে চৰিত সাহিত্যৰ ক্ষেত্ৰখনলৈ যথেষ্ট অৱদান আগবঢ়াইছে। কথা বা গদ্যত যি দুই এখন চৰিত ৰচনা হৈছিল সেই কেইখনৰ ভিতৰত কথা-গুৰুচৰিত খন সৰ্ববৃহতেই নহয় অত্যন্ত তাৎপৰ্যপূৰ্ণও। ইয়াত অসমৰ নৱবৈষ্ণৱ আলোড়নৰ বিশিষ্ট প্ৰৱৰ্তক-প্ৰচাৰক সকলৰ উপৰি অসংখ্য ভক্ত বৈষ্ণৱৰ চৰিতৰ লগতে প্ৰায় এহাজাৰ বছৰ বিয়পা সমাজ জীৱনৰ ইতিহাসো বিবৃত হৈছে। এই গ্ৰন্থখনিৰ মাজেৰে মধ্যযুগৰ অসমৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতি, অৰ্থনৈতিক, ৰাজনৈতিক জীৱন কথাৰ পৰা অসম বুৰঞ্জীৰ আভাস পাব পৰা যায়। এই চৰিতখনৰ পৰা মধ্যযুগীয়া অসমৰ দৰে সমগ্ৰ মধ্যযুগীয় ভাৰতীয় সমাজৰ ভিন ভিন দিশৰ বিষয়ে জনাত অনুভৱ কৰাতো সহায় কৰে। অসমীয়া চৰিত সাহিত্যৰ ইতিহাসৰ বিৱৰণ-স্বৰূপ বুলি আখ্যা দিয়া গুৰুচৰিত কথা গ্ৰন্থখনিৰ মূল্য অপৰিসীম।

<u>অসমীয়া চৰিত পুথি ঃ</u> অসমীয়া সাহিত্যৰ ইতিহাসত উল্লেখযোগ্য স্থান অধিকাৰ কৰি থকা শংকৰোত্তৰ যুগৰ বহুমুলীয়া সম্পদবিধেই হৈছে চৰিত সাহিত্য বা চৰিত পুথি। বৈষ্ণৱ ধৰ্মগুৰুসকলৰ দ্বাৰা সৃষ্ট পৱিত্ৰ সত্ৰ অনুষ্ঠনসমূহৰ মজিয়াতে চৰিত পুথিসমূহৰ বীজ অংকুৰিত হয়। সাধাৰণ ভাষাত ক'বলৈ গ'লে, শংকৰ মাধৱৰ তিৰোভাৱৰ পাছত শিষ্যসকলে গুৰুসকলৰ জীৱন, বিভিন্ন কাৰ্যাৱলী লৈ যিবোৰ পুথি ৰচনা কৰিলে, সেইবোৰক চৰিত পুথি বোলে। গতিকে চৰিত পুথি হ'ল শংকৰ, মাধৱ আৰু আন আন ধৰ্মগুৰুসকলৰ জীৱনীসদৃশ গ্ৰন্থ। এই চৰিত পুথি উদ্ভৱ আৰু বিকাশৰ সময় হৈছে সপ্তদশ শতিকাৰ আৰম্ভণিৰে পৰা সপ্তদশ শতিকাৰ শেষলৈকে বৈষ্ণৱ গুৰুসকলৰ জীৱন চৰিত অৰ্থাৎ গুৰু-গৰিমা জনসাধাৰণৰ আগত ব্যক্ত বা প্ৰকাশ কৰাৰ উদ্দেশ্যৰে চৰিত পুথিসমূহ ৰচনা কৰা হৈছিল বুলি ক'ব পৰা যায়।

ৰচনা ধৰণ অনুসৰি চৰিত পুথিসমূহক দুই ভাগত ভাগ কৰিব পৰা যায়। এই ভাগ দুটা হ'ল— (১) পদ্য চৰিত (২) গদ্য চৰিত। এই চৰিত পুথি সমূহৰ সংখ্যা ডেৰকুৰিখনমান হ'ব। ইয়াৰে ভিতৰত শংকৰদেৱ-মাধৱদেৱৰ জীৱন চৰিতেই পাঁচ-ছয়খনমান। যেনে— ৰামচৰণ ঠাকুৰৰ 'শংকৰচৰিত', দৈত্যাৰি ঠাকুৰৰ 'শংকৰদেৱ মাধৱদেৱ চৰিত', ভুষণ দ্বিজৰ 'শংকৰ চৰিত' আদি। গদ্য সাহিত্যৰ ফালৰ পৰা 'কথাগুৰু চৰিত 'বৰদেৱা চৰিত'ৰ মূল্য অধিক।

<u>**কথা গুৰু চৰিত প্ৰসংগ ঃ-**</u>

'গুৰু চৰিত কথা' অসমৰ সাংস্কৃতিক ইতিহাসৰ এখনি অতি মূল্যৱান মহৎ গ্ৰন্থ। এই চৰিতখন বৰপেটা সত্ৰৰ বুঢ়া অধিকাৰ চতুৰ্ভুজ মিশ্ৰদেৱৰ পৰা বাণীকান্ত কাকতিদেৱে ১৯২৭ চনত সংগ্ৰহ কৰি আনিছিল। ১৯৫২ চনত উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ সম্পাদনাত ই প্ৰথম প্ৰকাশিত হয়। পিছত ১৯৮৭ চনত 'গুৰুচৰিত কথা' নামেৰে মহেশ্বৰ নেওগে দ্বিতীয় সংস্কৰণ উলিয়ায়। দুয়োখন পুথিতে ৰচকৰ নাম পোৱা নাযায়। কথা গুৰু চৰিতত দুজনা গুৰু, ন জনা আতা, দুজনা ঠাকুৰদেৱক ধৰি বৈষ্ণৱ সম্প্ৰদায়ৰ ভালেখিনি সন্ত মহন্তৰ জীৱনৰ কথা আৰু সামাজিক, ৰাজনৈতিক, ধৰ্মীয়, অৰ্থনৈতিক বাতাবৰণৰ কথাও প্ৰকাশিত হৈছে। এই গ্ৰন্থৰ কলেবৰ বৃহৎ। ইয়াৰ কথনভংগী সুন্দৰ আৰু নাটকীয়া। ভাষাৰ কালৰ পৰা ই অষ্টাদশ শতিকাৰ গদ্য সাহিত্যৰ নিদৰ্শন ঘটনা বিস্তাৰৰ কালৰ পৰা এই চৰিত পুথিখনে এক সুদীৰ্ঘ সময়জুৰি অসমৰ সামাজিক, ধাৰ্মিক, আৰ্থিক, ৰাজনৈতিক

আদি বিভিন্ন দিশৰ আলোকপাত কৰিছে।

**কথাগুৰু চৰিতত চিত্ৰিত মধ্যযুগীয়া অসম ঃ**

কথাগুৰু চৰিত গ্ৰন্থখনিৰ বিষয়বস্তু হ'ল বৈষ্ণৱৰ ধৰ্ম প্ৰচাৰৰ ইতিহাস, শংকৰদেৱ, মাধৱদেৱ আৰু অন্যান্য শিষ্য প্ৰশিষ্যসকলৰ ধৰ্মীয় জীৱনৰ অনুকূল প্ৰতিকূল পৰিৱেশ, সত্ৰ অনুষ্ঠন আদিৰ বিকাশ, বৈষ্ণৱ ধৰ্মৰ আচাৰ, ৰীতি-নীতিকে আদি কৰি, সামাজিক, সাংস্কৃতিক ইতিহাসৰ লগতে অৰ্থনৈতিক, ৰাজনৈতিক দিশৰ জিলিঙনি। বৈষ্ণৱ গুৰুসকলৰ দৈনন্দিন জীৱনৰ দিনপঞ্জীৰ দৰে ইয়াত সকলো কথাৰ বৰ্ণনা থাকে। প্ৰকৃততে, আন চৰিত পুথিৰ দৰে 'গুৰু চৰিত কথা' মধ্যযুগৰ অসমৰ ধৰ্মীয়, সামাজিক, ৰাজনৈতিক জীৱনৰ দলিলস্বৰূপ। 'গুৰু চৰিত কথা' গ্ৰন্থখনিত ড° মহেশ্বৰ নেওগদেৱে উল্লেখ কৰিছে যে, ঘটনা বিস্তাৰৰ ক্ষেত্ৰত ই পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা আৰম্ভ কৰি সপ্তদশ শতিকালৈয়ে স্পৰ্শ কৰিছে আৰু বিষয়ৰ বিস্তাৰত অসমৰ সামাজিক, ধাৰ্মিক, অৰ্থনৈতিক, ৰাজনৈতিক, প্ৰশাসনিক, সামৰিক, আৰ্থপ্ৰশাসনিক, কলাগত আদি সংস্কৃতিৰ বিভিন্ন দিশত গ্ৰন্থখনিয়ে আলোকপাত কৰিছে। সাধাৰণতে, ইয়াত অসমৰ অভূতপূৰ্ব নৱবৈষ্ণৱ ধৰ্মৰ আলোড়নৰ ইতিহাস বৰ্ণনা আছে।

**ধৰ্মীয় চিত্ৰ ঃ** মহাপুৰুষ দুজনাৰ প্ৰগতিবাদী ধৰ্মৰ আদৰ্শই অসমৰ ধৰ্মীয় পৰম্পৰাত বিশেষ পৰিৱৰ্তন সাধন কৰা কথা গুৰু চৰিতত আছে। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে ভকত বৈষ্ণৱ সকলে সত্ৰ-কীৰ্তনঘৰ আদি নিজে নিজেই সজাই লৈছিল। হাটি, ভকতৰ বহা, নাম প্ৰসংগৰ ক্ৰম আদি বৈষ্ণৱ ধৰ্মৰে প্ৰভাৱৰ ফল। ধৰ্মীয় অনুষ্ঠানসমূহৰ মনোৰম বৰ্ণনা এই গ্ৰন্থত সুন্দৰভাৱে দেখুওৱা হৈছে। প্ৰকৃতাৰ্থত গুৰুচৰিত কথাত শংকৰদেৱৰ পূৰ্বৰ অসমত প্ৰচলিত শাক্ত, শৈৱ ধৰ্মৰ প্ৰধান্যতাও প্ৰকাশ কৰা হৈছে। লগতে শংকৰদেৱৰ কালছোৱাৰ আৰু শংকৰোত্তৰ কাল এই তিনিওছোৱা কালৰ প্ৰতিচ্ছবি গ্ৰন্থখনত পোৱা যায়।

**সামাজিক চিত্ৰ ঃ** গুৰুচৰিত কথাত মধ্যযুগৰ অসমৰ সামাজিক চিত্ৰৰ ছবি সুন্দৰ ৰূপত ফুৰ্টি উঠিছে। সেই সময়ৰ অসমৰ সমাজত প্ৰচলিত ৰীতি-নীতি, লৌকিক আচাৰ-ব্যৱহাৰ আদি বৰ্ণনা ইয়াত পোৱা যায়। অসমৰ কামৰূপ অৰ্থাৎ ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলত মিৰি নগা, গাৰো, ভোট, ডফলা, অকা, নগা, আদি মংগোলীয় গোষ্ঠীৰ লোকসকলে বসবাস কৰাৰ কথা উল্লেখ কৰিছে। জাতি, বৰ্ণ অনুসৰি উচ্চ-নীচৰ প্ৰভেদৰ কথাও ইয়াত পোৱা যায়। ব্ৰাহ্মণ, শূদ্ৰ, কপিল, ধোবা, নাপিত, কৈৱৰ্ত, যবন, হাৰি, চণ্ডাল আদি বিভিন্ন শ্ৰেণীৰ লোকৰ বাসস্থানৰ কথা উল্লেখ আছে। বাৰভূঞাসকলে শাসনকাৰ্য চলাইছিল, ব্ৰাহ্মণসকলে উচ্চ আসন লাভ কৰি সমাজৰ ধৰ্ম-কৰ্মৰ গুৰি ধৰিছিল। উপনয়ন, অন্নপ্ৰাশন, চূড়াকৰণ, কৰ্ণবিন্ধন, বিবাহ আদি লৌকিক আচাৰ-নীতিৰ কথা-বিভিন্ন ঠাইত উল্লেখ পোৱা যায়। চন্দৰী আই, গোদা-গকুলা আদি লোক দাস আছিল যদিও তেওঁলোকক শংকৰদেৱে উপযুক্ত মৰ্য্যদা প্ৰদান কৰাৰ কথা পোৱা যায়। লোকবিশ্বাস, জ্যোতিষচৰ্চা আদি প্ৰথাৰ প্ৰচলনৰ কথাও 'গুৰু-চৰিত কথা'ত পোৱা যায়।

**অৰ্থনৈতিক চিত্ৰ ঃ** মধ্যযুগৰ অসমৰ অৰ্থনৈতিক দিশৰ ছবিও গুৰুচৰিত কথাৰ মাজেৰে আভাস পোৱা যায়। কৃষিকৰ্মৰ ভিতৰত মাহ, সৰিয়হ, শাক-পাচলিৰ খেতিৰ উপৰি জনজাতীয় লোকৰ ঝুম খেতিৰ কথাও আছে। বেহা-বেপাৰৰ ক্ষেত্ৰত সৰিয়হ, তামোল-পাণ, ছাগলীৰ বেপাৰৰ উপৰি সোণ, ৰূপ, পাটবস্ত্ৰ, কপাহ, হাতীৰ দাঁত, মুগাৰ বেপাৰৰ কথা পোৱা যায়। নাৰায়ণ দাস ঠাকুৰ আতাই ব্যৱসায় কৰিছিল পাণৰ। পাণৰ ব্যৱসায় এৰি ছাগলী পুহিছিল। নাৱেৰে সৰিয়হ ব্যৱসায় কৰাৰ কথাও গুৰু চৰিতখনত আছে। বাঁট, কাঠ, খেৰ আদিৰ বৰ্ণানাও আছে য'ত ঘৰ সাজোতে ব্যৱহাৰ হোৱা খুঁটা, চতি আদিৰ বস্তুৰ উল্লেখ আছে। কমাৰ, কুমাৰ, চমাৰ, তেশী, তাঁতী, দৰ্জি আদি বৃত্তিয়ালৰ সৃষ্টিও তেতিয়াই হৈছিল। এই গ্ৰন্থত উল্লেখ থকা কেতবোৰ বৰ্ণনাৰ পৰা সাধাৰণ লোকৰ জীৱন-যাপনৰ প্ৰণালী অতি সৰল, অনাড়ম্বৰ আছিল বুলি অনুমান কৰিব পাৰি। অভাৱৰ দিশত ভিক্ষা মাগি ফুৰা অৱস্থাই সেই সময়ৰ অৰ্থনৈতিক দিশৰ প্ৰতিছবি সুন্দৰ ৰূপত পৰিস্ফুট হোৱা বুলি ক'ব পৰা যায়।

**ৰাজনৈতিক চিত্ৰ ঃ** গুৰু চৰিত কথাত পঞ্চদশ, ষোড়শ শতিকাৰ অসমৰ ৰাজনৈতিক বাতাবৰণৰ এটি আভাস পৰিলক্ষিত হোৱা দেখিবলৈ পোৱা যায়। অসমত আহোম, কামৰূপ আৰু বেহাৰত কোচসকলে শাসন কৰাৰ উপৰি পূৰ্ব অঞ্চলত চুতীয়া আৰু দক্ষিণ পূব অঞ্চলত কছাৰীৰ ৰাজত্বৰ কথা পোৱা যায়। ৰজাসকলক শাসন ব্যৱস্থা সামৰিক ক্ষেত্ৰত প্ৰয়োগ হোৱা বিভিন্ন সা-সৰঞ্জামৰ উপৰি অন্যান্য খেল ধেমালি যেনে— ঢোপ, বটা, ঘিলা আদিৰো বৰ্ণনা পোৱা যায়। শংকৰদেৱে ধৰ্ম-প্ৰচাৰ কৰোতে সন্মুখীন হোৱা বিভিন্ন অনুকূল প্ৰতিকূল পৰিৱেশৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দিশৰ কথাও ঠায়ে ঠায়ে উল্লেখ কৰা হৈছে।

**শৈক্ষিক চিত্ৰ ঃ** আখৰ লেখিব আৰু পঢ়িব শিকাকে অসমৰ





সেই সময়ৰ সমাজে শিক্ষা নুবুজিছিল। অসমত আনুষ্ঠানিক শিক্ষা অনুষ্ঠান ব্যাপক ৰূপে গঢ় লৈ উঠাৰ নিদৰ্শনো নাই। কিন্তু মধ্য অসমৰ বৰদোৱাত মহেন্দ্ৰ কন্দলীৰ ছাত্ৰশালা, য'ত শংকৰদেৱে বিদ্যা আৰম্ভ কৰিছিল। লগতে নামনিৰ হাকামা আৰু শ্ৰীহাটীৰ ক্ৰমে দেৱদত্ত অধ্যাপক আৰু যাদবেন্দ্ৰ ভট্টাচাৰ্যৰ ছাত্ৰশালাৰ স্পষ্ট উল্লেখ আছে। মাধৱদেৱে বণ্ডুকাৰ ৰাজেন্দ্ৰ অধ্যাপকৰ অধীনত শিক্ষা লাভৰ উল্লেখ চৰিতখনত আছে।

**সামৰণি ঃ** গুৰুচৰিত কথাত শংকৰদেৱ মাধৱদেৱ আৰু অন্যান্য বৈষ্ণৱ গুৰুসকলৰ চৰিত বৰ্ণনা কৰোঁতে সামগ্ৰিকভাৱে অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ ইতিহাস পৰিস্ফুট হৈছে। ভক্তি আন্দোলনৰ এই মনোৰম অভিলেখত শংকৰৰ সময়ছোৱাৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক চিত্ৰৰ প্ৰতিফলন ঘটিছে। লগতে শংকৰৰ পূৰ্বৰ আৰু পৰৱৰ্তী কালৰ জীৱন প্ৰবাহৰ ৰেঙণিও ফুটি উঠিছে। মধ্যযুগৰ অসমীয়া সাহিত্য, অসমৰ বুৰঞ্জী, অসমৰ জাতীয় ইতিহাসৰ পূৰ্ব প্ৰতিফলন ঘটা এই গ্ৰন্থখনিক সেয়েহে মধ্যযুগীয় অসমৰ বিৱৰণ স্বৰূপ বুলি আখ্যা দিব পৰা যায়। □

**গ্ৰন্থপঞ্জী ঃ**


১। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ জিলঙণি— সম্পা, অমিয়া ভট্টাচাৰ্য

২। কথা গুৰু চৰিত (এটি সমীক্ষা)— শশী শৰ্মা।

৩। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত — ড° সত্যেন্দ্ৰ নাথ শৰ্মা।


✦✦✦✦✦

## মহৎলোকৰ অমৃত বাণী

➢ প্ৰেমৰ আনন্দ অতি ক্ষণস্থায়ী, চিৰস্থায়ী মাথো প্ৰেম বেদনাহে।

— ৰবীন্দ্ৰ নাথ ঠাকুৰ

➢ সাহসী হোৱা— কাৰোবক হত্যা কৰিবলৈ নহয়, আনে ঘৃণা কৰাজনক মৰমেৰে সাৱটি ল'বলৈ।

— মাদাৰ টেৰেছা

➢ কাৰোবাক সঁচা অৰ্থত সন্মান কৰিবৰ বাবে তেওঁক হৃদয়েৰে ভালপাব লাগিব। এই কথাষাৰৰ লগতে এই কথাও সিমানেই সঁচা যে কাৰোবাক হৃদয়েৰে ভালপাবৰ বাবেও তেওঁৰ প্ৰতি থাকিব লাগিব প্ৰকৃত সন্মান।

— মহান শিল্পী মাইকেল এঞ্জেলো

➢ যি মানুহে নামমাত্ৰও আনৰ কথা চিন্তা কৰিব নোৱাৰে, তেওঁৰ জীৱনৰ কোনো অৰ্থ নাই।

— মণ্টেইন

সংগ্ৰাহক ঃ **মৰমী বেগম**

*স্নাতক, পঞ্চম ষাণ্মাষিক*

# অজিৎ বৰুৱাৰ 'মন-কুঁৱলী সময়' ঃ এক আলোচনা

✍ নীলাক্ষী মেধী
অংশকালীন অধ্যাপিকা, অসমীয়া বিভাগ

অজিৎ বৰুৱাৰ 'মন-কুঁৱলী সময়' কবিতাটি তেওঁৰ প্ৰথম কাব্য সংকলন 'কিছুমান পদ্য আৰু গান'ৰ অন্তৰ্গত। ১৯৪৮ চনত কবি বৰুৱাই এই কবিতাটি ৰচনা কৰিছিল। মন-কুঁৱলী সময় এই তিনিটা অনুষংগ কবিয়ে কবিতাটিৰ শিৰোণামাত সন্নিৱিষ্ট কৰিছে। এই তিনিওটাকে মাথোন অনুভৱ কৰিব পাৰি, ক'তোৱে আৱদ্ধ কৰি ৰাখিব নোৱাৰি।

১। মন-যি সকলোতকৈ বেগবন্ত; অস্থিৰ। সদাবিক্ষিপ্ত।

২। কুঁৱলী- ইয়াক মাথোন অনুভৱ কৰিব পাৰি। দুহাতেৰে ধৰি ৰাখিব নোৱাৰি। (কাতিৰ) কুঁৱলী সূৰ্য্য উদয় হোৱাৰ লগে লগে ভাপ হৈ শূণ্যত বিলীন হৈ যায়।

৩। সময়- গতিশীল; পাখিলগা কাঢ়ৰ নিচিনা। এবাৰ গুচি গ'লে, কোনো বিনিময়তে উভতি নাহে।

কবি বৰুৱাই সময়ৰ ধাৰণাৰ ক্ষেত্ৰত টি. এছ. এলিয়টৰ পৰা প্ৰেৰণা লাভ কৰিছে। এলিয়টৰ ধাৰণাক তেওঁৰ সৃজনী শক্তিৰে গলাই-পমাই নিজস্ব সাঁচত গঢ় দি লৈছে।

কবিতাটিৰ আৰম্ভণিতেই কবিয়ে পাঠকক কাতিৰ কুঁৱলীসনা কোমল ৰাতিপুৱা এটালৈ লৈ গৈছে। এবছৰ আগৰ অতীত ৰাতিপুৱা এটিত সম্পূৰ্ণ ব্যক্তিগত অনুষংগৰে উজলি উঠিছে। কাতি মাহৰ কুঁৱলীয়ে ঢকা পুৱা এটি কবিয়ে কুঁৱলীৰ সতে উদ্‌যাপন কৰিছে। য'ত তেওঁ কুঁৱলীবোৰে গলি-গলি ভাহি ফুৰা দেখিবলৈ পাইছে।

"কাতি মাহৰ এটা ধোঁৱা ৰাতিপুৱা
কুঁৱলী গলি ভাঁহে
এই পুৱা যেন অতীত জীৱন
(এবছৰ বয়সীয়া)
পুনৰ যাপন
কৰি উঠিলোঁ। কাৰণ—"

পোৱা-নপোৱাৰ সংযোগ সাকোঁ স্বৰূপ দলংখনিত কবিয়ে এক মুহূৰ্ত্তৰ বাবে থমকি ৰৈছে। স্মৃতি ৰোমন্থন কৰি আৰু বৰ্তমানৰ মাজত কবি ক্ষণিকৰ বাবে চিন্তান্বিত হৈ পৰিছে; মুহূৰ্ত্তৰ বাবে যেন সময়ো স্তব্ধ হৈ পৰিছে—

"থকা-নথকা এক পলকৰ দলঙত
সময় বন্ধ হৈ যায়। (?)......"

অজিৎ বৰুৱাৰ কবিতাটিত প্ৰথম স্তৱকটোৰ সৈতে দ্বিতীয় স্তৱকটোৰ আপাতদৃষ্টিত কোনো সামঞ্জস্য নাই। কল্পনাৰ শৃংখলাৰ জৰিয়তে কবিয়ে সামঞ্জস্যহীন দুটা ঘটনাক একেলগে সাঁঙুৰি পেলাইছে।

কবিতাটিৰ দ্বিতীয় স্তৱকটিত কবিৰ ব্যক্তিগত অনুভূতি প্ৰকাশ পাইছে। কবিয়ে স্মৃতিৰ দলিচাত উঠি শৈশৱ-কৈশোৰৰ পঢ়াশলীয়া দিনবোৰলৈ ঢাপলি মেলিছে। কবিৰ মনোজগতৰ মাজত স্মৃতিৰ দুখৰীয়া ছবিয়ে ধৰা দিছে—

"এদিনাখন এটা ধেকুৰা কুকুৰে মুখত মগুহ লৈ
বুকুত খামোচ মাৰি ধৰি আছিল কামৰূপৰ মেপ নিনিয়া ভয়।"

পাঠশালাৰ 'কুঁহিপাঠ'ত থকা লুভীয়া কুকুৰটোৰ কথা সহৃদয় পাঠক মাত্ৰেই জানে; আৰু এই সাধুটোৰ কথাকে কবিয়ে কবিতাটিৰ মাজত কৌশলেৰে সন্নিৱিষ্ট কৰিছে। পঢ়াশালিৰ কঠোৰ শ্ৰেণীশিক্ষকে ভূগোলৰ ছাত্ৰ-সকলক কামৰূপ জিলাৰ মেপখন আঁকি নিবলৈ দিয়া কথা কিবা কাৰণবশতঃ কোনোবা ছাত্ৰই পাহৰি গ'লে পিছদিনাখন আন বন্ধুবোৰে মনত পেলাই দিলে যিটো ভয়ে





'বুকুত খামোচ মাৰি' ধৰেহি সেয়া ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি।

কবি বৰুৱাই 'মন-কুঁৱলী সময়' কবিতাটিত অতীতৰ সোণালী দিনবোৰৰ মাজলৈ উভতি গৈছে। যিবোৰ কবিৰ বাবে এতিয়া মাথোন স্মৃতিৰ কুকিত সজতনে ৰখা জীয়া স্মৃতি। সময়ৰ সোঁতত কবিৰ শৈশৱ, কৈশোৰৰ ধেমালিবোৰ হেৰাই গৈছে, যি আৰু কেতিয়াও কবিৰ জীৱনলৈ উভতি নাহে। কেৱল অতীতৰ সেই স্মৃতিবোৰহে কবিৰ বাবে ৰৈ আছে।

এলিয়টৰ মহানগৰীয়া জীৱনৰ পৰা উৎসাৰিত নিঃসংগতাবোধৰ বিপৰীতে বৰুৱাৰ বিচ্ছিন্নতাবোধৰ উৎস হৈ পৰিছে গ্ৰামীণ পৰিৱেশ। কবিতাটিৰ মাজত কথ্য ভাষাৰ সুৰ অনুসৃত হৈছে। নীৰৱতাই গ্ৰাস কৰা গধূলি পৰত কবিয়ে অকলে থিয় হৈ দেখিবলৈ পাইছে বিশাল পথাৰ এখনৰ মাজত তেওঁ অকলে থিয় হৈ আছে। দুৰৈৰ গাওঁখনৰ পৰা 'গুণ-গুণকৈ ধোঁৱা' উৰি আছিল—

"আৰু সংক্ষেপে
সেই নীৰৱে গধূলি পথাৰৰ মাজত অকলে থিয় হোৱা
চাৰিওফালে পথাৰ পথাৰ
বুকুত খামোচ
দূৰৰ গাঁৱৰপৰা গুণগুণকৈ ধোঁৱা
উৰিছিল।"

"দূৰৈৰ গাৱঁৰ পৰা, গুণ-গুণকৈ ধোৱা উৰিছিল"— বাক্যশাৰীৰ জৰিয়তে ইন্দ্ৰিয় সংশ্লেষণৰ উল্লেখ পোৱা যায়। ধোঁৱা কেৱল উৰিবহে পাৰে, তাৰ মাজত কোনো ধ্বনিময়তা নাথাকে কবিৰ দৃষ্টিত দূৰৈৰ গাঁৱৰ পৰা উৰি অহা ধোঁৱাই, সন্ধ্যাৰ আৱাহনী সংগীতহে গাবলৈ আৰম্ভ কৰিছে; যাৰ নীৰৱ দৰ্শক হৈ ৰৈছে কবি নিজে।

কবিয়ে খণ্ড চিত্ৰ কেইখনমানক জোৰা দি সৃষ্টি কৰিছে 'মন-কুঁৱলী সময়'। কবিতাটিৰ মাজত এটা ভাবৰ পৰা আন এটা ভাবলৈ আছে এক নিৰ্দ্দিষ্ট দূৰত্ব; কবিতাটিৰ ক'তোৱে ভাবৰ ধাৰাবাহিকতা পোৱা নাযায় যদিও প্ৰতীক, চিত্ৰকল্পৰ প্ৰয়োগে কবিতাটিক অনন্য মাত্ৰা প্ৰদান কৰিছে। ❑

**সহায়ক গ্ৰন্থপঞ্জী**

১। কবিতামঞ্জৰী
২। আধুনিক অসমীয়া কবিতা

✦✦✦✦✦

## মহৎলোকৰ অমৃত বাণী

- জীৱনত কেতিয়াও পৰাজিত নোহোৱাটো গৌৰৱৰ বিষয় নহয়, গৌৰৱৰ বিষয় কোনো পৰাজয়তে হাৰ নামানি আগবাঢ়ি যোৱাটো।
  — জৱহৰলাল নেহৰু
- একমাত্ৰ সেইজন মানুহেই প্ৰকৃত মানুহ- যিজনে মানুহৰ বাহিৰেও আন সকলো প্ৰাণীৰ প্ৰতি কৰুণা অনুভৱ কৰে।
  — বুদ্ধ
- ভাগ্যক বিশ্বাস নকৰিবা, বিশ্বাস কৰা তোমাৰ শক্তিক।
  — বি.আৰ. আম্বেদকাৰ

সংগ্ৰাহক ঃ **টুটুমণি দাস**
*উঃ মাঃ দ্বিতীয় বৰ্ষ*

# ‘মামৰে ধৰা তৰোৱাল’ উপন্যাসৰ কাহিনী আৰু পটভূমি

ড° জাহ্নৱী দেৱী
*সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ*

জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰা লেখিকা মামণি ৰয়চম গোস্বামীয়ে পটভূমি আৰু বিষয়বস্তুৰ বৈচিত্ৰ্যৰে অসমীয়া উপন্যাস সাহিত্যক বৈভৱশীল কৰি তুলিছিল। ৰচনাৰ ক্ৰম অনুসৰি চতুৰ্থ উপন্যাস ‘মামৰে ধৰা তৰোৱাল’ৰ বাবে গোস্বামীয়ে ১৯৮২ চনৰ সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল। উত্তৰ প্ৰদেশৰ ৰায়বৰেলী জিলাৰ মাজেৰে বৈ যোৱা সাই নদী ওপৰত ‘একুৱাডাক্‌ট’ (Aquaduct) বন্ধাৰ সময়ত ঔপন্যাসিকা গোস্বামীয়ে ‘ৰাৰ্ক চাইট’ত থকাৰ সুযোগ পাইছিল। সেই সময়ত অৰ্থাৎ ১৯৭৯ চনত লেখিকাই নিচেই ওচৰৰ পৰা প্ৰত্যক্ষ কৰা কোম্পানীৰ শ্ৰমিকসকলৰ দুৰ্দশাপূৰ্ণ জীৱনে সংবেদনশীল লেখিকাৰ হৃদয় স্পৰ্শ কৰিছিল। মানৱদৰদী লেখিকাই বাস্তৱৰ কঠিন জীৱন সংগ্ৰামত মুমুৰ্ষু মানৱৰ ছৱি কলাসন্মতভাৱে উপস্থাপন কৰি উপন্যাসৰ ৰূপ দিলে। উপন্যাসখন পঢ়িলে এনে লাগে যেন ‘একুৱাডাক্‌ট’ নিৰ্মানত নিয়োজিত শ্ৰমিকসকলৰ বিধ্বস্ত জীৱনৰ এখন ফটোগ্ৰাফহে ফ্ৰেমত আৱদ্ধ কৰি ৰখা হৈছে। পটভূমিৰ নতুনত্ব, চৰিত্ৰসমূহৰ চুম্বকত্ব গুণ আহৰণ কৰে।

<u>উপন্যাসৰ কাহিনী ঃ</u> সাই নদীৰ ওপৰত ‘একুৱাডাক্‌ট’ বন্ধা কামত নিয়োজিত শ্ৰমিকসকলৰ মাজত অনেক ভাগ আছিল। জাত-পাতৰ বিচাৰত হৰিজন, দোচাধ, পাচি, চামাৰ আদি; কৰ্ম নিয়োজন অনুসৰি পাৰ্মানেণ্ট, মাহ্‌লী পেইড, টেম্পোৰেৰী আৰু কামৰ স্তৰ অনুসৰি বনুৱা, মেট, মহৰী, কেৰাণী, বাবু, ইঞ্জিনিয়াৰ আদিৰ মাজত এক অদৃশ্য প্ৰাচীৰ থিয় হৈ আছিল। কোনোৱে কাৰো সৈতে অ বাধে মিলা-মিছা কৰিব নোৱাৰে। ডানকাম কোম্পানীৰ তিনি কুৰিতকৈয়ো অধিক ব্ৰাঞ্চে ভাৰতবৰ্ষৰ বিভিন্ন স্থানত কনষ্ট্ৰকচনৰ কাম কৰি আছে। তেনে এটা ব্ৰাঞ্চ উত্তৰ প্ৰদেশৰ ৰায়বেৰেলী জিলাৰ সাই নদীৰ ওপৰত বান্ধ নিৰ্মানত নিয়োজিত হৈ আছে। কোম্পানীৰ নিয়ম অনুসৰি শ্ৰমিকসকলক প্ৰয়োজন সাপেক্ষে কামত নিয়োগ কৰা হয়। কাম শেষ হ'লে প্ৰথমতে ডেইলী পেইড শ্ৰমিকসকলক বিদায় দিয়া হয়। তেওঁলোকৰ ভৱিষ্যত আৰ্থিক নিৰাপত্তা বা অন্য কোনো কথাতে কোম্পানী দায়বদ্ধ নহয় বা ভৱিষ্যতে তেওঁলোকক পুনৰ কামত মকৰল কৰা হব বুলি নিশ্চিত নাই। দ্বিতীয় স্তৰত মাহ্‌লী পেইড শ্ৰমিকসকলক বিনা দৰমহাৰে চুটি দিয়া হয় আৰু নতুন কাম আৰম্ভ হলে পুনৰ কামত নিয়োগ কৰা হয়। পাৰ্মানেণ্ট শ্ৰমিকসকলৰ কাম নাথাকিলে পাঁচ মাহলৈকে পুৰা দৰমহাৰে চুটি দিয়া হয় আৰু ভৱিষ্যতে পুনৰ কামত নিয়োজিত হয়। এনে পৰিৱেশত পাৰ্মানেণ্ট আৰু মাহ্‌লী পেইড শ্ৰমিকসকলৰ তুলনাত ডেইলী পেইড শ্ৰমিক সকলৰ অৱস্থা শোচনীয় হৈ পৰে।

উপন্যাসৰ কাহিনীত প্ৰধানকৈ হৰিজন শ্ৰমিকসকলৰ জীৱনৰ নিৰ্মম বাস্তৱৰ ছৱি যথাযথ ৰূপত বৰ্ণনা কৰা হৈছে। এই শ্ৰমিকসকল ডেইলী পেইড বেচিচত কোম্পানীৰ কামত নিয়োজিত। কাম কৰাৰ দিনা পোৱা পইচাৰে পেট ভৰাই খাবলৈ পায়। কাম নথকাৰ দিনা সাইনদীৰ পানীৰে পেটৰ ভোক গুচায়। এইসকল মানুহৰ জীৱনলৈ যৌৱন আহে আৰু বিদায় লয়, জীৱনৰ মধুৰতম সময় উপভোগ কৰা দূৰৰে কথা অনুভৱ কৰিবলৈও আহৰি নাই। জীৱনটো থকালৈকে শৰীৰটো বহন কৰি ফুৰে। অৰ্থহীনভাবে জীৱন নিপাত হৈ যায়। উপন্যাসৰ প্ৰধান চৰিত্ৰ সমূহৰ ভিতৰত যশোৱন্ত, শম্ভু পাছোৱান, লিচু লেঙেৰা, শিবু ধাছ্‌লা, নাৰায়ণী, বসুমতী বুঢ়ী, ঠাকুৰ চাহাব আদি অন্যতম। ডানকান কোম্পানীৰ একুৱাডাক্‌ট বন্ধা কাম শেষ





হৈ অহাৰ সময়ত ডেইলী পেইড শ্ৰমিকসকলৰ ‘চাটাই’ অৰ্থাৎ বাধ্যতামূলক চুটিৰ সময় উপস্থিত হোৱাত শ্ৰমিকসকল ঐক্যবদ্ধ হ'বলৈ চেষ্টা কৰে। হৰিজন শ্ৰমিকসকলৰ জীৱন পশুতকৈও অধম। লেতেৰা নৰ্দমা, পাইখানা আদি চাফা কৰা, বেমাৰী মানুহৰ তেজ-পূজ ধোৱা আদি কামত তেওঁলোক নিয়োজিত হয়। কোম্পানীৰ পৰা খেদা খালে পুনৰ কাম বিচাৰি পাবলৈ নাই। কাষৰীয়া চহৰ মুন্সীগঞ্জ বা অন্য ঠাইত তেনে কামৰ বাবে পূৰ্ব নিয়োজিত শ্ৰমিকসকলে এই শ্ৰমিক সকলক সোমাব নিদিয়ে। খেদি পঠিয়াই। কাম নহ'লে সিহতে খাবলৈ নাপায়। এনে অৱস্থাত অখাদ্য খাই বা লঘোণে থকাৰ বাহিৰে উপায় নাথাকে। প্ৰকৃততে এই শ্ৰেণীৰ মানুহবোৰ নমৰালৈকে জীয়াই থাকে। পূৰ্বতে এই শ্ৰমিকসকলৰ কোনো ‘ইউনিয়ন’ নাছিল। কাহিনীমতে ১৯৭৮ চনত ডানকান কোম্পানীৰ শ্ৰমিকসকলে ইউনিয়নৰ অন্তৰ্ভূক্ত হয়। হৰিজন সকলৰ মাজৰ একমাত্ৰ মেট্ৰিক পাছ ল'ৰা যশোৱন্ত ইউনিয়নৰ মেম্বাৰ হোৱাত তেওঁলোকে আশাৰ ৰেঙণি দেখিবলৈ পায়। কোম্পানীয়ে ‘চাটাই’ৰ নটিচ আৰি দিয়াৰ লগে লগে ইউনিয়নৰ লীডাৰসকলে ধৰ্মঘট আৰম্ভ কৰিলে। হৰিজন শ্ৰমিকসকলে পৰম উৎসাহেৰে ধৰ্মঘটত অংশগ্ৰহণ কৰিলে। মেল-মিটিং শুনা, ‘জুলুচ’ বাহিৰ কৰা, ‘নাৰা’ লগোৱা আদিত ব্যস্ত হৈ পৰিল যদি দিন যোৱাৰ লগে লগে পইচাৰ অভাৱত শুদা পেটে থাকিব লগীয়া হ'ল। পেটৰ জুই নুমুৱাবলৈ বনৰীয়া ফলমুল, সাই নদীৰ মাছ, মুন্সীগঞ্জৰ ৰুচায়ে দলিয়াই পেলোৱা পচা নাড়ী-ভুৰু, লঙ্গৰৰ খালাচীয়ে দলিয়াই দিয়া উচিষ্ট ৰুটিৰ টুকুৰা বিচাৰি ল'ৰা ছোৱালী, ডেকা-বুঢ়া সকলোৱে পিয়া-পি দি ফুৰিলে। ধৰ্মঘট শেষ হোৱাৰ কোনো আশা দেখা নগ'ল। গিৰিয়েক শিবু ধাছ্‌লা আৰু কোলাৰ কেচুৱাৰ গাখীৰৰ বাবে কোনো উপায় নাপাই নাৰায়ণীয়ে ঠাকুৰ চাহাবৰ কোৱাৰ্টাৰত অসামাজিত কাম কৰি টকা আনিবলৈ যোৱাত অন্য শ্ৰমিকসকলে তাইক মাৰপিট কৰিছে। শম্ভু পাছোৱানে হস্পিটালৰ এচেনচিয়েল চাৰ্ভিচৰ কামত সুমুৱাই দিয়াত তাই সামান্য সকাহ পায় যদিও ভৱিষ্যতৰ বিপদৰ শংকাত তাই ত্ৰস্টমান হৈ থাকে। লিচু লেঙেৰাই দুৰ্বল ভৰিখনেৰেই নৰ্দমা চাফা কৰা কাম কৰি আছিল যদিও ধৰ্মঘটৰ ফলত পেটৰ ভোক গুচাবলৈ সম্বল নোহোৱা হ'ল। বসন্ত বেমাৰত পৰি চিকিৎসা নোহোৱাকৈয়ে তাৰ ঘৈণীয়েক মৰিল। ৰামু আৰু বামু নামৰ ধূৰ্ত দুটাই মাছ মাৰিবলৈ কোম্পানীৰ গুদামৰ পৰা চুৰ কৰি নিয়া বিস্ফোৰকেৰে ব্লাষ্টিং কৰাত পানীত মাছ খেপিয়াই থকা লিচু লেঙেৰাৰ একমাত্ৰ সম্বল স্বৰূপ পুতেক জগন্নাথৰো মৃত্যু হ'ল। পুতি গন্ধময় নৰ্দমাত লুতুৰি পুতুৰি হৈ থকাৰ পৰা আহি পুতেকৰ মৰাশটো দাঙি লৈ লিচু লেঙেৰাই দুখ আৰু হতাশাৰ প্ৰচণ্ড প্ৰকাশ ঘটালে। জগন্নাথক সংস্কাৰ কৰা ছাঁইৰ কাষতে সি বহি থাকিবলৈ ল'লে। শিবু ধাছ্‌লা নাৰায়ণী হঁতে মাজে মাজে ৰুটি এডোখৰ দি থৈ আহে। পুতেকৰ মৃত্যুৰ দুখ পাহৰি শ্মশানৰপৰা আতৰি আহিবলৈ নাৰায়ণীহঁতে তাক অনুৰোধ কৰি বিফল হয়। এদিন নাৰায়ণীয়ে সাইৰ বালিত পুতিবলৈ হস্পিটালৰ পৰা লৈ যোৱা তেজ-পূজ লগা বেণ্ডেজকে সি আজুৰি নিব খুজিলে। কাৰণ তাৰ দেহত বস্ত্ৰ নাছিল।

ধৰ্মঘটৰ ফলত খাবলৈ নাপাই কংকালসাৰ হৈ পৰা মানুহ নামৰ জীৱবোৰৰ মৃত্যু ঘণ্টা বাজি উঠিছিল। মৰাশ খাবলৈ শগুণবোৰে আকাশত চক্ৰাকাৰে ঘূৰিবলৈ ধৰিছিল। মেনেজমেণ্টৰ মতে এই ধৰ্মঘট ন্যায়সংগত নাছিল। তথাপি এৰাধৰাৰ মাজেৰে ধৰ্মঘট সমাপ্ত কৰিবলৈ কোম্পানীৰ এ.জি.এম. গৰাকীয়ে চেষ্টা কৰিছিল কিন্তু লোকেল লীডাৰ শাস্ত্ৰিহঁতৰ ষড়যন্ত্ৰত কে.না সিদ্ধান্তলৈ আহিব পৰা নাছিল। শ্ৰমিকসকলৰ জীৱন ৰক্ষাৰ স্বাৰ্থত মেনেজমেণ্টৰ তৰফৰ পৰা যি সামান্য প্ৰতিশ্ৰুতি পাইছিল তাতেই সন্তুষ্ট হৈ যশোৱন্তই ধৰ্মঘট সমাপ্তি হোৱাটো বিচাৰিছিল। কিন্তু শাস্ত্ৰিয়ে নিজৰ মুনাফাৰ বাবে ধৰ্মঘট চলি থকাটো বিছাৰিছিল। মেইন ফেডাৰেচনৰ পৰা কোম্পানীৰ শ্ৰমিক সকললৈ সাহায্য আহিব বুলি আশা কৰিছিল যদিও ফেডাৰেচনৰ কোনো মানুহেই সিহঁতৰ খবৰ লবলৈ নাহিল। শ্ৰমিক লীডাৰ হঁতে ফেডাৰেচনৰ মানুহক লগ ধৰিবলৈ মুন্সীগঞ্জলৈ গৈছিল যদিও নিৰাশ হৈ উভতি আহিল। শাস্ত্ৰিয়ে শ্ৰমিকসকলক কোম্পানীৰ বিৰুদ্ধে হিংসাত্মক কাৰ্য্য সংঘটিত কৰাৰ বাবে প্ৰৰোচিত কৰি আছিল। ক্ষুধাৰ্ত শ্ৰমিকসকলে ধৰ্মঘটৰ লীডাৰসকলৰ ওপৰত ক্ষুব্ধ হৈ আক্ৰমণাত্মক ৰূপ ল'লে। চাইট'ত ভয়ংকৰ দুভিক্ষই দেখা দিয়াত কংকালসাৰ মানুহবোৰে নিজৰ মঙহকে চোবাই খোৱাৰ উপক্ৰম হ'ল। নাৰায়ণীয়ে ঠাকুৰ চাহাবক হত্যা কৰিলে। চাৰিওফালে ‘খুন-খাৰাবা’ আৰম্ভ হ'ল। তাৰ মাজতে কোম্পানীৰ দালালৰ পৰা শকত অংকৰ টকা লৈ শাস্ত্ৰী অন্তৰ্ধ্যান হ'ল। জিঘংসু হৈ পৰা শ্ৰমিকসকলৰ পৰা ৰক্ষা পাবলৈ লীডাৰহঁতে কোম্পানীৰ পৰা পাৰিতোষিত লৈ পলাই গ'ল। ইউনিয়নৰ মেম্বাৰ সৎ নিষ্ঠাবান যশোৱন্তই মৃত্যুৰ আশংকাক গণ্য নকৰি চাইটলৈ ঘূৰি আহি শম্ভু পাছোৱানৰ লগত অনিদৃষ্ট ভৱিষ্যতলৈ আগুৱাই যোৱা অৱশিষ্ট হৰিজন শ্ৰমিকসকলক লগ ধৰিলেহি। যশোৱন্তই জানিব পাৰিলে

বসুমতী বুঢ়ীয়ে হাস্পতালত মৃত্যুৰ ক্ষণ গণিছে। নাৰায়ণীয়ে ঠাকুৰ চাহাবৰ বীজ বহন কৰি চাইটতে ৰৈ গৈছে। লিচু লেঙেৰাই সাই নদীত জপিয়াই আত্মহত্যা কৰিছে। লোকেল লীডাৰ শাস্ত্ৰীৰ ঘৰত জুই দিয়াৰ অপৰাধত অনেক শ্ৰমিক গ্ৰেপ্তাৰ হৈছে। সকলো পিনে কেৱল নিৰাশা, হতাশা, মৃত্যুৰ কিৰিলি। যশোৱন্তই শম্ভু পাছোৱানৰ হাতত কিছু টকা গুজি দি চাইটলৈ উভতি আহিছে। কিছুদিনৰ পিছত নতুনকৈ গঢ়ি উঠা ফিৰোজ শ্বাহ কলনীত দালাল কিনি লৈ বিলাসী জীৱন আৰম্ভ কৰা শাস্ত্ৰী মহোদয়ৰ ঘৰৰ দুৱাৰৰ বাহিৰত দোভাগ ৰাতি যশোৱন্ত গৈ উপস্থিত হৈছেগৈ। উপন্যাসৰ সমাপ্তি এনেধৰণৰ—

*— "কোন"?*

*— "মই যশোৱন্ত"।*

*— "কি লাগে?"*

*— "মই বহুত প্ৰশ্ন লৈ আহিছো*

*— মোক উত্তৰ দিব লাগে।"*

*...... শাস্ত্ৰীৰ সন্মুখলৈ এটা ক'লা হটঙা মানুহ আগবাঢ়ি আহিল। ৰাতিৰ অন্ধকাৰৰ বুকুত তাৰ হাতৰ তৰোৱাল এখন চিকমিকাই উঠিল। এই তৰোৱাল মামৰে ধৰা নাছিল।*

অৰ্থাৎ মহাত্মা গান্ধীৰ অনুৰাগী যশোৱন্তক লোকেল লীডাৰ শাস্ত্ৰীৰ বিশ্বসঘাটকতাই তৰোৱাল হাতত লবলৈ বাধ্য কৰিলে। এয়াই আছিল স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ নিৰ্মম বাস্তৱ।

উপন্যাসৰ পটভূমি ঃ একোখন উপন্যাসৰ কাহিনী নিৰ্মাণৰ বাবে পটভূমি অপৰিহাৰ্য্য উপাদান। কাহিনীৰ সংঘটন সমূহ উপস্থাপন কৰিবলৈ ঔপন্যাসিকে পটভূমি নিৰ্মাণ কৰে। এই পটভূমি কাল্পনিকো হ'ব পাৰে বাস্তৱো হব পাৰে। মামণি ৰয়চমে তেওঁৰ উপন্যাসৰ কাহিনীসমূহ বাস্তৱ পটভূমিত সংস্থাপন কৰা দেখা যায়। চৰিত্ৰসমূহৰ সাংস্কৃতিক আৰু ভৌগলিক বৈশিষ্ট অক্ষুন্ন ৰাখিব পৰাকৈ যি ধৰণৰ পটভূমিৰ আৱশ্যক সেই ধৰণৰ পটভূমি উপন্যাসৰ কাহিনীত ৰচনা কৰা হয়। দৰাচলতে ঔপন্যাসিকা গোস্বামীয়ে এখন উপন্যাস ৰচনা কৰাৰ প্ৰস্তুতিকালত পটভূমিক অধিক গুৰুত্ব দিয়া যেন অনুভৱ হয়। দ্বিতীয় পৰ্য্যায়তহে চৰিত্ৰ সমূহৰ শাৰীৰিক অৱয়ব, ভাষিক বিশেষত্ব, সাজ-সজ্জা, ৰুচি-অভিৰুচি, প্ৰমূল্যবোধ, আৰ্থিক অৱস্থা, জীৱিকাৰ উপায় সকলোবোৰেই সেই নিৰ্দ্দিষ্ট পটভূমিক কেন্দ্ৰ কৰি গঢ়ি উঠে।

উত্তৰ প্ৰদেশৰ ৰাইবেৰেলী জিলাৰ অন্তৰ্গত সাই নদীৰ ওপৰত ১৯৭৮ চনত নিৰ্মাণৰত একুৱাডাক্টৰ কামত নিয়োজিত শ্ৰমিকসকলৰ অস্থায়ী শিবিৰ (চাইট)ক 'মামৰে ধৰা তৰোৱাল'ৰ পটভূমিৰূপে বৰ্ণনা কৰা হৈছে। প্ৰত্যক্ষ অভিজ্ঞতাৰ ভেটিত সামান্য কল্পনাৰে নিৰ্মাণ কৰা পটভূমিত সাই নদীয়ে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। উত্তৰ প্ৰদেশ ৰাজ্যৰ উত্তৰ পশ্চিম দিশৰ পৰা প্ৰবাহিত গঙ্গা নদীৰ পৰা ফাটি অহা সাই নদীক স্থানীয় বাসিন্দাই পৱিত্ৰ জ্ঞান কৰে। কৃষিভূমিৰ উপযোগী ৰূপে ব্যৱহাৰ কৰিব পৰাকৈ সাই নদীৰ পানীক নিয়ন্ত্ৰিত ৰূপত প্ৰবাহিত কৰাৰ উদ্দেশ্যে একুৱাডাক্ট নিৰ্মাণ কৰিবলৈ চৰকাৰে ডানকান কনষ্ট্ৰকচন কোম্পানীক দায়িত্ব দিয়ে। সাই নদীৰ পাৰত কোম্পানীয়ে স্থাপন কৰা অস্থায়ী শিবিৰৰ শ্ৰমিকৰ লাইন, বাবুসকলৰ কোৱাৰ্টাৰ, হাস্পতাল, নদীৰ পাৰৰ বালি, নদীৰ পানীভাগ, নিৰ্মিয়মান কনক্ৰিতৰ বান্ধ, কাইটীয়া বাবুল গছৰ জংঘল, তাৰ মাজে মাজে ঠেক ওখ চাপৰ লুংলঙীয়া ধূলিয়ৰী বাট, গাড়ী অহা যোৱা কৰা ধূলিময় ৰাস্তা কনষ্ট্ৰকচনৰ কামত ব্যৱহাৰ হোৱা ক্ৰেইন, চাটাৰিং প্লেট, কনভেয়াৰ বেল্ট আদি প্ৰকাণ্ড প্ৰকাণ্ড যন্ত্ৰপাতিসমূহ, খালাচী লঙ্গৰৰ মদৰ ঘাটি আদি উপন্যাসৰ পটভূমিৰূপে প্ৰধানভাৱে প্ৰকট হৈ উঠিছে। এই শিবিৰৰ দাতি কাষৰীয়া গাওঁ আৰু চহৰসমূহ যেনে— ভেটা গাওঁ, বেহটা গাওঁ, ৰণপুৰ বাৰাণসী, মুন্সীগঞ্জ, হুছেনগঞ্জ, ৰাই বৰেলী, কৈ পাৰগঞ্জ, সিংঘানীয়াঘাট, গোমতী, জগদীশপুৰ, মঘাই পুলিচ ষ্টেচন, ভাদোগৰ পুলিচ ষ্টেচন আদি ঠাইসমূহ কাহিনীৰ প্ৰবাহমানতাত মাজে মাজে উদ্ভাসিত হৈ উঠিছে। মন কৰিবলগীয়াকৈ এই গাওঁ চহৰবোৰৰ স্থানীয় বাসিন্দা সকলৰ সাংস্কৃতিক, ভাষিক, সামাজিক, আৰ্থিক কোনো বিশেষত্বই উপন্যাসৰ কাহিনীৰ আৱৰ্ত্তলৈ অহা নাই। কেৱল কাষৰীয়া গাঁৱৰ কৃষকসকলে শ্ৰমিকসকলক অভাৱৰ দিনত ঘেহু ধাৰলৈ দিবলৈ অমান্তি হোৱা কথাৰ পৰা আৰু কৃষকৰ ব্যবহাৰৰ বাবে একুৱাডাক্ট নিৰ্মাণ কৰা উদ্দেশ্যৰপৰা কাষৰীয়া গাঁৱত কৃষিকৰ্মত নিয়োজিত মানুহ থকা বুলি অনুমান কৰিব পাৰি। এনে কাৰণত উপন্যাসৰ কাহিনীৰ বাবে পটভূমি ৰূপে ৰাইবেৰেলী অপৰিহাৰ্য্য নহয়। ৰাইবেৰেলী নহৈ উত্তৰ ভাৰতৰ যিকোনো গ্ৰীষ্মপ্ৰধান ৰাজ্যৰ আন কোনো একুৱাডাক্ট নিৰ্মাণৰ এটি অস্থায়ী শিবিৰৰ পটভূমিত এই কাহিনী সংস্থাপিত কৰিলেও কাহিনীৰ বিশেষ হানি বিঘিনি নঘটিলহেতেন। (এই লেখিকাৰ 'উপন্যাস বিশ্লেষণ' পুথিত উপন্যাসৰ পটভূমি সম্পৰ্কে আলোচনা সন্নিবিষ্ট আছে।)

স্বাধীনোত্তৰ কালৰ ভাৰতবৰ্ষৰ ৰাজনৈতিক পটভূমিত





ৰাইবৰেলী অঞ্চলৰ এক বিশেষ গুৰুত্ব আছে। কিয়নো স্বাধীনতাৰ পিছৰে পৰা নেহৰু গান্ধী পৰিয়ালৰ সদস্যই লোকসভা নিৰ্বাচনত ৰাইবৰেলী সমষ্টিৰ পৰা নিৰ্বাচিত হৈ আছে। দেশৰ প্ৰথম নিৰ্বাচনত ফিৰোজ গান্ধী এই সমষ্টিৰ সাংসদ নিৰ্বাচিত হৈছিল যদিও ১৯৬০ চনত তেওঁৰ মৃত্যু হয়। ১৯৬৭ চনত ইন্দিৰা গান্ধী নিৰ্বাচিত হৈ দেশৰ প্ৰধানমন্ত্ৰী হৈছিল। ১৯৭৭ চনত ইন্দিৰা গান্ধীৰ নিৰ্বাচিনী প্ৰক্ৰিয়া অবৈধ বুলি বিৰোধী নেতা ৰাজনাৰায়নে এলাহাবাদ কৰ্টত মোকৰ্দমা কৰিছিল। চৰকাৰী যন্ত্ৰ ব্যৱহাৰ কৰি নিৰ্বাচনত জয়ী হোৱা বুলি মহামান্য কৰ্টে ইন্দিৰা গান্ধীৰ সাংসদ পদ খাৰিজ কৰিবলৈ ৰায় দিয়ে। ইন্দিৰা গান্ধীয়ে এই ৰায় মানি নলৈ তদানিন্তন ভাৰতৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদক প্ৰভাবিত কৰি দেশত জৰুৰী কালীন অৱস্থা ঘোষণা কৰিছিল। দেশৰ ৰাজনৈতিক ইতিহাসত এই সময়ছোৱা কলংকিত অধ্যায় ৰূপে চিহ্নিত হৈ ৰৈছে। (বৰ্ত্তমানেও ৰাইবৰেলীৰ সাংসদৰূপে চোনিয়া গান্ধীয়ে প্ৰতিনিধিত্ব কৰি আছে।) শেহতীয়াকৈ দেশৰ ভিতৰত পিছপৰা জিলাসমূহৰ ভিতৰত ৰাইবৰেলী জিলা অন্তৰ্ভূক্ত হৈছে।

ভাৰতৰ প্ৰাচীন নদীসমূহৰ ভিতৰত সাই অন্যতম। প্ৰাচীন পুথিত সাই নদীক গঙ্গাতকৈও পৱিত্ৰ বুলি কোৱা হৈছিল। সেয়ে এইনদীৰ আন নাম আদিগঙ্গা। গঙ্গা অৱবাহিকাৰ এই অঞ্চলৰ জলবায়ু বছৰৰ কোৱা দিন উষ্ণ হৈ থাকে যদিও ডিচেম্বৰৰ পৰা ফেব্ৰুৱাৰীৰ মাজভাগলৈ উষ্ণতা সৰ্বনিম্ন ৩ ৰ পৰা ৪ ডিগ্ৰী আৰু সৰ্বোচ্চ ১২ ডিগ্ৰী চেলিচিয়াচ, গৰমকালত ৪০ ৰ পৰা ৪৫ ডিগ্ৰী চেলিচিয়াচ পৰ্য্যন্ত হয়গৈ।

উপন্যাসৰ কাহিনীৰ পটভূমি নিৰ্মাণ কৰোতে লেখিকাই আহিন মাহৰ শুকান, ৰুক্ষ, নিৰস দিনবোৰৰ পৰিৱেশ বৰ্ণনা কৰিছে। এনে বৰ্ণনাই উপন্যাসৰ কাহিনীৰ প্ৰতিপাদ্য বিষয় অধিক স্পষ্ট ৰূপত প্ৰকট কৰি তুলিছিল।

*ক) ৰাইবৰেলী। ১৯৭৮ চনৰ আহিন মাহ। ইউনিয়নৰ নতুন লীডাৰ যশোৱন্তই চাটাৰিং প্লেটৰ দ'ম এটিৰ ওপৰত বহি আছিল। তাৰ সন্মুখত সৌৱা সাই নদী। এইখিনিতে এই নদীৰ দুয়োটা পাৰৰ বৰ বেছি শোভা নাই। নৈৰ গৰাই শুকান মাংসৰ বৰণ লৈছে। কিছু আঁতৰত সৌৱা বেহটা গাওঁ। এজোপা প্ৰাচীন বট গছৰ তলত বেহটা গাঁৱে নিশ্চিন্ত হৈ এয়া যেন শুইহে আছে। — সেই জোপা যেন বট গছ নহয়, সেয়া এখন ধ্বজা। ধ্বজাৰ তলত বেহটা গাঁৱে শান্তিৰে সদায়ে বাস কৰি আহিছে।.....(পৃঃ১)*

উপন্যাসৰ আৰম্ভণিতে পটভূমিৰ এনে বৰ্ণনাই নায়ক যশোৱন্তৰ মনৰ অৱস্থা, কাহিনীৰ গতিত উন্মোচিত হ্ব লগা পৰিৱেশ, সামৰণিত আন্দোলনৰ শূণ্য ফল প্ৰাপ্তি আদি স্পষ্ট হৈ পৰিছে।

*খ) তোৰ নিজস্ব কোনো আৰু সত্বা নাই.........মনত ৰাখিবি.....'.....ঝন ঝন ঝন... এটা প্ৰচণ্ড শব্দত যশোৱন্তৰ চমক ভাঙিল। হস্তিৰ আকৃতিৰ ক্ৰেইনৰ 'ষ্টিল পেডেষ্টেল' এটা এঠাইৰ পৰা আন এঠাইত থোৱাৰ শব্দ শুনা গ'ল। দুখন ক্ৰেইনৰ কাম ইতিমধ্যে শেষ হৈ আহিছে। একাষে ঠেলি নি থোৱা ক্ৰেইন দুখনক এতিয়া পানী নোহোৱা পুখুৰীত পৰ দি থকা বৰটোকোলাৰ দৰে দেখা গৈছে। (পৃঃ১)*

ঝন ঝন আদি অনুকাৰ শব্দ ব্যৱহাৰ যন্ত্ৰচালিত কৰ্কশ শব্দই সৃষ্টি কৰা কঠিন পৰিস্থিতিৰ উমান দিছে। য'ত আবেগ অনুভূতিৰ কোনো স্থান নাই। আবেগ য'ত নাই মানৱতাৰ প্ৰশ্নও তাত অন্তৰ্হিত।

অপূৰ্ব কথনভঙ্গী আৰু কলাত্মক উপস্থাপনেৰে 'মামৰে ধৰা তৰোৱাল' অসমীয়া সাহিত্যত এক ব্যতিক্ৰমী সম্পদ। 'মামৰে ধৰা তৰোৱাল'ৰ নায়ক যশোৱন্তই কাহিনীৰ সমাপ্তিত হাতত তুলি লোৱা তৰোৱালখনত কিন্তু মামৰে ধৰা নাছিল। □

# ড° ভূপেন হাজৰিকা মানুহজন.......

মধুস্মিতা কলিতা
স্নাতক, পঞ্চম ষাণ্মাষিক

**অগ্ৰজৰ ভাষাত ভূপেন হাজৰিকা ঃ**

ছাত্ৰসকৰ সভাত এটি অতি কম বয়সীয়া ল'ৰাই হাৰ্মনিয়ামৰ সহায়ত সুন্দৰকৈ এটি গান গাইছিল। মই মুগ্ধ হৈ আসনৰ পৰা উঠি সভাতে ল'ৰাটিৰ গালত এটি চুমা খালোঁগৈ। তাহানি কলিকতাত 'মাষ্টাৰ মদন' বোলা তেনেকুৱা গান গোৱা ল'ৰা এটিৰ গান শুনিছিলোঁ। আজি অসমীয়া 'মাষ্টাৰ মদনক' দেখি বৰ সন্তোষ পালোঁ।

—*লক্ষ্মীনাথ বেজবৰুৱা*

ভূপেন, তুমি অকল হলিউডৰ পৰা ঘূৰি নাহিবা। তুমি যেতিয়া নিউয়ৰ্কলৈ যাবলৈ ওলাইছা, তুমি সেই মহান নিগ্ৰো গায়ক প'ল ৰবছন আদি মনীষীৰ সান্নিধ্য লাভ কৰি আহিবা। তাত চিনেমাৰ যি নতুন আলোড়ন সৃষ্টি হৈছে, তাতো শিকি আহিবা।

— *জ্যোতিপ্ৰসাদ আগৰৱালা*

এই উৰাজাহাজ মটৰৰ যুগত হাতী মাউতসকল লাহে লাহে হেৰাই যাবগৈ। ভাল কৰিছাঁ, মাউতৰ জীৱন ছবিৰে ধৰি ৰাখি।— অসমৰ জনজাতীয় সকলৰ জীৱন বৰ ৰঙীন। তেওঁলোকৰ বিষয়ে ছবি কৰা। মোৰ বৰ ভাল লাগে অসমখন।

—*জৱাহৰলাল নেহেৰু*

ভূপেনক মই কৈছোঁ— তুমি দুমাহে অসমলৈ আহিবা। তেতিয়া আমি অসমীয়া সংস্কৃতিক বিশ্বৰ দৰবাৰলৈ কঢ়িয়াই লৈ যাম। ভূপেনক চৰকাৰে 'ভাৰত ৰত্ন' নিদিলেও আমি ৰাইজে ইতিমধ্যে 'ভাৰত ৰত্ন' দিলোৱেই।

তেওঁক দিবলৈ আৰু একো নাই।

—*লক্ষ্যধৰ চৌধুৰী*

**গ্ৰন্থৰ পৃষ্ঠাত ভূপেন হাজৰিকা ঃ**

মোৰ শ্ৰদ্ধা আৰু প্ৰীতিভাজন শ্ৰীভূপেন হাজৰিকাৰ গান আমাৰ অতি আপোন। তেওঁৰ দৰদী কণ্ঠস্বৰ, ভাবানুযায়ী সুৰৰ আৰোপ— এইবোৰ হৃদয় চুই যায়। তেওঁৰ গানৰ বহুল চৰ্চা হোৱাটো বাঞ্চনীয়।

ব্যক্তিগতভাৱে মই প্ৰতিযোগিতা তকৈ সহযোগিতাকহে মূল্য বেছি দিওঁ। ভূপেন হাজৰিকাৰ গোৱাৰ পদ্ধতি, যাক এক প্ৰকাৰ অসমীয়া আধুনিক গীত ধাৰাৰ এটা বিশিষ্ট 'ঘৰানা' বুলিয়েই গ্ৰহণ কৰিব পাৰি, তাৰ অনুশীলন আৰু সাধনাৰহে আমাৰ বেছি প্ৰয়োজন।

ভূপেন হাজৰিকাৰ কণ্ঠস্বৰ অনুকৰণ কৰি তেওঁৰ গান গোৱাৰ প্ৰৱণতা এটা কিছুদিনৰ পৰা লক্ষ্য কৰিছোঁ। সেইটো নিতান্তই বাহিৰা বস্তু। তেওঁৰ গায়ন পদ্ধতিৰ অনুশীলন গায়কসকলে নিজৰ কণ্ঠস্বৰেৰে কৰক আৰু সেইদৰে তেওঁক আৰু আপোন কৰি নিজাভাৱে তেওঁৰ গীত পৰিৱেশন কৰক। সেয়েহে কবি, গায়ক ভূপেন হাজৰিকাৰ প্ৰতি প্ৰকৃত সন্মান যচা হ'ব।

— *নৰকান্ত বৰুৱা*

শ্ৰীমতী কুইন হাজৰিকাই 'বাপুজী ক'লৈ গ'ল বুলি গীত এটি বনগীতৰ সুৰেৰে গালে, মই চকুলোঁ সামৰিব নোৱাৰিলোঁ। মই গান্ধীজীৰ ঈশ্বৰ বিশ্বাসৰ ফলত কেনেকৈ এখন নতুন ভাৰত গঢ়ি উঠিছিল জনালোঁ।

—*গোপীনাথ বৰদলৈ*

ড° হাজৰিকাৰ জীৱনত ৰোমাণ্টিক বিপ্লৱবাদৰ সবল সংগ্ৰামী দৃষ্টিভঙ্গী আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ সৌন্দৰ্য্য সৃষ্টিৰ আকুলতা— এই দুয়োটাৰে প্ৰভাৱ দেখিবলৈ পোৱা যায়। এনেহে লাগে যেন ভূপেন হাজৰিকাই ৰাভাৰ মাটিৰ মানুহৰ ধূলি-মাকতিবোৰ আৰু জ্যোতিপ্ৰসাদৰ ৰঙীন ৰামধেনুখনৰ মাজত ঠিয় হৈ তেওঁলোকে দুজনে সমাপ্ত কৰিব নোৱাৰা গীতবিলাকেক গাবলৈ আবিৰ্ভাৱ হ'ল।





তেওঁ জ্যোতিপ্ৰসাদৰ ছিগি যোৱা বীণ খনিত নতুন তাঁৰ সংযোগ কৰিলে আৰু ৰাভাৰ নুমাই যোৱা বন্তি গছিত নতুন শলিতা লগালে। সেই বীণৰ সুৰ আৰু সেই বন্তিৰ পোহৰে অসমীয়া সমাজলৈ আনি দিলে এক নতুন প্ৰাণ, এক নতুন উদ্দীপনা, যি সকলো অসমীয়াৰে জীৱন ভৰপূৰ কৰিছে।

— *ড° দিলীপ কুমাৰ দত্ত*

ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে কম কথাৰে মাজেৰে প্ৰকাশ কৰিব নোৱাৰি। বিশ্ববিশ্ৰুত শিল্পীজনে গীতৰ মাজেৰে আমাক বিশ্বৰ বিভিন্ন প্ৰান্তলৈ লৈ গৈছে। সৃষ্টিকৰ্মত সদায় নিমগ্ন হৈ থকা ভূপেন হাজৰিকাৰ গীত আৰু সুৰত মাটি, মানুহ আৰু জাতীয় চেতনাবোধ বিচাৰি পোৱা যায়। শিল্পীজনৰ গীতক বাদ দি মই মোৰ জন্মভূমিৰ কথা কল্পনা কৰিব নোৱাৰো।

—*ড° মামণি ৰয়চম গোস্বামী*

ভূপেন হাজৰিকাৰ বুকুৰ মাজেৰে বৈ গৈছে ব্ৰহ্মপুত্ৰ। এই ব্ৰহ্মপুত্ৰ বা লুইতৰ পানী আৰু বতাহৰ সৈতে জড়িত অসমীয়া আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জনজাতিৰ সুক্ষ্মতিসুক্ষ্ম অনুভূতি শিল্পীজনৰ হৃদয়ত সিঁচৰতি হৈ আছে। লুইত ব্ৰহ্মপুত্ৰক এৰি ভূপেন হাজৰিকাৰ কল্পনাই সাকাৰ ৰূপ সেয়ে নাপায়।

—*অনুৰাধা শৰ্মা পূজাৰী*

**প্ৰবন্ধকাৰৰ ভাষাত ভূপেন হাজৰিকা ঃ**

কলাকাৰ শিল্পীপ্ৰাণত বিভাজন, ভেদভাৱৰ বৈষম্য নাই। সাম্য আৰু মৈত্ৰীৰ সুৰহে শিল্পীৰ সমাদৃত আকাঙ্ক্ষা। ঐক্যতানৰ দৰেই এক সুৰীয়া, সুৰৰ লাসমেয় মূৰ্চ্ছনাৰ দৰেই গতিশীল। সেয়েহে বিহুগীত, লোকগীত, বৰগীতৰ গায়ক শিল্পী হাজৰিকাদেৱে পৰ্বত ভৈয়ামৰ সম্প্ৰীতিৰ বান্ধোনক আদৰণি জনাইছে। 'কহিমাৰ ডালিমী'ৰে পৰা 'ছিলংঙৰ মনালিছা লিংডো'ৰ সৌৰৱণীৰ প্ৰতিশ্ৰুতিৰ মাজেদি আহ্বান জনাইছে। এই মৰমৰ এৰিব নোৱৰা বান্ধোনৰ কাৰণেই 'এটি কলি দুটি পাত' ৰতনপুৰ বাগিচাত, লহপহীয়া হাতেৰে কেনেনো ছিঙিলে' বুলি জাতীয় জীৱনলৈ কাষ চপাই আনিছে।

নিৰীক্ষণকাৰী দ্ৰষ্টা আৰু শ্ৰোতা যদি এনেদৰে গুণমুগ্ধ— তেনেহলে গীতিকাৰ— সুৰকাৰ গায়ক ড° হাজৰিকাদেৱে অসমৰ সঙ্গীত আকাশত ধ্ৰুৱতৰাৰ অমৰজ্যোতি লাভ কৰক। এয়ে ঐকান্তিক শুভেচ্ছা।

—*দেৱেন দত্ত*

অঙ্কীয়া নাট্য সাহিত্যত যিদৰে সূত্ৰধাৰ চৰিত্ৰটি বিভিন্ন প্ৰতিভাৰে এক বৈচিত্ৰ্যপূৰ্ণ চৰিত্ৰ— ঠিক তেনেদৰে ড° ভূপেন হাজৰিকা সংস্কৃতিৰ পথাৰত বিভিন্ন প্ৰতিভাৰে সন্নিবিষ্ট এক বিশেষ চৰিত্ৰ।

— *অশোক বৰদলৈ*

ভূপেন হাজৰিকাৰ গীত। ভূপেন্দ্ৰ সঙ্গীত, ভূপেন্দ্ৰ গীতি। এয়া মাথোঁ কেইটামান শব্দই নহয়। মাথোঁ কথাই নহয়। নহয় মাথোঁ সুৰ। কৰ্ম বা ষ্টাইলৰ সমষ্টি মাথোঁতো নহয়েই। কথাৰে গঁথা সুগন্ধি ফুলৰ মালাৰ মাটিৰ মাদকতা সনা সুৰৰ, কণ্ঠৰ সুধাৰে আঁকা ছবিৰ সেয়া যেন মূৰ্ত প্ৰকাশ। সহজ কথাত— কথা, সুৰ, কৰ্ম, ষ্টাইল, কণ্টেন্ট, শব্দ আৰু ধ্বনিৰ চিত্ৰায়িত যি বিমূৰ্তৰূপে মানুহক মানৱতাৰ পথৰ সন্ধান দিয়ে, সিয়েই ভূপেন হাজৰিকাৰ গীত, ভূপেন্দ্ৰ সঙ্গীত, ভূপেন্দ্ৰ গীতি।

ভূপেন হাজৰিকা। এনে এটি নাম, যিটি নাম উচ্চাৰণ কৰোঁতাজন ৰোমাঞ্চিত হয়, যিটি নাম শুনিলে দেহ-মন পুলকিত হয় স্মৰণত অনুভূত হয় এক অনুপম মাদকতা। ভূপেন হাজৰিকাৰ গীতৰ দিগন্ত পিছে তেওঁৰ নামৰ বিজুলী সঞ্চাৰে ঢুকি পোৱাৰো বহুতো দূৰৰ।

—*ৰত্ন ওজা*

**অন্যান্য প্ৰসঙ্গত ভূপেন হাজৰিকা ঃ**

গুণনিধি ড° ভূপেন হাজৰিকাৰ গুণ বখানি শেষ কৰিব নোৱাৰি। শব্দৰে বান্ধি তেখেতৰ গুণৰাজিক অনাগত দিনৰ কাৰণে সংৰক্ষণ কৰা কামটো আমাৰ মাজত বৰকৈ হোৱা নাই। শ্ৰীযুত থানেশ্বৰ কুমাৰ ডাওৰীয়াই আমাৰ এই অভাৱ কিছুদূৰ পূৰাবলৈ ড° ভূপেন হাজৰিকাৰ গীত আৰু কিছু প্ৰাসঙ্গিক কথা নামৰ পুথিখন যুগুতাই ৰাইজলৈ আগবঢ়াইছে। গীতৰ ওজাজনৰ এই পুথিখনি আজি আমাৰ চোতালতে উন্মোচন কৰি আমি বিশেষ কৃতাৰ্থ মানিছোঁ। —ৰাইজো উপকৃত হ'ব।

—*দীপালী বৰঠাকুৰ*

ধ্যানেৰে আৰম্ভ হয় ভূপেনদাৰ গান। অনুষ্ঠানৰ অৰম্ভণিৰ পৰা শেষলৈ ভূপেনদা গানৰ ধ্যানত থাকে। এইখিনি সময়ত ধ্যান ভংগ কৰাৰ সাহস কাৰো নাই— লাগিলে ৰম্ভা মেনকাই হওক। ভূপেনদাৰ মতে, ধ্যান অবিহনে গানত প্ৰাণ নাথাকে।

—*কমল কটকী*

**প্ৰসংগ পুথি ঃ থানেশ্বৰ কুমাৰ**
গুণমুগ্ধৰ অনুভৱত ড° ভূপেন হাজৰিকা, প্ৰকাশক- কুমাৰ গ্ৰন্থকোষ, পলাশবাৰী- গুৱাহাটী, (কামৰূপ) ২০০৯

# ফটোগ্ৰাফী (Photography)ৰ অ-আ, ক-খ

✍ জ্যোতিস্মিতা শালৈ
স্নাতকোত্তৰ, প্ৰথম ষাণ্মাষিক

বৰ্তমান গোলকীকৰণৰ যুগ। এই যুগত ফটোগ্ৰাফী (Photography) আমাৰ জীৱনৰ লগত এনেধৰণে জড়িত হৈ পৰিছে যে ইয়াৰ অবিহনে আমি আমাৰ স্বাভাৱিক জীৱনৰ যাত্ৰা কল্পনা কৰিব নোৱাৰো। বিভিন্ন ধৰণৰ কাকত-আলোচনী, চলচিত্ৰ, টেলিভিচন আদিৰ ক্ষেত্ৰত দৈনন্দিন ব্যৱহাৰৰ ওপৰি ৰোগ নিৰ্ণয়, বতৰৰ বতৰা, বিভিন্ন ধৰণৰ বিজ্ঞাপন আদি নানা ধৰণৰ ক্ষেত্ৰতেই ফটোগ্ৰাফী এক অপৰিহাৰ্য অংগ হৈ পৰিছে। বৰ্তমান সময়ত ফটোগ্ৰাফীৰ ক্ষমতা আৰু প্ৰয়োগ ব্যাপক তথা বহুমুখী হৈ পৰিছে আৰু সেয়ে আজিকালি ফটোগ্ৰাফীকো বিশেষ মৰ্যাদা প্ৰদান কৰা হৈছে।

আলোকচিত্ৰণ, হৈছে ইংৰাজী 'ফটোগ্ৰাফী (Photography)' শব্দৰ অসমীয়া প্ৰতিশব্দ। ফটোগ্ৰাফী শব্দটো আহিছে গ্ৰীক শব্দ 'Photos' আৰু 'Graphos'ৰ পৰা। ইয়াৰে 'Photos'ৰ অৰ্থ হ'ল পোহৰ আৰু 'Graphos'ৰ অৰ্থ হ'ল লেখা। অৰ্থাৎ পোহৰৰ সহায়ত লেখা। 'ফটোগ্ৰাফী' শব্দটো 1839 চনৰ 28 ফেব্ৰুৱাৰী তাৰিখে ছাৰ জন ফেড্ৰিক উইলিয়াম হাৰচেলে পোন প্ৰথমবাৰৰ কাৰণে এখন চিঠিত ব্যৱহাৰ কৰিছিল।

1813 চনত যোচেফ নিচেফ'ৰ নিপে আৰু লুই জাস্কুৰে মানদে দাগয়েৰ নামৰ দুজন ফৰাচী ব্যক্তিয়ে সৰ্বপ্ৰথম ফটোগ্ৰাফীক (Photographic) পদ্ধতিৰে বস্তুৰ প্ৰতিকৃতি ধৰি ৰাখিবলৈ চেষ্টা কৰে। 1826 চনত নিপে-এ কাঁচ আৰু টিনৰ পাতৰ ওপৰত এটি দৃশ্য তুলিবলৈ সক্ষম হয়। 1839 চনত দাগয়েৰে বাষ্প ব্যৱহাৰ কৰি প্লেটৰ ওপৰত অদৃশ্য ছবি তুলিবলৈ সক্ষম হয়। 1888 চনত আমেৰিকাত জৰ্জ ইষ্টমেন নামৰ ব্যক্তি এজনে কোডাক (KODAK) ফিল্ম প্ৰস্তুত কোম্পানীটো স্থাপন কৰে। এই কোম্পানীটোৱে 1884 চনত ছিলভাৰ ক্ৰমিড ছপা কাগজৰ আৱিষ্কাৰ কৰিছিল, 1888 চনত স্বচ্ছ ফিল্ম আৰু সেই বছৰটোতেই এটি সাধাৰণ কেমেৰা আৱিষ্কাৰ কৰে আৰু কোম্পানীটোৱে ব্যৱসায় আৰম্ভ কৰে। তেতিয়াৰ পৰাই ফটোগ্ৰাফী হ'বি (HOBBY) হিচাপে মানুহৰ মাজত প্ৰচলিত হৈছিল।

ফটোগ্ৰাফীৰ প্ৰধান আহিলা হৈছে কেমেৰা (Camera)। কেমেৰা হ'ল লেটিন শব্দ আৰু ইয়াৰ অৰ্থ হৈছে কোঠা (Room), এটি অন্ধকাৰ কোঠালি।

সাধাৰণতে কেমেৰাক দুটা ভাগত ভাগ কৰা হয়—

(i) স্থিৰ কেমেৰা (Still Camera)

(ii) চলমান কেমেৰা (Movie Camera)

ফটোগ্ৰাফীত স্থিৰ কেমেৰা ব্যৱহাৰ কৰা হয়। স্থিৰ কেমেৰা সমূহক প্ৰধানকৈ দুটা ভাগত ভগোৱা হয়।

(a) <u>ফিক্সড ৰেঞ্জ কেমেৰা</u> (Fixed Range Camera) ঃ-ইয়াক ডিৰেক্ট ভিছন কেমেৰা (Direct Vision Camera) বুলিও কোৱা হয়। এই কেমেৰাসমূহত পোহৰৰ তাৰতম্য অনুসৰি এপাৰচাৰ বা শ্বাটাৰ স্পীড মিলাব নোৱাৰি। কাৰণ ইয়াত ৰেঞ্জ আগতেই ঠিক কৰি থোৱা হয়।

(b) <u>ছিংগল লেন্স ৰিফ্লেক্স বা এছ. এল. আৰ. কেমেৰা</u> (Single Lens Reflex or SLR Camera) ঃ- এইবোৰ কেমেৰাত ফটোগ্ৰাফাৰে (Photographer) নিজৰ প্ৰয়োজন অনুসৰি এপাৰচাৰ, শ্বাটাৰ স্পীড আদি মিলাই ল'ব পাৰে। ইয়াত ইচ্ছা অনুসৰি লেন্সৰ পৰিৱৰ্তনো কৰিব পাৰি।





বৰ্তমান সময়ত আটাইতকৈ উন্নত ধৰণৰ কেমেৰা হৈছে ডিজিটেল কেমেৰা (Digital Camera)। ইয়াত প্ৰতিচ্ছবি ধৰি ৰখাৰ বাবে ফিল্মৰ প্ৰয়োজন নহয়। মেম'ৰি ষ্টিক'ৰ সহায়ত ছবি ধৰি ৰখা হয় আৰু কম্পিউটাৰৰ সহায়ত প্ৰকাশ কৰা হয়। ফটো সাংবাদিকতাৰ (Photo Journalism) ক্ষেত্ৰত এই ধৰণৰ কেমেৰাক বেছি গুৰুত্ব দিয়া হয়। ডিজিটেল কেমেৰাৰ ফটোৰ কাৰণে এক মিনিটো নালাগে। ইয়াত স্কেনৰ প্ৰয়োজন নহয়। এই ব্যৱস্থা খুবেই কম খৰচী আৰু অতি সহজতেই ই-মেইলৰ জৰিয়তে পৃথিৱীৰ এঠাইৰ পৰা আন এঠাইলৈ ফটো পঠিয়াবৰ কাৰণে সুবিধাজনক। বৰ্তমান ডিজিটেল এছ. এল.আৰ কেমেৰাৰ (SLR Camera) সহায়ত নিখুঁত ছবি বা ফটো তুলিব পাৰি।

এটা কেমেৰাৰ মূল পাঁচটা অংশ থাকে। এইকেইটা তলত বহলাই আলোচনা কৰা হ'ল।

(১) লেন্স (Lens) ঃ- কোনো এটা বস্তুৰ প্ৰতিচ্ছবি গঠনৰ বাবে লেন্সৰ প্ৰয়োজন হয়। বৰ্তমান সময়ত ফটোগ্ৰাফীৰ ক্ষেত্ৰত মাত্ৰ এখন লেন্স ব্যৱহাৰ কৰি ভাল ফল পোৱা নাযায়। দুখন বা তিনিখন লেন্স একত্ৰিত কৰিহে প্ৰতিচ্ছবি উন্নত ৰূপত ফ'কাছ কৰিব পাৰি। ফটোগ্ৰাফীৰ ক্ষেত্ৰত জুম লেন্স (Zoom Lens) বহুলভাৱে প্ৰচলিত। এইখন লেন্স-এ নৰ্মেল লেন্স, ৱাইড এংগল লেন্স আৰু নেৰ' এংগল লেন্সৰ কাম অকলে কৰিব পাৰে। জুম (Zoom) হৈছে প্ৰকৃততে এক প্ৰকাৰৰ গতি, যাৰ সহায়ত বিভিন্ন এংগলৰ ফটো তুলিব পৰা যায়।

(২) শ্বাটাৰ (Shutter)ঃ- শ্বাটাৰ-এ এক্সপ'জাৰক (Exposer) নিয়ন্ত্ৰণ কৰে। শ্বাটাৰ খোলা ৰখাৰ হিচাপ পোহৰৰ ওপৰত নিৰ্ভৰশীল। বেছি পোহৰ থাকিলে অতি কম সময়ৰ কাৰণে শ্বাটাৰ খোলা ৰাখি ফিল্মটো এক্সপ'জ কৰিব লাগে আৰু কম পোহৰ থাকিলে শ্বাটাৰ খন বেছি সময়ৰ কাৰণে খোলা ৰাখি এক্সপ'জ কৰিব লাগে। পোহৰৰ মাপ আৰু শ্বাটাৰ খোলাৰ সময় ,ঠিক নহ'লে ফটোখন আণ্ডাৰ এক্সপ'জড (Under Exposed) বা অ'ভাৰ এক্সপ'জড (Over Exposed) হোৱাৰ সম্ভাৱনা থাকে।

(৩) ডায়েফ্ৰাম (Diaphram) ঃ- এখন ফটো এক্সপ'জ হ'বৰ বাবে লেন্সৰ মাজেৰে কিমান পোহৰ ভিতৰলৈ সোমাব তাক এপাৰচাৰে (Aperture) নিৰ্ধাৰণ কৰে। লেন্সৰ এপাৰচাৰক বহুতো সৰু সৰু ব্লেডৰ জৰিয়তে নিয়ন্ত্ৰণ কৰা হয়। এইবোৰে প্ৰয়োজন সাপেক্ষে লেন্সৰ মাজৰ ছিদ্ৰটি সৰু-ডাঙৰ কৰিব পাৰে। এই ব্যৱস্থাটোক ডায়েফ্ৰাম বোলা হয়। ডায়েফ্ৰাম এনে এক যান্ত্ৰিক ব্যৱস্থা যাক কেমেৰাৰ ৰিং ঘূৰাই নিয়ন্ত্ৰণ কৰিব পাৰি। এপাৰচাৰ যিমানে সৰু কৰা হয়, ফ'কাছ ক্ষেত্ৰৰ গভীৰতাও সিমানেই বাঢ়ি যায়।

(৪) ভিউ ফাইণ্ডাৰ (View Finder)ঃ- ভিউ ফাইণ্ডাৰৰ জৰিয়তে আমি কোনো এটা বিষয়বস্তুৰ প্ৰতিচ্ছবি দেখিবলৈ পাওঁ। ভিউফাইণ্ডাৰত চকু ৰাখি আমি নিজৰ প্ৰয়োজন বা পচন্দ অনুসৰি স্থান সলনি কৰি ফটো তুলিব পাৰো।

(৫) হ'ল্ডাৰ (Holder)ঃ- ফিল্মৰ সহায়ত ফটোবোৰ ধৰি ৰখা হয়। বৰ্তমান সময়ত ফিল্মৰ প্ৰয়োজন নহয়। মেম'ৰি ষ্টিকৰ সহায়ত ফটো ধৰি ৰাখিব পাৰি। ফটোগ্ৰাফীৰ মূল উপাদান হৈছে পোহৰ (Light)। যেতিয়া কোনো এটা বস্তুৰ ওপৰত পোহৰ পৰি তাৰ প্ৰতিফলন ঘটে, তেতিয়া আমি বস্তুটো দেখা পাওঁ। পোহৰ ফটোগ্ৰাফীৰ অবিচ্ছেদ্য অংগ। সেয়েহে ইয়াক 'Writing with the light' বুলি কোৱা হয়। দিনৰ ভাগত বা কোঠাৰ বাহিৰত আমি প্ৰাকৃতিক পোহৰ লাভ কৰোঁ, কিন্তু ৰাতি বা বন্ধ কোঠাৰ ভিতৰত আমাক কৃত্ৰিম পোহৰৰ আৱশ্যক হয়। ইয়াৰ বাবে আমি ফ্লাচ লাইট বা ষ্টুডিঅ' লাইট ব্যৱহাৰ কৰোঁ।

(a) ফ্লাচ লাইট (Flash Light) ঃ- কম পোহৰ বা ৰাতিৰ আন্ধাৰত ফটো ল'বৰ বাবে পোহৰৰ বিকল্প হিচাপে ফ্লাচ লাইট ব্যৱহাৰ কৰা হয়। ফ্লাচ লাইটৰ আটাইতকৈ ডাঙৰ সুবিধা হ'ল ইয়াৰ সহজ বহনযোগ্যতা আৰু ইয়াৰ সহায়ত যিকোনো পৰিস্থিতিত নিয়ন্ত্ৰিত পোহৰৰ ব্যৱহাৰ। কেমেৰাৰ শ্বাটাৰৰ সৈতে ফ্লাচ লাইট বৈদ্যুতিকভাৱে সংযোগ কৰা থাকে যাতে শ্বাটাৰ খোলাৰ নিৰ্দিষ্ট মুহূৰ্তত ফ্লাচ লাইটৰ পোহৰ জ্বলি উঠে।

ফ্লাচ লাইট ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত এটা কথা মনত ৰখা প্ৰয়োজন। প্ৰয়োজনতকৈ বেছি পোহৰ ব্যৱহাৰ কৰিলে ফটোখন অ'ভাৰ এক্সপ'জড হ'ব পাৰে। সেয়েহে দিনৰ পোহৰত প্ৰয়োজনীয় পোহৰ থাকিলে ফ্লাচ ব্যৱহাৰ কৰিব নালাগে।

(b) ষ্টুডিঅ' লাইট (Studio Light) ঃ- উন্নত মানৰ ফটো তোলাৰ কাৰণে বহুসময়ত ষ্টুডিঅ' লাইট ব্যৱহাৰ কৰা হয়। ষ্টুডিঅ'ৰ ভিতৰত সাধাৰণতে ফ্লাচ ব্যৱহাৰ নহয়। ইয়াৰ প্ৰধান কাৰণ হ'ল ফ্লাচ ব্যৱহাৰ কৰিলে ওপৰৰ বা এটা ফালৰ পৰা পোহৰ আহে আৰু তলত বা আনটো ফালে সেই পোহৰে বিষয়বস্তুৰ ওপৰত ছাঁৰ সৃষ্টি কৰে। সেই ছাঁ নোহোৱা কৰিবৰ কাৰণে ষ্টুডিঅ' লাইট

ব্যৱহাৰ কৰা হয়।

ফটোগ্ৰাফীৰ ক্ষেত্ৰত কেমেৰাৰ প্ৰধান কাম হৈছে ফটো লোৱা। ফটোখন ল'লেই নহ'ব, ফটোখন কোনটো শ্বটত লোৱা যাব লগতে বিষয়বস্তুৰ হে'ডৰুম, ন'যৰুম, বেক্‌ৰুম আদিও ঠিক কৰি ল'ব লাগিব।

কেমেৰাৰ ফ্ৰেম আৰু বিষয়বস্তুৰ ওপৰ অংশৰ মাজৰ খালি অংশটোক হে'ডৰুম (Head Room) বোলে। হে'ডৰুম পৰাপক্ষত কম হোৱাই শ্ৰেয়।

বিষয়বস্তুৰ সন্মুখৰ অংশটোক ন'যৰুম (Nose Room) বোলা হয়।

বিষয়বস্তুটো যদি এফলীয়াকৈ থাকে, তেতিয়া হ'লে তাৰ পিছফালৰ অংশটোক বেক্‌ৰুম (Back Room) বোলে।

দৰাচলতে ফটো এখন লোৱাৰ সময়ত বিষয়বস্তু কেমেৰাৰ ফ্ৰেমৰ সোমাজত থাকিব লাগে যদিও, সময় সাপেক্ষে ইয়াৰ পৰিৱৰ্তন হ'ব পাৰে। তেতিয়া বিষয়বস্তুৰ হে'ডৰুম, ন'যৰুম, বেক্‌ৰুম আদি মিলাই ল'ব লাগে। ন'যৰুম বেছি কৰি হে'ডৰুম আৰু বেক্‌ৰুম পৰাপক্ষত কমাই ল'ব লাগে। তেতিয়া ফটোখন দেখিবলৈ ভাল হয়।

কেমেৰাৰ শ্বটক (Shot) মূলতঃ তিনিটা ভাগত ভাগ কৰা হয়। (a) ৱাইড শ্বট (wide shot) (b) মিডিয়াম শ্বট (Medium Shot) (c) ক্ল'জ শ্বট (Close Shot)। ফটোগ্ৰাফীৰ সময়ত ফটোগ্ৰাফাৰৰ সুবিধাৰ বাবে এই তিনিটা শ্বটক আকৌ আন কিছুমান শ্বটত ভাগ কৰা হয়। এইবোৰ তলত আলোচনা কৰা হ'ল—

(a) এক্সট্ৰিম লং শ্বট (Extreme Long Shot) ঃ- এই শ্বটটো হৈছে এনে এক প্ৰকাৰৰ শ্বট য'ত কেমেৰাৰ কোনো এটা দৃশ্য যিমানলৈ পাৰি সিমান বহলকৈ ধৰি ৰখাৰ চেষ্টা কৰা হয়। এই শ্বট কোনো বিশেষ পৰিস্থিতি, বিশাল ভূ-খণ্ড বা কোনো বিশেষ ঘটনা দেখুৱাবৰ বাবে ব্যৱহাৰ কৰা হয়। ইয়াত কোনো এটা নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত গুৰুত্ব নিদি চাৰিওফালৰ পৰিৱেশৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰা হয়।

(b) লং শ্বট (Long Shot) ঃ- কোনো এজন ব্যক্তিক যদি বিষয়বস্তু বুলি ধৰি লোৱা হয় আৰু তেওঁৰ মূৰৰ পৰা ভৰিলৈ গোটেই মানুহজন কেমেৰাৰ ফ্ৰেমত আৱদ্ধ কৰিব পৰা যায়, তেতিয়া তাক লং শ্বট বোলে। কোনো এটা বিষয়বস্তুক উপস্থিত থকা পৰিৱেশ আৰু পৰিস্থিতিৰ সৈতে বুজাবৰ বাবে লং শ্বট ব্যৱহাৰ কৰা হয়।

(c) মিড্ শ্বট (Mid Shot) ঃ- এজন ব্যক্তিৰ মূৰৰ পৰা কঁকাললৈকে লোৱা শ্বটকেই মিড্ শ্বট বোলা হয়। এই শ্বটত বিষয়বস্তুক অধিক স্পষ্টভাৱে বুজোৱা হয় লগতে বিষয়বস্তুৰ পৰিস্থিতিও বুজাব পৰা যায়।

(d) ক্ল'জ আপ শ্বট (Close Up Shot) ঃ- ক্ল'জ আপ শ্বটত কোনো এজন ব্যক্তিৰ মুখ মণ্ডল অৰ্থাৎ মূৰৰ পৰা কান্ধলৈকে শ্বট লোৱা হয়। ইয়াত বিষয়বস্তুক অধিক গুৰুত্ব প্ৰদান কৰা হয় আৰু বিষয়বস্তু থকা পটভূমি স্পষ্টকৈ ধৰিব পৰা নাযায়।

(e) এক্সট্ৰিম ক্ল'জ আপ শ্বট (Extreme Close Up Shot) ঃ- বিষয়বস্তুৰ নিৰ্দিষ্ট কোনো এটা অংশ কেমেৰাৰ ফ্ৰেমত ধৰি ৰাখিবৰ বাবে এইটো শ্বট ব্যৱহাৰ কৰা হয়। কোনো ব্যক্তিৰ চিন্তান্বিত মুখ, চকু, আবেগত কপি উঠা ওঁঠ অথবা মৃতদেহত থকা আঘাতৰ চিন আদি দেখাবৰ বাবে এক্সট্ৰিম ক্ল'জ আপ শ্বট ব্যৱহাৰ কৰা হয়।

যান্ত্ৰিক সভ্যতাৰ এই যুগত ফটোগ্ৰাফী মানৱ জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। এজন ভাল ফটোগ্ৰাফৰ হ'বৰ বাবে ফটোগ্ৰাফীৰ বিভিন্ন উপাদানসমূহৰ বিষয়ে জনাটো অতিকৈ প্ৰয়োজনীয়। বৰ্তমান সমাজত ফটোগ্ৰাফী এক বিশেষ বৃত্তি হিচাপে স্বীকৃত হৈছে। ফটো সাংবাদিকতা সংবাদ জগতৰ এক অংগস্বৰূপ। বাতৰিকাকত, আলোচনী আদি সকলোতে ফটোগ্ৰাফীয়ে বিশেষ স্থান অধিকাৰ কৰিছে। বিশ্বৰ আন আন ঠাইবোৰৰ লগতে ভাৰতবৰ্ষতো ফটো সাংবাদিকতা সমানেই সমাদৃত। ফটো সাংবাদিকতা এক অন্যতম কেৰিয়াৰ। ছাত্ৰ-ছাত্ৰীসকলে ফটোগ্ৰাফীৰ বিষয়ে ভালকৈ অধ্যয়ন কৰি ফটোগ্ৰাফীক নিজৰ জীৱনৰ লক্ষ্য লগতে পেচা হিচাপে গ্ৰহণ কৰি লাভৱান হ'ব পাৰে। আজিকালি সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ কেৰিয়াৰ সম্পৰ্কে খুব সচেতন। তেওঁলোকে ফটো সাংবাদিকতাক নিজৰ কেৰিয়াৰ হিচাপে লৈ ভৱিষ্যত জীৱনলৈ আগবাঢ়ি যাব পাৰে।


সহায়ক পুথি ঃ

i) গণ মাধ্যম আৰু সম্প্ৰচাৰ সাংবাদিকতা — ড° অংকুৰণ দত্ত






# নাৰী আৰু সমাজ


✍ ভাগ্যশ্ৰী নাথ

*প্ৰাক্তন ছাত্ৰী*


এটা পৰিয়াল অথবা সমাজৰ প্ৰতি এগৰাকী নাৰীৰ অৱদান কিমান, সেয়া ভাষাৰে বৰ্ণনা কৰাতো সম্ভৱপৰ নহয়। হেজাৰ বাধাৰ মাজতো হেলাৰঙে নীৰৱে নিজৰ দায়িত্ব পালন কৰি যোৱা ত্যাগ আৰু সহিষ্ণুতাৰ প্ৰতীকস্বৰূপ প্ৰতিগৰাকী নাৰীক সন্মান জনোৱা আৰু নাৰীৰ অধিকাৰ সুৰক্ষিত কৰাৰ স্বাৰ্থতেই ১৯১৪ চনৰ পৰা প্ৰতি বছৰৰ ৮ মাৰ্চ দিনটো 'আন্তৰ্জাৰ্তিক নাৰী দিৱস' হিচাপে উদযাপন কৰা হয়। কথাতে কয় নাৰী দয়াশীলা, স্নেহময়ী মমতাৰ প্ৰতীক। আনৰ দুখত দুখী,আনৰ সুখত সুখী। আজিও আমাৰ সমাজত এনে নাৰী আছে, যিয়ে নিৰলসভাৱে নিঃসহায়জনক সহায় আগবঢ়ায়।

সমাজ এখনত নাৰীৰ স্থিতি আৰু অধিকাৰ সম্পৰ্কে ইতিহাসলৈ উলটি চালে দেখো দুখন পৃথক ছবি। এখন ছবিত নাৰীক আদ্যা শক্তিস্বৰূপে বন্দনা কৰা দেখা যায়, বিপৰীতে নাৰীক কৰা অৱদমনৰ ভয়াবহ চিত্ৰণ। মধ্যযুগত ভাৰতত সঘনাই হৈ থকা বিদেশী শক্তিৰ সামৰিক আক্ৰমণৰ কথা সৰ্বজনবিদিত। ভাৰতত সেই সময়ত সৃষ্ট যুদ্ধকালীন পৰিস্থিতিয়ে ভাৰতীয় নাৰীৰ স্বাধীনতাৰ খৰ্ব কৰিছিল। ভাৰতীয় নাৰী ঘৰৰ চাৰি বেৰৰ মাজত জীৱন কটাবলৈ একপ্ৰকাৰ বাধ্য হৈছিল। বাল্য বিবাহৰ প্ৰচলন হৈছিল সেই সময়তে। সামাজিক নৈতিকতাৰ শৃঙ্খলনে নাৰী শিক্ষাৰ অধিকাৰ তুচ্ছ কৰি পেলাইছিল মানৱীয়তাৰ পতনত তেতিয়াৰ সমাজত সৃষ্টি হৈছিল পুৰুষতান্ত্ৰিক ৰীতিৰ।

আদ্যা শক্তিস্বৰূপে পূজিতা সেই নাৰীৰ ৰূপান্তৰ হৈছিল পণ্যলৈ। পণ্য সামগ্ৰীৰূপে ক্ৰয়-বিক্ৰয়ৰ এক ভয়াবহ 'ছিষ্টেম' গা কৰি উঠিল তেতিয়াৰ পুৰুষপ্ৰধান সমাজখনত। সমাজত সুলভ হৈ পৰিল যৌতুকৰ বাবে বোৱাৰী নিৰ্যাতন কিম্বা হত্যাৰ ঘটনা। বছৰ বছৰ ধৰি নাৰী শোষিতা, লাঞ্ছিতা হৈয়েই থাকিল। ভাৰতৰ পথে-প্ৰান্তৰে সতীদাহ, ডাইনী হত্যা, শিশুভ্ৰূণ, শিশুকন্যা, বলৎকাৰ আদি পৰিঘটনা সঘনাই ঘটিবলৈ ল'লে। চলি থাকিল এইদৰে যুগ-যুগান্তৰ বিশ্বায়নে সমাজত প্ৰভাৱ পেলালে। বিশ্বায়ন কিম্বা গোলকীকৰণৰ প্ৰভাৱে অধিকাংশ নাৰীক পাশ্চাত্য সংস্কৃতিৰ মেৰপাকত সোমাবলৈ বাধ্য কৰালে। বহুজাতিক সংস্থাই উৎপাদন কৰা বিলাসী সামগ্ৰী সুলভ হৈ পৰাত ভোগবাদী ৰীতিয়ে এচাম নাৰীক পুনৰ পণ্যলৈ ৰূপান্তৰ কৰিছে। সমান্তৰালভাৱে আন এচাম নাৰীয়ে নূন্যতম শিক্ষাৰ পৰা বঞ্চনাৰ বিৰুদ্ধে মাজে-সময়ে ঠাইবিশেষে হৈছে প্ৰতিবাদ, জনজাগৰণ। ৮ মাৰ্চ তাৰিখে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হয়। বিশ্ব ঐতিহাসিক প্ৰেক্ষাপটৰ এটি মহত্বপূৰ্ণ দিন নাৰী সমাজৰ বাবে। আৰম্ভণিতে এই দিৱসটিৰ নাম আছিল আন্তৰ্জাতিক কৰ্মজীৱী নাৰী দিৱস। নাৰীক উপযুক্ত মৰ্য্যাদা প্ৰদান আৰু নাৰীৰ আৰ্থিক, সামাজিক, ৰাজনৈতিক দিশত অগ্ৰাধিকাৰৰ উদ্দেশ্য পালিত হয় এই দিৱসটি।

নাৰী হ'ল পুৰুষৰ সমমৰ্যাদাৰ শক্তি আৰু জ্ঞানৰ প্ৰতীক তথা বিশ্বৰ বৰ্ণিল ভৱিষ্যৎ নিৰূপণকাৰী অম্লান সত্তা। বৈজ্ঞানিক মানসিকতাৰে পৰিপূৰ্ণ এখন সমাজত সমান ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক অধিকাৰ আৰু ইচ্ছানুযায়ী শিক্ষা গ্ৰহণৰ সুলভ সুযোগ তথা কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু অস্বাস্থ্যকৰ ঘৰুৱা পৰিৱেশৰ বিৰুদ্ধে ঠিয় দিয়াৰ সুযোগ-সুবিধাই নাৰীৰ কাম্য। সমান্তৰালভাৱে দেখা যায় এই সকলো স্বপ্ন তথা আকাংক্ষাই নাৰী সবলীকৰণৰ মূল আধাৰ। জন ষ্টুৱাৰ্ট মিলৰ মতে নাৰীৰ আছে স্বাধীন সত্তা। কিন্তু দুখজনকভাৱে নাৰীৰ জন্ম লোৱাৰ অধিকাৰো দিনক দিনে বৃদ্ধি পাই

আহিছে। বিশ্বত প্ৰতি বছৰে প্ৰায় বিয়াল্লিশ শতাংশ কন্যা ভ্ৰূণ গৰ্ভস্থ অৱস্থাত হত্যা কৰা হয়। ইয়াৰ ফলত পুৰুষৰ তুলনাত নাৰীৰ হাৰ ভয়ানকভাৱে কমি গৈছে আৰু পুৰুষপ্ৰধান সমাজৰ সংখ্যাগৰিষ্ঠতা পৰিলক্ষিত হৈছে। আনহাতে যিসকল কন্যা শিশু জীৱিত অৱস্থাত আছে অধিক সংখ্যাকেই পৰিপুষ্টিৰ অভাৱত বিভিন্ন ৰোগত ভোগে। তদুপৰি বাল্যবিবাহ আৰু কম বয়সত গৰ্ভধাৰণৰ বাধ্য-বাধকতাই খুলি দিলে নাৰীৰ শোষণৰ আন এক অধ্যায়।

ডাইনী হত্যা, নাৰী নিৰ্য্যাতনৰ আন এক উপায়। প্ৰতিবছৰে অসমত ডাইনী সন্দেহত দহৰপৰা বিশগৰাকী মহিলাক হত্যা কৰা হয়। বিভিন্ন ৰোগ আৰু অপায়-অমগংল বিয়পোৱাৰ ভুৱা অপৰাধত বিভিন্ন অনগ্ৰসৰ অঞ্চলত নাৰীক জীৱন্তে পুতি থোৱা হয় অথবা জ্বলাই দিয়া হয় আৰু এনেধৰণৰ অঞ্চলসমূহত জনসচেতনতা বৃদ্ধি হোৱাৰ বিপাৰীতে এনেধৰণৰ পৈশাচিক উল্লাস বাঢ়িহে যায়। শিক্ষাৰ অভাৱ তথা শূণ্য বৈজ্ঞানিক দৃষ্টিভংগীৰ বাবেই এইধৰণৰ কাৰ্য সংঘটিত হৈ আহিছে যদিও বীৰুবালা ৰাভাৰ নেতৃত্বত গঢ় লোৱা ডাইনীবিৰোধী যাত্ৰা সমাজৰ বাবে এক শুভ সংকেত।

স্বাধীনতা নাৰীৰ মৌলিক অধিকাৰ। এখন ঘৰ যিদৰে এগৰাকী নাৰীয়ে সুস্থিৰভাৱে পৰিচলনা কৰিব পাৰে, ঠিক সেইদৰে যুক্তিযুক্ত ভোটদানৰ পৰা ৰাষ্ট্ৰৰ মূৰব্বীলৈকে নাৰীয়ে পুৰুষতকৈ অধিক সুস্থিৰ আৰু শৃংখলাবদ্ধভাৱে দেশ পৰিচালনা কৰাৰ সম্ভৱনাই বেছি। মাত্ৰ তাৰবাবে নাৰীৰ আত্মসচেতনতা, প্ৰতিবাদী কণ্ঠ, শিক্ষা গ্ৰহণৰ প্ৰতি সুযোগ গ্ৰহণ তথা বৌদ্ধিক জাগৰণৰ অত্যন্ত প্ৰয়োজনীয়ই নহয়, সময়ৰ উচিত আহ্বানোৰো প্ৰয়োজন। ❑


**সংগ্ৰহ ঃ**

১। অসমীয়া প্ৰদিনৰ দেওবৰীয়া সম্ভাৰ

২। প্ৰন্তিক (২০১৩)


✦✦✦✦✦

# বিলাসী সামগ্ৰী অত্যাৱশ্যকীয় কৰি তোলাৰ ষড়যন্ত্ৰ


অংগনা ঠাকুৰীয়া

*স্নাতক, তৃতীয় ষাণ্মাষিক*


এখন সমাজত সুস্থ, সভ্য ভাৱে জীয়াই থাকিবলৈ যিবোৰ সামগ্ৰী প্ৰয়োজনীয় সেইবোৰেই হৈছে অত্যাৱশ্যকীয় সামগ্ৰী। এনে অত্যাৱশ্যকীয় সামগ্ৰীৰ ভিতৰত আছে— অন্ন, বস্ত্ৰ আৰু বাসস্থান; যিবোৰক মানুহৰ মৌলিক প্ৰয়োজনীয়তাৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে। এনে মৌলিক প্ৰয়োজনীয় সামগ্ৰীবোৰৰ এটাৰ অবিহনেও কোনো ব্যক্তি সুৰক্ষিত ভাৱে সুস্থ মস্তিষ্কৰে জীৱন নিৰ্বাহ কৰিবলৈ অসমৰ্থ।

সমাজ পাতি বসবাস কৰাৰ বহু আগতেই মানুহে এইকেইটা মৌলিক প্ৰয়োজনীয় সামগ্ৰীৰ অনুভৱ কৰিছিল। লাহে লাহে মানুহে সভ্যতাৰ দিশে অগ্ৰসৰ হোৱাৰ লগে লগেই মানুহৰ মাজত শিক্ষাই অধিপত্য বিস্তাৰ কৰিবলৈ ধৰিলে। তথাপিও কিন্তু মানুহৰ মৌলিক প্ৰয়োজনৰ পৰিৱৰ্তন নহ'ল। কিন্তু বৰ্তমান সমাজত পুঁজিবাদী অৰ্থনীতিয়ে গা কৰি উঠাৰ লগে লগে সমাজত বিলাসী সামগ্ৰীৰ চাহিদা বৃদ্ধি পাবলৈ ধৰিলে। বৰ্তমান সময়ত এই বিলাসী সামগ্ৰীবোৰে





মানুহৰ অত্যাৱশকীয় সামগ্ৰীৰ তালিকাত অন্তৰ্ভূক্ত হ'বলৈ ধৰিছে।

আধুনিক সমাজত শিক্ষাই এনেভাৱে শিপাইছে যে মানুহে অনুসন্ধান, পৰীক্ষা-নিৰীক্ষা, গৱেষণা, অধ্যৱসায় অধ্যয়ন কৰি কিছুমান নতুন নতুন বিলাসী সামগ্ৰীৰ উদ্ভাৱন কৰিবলৈ ধৰিলে; যিয়ে ব্যক্তিৰ শ্ৰম কিছু পৰিমাণে লাঘৱ কৰিব পাৰে। এনে সামগ্ৰীবোৰ মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি সময়ৰ কিছু ৰাহি কৰিব পৰা হ'ল। বৰ্তমান সময়ত মানুহে ম'বাইল, কম্পিউটাৰ, ৱাছিং মেচিন, মিক্সাৰ গ্ৰেণ্ডাৰ, টি. ভি, ফ্ৰীজ, গাড়ী-মটৰ, এ.চি., ৰন্ধন গেছ আদি আৰু অনেক প্ৰসাধনৰ সামগ্ৰী অবিহনে নিজৰ দৈনন্দিন জীৱনৰ কল্পনাও কৰিব নোৱাৰা হৈ পৰিছে।

বিলাসী সামগ্ৰীৰ চাহিদা বঢ়াৰ লগে লগে ইয়াৰ দামো বৃদ্ধি হ'ল। আৰ্থিকভাৱে দুৰ্বল লোকসকলে তেওঁলোকৰ মৌলিক প্ৰয়োজনসমূহ পুৰণ কৰাৰ বাবে কৰা কষ্টৰ বিনিময়ত বিলাসী সামগ্ৰী ক্ৰয় কৰিবলৈ অপৰাগ হয়। ফলস্বৰূপে বৰ্তমান সমাজত মানুহৰ মাজত আৰ্থিক ব্যৱধান বৃদ্ধি হৈছে। আজিৰ সমাজত মানুহৰ জীৱনধাৰণৰ মান বিলাসী সামগ্ৰীৰ ভিত্তিত নিৰূপণ কৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়া প্ৰতিফলিত হয় দুখীয়াচাম মানুহৰ ওপৰত। আধুনিক সমাজ ব্যৱস্থাৰ সৈতে নিজকে খাপ খুৱাব নোৱাৰি তেওঁলোকে হীনমন্যতাত ভুগিবলৈ ধৰিছে আৰু মানসিক অশান্তি বৃদ্ধি হৈছে। সমাজৰ দুখীয়াচাম মানুহৰ বিশেষকৈ তৰুণ প্ৰজন্মই নিজকে ধনী কৰিবলৈ; উন্নত মানদণ্ডত জীয়াই থাকিবলৈ বিভিন্ন অসৎ উপায় অৱলম্বন কৰিবলৈ লৈছে। যাৰ ফলত সমাজত বিশৃংখলতাই দেখা দিছে। সমাজত হত্যা, ধৰ্ষণ, লুণ্ঠন, ডকাইটি, চোৰ, অপহৰণ আদিৰ লগত সমাজখন কলা বজাৰেৰে, ক'লা মুদ্ৰাৰে ভৰি পৰিছে। অৰ্থনৈতিক সংকটৰ আৱিৰ্ভাৱ হৈ মূল্যবৃদ্ধিৰ সৃষ্টি কৰি সমাজৰ দুখীয়াচাম আৰু মধ্যবিত্ত মানুহক জীৱন-যাপন কৰাত জুৰুলা-জুপুৰা কৰি মাৰিছে। সকলোৰে এক উন্নত মানদণ্ডৰে জীয়াই থাকিব বিচাৰে আৰু এনে মানসিকতাই সমাজত সন্ত্ৰাসবাদ সৃষ্টি কৰি নিৰাপত্তাৰ অভাৱ ঘটাইছে। আজিৰ যুৱ-প্ৰজন্মই অপৰাধ জগতত ভৰি দিবলৈ ধৰিছে। আমিও এই জগতৰেই অংশ। ইয়াৰ বাবে দায়ী কোন?

শুনিবলৈ আচহুৱা যেন লাগিলেও এইটোৱে সঁচা যে, যিখন ভাৰতবৰ্ষত বৰ্তমানেও বহু মানুহে এটা জুপুৰিৰ অভাৱত ফুটপাথত বা অলিয়ে-গলিয়ে ঘূৰি অন্ধকাৰ জীৱন অতিবাহিত কৰিছে, সেইখন ভাৰতবৰ্ষৰে কেইজনমান আগশাৰীৰ ব্যক্তিৰ নাম বিশ্বৰ দহজন ধনী ব্যক্তিৰ তালিকাত অন্তৰ্ভুক্ত। বৰ্তমান যি হাৰত চৰকাৰী খণ্ডৰ বিষয়সমূহ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰিত কৰিব ধৰিছে, আমি ইয়াক পুঁজিবাদী ব্যৱস্থাৰ আৰম্ভণি বুলি ক'ব নোৱাৰিমনে? যিয়ে আমাৰ এচাম মানুহক সম্পূৰ্ণভাৱে গ্ৰাস কৰি পেলাব।

এতিয়া আমাৰ সজাগ হোৱাৰ সময় সমাগত। সমাজৰ এচাম মানুহৰ বিলাসী জীৱন যাত্ৰাই আন এচাম মানুহক অন্ধকাৰ জগতলৈ ঠেলি দিছে। সেয়েহে আমি সচেতন হৈ বিলাসী সামগ্ৰীৰ চাহিদা আৰু দাম হ্ৰাসৰ বাবে মাৰ বান্ধি ঠিয় দিয়াৰ সময় আহি পৰিল। বিলাসী সামগ্ৰীক অত্যাৱশ্যকীয়সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা মনোভাৱৰ পৰিৱৰ্তন কৰিবলৈ আমি সজাগতা অভিযান আৰম্ভ কৰিব লাগিব; তেতিয়াহে যদি সমাজত এক সুস্থ সুৰক্ষিত নিৰাপত্তাৰ পৰিৱেশে গা কৰি উঠে। যি সমাজৰ পৰা হিংসাৰ মনোভাৱ আঁতৰাই সমাজত মানুহৰ মাজত ন্যায়, সমতা, ভ্ৰাতৃত্ববোধৰ মনোভাৱ জাগ্ৰত কৰি এক সুচল জীৱন যাত্ৰা দিব পাৰে। ❑

✦✦✦✦✦

## জানানে?

➢ পৃথিৱীৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বিজ্ঞানীসকলৰ ভিতৰত কোন অন্যতম।

উত্তৰ ঃ এলবাৰ্ট আইনষ্টাইন।

➢ দুবাৰকৈ ন'বেল বঁটা পোৱা গৌৰৱ অৰ্জন কৰা মহিলাগৰাকী কোন?

উত্তৰ ঃ মেডাম কুৰী।

➢ ইংৰাজী ভাষাৰ প্ৰাচীনতম মহাকাব্য কি?

উত্তৰ ঃ বেউলফ।


সংগ্ৰাহক ঃ **সংগীতা কলিতা**

*স্নাতক, পঞ্চম ষাণ্মাষিক*

# "ভাষাৰ" ধ্বনিতত্ত্ব' বা 'Phonology' ৰ এক চমু পৰিচয়'

✍ ভূমিকা নাথ
স্নাতকোত্তৰ, প্ৰথম ষান্মাষিক
অসমীয়া বিভাগ

ভাষা হৈছে কেতবোৰ বাক্যৰ সমষ্টি। বাক্যই হৈছে ভাষাৰ অৰ্থ যুক্ত বৃহত্তম একক। বাক্য একোটাক বিশ্লেষণ কৰি আমি পাওঁ একো একোটা ক্ষুদ্ৰতম একক। যাক ৰূপ বা আকৃতি বোলে। ৰূপক বিশ্লেষণ কৰিলে আমি পাওঁ ধ্বনি। কিন্তু ধ্বনিসমূহৰ কোনো সুকীয়া অৰ্থ নাই। গতিকে এইফালৰ পৰা দেখা গ'ল যে ভাষাৰ স্তৰ তিনিটা। যেনে— (i) ধ্বনি
(ii) ৰূপ আৰু
(iii) বাক্য

আকৌ বহুতো পণ্ডিতে এই স্তৰ তিনিটাৰ উপৰিও ভাষাৰ বিশ্লেষণত আৰু আন আন স্তৰ সংযোগ কৰিছে। কিন্তু মূলতঃ দেখা যায় যে ভাষাৰ গঠন আৰু প্ৰণালী বিচাৰ আৰু বিশ্লেষণৰ পদ্ধতি অনুসৰি ভাষাবিজ্ঞানক মূলত চাৰিটা ভাগত ভাগ কৰা হৈছে।

যেনে—
(i) ধ্বনিতত্ত্ব বা Phonology
(ii) ৰূপতত্ত্ব বা Morphology
(iii) বাক্যতত্ত্ব বা Syntax
(iv) অৰ্থতত্ত্ব বা Semantics

ভাষাৰ এই স্তৰ চাৰিটাক এখন গাড়ীৰ লগত তুলনা কৰি চালে দেখা যায় যে ভাষা হৈছে এখন গাড়ী আৰু এই স্তৰ চাৰিটা হৈছে গাড়ীখনৰ চাৰিটা চকা। ৰেখাচিত্ৰৰ সহায়ত এনেদৰে দেখুৱাব পাৰি—




ওপৰোক্ত চাৰিটা স্তৰৰ ভিতৰত ভাষাবিজ্ঞানৰ প্ৰধান অংগ হৈছে ধ্বনিতত্ত্ব বা Phonology। ধ্বনিৰ সাধাৰণ বিশ্লেষণৰ বাবে ভাষাবিজ্ঞানত ধ্বনিতত্ত্বৰ প্ৰয়োগ হয়। ভাষাবিজ্ঞানৰ যিটো শাখাত ধ্বনি সমূহৰ সকলো দিশ যেনে— উচ্চাৰণ, গুণ, স্থান, প্ৰকৃতিস্বৰূপ আদিৰ বিজ্ঞান সন্মত সূক্ষ্ম আলোচনাক ধ্বনিতত্ত্ব বোলা হয়। চমুকৈ ভাষা বিজ্ঞানৰ যিটো শাখাত ধ্বনি বিষয়ক বিচাৰ বিশ্লেষণ বিজ্ঞান সন্মতভাৱে কৰা হয়, ব্যাপক অৰ্থত তাকেই ধ্বনিতত্ত্ব বোলে। (Phonology is a cover term embracing phonetics and phonemics. Francis Nelson " The structure of American English") সাধৰণতে কোনো এটা ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ প্ৰণালীবদ্ধ আলোচনাই সেই ভাষাৰ ধ্বনিতত্ত্ব। ভাষাবিজ্ঞানী লিওনাৰ্ড ব্লুমফিল্ডে ধ্বনিতত্ত্ব সম্পৰ্কে এনেদৰে কৈছে— "বাগ্ধ্বনিৰ প্ৰণালীবদ্ধ আলোচনাই হৈছে ধ্বনিতত্ত্ব।"





ধ্বনিতত্ত্বক আকৌ দুটা ভাগত বিভক্ত কৰিব পাৰি। সিহঁতবো আকৌ উপবিভাগ আছে।




উচ্চাৰিত ধ্বনিৰ বিজ্ঞানেই হৈছে ধ্বনিবিজ্ঞান। ইয়াত পৃথিৱীৰ সমস্ত ভাষাৰ ধ্বনিসমূহৰ উৎপাদন (Production), উচ্চাৰিত ধ্বনি সমূহ বক্তাৰ মুখৰ পৰা শ্ৰোতালৈ প্ৰেৰণ (Transmission) আৰু ধ্বনিসমূহৰ গ্ৰহণ (Reception) সম্পৰ্কে চমুকৈ আলোচনা কৰা হয় ইয়াত পৃথিৱীৰ সমস্ত ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ বিষয়ে প্ৰাথমিক আৰু সাধৰণ আলোচনা আগবঢ়োৱা হয়। এই বিভাগতো ধ্বনিসমূহৰ উচ্চাৰণ, উচ্চাৰণৰ প্ৰকৃতি, স্থান, বিভিন্নগুণ বাগিন্দ্ৰিয়ৰ গঠন আৰু প্ৰক্ৰিয়া সম্পৰ্কে বিস্তৃত বিশ্লেষণ কৰা হয়। ইয়াক তিনিটা ভাগত ভগাব পাৰি। সেই ভাগ তিনিটা হ'ল—

**(ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান** (Articulatory phonetics)ঃ ভাষা বিশ্লেষণৰ ক্ষেত্ৰত উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানৰ প্ৰয়োজনীয়তাই বেছি। এই শাখাত ধ্বনিসমূহ বাগিন্দ্ৰিয়ৰ দ্বাৰা কিদৰে উচ্চাৰিত হয় সেই সম্পৰ্কে সমস্ত প্ৰক্ৰিয়াটোৰ আলোচনা লগতে ধ্বনিসমূহ উচ্চাৰণ কৰোঁতে বাগিন্দ্ৰিয় সমূহে কেনেধৰণৰ ভূমিকা পালন কৰে, তথা ধ্বনিসমূহৰ শ্ৰেণীবিভাজনৰ আলোচনা কৰা হয়। ধ্বনিৰ প্ৰতিলিখন অৰ্থাৎ ধ্বনি নিৰূপণৰ কাৰণে বিশেষ চিহ্ন ব্যৱহাৰৰ কথাও উচ্চাৰণাত্মক আলোচিত হয়।

**(খ) শ্ৰুতিধ্বনি বিজ্ঞান** (Acoustic phonetics)ঃ কোনো বক্তাই ধ্বনি উচ্চাৰণ কৰাৰ পাছত সেই ধ্বনি শ্ৰোতাৰ কৰ্ণপটলৈ গতি কৰে। বক্তাৰ পৰা শ্ৰোতালৈ ধ্বনিয়ে গতি কৰোঁতে উচ্চাৰিত বাগ্ধ্বনিসমূহে শ্ৰৱণকেন্দ্ৰত ঠেকা খায় মগজুত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে, সেই সম্পৰ্কে ধ্বনিবিজ্ঞানৰ যিটো শাখাত অধ্যয়ন চলোৱা হয় তাকে শ্ৰুতিধ্বনি বিজ্ঞান (Acoustic phontics) বোলে। ইয়াত বাগ্ধ্বনিৰ ভৌতিক বৈশিষ্ট্যবোৰৰ (phsycal propertics) আলোচনা কৰা হয়।

**(গ) শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান** (Auditory phonetics)ঃ শ্ৰৱণাত্মক ধ্বনি বিজ্ঞানৰ সূচনা হয় দ্বিতীয় মহাযুদ্ধৰ পাছৰ পৰা। এই শাখাৰ ধ্বনি বিজ্ঞানীয়ে যন্ত্ৰপাতিৰ সহায়ত গৱেষণাগাৰত কম্পন (waves) বিশ্লেষণ কৰে। বক্তাই উচ্চাৰণ কৰা ধ্বনি বায়ু মাধ্যমেৰে গতি কৰাৰ পাছত গ্ৰাহক যন্ত্ৰসদৃশ শ্ৰোতাৰ কৰ্ণযন্ত্ৰই তাক ধৰি লয়। ধ্বনি বিজ্ঞানৰ যিটো শাখাত শ্ৰোতাই শুনা সম্পৰ্ককলৈ যি সমস্ত কথাৰ আলোচনা কৰা হয় তাক শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান নাইবা শ্ৰুয়মান ধ্বনিবিজ্ঞান (Auditory phonetics) বোলে।

ভাৰ্জনীয়ে এই তিনিপ্ৰকাৰ ধ্বনি বিজ্ঞানৰ ওপৰত এনেদৰে লিখিছে— " The study of phonetics can be divided into three main branches, 'ARTICULATORY, PHONETICS, The study of the movement of

the speech or gans in the articulation of speech, ACOUSTIC PHONETICS, The study of physical propertics of speech sounds such as frequancy and umplitude in their transmission, and AUDITORY PHONETICS, the study hearing and the perciption of speech sounds." শ্ৰুতিধ্বনিবিজ্ঞান আৰু শ্ৰুয়মান ধ্বনিবিজ্ঞান একেলগে যান্ত্ৰিক ধ্বনিবিজ্ঞান (Instrumental phonetics) অথবা পৰীক্ষাগাৰ ধ্বনিবিজ্ঞান (Laboratory phonetics) আখ্যা দিব পাৰি। কিয়নো এই দুই প্ৰকাৰৰ ধ্বনিবিজ্ঞানত বিভিন্ন ধৰণৰ ইলেকট্ৰনিক যন্ত্ৰপাতি আদি ব্যৱহাৰ কৰি পৰীক্ষাগাৰত পৰীক্ষা-নিৰীক্ষা চলাই সিদ্ধান্তবোৰ গ্ৰহণ কৰা হয়। যন্ত্ৰপাতিসমূহৰ ভিতৰত যেনে— 'Peletograph, "cymogrph','spectograph' ইত্যাদি।

ভাষাবিজ্ঞানৰ আন এক শাখা হৈছে বৰ্ণবিজ্ঞান। ই হৈছে ভাষাবিশেষত উচ্চাৰিত ধ্বনিসমূহৰ প্ৰকৃতি আৰু প্ৰায়োগিক বিশ্লেষণৰ এক প্ৰণালীবদ্ধ প্ৰক্ৰিয়া। ভাষাত উচ্চাৰিত সকলোবোৰ ধ্বনি স্থান অনুসৰি উচ্চাৰণ একে নহয়। কিছুমান ধ্বনিৰ উচ্চাৰণ অতি স্পষ্ট। এনে স্পট আৰু সমগোত্ৰীয় ধ্বনিসমূহৰ প্ৰয়োগ বিশ্লেষণ কৰা হয়। সেই ধ্বনিবোৰ একে পৰিৱেশতে এটাৰ ঠাইত অন্য এটা প্ৰয়োগ কৰিলে অৰ্থাৎ ধ্বনিযুক্ত হোৱাৰ পাছত ৰূপ সমূহে ভিন্ন অৰ্থ প্ৰকাশ কৰে আৰু অভিন্ন পৰিৱেশত ব্যৱহাৰ হোৱা ধ্বনিৰ উচ্চাৰণৰ পাৰ্থক্য মাতৃভাষীৰ কাণত বাজি উঠে, তেতিয়া সেই ধ্বনিসমূহক গোটত বিভক্ত কৰি 'বৰ্ণ' (Phoneme) বুলি চিনাক্ত কৰা হয়। স্পট ধ্বনি সমূহৰ প্ৰয়োগ দুই ধৰণৰ বিৰোধী প্ৰয়োগ আৰু অবিৰোধী প্ৰয়োগ। অভিন্ন নাইবা সদৃশ পৰিৱেশত এটা ধ্বনিৰ ঠাইত আন এটা ধ্বনি প্ৰয়োগ কৰিলে যদি ইহঁতৰ মাজত অৰ্থৰ পাৰ্থক্য ঘটে তেতিয়া সিহঁতক বিশিষ্ট ধ্বনিৰ মৰ্য্যদা দিয়া হয়। অৰ্থৰ পাৰ্থক্য ঘটা কথাষাৰেই বিৰোধী প্ৰয়োগ। অসমীয়া ভাষাৰ তাল, ফাল, পাল, আদি শব্দৰ প্ৰত্যেকৰে প,ফ, ত ৰূ পৰ বাহিৰে বাকী অংশ একে। তিনিওটাই অৰ্থৰ পাৰ্থক্য ঘটাইছে গতিকে অসমীয়া ভাষাত এই তিনিটা একোটা বিশিষ্ট ধ্বনি। অবিৰোধী প্ৰয়োগ দুই প্ৰকাৰৰ অয়তবিকল্প প্ৰয়োগ (Freevariation) আৰু পৰিপূৰক প্ৰয়োগ (Complimentary Distribution)। যিবোৰ ধ্বনিয়ে স্থান ভেদে উচ্চাৰণৰ পৰিৱৰ্তন হ'লেও অৰ্থৰ কোনো পৰিৱৰ্তন নঘটাই তাক পৰিপুৰক প্ৰয়োগ বোলে। এনে প্ৰয়োগত কিছুমান ধ্বনি শব্দৰ স্থান অনুযায়ী সুনিৰ্দ্দিষ্ট। যেনে ঃ পাপ, এই শব্দটোৰ প্ৰথম 'প'ৰ উচ্চাৰণ আৰু দ্বিতীয় 'প' উচ্চাৰণ বেলেগ। প্ৰথম 'প'-শব্দৰ আদি আৰু মধ্যত পোৱা যায়। দ্বিতীয় 'প'-শব্দৰ অন্ত্যত পোৱা যায়। কথাখিনি এনেদৰে দেখুৱাব পাৰি ঃ

| | আদি | মধ্য | অন্ত্য | পৰিবেশ |
|---|---|---|---|---|
| প— | √ | √ | —— | অযুক্ত |
| প— | —— | —— | √ | অযুক্ত |

যিহেতু 'প' শব্দৰ আদি মধ্যতহে পোৱা যায় সেইবাবে সিহঁতৰ প্ৰয়োগৰ স্থান নিৰ্দ্দিষ্ট আৰু পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। এনে পৰিপূৰক প্ৰয়োগত থকা ধ্বনিবোৰৰ এটা গোট কৰা হয়। এই গোটটোৰ নাম বৰ্ণ বা বিশিষ্ট ধ্বনি আৰু গোটৰ অন্তৰ্ভূক্ত ধ্বনিবোৰৰ সেই বৰ্ণটোৰ উপধ্বনি। যেনে—

/প/ = বৰ্ণ বা বিশিষ্টধ্বনি

△

[প] [প] উপধ্বনি

অয়ত বিকল্প প্ৰয়োগত ধ্বনিগত সাদৃশ্যৰ ফলত সাধৰণতে হয়। এই প্ৰয়োগত এটা ধ্বনিৰ সলনি আনটোৰ প্ৰয়োগ উচ্চাৰণৰহে পাৰ্থক্য আনে, শব্দটোৰ অৰ্থৰ নহয়। যেনে— ইংৰাজী 'either' শব্দটোৰ 'ei' ৰ উচ্চাৰণ, 'beat'ৰ 'ই' অথবা 'bite'ৰ 'আই'ৰ দৰে উচ্চাৰণ কৰিব পাৰি। এনে উচ্চাৰণৰ পাৰ্থক্য ফলত 'either' ৰূপটোৰ অৰ্থৰ পৰিৱৰ্তন নহয়। 'আই' আৰু 'ই' মুক্ত বা অয়ত বিকল্প প্ৰয়োগ।

বৰ্ণ আৰু উপধ্বনিৰ অথবা বিশিষ্ট ধ্বনিৰ আৰু উপধ্বনিৰ নিৰ্বাচন প্ৰণালীয়ে বৰ্ণবিজ্ঞানৰ মূল বিষয়। সাধৰণতে ধ্বনিৰ পৰিবেশ প্ৰয়োগ আৰু প্ৰকৃতি গুণ, আদি বিচাৰ কৰি প্ৰণালীবদ্ধভাৱে বৰ্ণবিজ্ঞানত বিশিষ্ট ধ্বনি আৰু উপধ্বনি নিৰ্ণয় কৰা হয়। কোনো এটা কথিত ভাষাত বা অলিখিত ভাষাৰ লিপি নিৰ্ধাৰণৰ ক্ষেত্ৰতো বৰ্ণ বিজ্ঞানৰ ভূমিকা আছে। ইয়াৰদ্বাৰা ভাষাৰ বৰ্ণলিপিও নিৰ্ণয় কৰা হয়। বৰ্ণৰ মাজত থকা উপধ্বনিবোৰৰ ভিতৰত যিটোৰ প্ৰয়োগৰ সীমাৱদ্ধতা কম সেইটোক বিশিষ্ট ধ্বনিৰ লিপি হিচাপে গ্ৰহণ কৰা হয়। এয়ে বৰ্ণবিজ্ঞানৰ মূল কথা।

গতিকে দেখা গ'ল যে ভাষাৰ ধ্বনি সম্পৰ্কীয় সকলো কথাই ধ্বনিতত্ত্বৰ অন্তৰ্গত। ইয়াত পৃথিৱীৰ সকলো ভাষাৰ ধ্বনি সমূহ বৈজ্ঞানিক দৃষ্টিভংগীৰদ্বাৰা প্ৰণালীৱদ্ধভাৱে অধ্যয়ন কৰা হয়। প্ৰাচীনকালৰপৰা ভাষা অধ্যয়নৰ প্ৰচেষ্টা চলি আহিছিল যদিও ভাষাৰ





ব্যাকৰণৰধাৰা আৰু ভাষাতত্ত্বৰধাৰাত কোনো ধৰণৰ বৈজ্ঞানিক দৃষ্টিভংগীৰ গুৰুত্ব দেখা নাযায়। কিন্তু ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা ভাষাবিজ্ঞানীসকলে ভাষাৰ বিজ্ঞান সন্মত অধ্যয়নত গুৰুত্ব দিয়াৰ ফলস্বৰূপে সেই সময়ছোৱাত ভাষাৰ এক নতুন ৰূপৰ সুচনা হয়, আৰু নতুন চিন্তাচৰ্চাৰ জোৱাৰ উঠে। সেই সময়ৰ পৰা ভাষাৰ বৈজ্ঞানিক ধাৰা আৰম্ভ হয় আৰু ভাষাৰ সকলো স্তৰতে বৈজ্ঞানিক দৃষ্টিভংগীৰে বিচাৰ বিশ্লেষণ আগবঢ়ায়। বিজ্ঞানৰ দৰে ভাষাৰ ধ্বনিসমূহো পৰীক্ষাগাৰ (Laboratory)ত আধুনিক যন্ত্ৰপাতিৰ দ্বাৰা বিশ্লেষণ কৰি চোৱা হয়। অসমীয়া ভাষাতো ধ্বনিতত্ত্ব সম্পৰ্কে উপেন্দ্ৰ চন্দ্ৰ গোস্বামী, লক্ষী হাজৰিকা, নগেন ঠাকুৰ, অপৰ্ণা কোঁৱৰ আদিয়ে ভাষাৰ ধ্বনিতত্ব সম্পৰ্কে আলোচনা আগবঢ়াইছে। ❑


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

(i) ভাষাবিজ্ঞান উপক্ৰমনিকা ঃ অপৰ্ণা কোঁৱৰ।

(ii) ভাষাবিজ্ঞান প্ৰৱেশ ঃ ড° বসন্ত কুমাৰ ভট্টাচাৰ্য।

(iii) ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিত ঃ লক্ষী হাজৰিকা।


✦✦✦✦✦

## কোনে কি কৈছিল?

- ➢ জয় হিন্দ — সুভাস চন্দ্ৰ বসু
- ➢ কৰা নহ'লে মৰা — মহাত্মা গান্ধী
- ➢ সৰফৰূশী কী তমন্ন অব হামাৰে দিল মে হো — ৰামপ্ৰসাদ বিস্মল
- ➢ বন্দে মাতৰম — বঙ্কিম চন্দ্ৰ চেটাৰ্জী
- ➢ আৰাম হাৰাম হায় — জৱহৰলাল নেহৰু
- ➢ ভাৰত এৰা — মহাত্মা গান্ধী
- ➢ দিল্লী চলো — সুভাস চন্দ্ৰ বসু
- ➢ স্বৰাজ আমাৰ জন্মস্বত্ব — বাল গংগাধৰ তিলক
- ➢ ইনক্লাৱ জিন্দাবাদ — ভগত সিং
- ➢ সাৰে জহা সে আচ্চা হিন্দুস্থান হামাৰা — ইকবাল
- ➢ জন-গণ-মন অধিনায়ক জয় হে — ৰবীন্দ্ৰ নাথ ঠাকুৰ
- ➢ তোমালোকে মোক অলপ তেজ দিয়া মই তোমালোকক স্বাধীনতা দিম — সুভাষ চন্দ্ৰ বসু

সংগ্ৰাহক ঃ **বন্দনা নাথ**
*স্নাতক, তৃতীয় ষাণ্মাষিৰ্ক*

# মানুহ হোৱাৰ আধাৰ বাক্য আৰু বৰ্তমান সময়

✍ কমলেশ্বৰ বৰা
সহযোগী অধ্যাপক, দৰ্শন বিভাগ

'মানুহ' নামৰ সাৰ্বজনীন পদটোৰ চিৰ পৰিচিত গুণ দুটা হ'ল 'প্ৰাণীবৃত্তি' আৰু 'বুদ্ধিবৃত্তি'। প্ৰাণীবৃত্তিত মানুহ আন আন জীৱদেহৰ দৰে। শাৰীৰিক প্ৰয়োজনীয় সকলোবোৰ দিশ ইয়াৰসৈতে জড়িত। অলপ মান জিৰণীয়া ঠাই, ঠাণ্ডা আঁতৰোৱা আৰু লজ্জা নিবাৰণৰ বাবে বস্ত্ৰ, ভোক গোচাবৰ বাবে আহাৰ ইত্যাদি। এইবোৰৰ লগতে আৱেগ, আকাংক্ষা, স্বাৰ্থ পৰতাক সংযোগ কৰি সৰ্বেপল্লী ৰাধাকৃষ্ণণে মানুহৰ এই দিশটোক 'সসীম' মানুহ বুলি অভিহিত কৰিছে। তেখেতে এই দিশটোক জড়াত্মক অৰ্থাৎ জড়যুক্ত বুলি কৈছে। লগুণৰ ব্ৰিণটন নামৰ ঠাইৰ মহান চিন্তাবিদ গিলবাৰ্ট ৰাইলে ৰাধাকৃষ্ণণে উল্লেখ কৰা এই সসীম দিশটোকে 'ৰাজহুৱা পাঠন'ৰ দিশ বুলি কৈছে। তেখেতৰ মতে বিশেষ অসুবিধা নোহোৱাকৈ কোনোলোকৰ শৰীৰৰ ভাষা আনলোকে সহজে পঢ়িব পাৰে। কিন্তু "মানুহ' নামৰ জীৱ শ্ৰেণীৰ আনটো দিশ হ'ল বুদ্ধিবৃত্তি যাৰ সহায়ত 'ব্যক্তিয়ে' নিজৰ শাৰীৰিক সসীমতাক জয় কৰি অসীমলৈ গতি কৰিব পাৰে। অসীমলৈ গতি কৰা মানুহৰ স্বৰূপটোক ৰাধাকৃষ্ণণে "অসীম মানুহ' বুলি কৈছে। তেখেতৰ মতে এই 'অসীম মানুহ"ৱেই হ'ল প্ৰকৃত মানুহ। অসীম মানুহৰ ধাৰণাটোৱে বুজাইছে যে তেজ মঙহৰ সম্বন্ধেৰে সংপৃক্ত, বিজ্ঞানৰ আৰামদায়ক বিলাসেৰে সুঠাম দেহৰ মানুহ হোৱাটোৱেই শেষ কথা নহয়। 'ব্যক্তি'ক পৰাধীন হোৱাত সহায় কৰা চৰম আবেগ, উচ্চাকাংক্ষা, চূড়ান্ত স্বাৰ্থপৰতা, স্বাৰ্থসিদ্ধিৰ মনোভাৱেৰে উপায় আৰু উদ্দেশ্যৰ প্ৰতি অবজ্ঞাসূচক মানোবৃত্তি ৰচনা কৰাটো মানুহৰ প্ৰকৃত স্বৰূপ নহয়। প্ৰকৃত মানুহে এইবোৰ সসীমতাক অতিক্ৰম কৰি যায়। অন্তৰৰ আধ্যাত্মিক চেতনাবোধৰ মহিমাৰে মহিমা-মণ্ডিত লোককহে প্ৰকৃত মানুহ বুলি ৰাধাকৃষ্ণণ দেৱে উল্লেখ কৰি গৈছে।

ভাৰতীয় শিক্ষা আৰু সংস্কৃতিৰ ঐতিহ্য বিচাৰিলে এই কথা বুজিব পাৰো যে সূৰ্যৰ পোহৰৰ দৰেই পৰিস্ফুত হৈ আছে আধ্যাত্মিক গভীৰতাৰ নিদৰ্শন। ঋষি সকলে, মহামানৱ সকলে পৰম সত্যক প্ৰত্যক্ষ কৰি সেই সত্যক লাভ কৰাৰ বাট আমাক দি থৈ গৈছে। তাৰ আধাৰতে ভাৰতীয় ধৰ্ম আৰু নৈতিক চিন্তাৰ অভেদ সম্বন্ধেৰে আমালৈ প্ৰতিষ্ঠা কৰি থৈ গৈছে মানুহ হোৱাৰ আধাৰ বাক্য। সুখ, আনন্দ আৰু প্ৰশান্তি প্ৰাপ্তিৰ বাবে দি থৈ গৈছে সত্য, শিৱ, সুন্দৰৰ আৰাধনাৰ বাট। এনেবোৰ ৰাই শিপাৰ প্ৰতি আমাৰ অশ্ৰদ্ধাশীল মনোভাৱ অথবা সেইবোৰ "Out dated" কথা বুলি ভাবি সিবোৰলৈ পিঠি দিয়াৰ বাবে আমাৰ মাজত সমন্বয়ৰ মহাসংকটে দেখা দিছে। ক্ৰমে ক্ৰমে অবদমিত হ'বলৈ ধৰিছে 'বিশ্বাস' নামৰ মহাঘটকৰ পৰিমেয়। সৰ্বত্ৰে বিৰাজ কৰিছে ৰঙমহলীয়া দালান সাজি নিজক ওখ খাপত প্ৰতিষ্ঠা কৰাৰ ঘোষিত প্ৰতিযোগীতা। ধন দৌলতৰ বলত বলীয়ান হোৱাৰ প্ৰতি ধাৱমান আজিৰ সমাজ জীৱন। বিজ্ঞান প্ৰদত্ত শাৰীৰিক আৰামদায়ক বিলাসৰ জীৱনেই মানৱ জীৱনৰ পৰম উদ্দেশ্যত পৰিণত হৈছে। মূল্যবোধৰ শিক্ষা আনুষ্ঠানিকসভালৈ পৰ্যবসিত হ'বলৈ ধৰিছে। ৰাজনীতিক বুদ্ধিজীৱিৰ পৰা সাধাৰণ জনজীৱনলৈ সকলো স্তৰতে ভৱিষ্যতৰ সাতপুৰুষে কষ্টভোগ কৰিব লগীয়া নোহোৱাকৈ, পাৰ্থিব সম্পত্তিৰ পাহাৰ গঢ়াৰ সপোনত নিমৰ্জ্জিত আজিৰ সমাজৰ মানসিকতা।

সময় পৰিবৰ্তনশীল। এই পৰিবৰ্তনশীল সময়ে দৈশিক-কালিক সকলো ঘটনাৰে পৰিবৰ্তন অনাটো এটা স্বাভাৱিক পৰিঘটনা। তেনে স্থলত সমাজ জীৱনৰ মানৱীয় প্ৰমূল্যবোধ, নৈতিক চিন্তাৰ পৰিবৰ্তন ঘটাটো তেনেই স্বাভাৱিক। পৰিবৰ্তন থাকিলেহে প্ৰগতি





সম্ভৱ। অন্যথা আমিবোৰে আদিম মানৱত্বক আদৰিব লাগিলে হেঁতেন। অন্ততঃ আমিবোৰে সেই আদিম স্তৰক অতিক্ৰমি আহিছো। ক্ৰমে ক্ৰমে মানুহৰ পূৰ্ণৰূপ এটা প্ৰাপ্তিলৈ ধাৱমান হ'লো। কিন্তু বৰ্তমানৰ মানৱীয় মানসিকতাই অতীতৰ আদিম মানুহৰ ৰূপৰ পৰা সভ্য সমাজ বিবৰ্তনলৈ গতি কৰিও এচাম স্বাৰ্থন্বেষী, অদূৰদৰ্শী, হাতৰ কুঠাৰ ভৰিত মৰা শ্ৰেণী লোকৰ কৃত কৰ্মই আমাক অসভ্য জাতিৰূপে পৰিচয় কৰাইছে। মহাত্মা গান্ধীয়ে কোৱা আত্ম-শাসন, আত্ম-ত্যাগ, আত্ম-অনুধাৱনৰ জ্ঞানৰ চৰ্চা কৰিও কাৰ্যতঃ বিপৰীত কৰ্মতহে প্ৰবৃত্ত হৈছে। দেশ সমূহৰ ৰাজনীতিক মূৰব্বী শাসন কৰ্তা, জনসাধাৰণক নেতৃত্ব দিয়া নেতা সকলৰ ভীষণ স্বাৰ্থপৰতা, অদূৰদৰ্শী ৰাজত্বৰ বাবে জন সাধাৰণো বিবুদ্ধিত পৰিবলগীয়া হৈছে। তাৰে পৰিণতিত কোনোবাই হাতত অস্ত্ৰ লৈছে, উগ্ৰবাদ গঠন কৰি হিংসাত্মক কাৰ্যত লিপ্ত হোৱাৰ আশীৰ্বাদ পাইছে। সেইসকলে যোগান ধৰা সাৰ পানী পাই দেশৰ চোৰ ডকাইটবোৰৰ সাহসে ঠন ধৰি উঠিছে। প্ৰায় সংখ্যক লোকেই সেইসকল অদূৰদৰ্শী লোকৰ বাটেৰে বাট বুলিছে।

ভাৰতীয় নৈতিক চিন্তাৰদৰে পাশ্চাত্যৰ চিন্তাধাৰাটো নৈতিকতাৰ অনেক ব্যাখ্যা আছে। জাৰ্মান চিন্তাবিদ ইমানুৱেল কাণ্টে মানুহৰ নৈতিক কৰ্ত্তব্য সমাপণৰ অৰ্থে তিনিটা নীতি বাক্যৰ বিষয়ে দোহাৰিছে। সেইকেইটা হৈছে— ১। এনে নিয়মেৰে কাম কৰা যাতে তুমি তাক এটা সাৰ্বজনীন নিয়মত পৰিণত কৰিব পাৰা। ২। এনে নিয়মেৰে কাম কৰা যাতে আনক কেতিয়াও উপায় হিচাপে নলৈ সদায় উদ্দেশ্য হিচাপে ল'ব পাৰা। ৩। এখন আদৰ্শ সমাজৰ সভ্য হিচাপে কাম কৰা।

কাণ্টৰ প্ৰথমটো নীতি বাক্যৰ অৰ্থ হ'ল যিলোকে যি কাম কৰে সেই কামৰ বাবে যাতে তেওঁ আনৰ বাবে অনুকৰণীয় হৈ ৰ'ব পাৰে তাৰ প্ৰতি মনোযোগেৰে কৰ্ম কৰা উচিত। কাৰোবাৰ ওচৰত কিবা কৰাৰ বাবে অঙ্গীকাৰ কৰা আৰু সেই অঙ্গীকাৰ ভঙ্গ কৰা দুয়োটা একে। তেনে লোকৰ অঙ্গীকাৰ বা প্ৰতিজ্ঞা সাধাৰণ নিয়ম বা সাৰ্বজনীনতাত পৰিণত হ'ব কেনেকৈ। অঙ্গীকাৰ ভঙ্গ কৰাৰ জৰিয়তে তেওঁৰ নিজৰ সাৰ্বজনীন ৰূপটোৱেই ম্লান নহয় লগতে যাৰ ওচৰত অঙ্গীকাৰ ভঙ্গ কৰে তেওঁৰ ব্যক্তিত্বকো অপমান কৰা হয়। গতিকে আনৰ অনুকৰণীয় হ'ব পৰাৰ প্ৰতি লক্ষ্য ৰাখি কৰ্মত প্ৰবৃত্ত হ'ব লাগে।

কাণ্টৰ দ্বিতীয় নীতি বাক্যৰ অৰ্থ হৈছে যে কৰ্তাই কোনো কৰ্ম সম্পাদন কৰিবলৈ যাওঁতে লক্ষ্য বা উদ্দেশ্য আৰু সেই উদ্দেশ্য সফলকাম কৰিবলৈ যি উপায় অৱলম্বন কৰিব সেই দুয়োটাৰ মাজত সম্পৰ্ক থাকিব লাগিব যাতে নিজৰ অভিলাষ পূৰণ কৰিবলৈ যাওঁতে আন লোকক সেই অভিলাষ পূৰণৰ উপায় হিচাপে লোৱা নহয়। তাৰ পৰিবৰ্তে এনে লক্ষ্যৰেহে কাম কৰা উচিত যাতে নিজে নিজক উপায় হিচাপে ব্যৱহাৰ কৰি আনৰ প্ৰতি সেই কৰ্মৰ শুভ-ফল দান কৰিব পাৰে। অৰ্থাৎ আন লোকক ঢাল হিচাপে ব্যৱহাৰ কৰা অনুচিত। তাৰ পৰিবৰ্তে আন লোকক উদ্দেশ্য-ৰূপেলৈ তেওঁৰ প্ৰতি কৰ্ম কৰাহে উচিত।

তৃতীয়টো নীতি বাক্যৰ অৰ্থ হ'ল এখন আদৰ্শ সমাজৰ সভ্য হিচাপে কাম কৰা। প্ৰত্যেক লোকৰে প্ৰথম প্ৰশ্ন হ'ব পাৰে যে তেওঁ কোন? ইয়াৰ উত্তৰত তেওঁ বুজিব যে তেওঁ এজন ব্যক্তি আৰু সেইবাবে তেওঁ এখন বৃহৎ সমাজৰ অংগ। সমাজস্থলোকৰ কৰ্ম-আচৰণৰ কিছুমান আদৰ্শ আৰু মানদণ্ড থাকে। সেই আদৰ্শ আৰু মানদণ্ড বৰ্তাই ৰখাটো সমাজৰ অন্তৰ্গত প্ৰতিজন সভ্যৰে কৰ্তব্য। ইয়াৰ ব্যতিক্ৰম কোনেও কামনা নকৰে। যি স্থানৰ যি আদৰ্শ তাৰ প্ৰতি শ্ৰদ্ধা ৰাখি কৰ্তব্য কৰ্ম কৰাটো যুগুত।

এনেবোৰ নৈতিক নিয়ম আৰু প্ৰমূল্যবোধৰ শিক্ষা কোনো কালৰ কোনো বিৰ্বতনে সলাব পাৰিবনে। বিভিন্ন দেশত, বিভিন্ন স্থানত ধৰ্ম আৰু নীতি নিয়মৰ মাজত ভেদ থাকিলেও মানুহ হ'ব পৰা এনেবোৰ নৈতিক আদৰ্শৰ কেতিয়াও পৰিবৰ্তন হ'ব নোৱাৰে। অন্যথা উদ্দেশ্য বা লক্ষ্যৰ কথা মনত ৰাখি কৰ্ম কৰোঁতে উপায় আৰু উদ্দেশ্যৰ সংঘাতে দেখা দিব, যাৰ পৰিণতিত ব্যক্তিৰ কৰ্ম অদূৰদৰ্শী আৰু স্বাৰ্থন্বেষী কৰ্মত পৰিণত হ'ব। জীৱ শ্ৰেষ্ঠ মানুহ হিচাপে এই কথা পাহৰিলে নহ'ব যে যুদ্ধৰো একোটা নীতি আৰু আদৰ্শ থাকে। মহাভাৰত মহাকাব্যৰ কুৰুক্ষেত্ৰৰ যুদ্ধলৈ মন কৰিলে এই কথা অতি স্পষ্টৰূপত বুজিব পাৰি। সূৰ্যোদয়ৰ পৰা সূৰ্যাস্তৰ পূৰ্বলৈকে পৰস্পৰ শত্ৰুপক্ষই অস্ত্ৰ-শস্ত্ৰৰে যুদ্ধ কৰাৰ নিয়ম। এইটো হ'ল যুদ্ধৰ নীতি। ৰামায়ণ মহাকাব্যতো ৰাম-ৰাৱণৰ যুদ্ধৰ নিয়মৰ বৰ্ণনা আছে। আনকি ৰাৱণ যুজঁত পৰাত তেওঁৰ শৱদেহ সৎকাৰ কৰাৰ বাবে ৰামৰ পক্ষই ব্যৱস্থালোৱাৰ বিষয়ে বৰ্ণনা আছে। এনেবোৰ নীতি আৰু আদৰ্শৰ অতীত বৰ্তমান বুলি কোনো কথা নাই, অথবা অতীতৰ নিয়ম বাবেই সেইবোৰ বৰ্তমানে আওপুৰণি নিয়ম হ'ব নোৱাৰে।

আজিৰ সমাজ ব্যৱস্থাত বজাৰ-অৰ্থনীতি, ৰাজনীতি,

সমাজনীতি সকলোতে এই নীতি-আদৰ্শৰ ভেটিত ঘুণে ধৰিছে। সকলোতে অনিয়মেই নিয়মত পৰিণত হৈছে। প্ৰশাসনিক ব্যৱস্থাত অনীতিৰ ৰাজত্বই বিৰাজ কৰিছে। জাতীয় স্বাৰ্থত আত্ম-বলিদান দিবলৈ অঙ্গীকাৰবদ্ধ জাতীয় নেতা সকলৰো অঙ্গীকাৰ ভঙ্গ কৰি ব্যক্তি স্বাৰ্থত নিমৰ্জ্জিত হ'ব পৰাটো তেনেই সুলভ দৃশ্যত পৰিণত হৈছে। তেনে ক্ষেত্ৰত সাধাৰণ জনতা, ছাত্ৰ-সমাজ আদিয়ে কোন শ্ৰেণীলোকৰ আদৰ্শৰে বাট বুলিব তাৰ উৱাদিহ নোপোৱা হৈছে। ফলত বিশ্বাস, আদৰ্শ, নীতি বোলা শব্দবোৰ অভিধানিক শব্দৰূপেহে পৰিগণিত হৈছে। নৈতিক বচনবোৰ আওপুৰণি কথা বুলি ভাবিবলৈ লৈছে। গতিকে সামাজিক দায়বদ্ধতা, সামাজিক বান্ধোন, ভাতৃত্ববোধ, স্নেহ, জেষ্ঠজনৰ প্ৰতি সন্মান প্ৰদৰ্শন, নাৰী সকলৰ প্ৰতি সন্মান প্ৰদৰ্শন আদি শ্ৰেষ্ঠ মানসিকতাবোধ সমাজৰ মানস পতৰ পৰা প্ৰস্থানৰ ফালে গতি কৰিছে। নেতৃস্থানীয়লোক, সমাজৰ গুৰি ধৰোঁতা, বুদ্ধিজীৱি, শিক্ষিত সকলে নিশ্চয় নিজৰ নিজৰ দায়বদ্ধতাৰ কথা ভাবিবৰ হ'ল। শিক্ষিত বুলি চিহ্নিত সকলে শিক্ষাৰ লগতে জ্ঞানৰ ভঁৰাল চহকী কৰি সমাজ ব্যৱস্থাত জড়িত সকলক মানৱ জীৱনৰ ঘাই শিপাডালৰ লগত পৰিচয় কৰোৱাটো দায়বদ্ধতাৰে স্বীকাৰ কৰি ল'লেহে স্বধৰ্ম পালন কৰা হ'ব বুলি আমাৰ মনে ধৰিছে। ইয়াৰ জৰিয়তে মানুহত থকা 'অসীম মানুহ' নামৰ আধ্যাত্মিক দিশটোৰ উপস্থিতিৰ বাস্তৱতাক প্ৰকাশ কৰাৰ সুযোগকণ গ্ৰহণ কৰক। ❑

★★★★★

## মহৎলোকৰ অমৃত বাণী

➤ আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা।

— চক্ৰেটিছ

➤ মানুহে তোমাক নাজানে বুলি আক্ষেপ নকৰিবা। এনেভাবে কাম কৰি যোৱা যাতে মানুহে তোমাক জানিবৰ যোগ্য হয়।

— কণফুচিয়াচ

➤ এজন মানুহে তেওঁৰ ভুল হৈছে বুলি স্বীকাৰ কৰিবলৈ লাজ পোৱা উচিত নহয়। কাৰণ ইয়াৰ দ্বাৰা বুজায় যে তেওঁ কালিতকৈ আজি বেচি জ্ঞানী হৈছে।

— আলেকজেণ্ডাৰ পোপ





# অসমত নাৰী শিক্ষাৰ বিকাশ ঃ এক চমু অৱলোকন

✍ দিপ্তী ৰাণী নাথ
কাৰ্যালয় সহায়িকা

উনৈশ শতিকাৰ আৰম্ভণিৰ সময়ত শিক্ষা বিষয়ত অসমৰ অৱস্থা ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ সৈতে প্ৰায় একে আছিল। সেই সময়ত বৃহৎ বৃহৎ যৌথ পৰিয়ালবোৰত নাৰীসকলে ৰাতি পুৱাৰে পৰা নিশা-দুপৰলৈকে ঘৰুৱা কাম বনকে আদি কৰি খেতি পথাৰত ধানৰোৱা-কটা, মাছ ধৰা আদি কামবোৰতে সদায় ব্যস্ত আছিল। সৰ্ব-সাধৰণ নাৰীৰ বাবে শিক্ষা সেই সময়ত ভাৱিব নোৱাৰা কথা আছিল। ৯-১০ বছৰ বয়সতে ছোৱালীবোৰক বিয়া দিয়াতোৱে আছিল সমাজৰ অঘোষিত নিয়ম। নাৰীৰ বাবে ধৰ্মানুষ্ঠানৰ দুৱাৰো আছিল প্ৰায়ে বন্ধ। শাস্ত্ৰৰ দোহাই দি, মনুসংহিতাৰ ভয় দেখুৱাই বাল্য বিবাহ, সতীদাহ প্ৰথা আদিৰ নিচিনা অনেক কু-সংস্কাৰ আৰু অন্ধ-বিশ্বাসৰ বান্ধোনেৰে বান্ধি পেলোৱা হৈছিল নাৰীক। নাৰীৰ কোনো অধিকাৰ আৰু স্বাধীনতা নাছিল। সেইসময়ত আনুষ্ঠানিক শিক্ষা অকল পুৰুষ শ্ৰেণীৰ মাজতে সীমাবদ্ধ আছিল। সেয়াওঁ মুষ্টিমেয় সংখ্যাক পুৰুষহে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিছিল। অৱশ্যে সেই সময়তো একাংশ শিক্ষিত আৰু সচেতন অভিভাৱকে নিজৰ নিজৰ কন্যা সন্তানবোৰক ঘৰুৱা শিক্ষক নিযুক্ত কৰি দি ঘৰতে পঢ়াৰ সুবিধা কৰি দিছিল। আনহাতে একাংশ সাহসী মহিলাই গোপনীয় ভাৱে ঘৰতে পুথিজ্ঞান আয়ত্ব কৰিবলৈ চেষ্টা কৰিছিল। মুঠতে মহিলাৰ বাবে আনুষ্ঠানিক শিক্ষাৰ দুৱাৰ একেবাৰে বন্ধ আছিল।

এই সময়খিনিতে শ্ৰদ্ধেয় ৰাজাৰামমোহন ৰায়কে আদি কৰি বহুকেইজন বৰেণ্য সমাজ সংস্কাৰকে নাৰীৰ শিক্ষা, নাৰীৰ অধিকাৰ, কু-সংস্কাৰ, অন্ধ-বিশ্বাস আদি বিষয়ত চিন্তাচৰ্চা কৰি আগবাঢ়ি আহিছিল। নাৰীৰ আনুষ্ঠানিক শিক্ষা বিষয়ত পোন প্ৰথমে পদক্ষেপ হাতত লৈছিল কবি, সাংবাদিক Henry Louis Vivian Derozio নামৰ হিন্দু বিশ্ববিদ্যালয়ৰ শিক্ষক এজনে ১৮৪৯ চনত শ্ৰদ্ধেয় ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ দেৱৰ সহায়ত J.E.Drinkwater Bethune নামৰ এজন ব্যক্তিয়ে 'বেথুন" স্কুল নাম দি এখন ছোৱালী স্কুল খুলিছিল। কালক্ৰমত "বেথুন" স্কুলে ৰাইজৰ মাজত পূৰ্ণ সহাঁৰি লাভ কৰিবলৈ সক্ষম হয়।

অসমত অসমীয়া ভাষা আৰু মহিলাৰ শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কত বলিষ্ঠ ভূমিকা লৈছিল খ্ৰীষ্টান মিছনেৰী সকলে। ১৮৩৯ চনত অসমৰ শদিয়াত প্ৰথমখন ছোৱালী মিছনেৰী স্কুল স্থাপন হয় খ্ৰীষ্টান মিছনেৰী সকলৰ উদ্যোগত। কিন্তু স্কুলখন বেছিদিন নচলিল। মিছনেৰী মেম সকলেওঁ অসমৰ ঠায়ে ঠায়ে সৰু সৰু স্কুল পাতি, মহিলা আৰু শিশুৰ উপযোগী পাঠ্যপুথি ৰচনা কৰি অসমীয়া মহিলা সকলক শিক্ষিত কৰিবলৈ যত্ন কৰিছিল। পিছে এই স্কুলবোৰো ছাত্ৰীৰ অভাৱত খুউৰ কম সয়মতে বন্ধ হৈ যায়। তাৰ পৰৱৰ্তী সময়ত ১৮৪৩ চনত ড° ব্ৰন্সনে নগাওঁত এখন পঢ়াশালী স্থাপন কৰে আৰু মিছনেৰী সকলৰ যত্নতে অকল শিৱসাগৰতে ছখনকৈ সহশিক্ষাৰ ব্যৱস্থা থকা -পঢ়াশালী স্থাপন কৰা হৈছিল। এই সময়খিনিতে অসমৰ বিভিন্ন ঠাইত গঢ়ি উঠা পঢ়াশালীবোৰে অসমত শিক্ষাৰ বিকাশত এক আলোড়ন আনিছিল।

১৮৭০ চনত অসমত কেইখন মান ছোৱালী স্কুল প্ৰতিষ্ঠা কৰা হৈছিল চৰকাৰী পৃষ্ঠপোষকতাত। স্কুল কেইখনত ছাত্ৰী সংখ্যা প্ৰথম অৱস্থাত বৰ কম আছিল যদিও স্কুল কেইখন চলি থাকিল। ১৯০৪ চনত ভাৰত চৰকাৰৰ নতুন শিক্ষানীতি অনুসৰি স্ত্ৰী শিক্ষাৰ উন্নতিৰ হকে উন্নত কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰে। য'ত চৰকাৰী খৰছত শিক্ষয়িত্ৰীৰ বাবে বিশেষ প্ৰশিক্ষণ প্ৰদক্ষেপ গ্ৰহণ, সহ-শিক্ষাৰ

ব্যৱস্থা, লগতে ছোৱালীৰ উপযোগীকৈ পাঠ্যক্ৰম প্ৰস্তুত, ছোৱালীৰ কাৰণে বিনামূলীয়া শিক্ষাদানৰ দিহা ইত্যাদি। আৰু 'মডেল' স্কুল স্থাপনৰ সিদ্ধান্তও লোৱা হয়।

কুৰি শতিকাৰ আৰম্ভণিৰ সময়ত ভাৰতবৰ্ষৰ ৰাজনীতিত মহাত্মা গান্ধীৰ যোগদান আৰু তেখেতৰ স্বৰাজ আন্দোলনৰ ঢৌৱে সমাজৰ সকলো স্তৰৰ জনগণকে চুই যায়। যাৰ পৰিণতিত অসমৰ শৈক্ষিক আৰু সামাজিক বাতাবৰনতো স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত অভাৱনীয় ভাৱে পৰিৱৰ্তন হয়। অভিভাৱক সকল যথেষ্ট সচেতন হয় আৰু নাৰীসকলেও নিৰ্ভয়ে মুক্তমনে ঘৰৰ চৌহদৰ সীমা অতিক্ৰমি দেশৰ বাবে- দহৰ বাবে ওলাই আহে। লাহে লাহে প্ৰশস্ত হৈ পৰে নাৰী শিক্ষাৰ পথ। পৰ্য্যায়ক্ৰমে অসমৰো ঠায়ে ঠায়ে কেবাখনো "মডেল" স্কুল প্ৰতিষ্ঠা কৰা হয়। আৰু আগৰ "মডেল" স্কুল সমূহ হাইস্কুল পৰ্য্যায়লৈ উন্নীত হয়। অসমৰ সৰ্বসাধাৰণ মহিলাই নিসংকোচে ফলি-পুথিলৈ বিদ্যালয়লৈ অহা যোৱাৰ পথ সুগম হৈ পৰে।

স্বাধীনতাৰ আগতে (১৯০১) চনত স্থাপন হোৱা কটন মহাবিদ্যালয়ত প্ৰথম অৱস্থাত ছোৱালীৰ শিক্ষাৰ বাবে কোনো ধৰণৰ ব্যৱস্থা ৰখা হোৱা নাছিল। নাৰী শিক্ষাৰ ক্ষেত্ৰত অগ্ৰনী সেই সময়ৰ শিক্ষিতা মহিলা শ্ৰদ্ধেয়া চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু শ্ৰদ্ধেয়া ৰাজাবালা দাসৰ একান্ত প্ৰচেষ্টাত ১৯৩৪ চনত সেয়াও সম্ভৱ হৈ উঠিল। অধ্যক্ষ ৰাজাবালা দাসৰ আশাশুধীয়া প্ৰচেষ্টাত ১৯৩৯ চনত স্থাপন হয় সন্দিকৈ ছোৱালী মহাবিদ্যালয়। অধ্যক্ষ দাসে বিহাৰৰ গিৰিডৰ হাইস্কুলৰ পৰা মেট্ৰীক পাছ কৰিছিল আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বি.এ.পাছ কৰিছিল। তেখেতৰ সময়ৰ পিছৰপৰা লাহে লাহে উচ্চ-শিক্ষাৰ বাবে অসমৰ ছোৱালী বাহিৰলৈ যোৱাতো বৃদ্ধি হবলৈ ধৰিলে।

বৰ্তমান আনুষ্ঠানিক শিক্ষাৰ দুৱাৰ সকলোৰে বাবে মুক্ত। কন্যা বিদ্যালয়, কন্যা মহাবিদ্যালয়, মহিলা অনুষ্ঠান প্ৰতিষ্ঠান আদিৰে ভৰি পৰিছে অসম। ক'লা; বিজ্ঞান, বাণিজ্য, প্ৰযুক্তিৰ সকলো দিশতে পুৰুষৰ সমানে খোজ দিছে আজিৰ নাৰী। কিন্তু প্ৰশ্ন হয় মুষ্টিমেয় সংখ্যাক মহিলাক বাদ দি আমি আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত সৰ্ব সাধাৰণ মহিলাখিনি প্ৰকৃত অৰ্থত শিক্ষিত হব পাৰিছে নে? এবাৰ যেন আমি মহিলা সকলে নিজকে জুকিয়াই চোৱাৰ সময় আহি পৰিছে। কু-সংস্কাৰ, অন্ধ-বিশ্বাসৰ কঠিন আৱৰণে এতিয়াও আমাক আৱৰি ৰাখিছে। ডাইনী হত্যা, যৌতুক প্ৰথাৰ নিচিনা আৰু অনেক কু-সংস্কাৰ আছে য'ত আমাৰ তথা কথিত শিক্ষিত মহিলা একাংশ জড়িত হৈ থাকে নাৰীৰ বিৰুদ্ধে। ধৰ্মীয় গোড়ামীৰ ক্ষেত্ৰতো এখোপ উৰ্দ্ধত। এই ক্ষেত্ৰত চুবুৰীয়া অৰুণাচল প্ৰদেশৰ বিদুষী মহিলা শ্ৰদ্ধেয়া ইন্দিৰা মিৰি আমাৰ অনুকৰণীয়। অৰুণাচল প্ৰদেশৰ শৈক্ষিক আৰু সামাজিক বাতাবৰনৰ দিশত তেওঁ যি অভুতপূৰ্ব পৰিৱৰ্তনৰ সুচনা কৰি থৈ গৈছে সেয়াও সকলোৰে জ্ঞাত। বিজ্ঞান প্ৰযুক্তিৰ জ্ঞানেৰে কল্পনা চাওলা, সুনীতা উইলিয়াম হঁতৰ নিচিনা মহিলাই মহাকাশত বিচৰণ কৰাৰ সময়তে আমি নাৰী-পুৰুষ সকলেৱে সচেতন হোৱাতো ভাল। আমাৰ নিজৰ মাজতে থকা ঈৰ্ষা-অসুয়া, তথাকথিত আধুনিকতা পৰিহাৰ কৰি আমি নৈতিক ভাৱে শিক্ষিত হলেহে আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে গঢ়িব পাৰিম এখন কু-সংস্কাৰ মুক্ত সমাজ। উলিয়াই আনিব পাৰিম এতিয়াওঁ আমাৰ গাৱে-ভূঞে, আলিয়ে-গলিয়ে আনুষ্ঠানিক শিক্ষাৰ পোহৰ বিছাৰি বৈ থকা ৰেজীয়া, চুলতানা, ৰহদৈ, ৰঙিলী, জেচমিন, কৰবী হঁতক। ❑

**সহায়ক গ্ৰন্থ ঃ**

(ক) অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম অসমীয়া সাহিত্যৰ বুৰঞ্জী

(খ) Our world then and Now (3) Text book (VIII)

(গ) নন্দিনী চেপ্তেম্বৰ ২০০৬

# জীৱনৰ এজাক ধুমুহা

সবিতা দাস
পঞ্চম ষান্মাষিক

মিতালীয়ে ৰাতিপুৱাই খৰধৰকৈ কাম কৰিবলৈ ধৰিলে। কি কৰিব, কি নকৰিব তাইৰ যেন আহৰিয়েই নাই। তাই লৰালৰিকৈ গাঁ ধুৱাই আনি স্কুললৈ যাবলৈ সাজু কৰি দিছে, আকৌ ইফালে খোৱাৰ যোগাৰ কৰিছে। গিৰিয়েক আৰু লৰাটোক দুয়োটাকে খাবলৈ দি তাই টিফিন সাজু কৰিছে। তাৰ পিছত গিৰিয়েক অফিচলৈ গ'ল আৰু লৰাটোক তাই স্কুল বাছত উঠাই দিলে। উঠাই দি আহি তাই বৰ ভাগৰ অনুভৱ কৰিলে আৰু বাৰাণ্ডাতে থকা চকীখনতে বহি পৰিল। বহি থাকোতে হঠাৎ তাইৰ চকুত পৰিল যে, তাইৰ সমবয়সীয়া আৰু তাইৰ লগত পঢ়া এজনী ছোৱালী তাইৰ সন্মুখেৰে কলেজৰ ড্ৰেছ পিন্ধি ৰাস্তাৰে কলেজলৈ গৈ আছে। এই দৃশ্য দেখি তাইৰ মনটোত এটা গভীৰ চিন্তাই আগুৰি ধৰিলে আৰু তাই মনটোতে ভাবিলে যে মোৰ বয়সৰ ছোৱালী এতিয়াও কলেজলৈ যায়। কিন্তু মই আজি এখন সংসাৰৰ দায়িত্ব পালন কৰিব লগা হৈছে। য'ত মোৰ দুখ বুজিবলৈ কোনো নাই। তাই অনুভৱ কৰিলে যে মই বিচৰা সকলো মোৰ ওচৰতে আছে, তথাপিও মই সুখী নহয়। এটা কথা ভাবিব লগীয়া যে, ধন, টকা-পইচাই মানুহক এটা সুন্দৰ জীৱন-যাপন দিব পাৰে; কিন্তু প্ৰকৃত সুখ দিব নোৱাৰে এজাক ভয়ংকৰ ধুমুহাই মোৰ জীৱনটো খেলি-মেলি লগাই দিলে। কি ভাবিছিলো আৰু কি হ'ল? তেতিয়াৰ সময়ত মা-দেউতাই দিয়া পৰামৰ্শবোৰ যেন মোৰ মনত বিষহে যাক কেতিয়াও সেৱন কৰিব নিবিচাৰিলো। মাথো ভাবি গৈছিলো মা দেউতা অশুদ্ধ, মা- দেউতায়ে মোৰ সুখ সহ্য কৰিব নোৱাৰে। কিন্তু মই এতিয়া অনুভৱ কৰিব পাৰিছো যে, যদি মই সেই সময়ত তেওঁলোকৰ কথা মানি চলিলোহেতেন, হয়তো মই এতিয়া এই অনুভৱৰ পৰা আঁতৰত থাকিব পাৰিলোহেতেন। ভাবিলে দুখ লাগে যে সেই মই নিজৰ মা-দেউতাক শত্ৰুজ্ঞান কৰিবলৈ লৈছিলো। কাৰণ তেওঁলোকে মই কৰিবলৈ লোৱা কাম বোৰৰ ওপৰত বাধা আৰোপ কৰিছিল। এতিয়াহে বুজিছো যে সেই বাধাৰ আঁৰত আছিল তেওঁলোকৰ মোৰ প্ৰতি থকা মৰম, স্নেহ, ভালপোৱা। সেই সময়ত মোক বহুতেই কৈছিল যে, এই সময়খিনি যথেষ্ট ভয়ংকৰ আৰু ইয়াক গুৰুত্ব দি চলাটো প্ৰয়োজন। এই সময়খিনিত মানুহে নকৰিবলগীয়া আৰু নাভাবিবলগীয়া কামো কৰি পেলাব পাৰে। যাৰ বাবে গোটেই জীৱন পস্তাই থাকিব লগীয়া হয়। মোৰ লগতো ঠিক তেনেই হ'ল। নিজকে চম্ভালিব নোৱাৰি মা-দেউতাৰ কথা নুশুনি সেই ভয়ংকৰ সময়খিনিতে সময়ৰ সোঁতত উটি গৈ নিজৰ জীৱনটোক আনৰ অধীন কৰি পেলালো। বৰ্তমান সমাজত ছোৱালীয়ে নিজৰ ওপৰত নিৰ্ভৰশীল হৈ থকাটো যথেষ্ট প্ৰয়োজন; যাতে তেওঁক কোনেও তুচ্ছ জ্ঞান কৰিব নোৱাৰে। আজি মোৰ নিজৰ ওপৰতে খং উঠিছে; কিয়নো মই এইখিনি কথা বুজোতে ইমান সময় লাগিল যে, এতিয়া মই মোৰ ভুল শুধৰাব নোৱাৰো মোৰ ভাব হয় মোৰ জীৱন মই নিজেই ধ্বংস কৰিলো। মোৰ ফালৰ পৰা মোৰ বান্ধৱীসকলক অনুৰোধ কৰিছো যে, মোৰ দৰে যেন তেওঁলোকেও ভুল ৰাস্তাৰে আগুৱাই নাযায় আৰু যদি কোনোবাই গৈছেও সাঠিক সিদ্ধান্ত লৈ সঠিক পথেৰে আগুৱাই আহে কাৰণ সময়ে কাৰো বাবে ৰৈ নাথাকে। সময় গতিশীল। আজি মোৰ ভাব হয় যদি সেই সময়খিনিত মই আকৌ ঘূৰাই পালোহেতেন, তেতিয়া জীৱনটো আকৌ নতুনকৈ গঢ় দিলোহেতেন। কিন্তু সময়ে কেতিয়াও পিছলৈ উভটি নাচায়। ই সদায় আগলৈহে গতি কৰে। গতিকে সকলো থকা সত্বেও আজি মই মোৰ জীৱনটোক লৈ দুখী। কাৰণ জীৱনটোত মই উন্নতি কৰিব নোৱাৰিলো। এতিয়া মই নাজানো যে মোৰ জীৱনটোৰ অস্তিত্ব কি? এইখন সমাজত মই প্ৰথমতে কাৰোবাৰ জীয়ৰী, কাৰোবাৰ বোৱাৰী, পত্নী আৰু শেষত কাৰোবাৰ মাতৃ হিচাপেহে পৰিচিত হৈছো। এনেতে এটা শব্দ তাইৰ কাণত পৰিল- "মা, অ' মা, কিনো ভাবি আছা?" অথনিৰে পৰা মই তুমাক মাতি আছো। এই 'মা' শব্দটো শুনি তাইৰ সকলো দুখ পাহৰি গ'ল। ☐

# ক'ত হেৰাল সেই সোণোৱালী দিনবোৰ

✍ মৰমী বেগম
স্নাতক, পঞ্চম ষাণ্মাষিক

দুপৰীয়াৰ আহাৰ খাই উঠি কাম-বন কৰি তাই অলপ বিশ্ৰাম লবৰ বাবে বিচনাখনতে পৰিল। ভাগৰ অনুভৱ হৈছে কিন্তু চকুত নাই টোপনি। ইতিমধ্যে তাইৰ পৰিয়ালৰ ৰিমা আৰু ৰুহিৰ বাহিৰে সকলোৱে আৰাম কৰি আছে। তাইৰ স্বামীও সেই শোৱনী কোঠালিটোতে শুইছে। তাইৰ মনটোৱে তাইক লৈ গ'ল সেই বিচনাখনৰ তলৰ পুৰণি এলবামটোলৈ। পুৰণি মানে প্ৰায় ১৫ বছৰৰ আগৰ। এলবামটোৰ প্ৰথম ফটোখনেই তাইৰ বিয়াৰ বিদায়ৰ সময়ৰ সেই তাইৰ মাকে সেইমুহূৰ্ত্তত উচুপি উচুপি কান্দিছিল কাষৰ তাইৰ সেই অজলা ভায়েকটো। তাইৰ মনত পৰিছে সেই কথাষাৰ মাকে কোৱা—

ঃ মাজনী, তুমি নাথাকিলে ঘৰখন একেবাৰে উকা উকা লাগে।

কিন্তু আজি সেই সকলোবোৰ সলনি হৈ গ'ল। তাই যে এতিয়া সেই চেনেহী মাকক এবাৰো চাব যাব নোৱাৰা হ'ল, আনকি ফোনটো কথা ক'ব নোৱাৰা হ'ল। ক'ত হেৰাল সেই সোণোৱালী দিনবোৰ? যেতিয়া তাই সেই ৰাংঢালীজনী হৈ য'লৈ মন যায় তালৈ কৈ গৈছিল। এতিয়া তাই সেই ফটোবোৰৰ লগতে কথা পাতে, চকুলো টুকে। সেয়াও একেবাৰে গোপনে নহ'লে যে প্ৰৱালে যে তাইক আকৌ মাৰিব, বহুতো কঠোৰ বাক্য শুনাব। সঁচায়, জীৱনটোৱে বাৰু তাইৰ লগত এয়া কি লুকা-ভাকু খেলিছে।

তাইৰ নাম প্ৰণিতা মেধি। পৰিয়ালৰ সকলোৰে মৰমৰ আছিল প্ৰণিতা। 'শিক্ষা' বিষয়ত স্নাতক লৈ B.A পাছ কৰিছিল প্ৰণিতাই। দেউতাক গাওঁৰে এখন প্ৰাইমেৰী স্কুলৰ শিক্ষক। ভায়েক গৌৰৱ এজন মানসিকভাৱে অসুস্থ ল'ৰা।

তাই দেখিবলৈ খুৱ ধুনীয়া আছিল। গাৰ ৰং মাগুৰ বৰণীয়া, খোজকাটলও বেছ ধুনীয়া। মাতটো মিঠা, ব্যৱহাৰ পাতিও একেবাৰে নম্ৰ। তাইৰ প্ৰেম বিবাহ হৈছিল ভাল ব্যৱসায়ী প্ৰৱাল দত্তৰ লগত।

যৌৱনৰ সেই সময়ছোৱাত তাইৰ ৰূপত ভোল যোৱা প্ৰৱালো আছিল অন্যতম। বহুতো চলাহী কথাৰে তাইৰ মন ভুলাইছিল প্ৰৱালে। সেয়ে তাইও মাক-বাপেকৰ অবাধ্যত বিয়া হৈ আহিছিল এদিন এইখন ঘৰলৈ। চকুত বহুতো সপোন ৰচি বোৱাৰী হৈ প্ৰৱালৰ ঘৰলৈ তাই আহিছিল। বিয়াৰ ছমাহলৈকে ঠিকেই আছিল প্ৰৱাল। কিন্তু সলনি হ'ল যেতিয়া তাই মাতৃ হ'ল ৰিমা আৰু ৰুহি দুটি জমজ কন্যা সন্তানৰ মাতৃ হ'ল তাই। গুচি গ'ল সেই গাভৰু ৰূপ সৌন্দৰ্য তাইৰ। হয়তো এয়াই আছিল প্ৰৱালৰ সলনি হোৱাৰ কাৰণ।

ক'ত হেৰাল সেই সোণোৱালী দিনবোৰ তাইৰ পদূলিত নে বাটৰ ধূলিত? তাইৰ মনত পৰিছে সেই হেৰোৱা দিনবোৰৰ কথা প্ৰৱালে তাইক ঘণ্টাৰ মুৰে মুৰে SMS কৰিছিল, খবৰ লৈছিল। "তোমাতকৈ মোৰ কোনো আপোন নাই" বুলি কোৱা সেই শপত বাক্যটি। ক'ত গ'ল সেই 'প্ৰেমৰ , মাধুৰ্য্য? আজি প্ৰৱালে কেৱল তাইক দিছে কঠোৰ মাত, দায়িত্ব মানে ঘৰৰ দায়িত্ব। অলপো সময় নাই প্ৰৱালৰ তাইৰ লগত কটাবলৈ সময়, মনৰ কথা দুষাৰ ক'বলৈ। মাথো কাম, কাম।

প্ৰৱাল আজি কালি ঘৰলৈ দেৰিকৈ আহিবলৈ আৰম্ভ কৰিছে। কোনো ফোন নাই, খবৰ নাই। তাই এয়া কি শুনিছে যে প্ৰৱালৰ কোনোবা বেলেগ মহিলাৰ লগত শাৰীৰিক সম্পৰ্ক। কথাটো মিছা নহয়। তাইতকৈ ভালদৰে আৰু কোনে জানে প্ৰৱালক? কিন্তু কি কৰিব তাই এতিয়া সকলোজানে তথাপিও যে তাই মৰিবও নোৱাৰে। তাইৰ হেঁপাহ ৰিমা আৰু ৰুহিক সঁচা মানুহ কৰাৰ তাইৰ দৰে কাৰোবাৰ অন্ধ প্ৰেমত ভোল যাবলৈ নহয়। বহুবাৰ তাই চিপ্‌জৰী লৈও আকৌ বৰ্তমানৰ অৱস্থালৈ উভতি আহে। তাইৰ মৰমৰ ৰুহি আৰু ৰিমাৰ বাবে। সকলো পাহৰে তাই সিঁহতৰ ভৱিষ্যতৰ কথা ভাবি।

কথাই প্ৰতি প্ৰৱালে তাইক বৰ্তমান যন্ত্ৰণা দি থাকে। সেইদিনা তাই লাহেকৈ ক'লে ঃ

মাৰ অসুখ হেনো যাম বুলি ভাবিছো। হৃদয় নথকা মানুহৰ দৰে গৰজি উঠিছিল প্ৰৱাল — ঃ কিয় যাব লাগে?

আছে নহয় তোৰ ভায়েৰাটো। সি মৰি যোৱা নাই নহয়।

এনেকুৱা কঠোৰ বাক্য শুনাতকৈ তাই মৰি যোৱাই ভাল। তথাপি তাইৰ অভ্যাস নহ'ল প্ৰৱালক উলোতাই কথা কোৱাৰ। মন যায় তাইৰ কেতিয়াবা সকলো সম্বন্ধ ত্যাগ কৰি মাকৰ ঘৰলৈ গুচি যাবলৈ কিন্তু ক'ত পাব আশ্ৰয় তাই? সেই অজলা ভায়েকৰ ঘৈণীয়েক সাগৰিকাৰ ওফন্দা মুখখন তাই বাৰু কেনেকৈ সহ্য কৰিব। সেইখন বৰ্তমান তাইৰ নিজৰ ঘৰ নহয়। দেউতাক জীয়াই থকা হ'লে কথা বেলেগ আছিল। মাকৰেই আশ্ৰয়ৰ স্থান নোহোৱা হৈছে।

ভাগ্যক ধিয়াই তাই দিন কটাইছিল আজি বুজি পাইছে তাই 'প্ৰেম'ক জয় কৰি বিয়া হৈ সকলোৰে অবাধ্যত। তাইৰ যে প্ৰথম সিদ্ধান্তটোৱেই ভুল হৈ গ'ল। তাই ভাৱে ভুল নো কি আছিল এয়াই নেকি যে তাই সপোন দেখিছিল প্ৰৱালৰ লগত জীৱন কটাম বুলি ভৱাটো? নে ওৰে জীৱন দুখে সুখে জীৱন কটাম বুলি ভৱাটো? তাইৰ চিন্তা নে তাইৰ দৰে তাইৰ ছোৱালী দুজনীও সেই একোটা ভুলকে কৰে।

বহুতে তাইক পৰামৰ্শ হিচাপে প্ৰৱালৰ ওপৰত পুলিছ কেছ কৰিবলৈ কৈছিল। কিন্তু তাই সেয়াও কৰিব নোৱাৰে। তাই ভাৱে সেয়া কৰিলে কি হ'ব? জানো প্ৰৱাল সলনি হ'ব। সেইজন মানুহক তাই কেতিয়াও জেলত দিব নোৱাৰে যাক তাই ইমান ভাল পাইছিল আৰু তাইকো পাইছিল। তাইৰ আশা প্ৰৱাল সলনি হ'ব এদিন আকৌ আহিব সেই হেৰোৱা সোণোৱালী দিনবোৰ। কিন্তু কেতিয়া? যেতিয়া সকলোবোৰ হেৰাব? যেতিয়া তাই হেৰাব?

এনেকৈয়ে দিনবোৰ পাৰ হৈছিল তাইৰ। চকুৰ পানীৰে দুগালত দুধাৰি মালা ধৰিছিল।

ফটোবোৰ চাই থাকোতেই প্ৰৱালে উঠি চিঞৰিবলৈ আৰম্ভ কৰিলে—

ঃ মোৰ চাহ কাপ হ'লনে? কাম আছে ৰাতিলৈ মোৰ। গতিকে ঘৰত ভাত আজি নাখাওঁ।

ল'ৰালৰিকৈ তাই চাদৰৰ আঁচলেৰে চকুৰ পানী মচি লাহে লাহে পাক ঘৰলৈ গ'ল। ❑

✦✦✦✦✦

## জানিবলগীয়া কথা ঃ

➢ পৃথিৱীৰ ভিতৰত বেছি ভূমিকম্প হোৱা দেশখন হ'ল—
ঃ জাপান

➢ কোন প্ৰাণীয়ে বহুদিন নোখোৱাকৈ আৰু উশাহ নোলোৱাকৈ বাচি থাকিব পাৰে?
ঃ কাছ

➢ প্ৰথম অসমীয়া মহিলা পাইলট হ'ল—
ঃ ধীৰা হাজৰিকা

➢ "The quick brain fox jumps over the lazy dog" এই বাক্যটোত ইংৰাজী বৰ্ণমালাৰ আটাইকেইটা আখৰ আছে।

সংগ্ৰাহক ঃ মমী চৌধুৰী
স্নাতক, প্ৰথম ষাণ্মাষিক

# স্মৃতিপটত নয়নাৰ জীৱন

✍ দীপাঞ্জলী ঠাকুৰীয়া
স্নাতক, পঞ্চম ষান্মাষিক

নয়না এগৰাকী আৰ্থিকভাবে দুৰ্বল পৰিয়ালৰ ২০ বছৰীয়া ছোৱালী। তাইৰ সাধুতা, সাহসীকতা আৰু নৈতিকতাৰ গুণবোৰে সকলোৰে মাজত পৰিচিত কৰি ৰাখিছে। তাই স্নাতক পঞ্চম ষান্মাসিকৰ শিক্ষা বিভাগৰ ছাত্ৰী।

যদিও নয়নাৰ ঘৰৰ অৱস্থা দুৰ্বল তথাপিও কিন্তু তাই কোনো দিশতে পিছ পৰি থাকিব নিবিচাৰে। মাক-দেউতাকে তাইক অতি কষ্টৰে ইমানলৈ পঢ়ুৱাবলৈ চেষ্টা কৰিছে। কিন্তু মাকহঁতে তাইক কৈছে যে এইবাৰ নয়নাই স্নাতক ষষ্ঠ ষান্মাসিক পাছ কৰিলে নপঢ়ুৱাই। কাৰণ দেউতাকে দিন হাজিৰা কৰি পোৱা টকাৰে ঘৰখনতে খৰচ কৰিবনে নয়না আৰু ভনীয়েক প্ৰিয়াৰ পঢ়াৰ নামতে খৰচ কৰিব। আগতে দেউতাক সুস্থ আৰু চকুৰে ভালকৈ দেখিছিল বাবে সদায় কাম কৰিছিল আৰু সেই পইচাৰে নয়না আৰু প্ৰিয়াক কলেজত যাবৰ বাবে ভাড়াৰ লগতে সিঁহত দুজনীৰ প্ৰয়োজন হোৱা অন্যান্য বস্তুৰ খৰচ দিছিল। কিন্তু এতিয়া দেউতাক নিৰুপায় কাৰণ দেউতাক ৬৫ বছৰীয়া শাৰীৰিক অৱস্থা দুৰ্বল আৰু ৰুগীয়াল মানুহ। দেউতাকৰ এনে অৱস্থাৰ বাবে কতো কাম কাজ কৰিব নোৱাৰে আৰু কোনেও তেওঁক কাম কৰিবলৈ নামাতে। এদিন যদি কোনোবা এজনৰ লগত দেউতাক কাম কৰিব যায় তেতিয়া নয়নাৰ স্ফূৰ্টি লাগে কাৰণ দেউতাকে কাম কৰি আহি তাইক আৰু প্ৰিয়াক পইচা দিব। পিছদিনাখনৰ পৰা দেউতাকৰ কাম বন্ধ হ'ল কাৰণ সেই মানুহজনে দেউতাকৰ সলনি আন এজন মানুহক কাম কৰিবৰ বাবে ঠিক কৰিছে। নয়নাৰ বৰ বেয়া লাগিল মানুহজনে দেউতাকৰ সলনি আন মানুহক কাম কৰিব লগত লৈ যোৱাৰ বাবে।

নয়নাই আশা কৰিছিল মাক-দেউতাকৰ ওপৰতে নিৰ্ভৰ কৰি জীৱনৰ সকলো সপোন বাস্তৱত পৰিণত কৰিব। কিন্তু নয়নাৰ আশাবোৰ সম্পূৰ্ণ বিপৰীতহে হ'ল। তাইক কোনো কামতে মাক-দেউতাকে টকাৰ অভাৱৰ বাবে সহায় কৰিব নোৱাৰে। যদিও তাই মনতে ভাবি থাকে সিহঁতৰ ঘৰলৈ অহা আত্মীয়ই দিয়া পইচাৰে কলেজত যোৱাৰ বাবে এটা ধুনীয়া নতুন বেগ কিনিব। কিন্তু নয়নাৰ সেই বেগ কিনাৰ আশাও পূৰণ নহ'ল। কাৰণ নয়নাক আত্মীয়জনে দিয়া সেই পইচাখিনি মাকে লৈ যায় আৰু সেই পইচাৰে ঘৰৰ খোৱা বস্তু আনে।

নয়নাইও যথেষ্ট কষ্ট কৰে, সেইবাবে তাই আজি ইমানলৈ আগবঢ়িব পাৰিছে। নয়নাই ৰাতিপুৱাই মানুহৰ ঘৰে ঘৰে টিউচন কৰি ফুৰে আৰু টিউচনৰ পৰা আহি কলেজত যাই। আকৌ আবেলি কলেজৰ পৰা আহি ল'ৰা ঢপৰা কৈ দুমুঠি ভাতখাই টিউচনত যায়, ৩ টাৰ পৰা ৮ বজাতহে আহে। টিউচন কৰি আহিলে তাইৰ ভাগৰো লাগে কাৰণ কলেজৰ পৰা আহি জিৰণী নলোৱাকৈ যে টিউচনত যায়। কোনোবাদিনা বেছি ভাগৰ লগা যেন অনুভৱ হ'লে তাই নপঢ়াকৈয়ে শুই থাকে আৰু দোকমোকালিতে উঠি পঢ়ে। যদি তাই কোনোবা দিনা বেছি ৰাতিলৈ পঢ়িম বুলি ভাবে সেইদিনা আকৌ লেমটোতে তেল নাথাকে। নয়নাহঁতৰ ঘৰত এতিয়ালৈ কাৰেণ্টৰ ব্যৱস্থা নাই।

আৰ্থিক অৱস্থাৰ বাবে নয়নাই এতিয়ালৈ কম্পিউটাৰত এডমিচন ল'ব পৰা নাই। এইবাৰ চতুৰ্থ ষান্মাসিকৰ পৰীক্ষা শেষ হোৱাৰ পিছত টিউচন কৰি পোৱা টকাৰে এডমিচন কৰিবও বুলি ভাবিছিল আৰু মাহে মাহে পোৱা পইচাৰে কম্পিউটাৰ ক্লাছত ফ্ৰিজ দিব। কিন্তু সেই কথা যেতিয়া মাকে গম পালে তাইক এডমিচন





ল'বৰ বাবে বাধা দিলে। কাৰণ টিউচন কৰি পোৱা পইচা তাই যদি কম্পিউটাৰ ক্লাছত দিয়ে তেতিয়া তাইৰ আৰু প্ৰিয়াৰ কলেজ খৰচ কোনে দিব?

নয়নাই বহুত সময় পঢ়া-শুনা নকৰে যদিও যি অলপ সময় পঢ়ে সেই সময়খিনি মনোযোগেৰে পঢ়ে। তাই পৰীক্ষা দিয়া চেমিষ্টাৰ চাৰিটাত ভাল মাৰ্কচ পাইছে। আৰু এইবাৰ হ'বলগীয়া চেমিষ্টাৰ দুটাৰ পৰীক্ষাটো তাই ভাল মাৰ্কচ পাবৰ বাবে দৃঢ় সংকল্প লৈছে আৰু মনপুতি পঢ়িছে। কিয়নো মাক-দেউতাকে ভাল ৰিজাল্ট পালে নয়নাক পঢ়ুৱাৰ বাবে যত্ন কৰিবও পাৰে। কাৰণ মাকে আগতেও কৈছিল নয়নাক উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ পাছ কৰিলে নপঢ়াও বুলি। কিন্তু যেতিয়া নয়নাই উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষত প্ৰথম বিভাগত পাছ কৰিলে তেতিয়া মাক হঁতৰো ইচ্ছা নয়নাক আৰু পঢ়ুৱাবৰ বাবে। সেয়েহে নয়নাই আশা কৰিছে যদিহে এইবাৰো বি.এ. ভালদৰে পাছ কৰে তেতিয়া হয়টো আকৌ মাকে কষ্ট কৰি হ'লেও তাইক পঢ়ুৱাব। ❑

✦✦✦✦✦

# শিৱসাগৰীয়া দৰা

✍ ছাহনাজ আখতাৰ
স্নাতক, পঞ্চম ষান্মাষিক

শিৱদৌলৰ অপূৰ্ব কাৰুকাৰ্য দেখি মনটো ভক্তিৰে গদগদ হৈ উঠাত মনেৰে সেৱা এটা কৰিলে। তাতেই লাগিল কেঁণাটো, অৰ্থাৎ সেৱা কৰি উঠি পিছপিনে ঘূৰিব খোজোতেই এটা ল'ৰাৰ গাত লাগি পাটৰ ৰিহাখন পৰিব ধৰোতেই তাই থাপমাৰি ধৰিলে বুলিহে ৰক্ষা। নহ'লে অচিনাকি ল'ৰাজনৰ আগত তাই লাজত পৰিল হৈ। ইফালে ল'ৰাজনো অকণমান অপ্ৰস্তুত হ'ল। বেচেৰাই হয়তো লাজে পালে। সি তৎক্ষণাৎ ক'লে ঃ I'm sorry তাইও ভদ্ৰভাৱে ক'লে ঃ It's ok.

এইবাৰ তাই সাৱধানে ৰিহাখন ভালদৰে পিন মাৰি বন্ধৱীহঁতৰ লগ ল'লে। বান্ধৱী মানে নেহা আৰু স্বাতী। তাই অৱশ্যে অলপ আগতে ঘটি যোৱা ঘটনাটোৰ বিষয়ে কাকো একো নক'লে। তিনিওঁ নিজৰ নিজৰ মোবাইলেৰে ফটো উঠাত ব্যস্ত হ'ল। মেহেৰে শিৱদৌলৰ আগত বহুত ফটো উঠিলে। এটা সময়ত সিহঁত ঘৰলৈ উভতিল। কাপোৰ-কানি সলাই হাত-মুখ ধুই ফ্ৰেচ হৈ গধুলি পৰিয়ালৰ আটাইৰে সৈতে চাহ খালে। সিহঁত তিনিওজনী আচলতে শিৱসাগৰৰ স্বাতীৰ ককাদেউতাকৰ ঘৰতহে আহিছে। তিনিওজনী থাকে কামৰূপ জিলাৰ দুখন ওচৰা-ওচৰি ঠাইত। তিনিওজনী Classmate. সেই সূত্ৰে তিনিও একেলগে শিৱসাগৰ চাবলৈ আহিছে। স্বাতীৰ ঘৰৰ মানুহখিনিয়ে সিহঁতক শিৱসাগৰ চাই কেনে পালে সুধিলে। তিনিওজনীয়ে ভাল লগা বুলি ক'লে। স্বাতীৰ দেউতাকৰ মূল ঘৰ যদিওবা শিৱসাগৰত, চাকৰিসূত্ৰে থাকে কামৰূপত। স্বাতীৰ জন্ম, ডাঙৰ-দীঘল হৈছে কামৰূপতেই। পঢ়া-শুনাৰ ব্যস্ততাৰ কাৰণে তাইও সুদীৰ্ঘ ২৫ বছৰৰ মূৰতহে দীঘলীয়াকৈ বান্ধৱীহঁতৰ লগত শিৱসাগৰলৈ আহিছে। সেইবাবে ককা-আইতাকহঁতৰ আনন্দৰ সীমা নাই। গোটেই পৰিয়ালে সিহঁতকিজনীক হিয়া উজাৰি মৰম কৰিছে।

ৰাতি ভাত-পানী খাই তিনিওজনী বিছনাত উঠিল। প্ৰত্যেকে নিজৰ মোবাইলত দিনত উঠা ফটোবোৰ চাব ধৰিলে। ফটো চাই থাকোতে মেহেৰৰ চকু এখন ফটোৰ ওপৰত নিবদ্ধ হ'ল। কাৰণ সেইখন ফটোত তাইৰ পিছফালে আবেলি লগ পোৱা ল'ৰাটো থিয় হৈ আছিল। তাই ফটোখন জুম কৰি ডাঙৰকৈ চালে। তাই এতিয়াহে মন কৰিলে-ল'ৰাজন দেখাত সঁচাই ধুনীয়া। ওখ-পাখ, বগা, তিৰবিৰাই থকা এযোৰ উজ্জ্বল চকু, জোঙা নাক আৰু ওঠত লাগি আছে এটি কৌতুকৰ হাঁহি। ল'ৰাজনৰ প্ৰতি তাই আকৰ্ষণ অনুভৱ কৰিলে। তাই ফোনটো থৈ বেডচুইচ অফ কৰি শুই পৰিল।

পুৱা তাই দেৰিকৈ সাৰপালে। ইতিমধ্যে নেহা আৰু স্বাতীই প্ৰাতঃকৰ্ম কৰি আজৰি হৈ ল'লেই। তাইও খৰধৰকৈ নিত্য প্ৰয়োজনীয় কৰ্মখিনি কৰিলে; ৰাতিপুৱাৰ চাহ-জলপান খালে। বৰমাকক কামত সহায় কৰি দিও বোলোতে বৰমাকে চিঞৰি উঠিল ঃ "ছোৱালীহঁত, সোনকালে পিন্ধি উৰি দদায়েৰাৰ লগত ঠাই চাবলৈ যোৱা। মই সকলো কাম কৰিব পাৰিম।"

বৰমাঁকহঁতৰ একমাত্ৰ সন্তান নীলৰ লগত স্বাতী, নেহা আৰু মেহেৰ ৰংঘৰলৈ বুলি ওলাই গ'ল। পিন্ধনত পেণ্ট-চাৰ্ট। পোছাক নিৰ্বাচন মেহেৰৰ। যাতে আজিও লাজত পৰিব লগা নহয়। নীলৰ হাতত এটা টিফিন বৰমাকে দি পঠালে, ভোক লাগিলে খাবলৈ। নীলে যদিওবা শিৱসাগৰত জন্ম গ্ৰহণ কৰিছে, পঢ়া-শুনা কৰিছে কিন্তু গুৱাহাটীতে। গতিকে নেহা আৰু মেহেৰৰ লগত চিনাকী তাৰ আগৰে পৰা আছে। অৱশ্যে নেহা আৰু নীলৰ মাজত প্ৰেমৰ পৰিস্ফুৰণ ঘটিছে। চাৰিওজনে ৰংঘৰ চোৱাত আৰু ফটো তোলাত ব্যস্ত হৈ পৰিল। মেহেৰে অকলে অকলে ঘূৰি ফুৰিব ধৰিলে। ৰংঘৰলৈ বহু দশনাৰ্থী আহিছে। হঠাৎ মেহেৰৰ এবাৰ এজন ল'ৰাৰ লগত মুখামুখী হোৱাত চক খাই উঠিল। ল'ৰাজনো অলপ আচৰিত হ'ল। কাৰণ ল'ৰাজন আন কোনো নহয়, আগদিনা লগ পোৱা ল'ৰাজন। ল'ৰাজনে মাত লগালে—

ঃ Hi, মই আবিৰ। তুমি ইয়াতো যে?

ঃ Hi, মই মেহেৰ। মই ইয়াৰ স্থানীয় নহয়। মই কামৰূপৰ। ঠাই চাবলৈ আহিছো। — মেহেৰে ক'লে।

ঃ অ' হয় নেকি? মইও ঠাই চাবলৈয়ে আহিছো। যদিওবা মোৰ জন্ম ইয়াতেই কিন্তু ডাঙৰ-দীঘল হৈছো গুৱাহাটীত। তাত আমাৰ নিজা ঘৰ-মাতি আছে। কাৰণ দেউতা চাকৰিসূত্ৰে তাত থাকে।

ঃ বৰ ভাল কথা।

ঃ যোৱাকালিৰ ঘটনাৰ বাবে মই দুঃখিত। মই তোমাক দেখাই নাছিলো।

ঃ কোনো কথা নাই। বৰ্তমান তুমি কি কৰি আছা?

ঃ মই এইবাৰ ইঞ্জিনীয়াৰ হৈছো। তুমি?

ঃ মই English ত মেজৰ লৈ M.A কৰিলো।

ঃ কাৰ ঘৰত আহিছা?

ঃ বান্ধৱীৰ ককা-আইতাকৰ ঘৰলৈ। তুমি চাগৈ নিজৰ ঘৰলৈ?

ঃ অ'। বহুত ভাল লাগে ইয়ালৈ আহি। যদিওবা গুৱাহাটীতে থাকো মনটো ইয়ালৈ উৰা মাৰি থাকে। ওপজা মাটিৰ মোহতো, সোনকালে এৰিব নোৱাৰি।

ঃ নীলক চিনি পোৱা তুমি?

ঃ অ' সি মোৰ বন্ধু হয়।

ঃ বান্ধৱীৰ বৰমাকৰ পুতেক হয়। তেওঁলোকৰ ঘৰতে আমি আছো। সিহঁতো আহিছে মোৰ লগত। আহা চিনাকী হ'বা।

মেহেৰে আবিৰক আটাইৰে সৈতে চিনাকী কৰি দিলে। নীলে আবিৰক মেহেৰে কেনেকৈ চিনি পায় সুধিলে। কিন্তু মেহেৰ বা আবিৰ এজনেৰো সঁচা কথা নক'লে। ঘাঁহৰ ওপৰত বহি আটাইয়ে আড্ডা মাৰিলে আৰু টিফিনত থকা লাৰু-পিঠাৰে চাহ খালে। আবিৰে সকলোকে ভেলপুৰী-পানীপুৰী খুৱালে। এটা সময়ত সিহঁতে ৰাতিৰ সাজৰ কাৰণে আবিৰক নিমন্ত্ৰণ দি ঘৰলৈ আহিল। আবিৰে সিহঁতক ফটো উঠালে। মেহেৰক অলপ বেছিকৈ উঠালে।

গধূলি হ'লত ঘৰখনত ব্যস্ততা বাঢ়িল আলহী আহিব বুলি। বৰমাকে বিধে বিধে আঞ্জা বনালে। ইফালে পিঠা-পনাতো আছেই চাহ দিবলৈ। যথা সময়ত আবিৰ আহিল। হাতত এটা টোপোলা। বাটতে পোৱা দোকানৰ পৰা গৰম গৰম পকৰী-চপ লৈ আহিছে। বৰমাকে আদৰ সাদৰ কৰি আবিৰক বহালে আৰু ঘৰৰ বা-বাতৰি ল'লে। স্বাতীয়ে সকলোৰে কাৰণে চাহ বনালে আৰু পিঠা-পনাৰে চাহ খালে। লগতে চপ-পকৰীও উদৰস্থ কৰিলে। নীল আৰু আবিৰে আগৰ কথাবোৰ কোৱাত লাগিল আৰু তিনিও বান্ধৱীয়ে মন দি শুনিলে। এটা সময়ত ভাত পানী খাই আবিৰে ইহঁতকো পিছদিনাৰ নিমন্ত্ৰণ দি ঘৰলৈ যাবলৈ ওলাল। যাওঁতে প্ৰত্যেকৰে ফোন নম্বৰ লৈ গ'ল। আটাইয়ে পদূলিলৈ আগবঢ়াই থৈ আহিলে আবিৰক।

আবিৰক বিদায় দি আটাইয়ে বিছনাত উঠিল। মেহেৰে চকু পতা মুদি দিছে মাথোন এনেতে এটা SMS আহিল অচিনাকি নম্বৰৰ পৰা।

*"Kaash surat aapki itni pyari na hoti*
*kaash aap se mulaqat hameri na hoti*
*sapno me hi dekh lete aap ke*
*Jo aaj milne ki itni bekarari ne hoti"*

অচিনাকি নম্বৰটোৰ পৰা এনেকুৱা এটা SMS পাই তাই "Who are you?" বুলি এটা SMS পঠাই দিলে। অলপ পিছতে উত্তৰ আহিল "your Aabir" বুলি। মিচিকিয়া হাঁহি এটা বাগৰি গ'ল মেহেৰৰ ওঠেদি। তাই টোপনি যাবলৈ চেষ্টা কৰিলে।

ৰাতিপুৱা মেহেৰৰ বুকুখন ধপধপাব ধৰিলে আবিৰৰ ঘৰত যাব লাগিব বুলি। তিনিওজনীয়ে চুৰিদাৰ পিন্ধি এটা সময়ত ওলাই গ'ল নীলৰ সৈতে আবিৰহঁতৰ ঘৰলৈ। নীলে সিহঁতক চিপচ্ কিনি দিলে। নেহা আৰু স্বাতী খোৱাত লাগিল, কিন্তু মেহেৰৰ খাবলৈ মন নগ'ল। এটা সময়ত আবিৰৰ ঘৰ পালে। আগফালে ফুলনি থকা অসম আৰ্হিৰ প্ৰকাণ্ড ঘৰ এটা আৰু পিছফালে শাকনি বাৰী, পুখুৰী। মুঠতে এটা বৃহৎ ভেটি। আগফালৰ ফুলনিখনেই পৰিচয় দিয়ে মানুহঘৰ সম্ভ্ৰান্ত আৰু ৰুচিসম্পন্ন বুলি। অহল-বহল বাটচৰাৰ সন্মুখত ৰৈ আছিল আবিৰ। আথে-বেথে নি চাৰিওকে বহালে। মাকে চৰবত লৈ আহিল আৰু চা-চিনাকী হৈ ল'লে। কথা-বতৰাতেই ধৰিব পাৰি মানুহগৰাকী খুব ভদ্ৰ আৰু অমায়িক বুলি। চাহ-জলপান দি সকলোৰে ঘৰৰ কথা সুধি মাক পাকঘৰলৈ গুচি গ'ল। অলপ পাছত শিৱসাগৰৰ মানুহৰৰ পৰাম্পৰা অনুসৰি পাঁচটা বানবাতিত মাকে লাওপানী আনিলে। নীল, নেহা, স্বাতীই এবাতিকৈ লৈ পুখুৰী চাবলৈ গ'ল। কোঠাত ৰ'ল মাথোন আবিৰ আৰু মেহেৰ। আবিৰে ক'লে ঃ খোৱা মেহেৰ। আমাৰ ইয়াৰ স্থানীয় লাওপানীৰ সচাই তুলনা নাই।

মেহেৰে লওঁ-নলওঁকৈ এবাতিলৈ এঢোক মাৰিলে : অকণমান ৰিমঝিমাই গ'ল ডিঙিটো। পিছত একে সোহাই গোটেইখিনি শেষ কৰিলে। আবিৰেও এঢোক মাৰিছিলহে মাথো মেহেৰ লাও পানীৰ নিচাত বাগৰি পৰিল। আবিৰে একেবাৰে অসহায় হৈ পৰিল। ইফালে স্বাতী, নেহাহঁত গৈ বহু দূৰ পালে। আবিৰে ডাং-কোলাকৈ নি মেহেৰক বিছনাত শুৱাই দিলে। মাকো পাকঘৰত ব্যস্ত। সি পানী আনি তাইৰ মুখত মাৰি দিয়াত অলপপিছত চেতনা আহিল। চেতনা অহাত তাই আবিৰৰ চিন্তাক্লিষ্ট মুখখন দেখা পালে। তাই উঠি বহিল। বাগৰি পৰোতে তাই পিন্ধা হালধীয়া ৰঙৰ চুৰিদাৰ যোৰৰ চুৰ্ণীখন ওলাই পৰিছিল। আবিৰে সেইখন আনি দিলে। তাইৰ অকণমান লাজ লাগিল। স্বাতী-নেহাহঁত ঘূৰি পকি অহাৰ পিছত আটাইয়ে একেলগে ৰং-ৰহইচ কৰি ভাত খালে, আবিৰৰ মাকৰ হাতৰ সুস্বাদু ব্যঞ্জনৰে। গধূলি পৰত ঘূৰি আহিল। মেহেৰে লাও পানী খাই ঘটা ঘটনাতো কাৰো আগত অৱগত নকৰিলে।

ৰাতি বিছনাত উঠি আবিৰৰ সহজে টোপনি নাহিল। মেহেৰৰ কথাকে ভাবি থাকিল। দুপৰীয়া মেহেৰ অচেতন হওঁতে সি যেতিয়া তাইক ডাংকোলাকৈ লৈছিল, তাইৰ লৱণু কোমল দেহৰ স্পৰ্শত তাৰ পুৰুষত্ব জাগি উঠিছিল। কিন্তু সি কেতিয়াওঁ নীচ কাম কৰা নাছিল। সি ভাবিল— মনে-প্ৰাণে, উশাহে-নিশাহে কেৱল মেহেৰৰ কথাকে ভাবে। তাৰমানে সি মেহেৰৰ প্ৰেমত একেবাৰে মচগুল হৈ পৰিছে। যদি প্ৰস্তাৱ দিয়ে প্ৰত্যাখ্যান কৰিব নেকি বাৰু মেহেৰে? এইবোৰ কথা মনত পাগুলি থাকোতে কেতিয়া টোপনি গ'ল সি গমেই নাপালে।

দহদিনমান পিছত এদিনাখন ৰাতিপুৱা নীলে আবিৰক ফোন কৰি জনালে যে স্বাতীহঁত ঘৰলৈ যাব। তাৰ বুকুখন ধৰফৰাই উঠিল। মেহেৰহঁতক গাড়ীত উঠাই দিবলৈ আবিৰো আহিল। অহাৰ আগতে ছোৱালীহঁতে বৰমাকৰ লগত এসোতা কান্দিলে। ছোৱালী নথকা বৰমাকে ইমানদিনে নিজ ছোৱালীৰ দৰে ৰখা স্বাতীহঁত যাবলৈ ওলোৱা দেখি শোকে খুন্দা মাৰি ধৰিলে। কঁকা-আইতাকৰপৰা আশীৰ্বাদ লৈ ঘৰলৈ ওলাল। বাছষ্টেশুত আবিৰক দেখি মেহেৰৰ বুকুখন চিৰিংকৰি উঠিল। ইমানদিনে তাইও আবিৰৰ প্ৰেমত পৰিছে। তথাপি তাই মুখ খুলি একো নক'লে আবিৰক। একো নক'লেও যেন বুজি পাইছে আবিৰে মেহেৰৰ মৌন ওঠৰ ভাষা। আবিৰে বাটত খাবলৈ চিপচ, চকলেট, বাদাম, পানী কিনি দিলে সিহঁতক। হাত জোকাৰি বিদায় ল'লে স্বাতীহঁতে। তিনিওৰে মন দুখেৰে ভাৰাক্ৰান্ত, গাড়ীত গৈ থাকোতে মেহেৰৰ ফোনত অহৰহ SMS আহিবলৈ ধৰিলে আবিৰৰ পৰা। ঘৰ পোৱাত ভালদৰে আহি পোৱা বুলি ক'লে মেহেৰহঁতে নীল আৰু আবিৰক।

ফোনতে আবিৰ-মেহেৰ আৰু নীল-নেহাৰ প্ৰেমে ঠনধৰি উঠিল। ইজনে-সিজনক বুজি পোৱা হ'ল। এদিনাখন মেহেৰ আৰু নেহাক আচৰিত কৰি আবিৰ-নীল আহিল সিহঁতৰ হাত মাগিবলৈ। আহিয়েই দুয়োজনে দুয়োজনীৰ পৰিয়ালক সন্মোহিত কৰিলে। সন্মানজনক আৰু ভদ্ৰভাৱে মেহেৰ-নেহাৰ হাত মাগিলে। পৰিয়ালৰ মানুহেও সন্মতি প্ৰকাশ কৰিলে বিয়াৰ কাৰণে। সন্মতি নকৰাৰ প্ৰশ্নই নুঠে। আবিৰ-নীলৰ দৰে ভদ্ৰ, অমায়িক, প্ৰতিষ্ঠিত ল'ৰাক নাকচ কৰিব নোৱাৰি। লগতে জীয়েকহঁতো সুখী হৈছে। আৰুনো কি লাগে? পৰিয়ালৰ মানুহখিনিয়ে ধুম-ধামেৰে বিয়াৰ আয়োজন কৰিলে। এদিন আবিৰ-মেহেৰৰ আৰু নীল-নেহাৰ সঁচা প্ৰেমৰ জয় হৈ শিৱসাগৰৰ পৰা দৰা সাজিলে কামৰূপলৈ বুলি। বিয়া-বাৰু কৰাই, সপোনৰ সোণৰ সংসাৰ গঢ়ি মনৰ আনন্দত দিন কটাব ধৰিলে। আবিৰ-মেহেৰ আৰু নীল-নেহাই। □

# সংঘৰ্ষ এজনী ছোৱালীৰ জীৱনত

✍ বৰ্ণালী তালুকদাৰ
*স্নাতক, পঞ্চম যান্মাষিক*

সুন্দৰ পুৰ নামৰ এখন গাৱত দিননাথ নামৰ এজন মানুহ আছিল। সেই মানুহজনৰ দুজনী ছোৱালী আৰু এজন লৰা আছিল। ছোৱালী দুজনীৰ নাম আছিল সাৰদা, আৰু সৰলা। তেওঁলোকে জীৱনত বহুত সুখী আছিল। আৰু দিননাথ মানুহজন বহুত ভাল আছিল। তেওঁ দুখীয়া মানুহক সহায় কৰিছিল। এদিন দিননাথৰ ডাঙৰ জীয়েক সাৰদাৰ বিয়াৰ কাৰণে এজন লৰা আহিল। লৰাজন দুখীয়া ঘৰৰ আছিল। কিন্তু দিননাথে দুখীয়া ঘৰৰ লৰা হলেও তেওঁৰ স্বভাৱ চৰিত্ৰ ভাল কাৰণে সাৰদাক তালৈ বিয়া দিবৰ বাবে ঠিক কৰিলে। সাৰদাইও প্ৰথমসুৰেন্দ্ৰক দেখাৰ লগে লগে পচন্দ কৰিছিল। তাৰ পিছত দুয়োৰে বিয়া হৈ গ'ল। সাৰদাই মাকৰ ঘৰত যিমান সুখত আছিল গিৰেয়েকৰ ঘৰতো সিমানেই সুখ পাইছিল। তাৰ পিছত লাহে লাহে এদিন সৰু ভনীয়েক সৰলাৰো বিয়া হৈ গ'ল। কেইদিনমানৰ পাছত সাৰদাই এজনী ছোৱালী জন্ম দিছিল। দুয়োগৰাকীৰে মনত বৰ আনন্দ লাগিল। লাহে লাহে ভায়েকৰো বিয়া হ'ল, তাৰ পিছত তিনিয়োজনে নিজৰ নিজৰ সংসাৰৰ দায়িত্ব পালন কৰিবলৈ ধৰিলে। সাৰদাৰ জীয়েক জনীৰ নাম আছিল ৰিয়া। কিছুদিনৰ পিছত সুৰেন্দ্ৰক তেওঁৰ কাম কৰা অফিচৰ পৰা মালিকে উলিয়াই দিলে। তেওঁক কিবা লগৰ লগৰীয়াবোৰে মিছা কথাত অফিচৰ বচ্‌ৰ আগত লগাইছিল তাৰ বাবে। পিছত সুৰেন্দ্ৰই কতো কাম বিচাৰি নাপায় ক্ৰমান্বয়ে Drink কৰিবলৈ ল'লে। আৰু ঘৰলৈ আহি সাৰদাক মাৰধৰ কৰিবলৈ ল'লে। এদিন Drink কৰোতে কাৰোতে সুৰেন্দ্ৰৰ মৃত্যু হ'ল। সুৰেন্দ্ৰৰ মাকে ৰিয়াৰ জন্ম হোৱাৰ পৰাই তেওঁলোকৰ ঘৰখন এনে হল বুলি ভাবিবলৈ ল'লে। কিন্তু ৰিয়াৰ মাকে তেনেদৰে নাভাবে। আইতাকে ৰিয়াক কুলক্ষণী বুলি ভাবিবলৈ ল'লে আৰু নাতিনীয়েকক বিভিন্ন গালিশপনিৰে অত্যাচাৰ কৰিবলৈ ধৰিলে। ৰিয়াৰ তেতিয়া বয়স প্ৰায় ১০ বছৰ মান হৈছিল তাইৰ পঢ়াত অসুবিধা হয় বুলি মাকে তাইক হোষ্টেলত ৰাখি পঢ়াবলৈ ল'লে। আৰু মাহেকত ঘৰৰপৰা পইচা ৰিয়ালৈ বুলি পঠাইছিল। ৰিয়াই ভালদৰে পঢ়িবলৈ ললে এদিন ৰিয়াৰ মাকৰ জ্বৰত মৃত্যু হল। ৰিয়াৰ মাকে তাইৰ ভনীয়েকক মৰাৰ আগতে কৈছিল যে তাইৰ কিবা এটা হলে যেন ৰিয়াৰ মাহীয়েকে তাইক ইয়াৰ পৰা লৈ যায়। ৰিয়াই মাকৰ মৃত্যুৰ খবৰ শুনি ঘৰলৈ আহিল কান্দি কান্দি ৰিয়াই মাকৰ কমলৈ গ'ল। মাহীয়েকে আইতাকৰ আগত ৰিয়াক নিয়াৰ কথা কোৱাত আইতাকে বাধা দিলে মাহীয়েকে ভাবিলে যে আইতাকে তাইক ভাল পাই তাইকনো কিয় মাহীয়েকৰ লগত যাব দিব। কিন্তু আইতাক সলনি হোৱা নাই সমাজৰ ভয়ত আইতাকে তাইক ঘৰত ৰাখিছে কিন্তু তাইক এজনী কাম কৰা ছোৱালীৰ দৰে ব্যৱহাৰ কৰে। এদিন যেতিয়া মাহীয়েক আহি দেখিলে তেতিয়া তাইক লৈ যাবলৈ ওলাল। কিন্তু ৰিয়াই তাইৰ দুখৰ ভাগ মাহীয়েকক দিব নোখোজে বাবে তাই নগল। সেইদিনা ৰাতি আইতাকৰ অত্যাচাৰত থাকিব নোৱাৰি তাৰপৰা পলাই গ'ল।

যেতিয়া ৰিয়াই আইতাকৰ ঘৰত আছিল তাই তেতিয়া গাভৰু আছিল। ৰিয়াই ৰাস্তাৰে অকলে গৈ থাকোতে কেইটামান লৰাই তাইক জোকাইছিল, তাই কান্দি কান্দি গৈ থাকোতে ল'ৰা এজনে তাইক বচাই তাইক সিহঁতৰ ঘৰলৈ লৈ গল সেই মানুহঘৰ আছিল মুছলমান পৰিয়ালৰ। তথাপি তাইক ইমান মৰম দিছিল যিমান তাইৰ আইতাকেও দিয়া নাছিল। তেওঁলোকৰ পৰিয়ালৰ মানুহে তাইক নিজৰ জীয়েক আৰু তেওঁলোকৰ লৰা দুজনে তাইক নিজৰ ভনী বুলি ভাবিছিল। কাৰণ তেওঁলোকৰ ভনীয়েকৰ গাড়ীৰ খুন্দাত মৃত্যু হৈছিল। গতিকে ৰিয়াৰ দৰে এজনী ভনী পাই সিহঁত আনন্দিত হৈছিল। এনেদৰে ৰিয়াই তেওঁলোকৰ পৰিয়ালটোৰ এজন সদস্য হৈ পৰিল।

কেইমাহ মান এনেদৰেই পাৰ হ'ল। এদিন ৰিয়াই চাকৰি বিচাৰি ঘৰৰ পৰা ওলাল কিমান আৰু ঘৰতে থাকিব নিজৰ কাৰণে কিবা এটা কৰিব লাগে। এনেদৰে চাকৰি বিচাৰি থাকোতে এদিন ৰিয়াই তাইৰ দেউতাকৰ অফিচত সোমাই তাত ইণ্টাৰভিউ দি তাতে চাকৰি পালে। ৰিয়াই এদিন তাইৰ দেউতাক সুৰেন্দ্ৰ কথা মালিকক সুধিলে মালিকে গম পোৱা নাছিল ৰিয়া যে সুৰেন্দ্ৰৰ জীয়েক তাইক সকলো কথা বিৱৰি কলে। তেতিয়া ৰিয়াই গম পালে যে ৰিয়াৰ দেউতাকক মিছা কথাত উলিয়াই দিয়া হৈছিল। তাই ঠিক কৰিলে যে তাইৰ দেউতাকৰ সত্যতা স্বীকাৰ কৰিবই লাগিব তাইৰ দেউতাকৰ যে কোনো দোষ নাছিল সেই কথা প্ৰমাণ কৰিবই লাগিব তাৰ বাবে তাইৰ লগত পঢ়া এজন বন্ধু উকীল আছিল তাক মাতি আনিলে আৰু ৰিয়াক সহায় কৰিব কলে। তেওঁ ৰিয়াক সহায় কৰিবলৈ প্ৰস্তুত হল। ৰিয়াই সকলো কথা বিৱৰি কলে তাৰ পিছত দুয়োজনে ৰিয়াৰ দেউতাকক নিৰ্দোষী বুলি প্ৰমাণিত কৰিলে। পুতেকক নিৰ্দোষী বুলি প্ৰমাণ কৰাত ৰিয়াক আইতাকে বৰ ভাল পোৱা হল তাৰ পিছত ৰিয়াই আইতাকৰ লগত গুচি যায়। ইফালে ৰিয়াই সকলো ঘুৰাই পালে মুছলমান পৰিয়ালটোত মাক; দেউতাক, ককায়েক দুজন আৰু আইতাক সকলো পায় ৰিয়াই আনন্দৰে দিনবোৰ কটাবলৈ ধৰিলে। তাই সৰুৰে পৰা যিমান দুখ পালে সকলোবোৰ পাহৰি যেন ভগৱানে তাইক নতুন এটা জীৱন দিলে ৰিয়াই এয়াই ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছে........। ❑

✦✦✦✦✦

# ৰাকাৰা পাৰা প্ৰাথমিক বিদ্যালয়

✍ মৃণালিনী কছাৰী
*প্ৰাক্তন ছাত্ৰী, দৰ্শন বিভাগ*

'বাকাৰা পাৰা প্ৰাথমিক বিদ্যালয়'ৰ প্ৰধান শিক্ষক ৰামেশ্বৰ বালা বৰা। পিছে ছাৰৰ নামটো ৰামেশ্বৰহে আছিল কিন্তু ছাৰৰ অতিকে মৰমৰ তথা অঞ্চলটোৰ প্ৰথম প্ৰৱেশিকা পৰীক্ষাত উৰ্ত্তীণ হোৱা শিক্ষক বালাৰাম দেৱৰ আদৰ্শৰে তেওঁ নিজেওঁ এজন শিক্ষক হ'ল সেয়েহে তেওঁ স্বৰ্গীয় শিক্ষক বালাৰাম দেৱক শ্ৰদ্ধা প্ৰদানৰ উদ্দেশ্যৰে নিজৰ নামৰ পিছফালে বালা লগ লগাই ল'লে।

পৰৱৰ্ত্তী কালৰ ৰামেশ্বৰ বালা বৰাই নিজৰ নিজৰ ছাত্ৰ-ছাত্ৰী সকলৰ নামৰ পিছফালেওঁ 'বালা লগোৱা আৰম্ভ কৰিলে। সেয়েহে এটা সময়ত মানুহে গাওঁ বাকাৰা পাৰাক বালা পাৰা বুলি কবলৈ আৰম্ভ কৰিছিলে।

ৰামেশ্বৰ বালা বৰাক বৰ্ত্তমান সময়ত সকলোৱে তেওঁক বুঢ়া ছাৰ বুলি মাতে, বয়সৰ লগে লগে বুঢ়া ছাৰৰ কানখনো যেন গধুৰ হৈ আহিছে।

এনেতে বাৰ্ষিক পৰীক্ষাৰ ফলাফল আহিল। সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে নিজ-নিজ শ্ৰেণীৰ পৰা উৰ্ত্তীণ হ'ল কিন্তু যোৱা চাৰি বছৰৰ পৰা ভুন্দলু বালা প্ৰথম শ্ৰেণীৰ পৰা ন'লৰ-অচল হৈ আছে। ফলাফল অহাৰ কেইদিনমান পিছতেই বাৰ্ষিক নামভৰ্ত্তি আৰম্ভ হ'ল। নামভৰ্ত্তিৰ বাবে অহা ল'ৰা-ছোৱালীৰ লগতে মাক বা দেউতাক সকলেওঁ শাৰি-পাতি লাইন হ'ল আৰু এজন এজন কৈ বুঢ়াছাৰৰ ওচৰত গৈ নাম ভৰ্ত্তি কৰালে, মিনতিও ল'ৰাজনক লৈ ছাৰৰ কাষলৈ গ'ল বুঢ়া ছাৰ ঃ অ মিনতী দেখু। ল'ৰাজনৰ বয়স কিমান আছিল ?
মিনতী ঃ চাৰি বছৰ ছাৰ। ছাৰ ল'ৰাজনৰ নামৰ পিছফালৰ নেজটো কাতি দিব।

বুঢ়া ছাৰ ঃ নামটো কি আছিল মই পাহৰিলো নহয় ?

মিনতি ঃ অমলনেছ ৰাভা। ছাৰ নেছটো....(মিনতি বুঢ় ছাৰক আকৌ এবাৰ ক'লে)

বুঢ়া ছাৰ ঃ কলমটো বহীখনৰ ওপৰত থয় অমলনেছক কান্ধত ধৰি টানি আনি পিছফালে ঘুৰাই চাই....। ক'টো নেছ দেখুন নাই।

(এনেতে বুঢ়া ছাৰ অলপ লিখা-লিখি কৰি অমলনেছৰ ফালে চাই মিছিকীয়া হাঁহি এটা মাৰি ক'লে.....)

আজিৰ পৰা তুমাৰ নাম অমলনেছ বালা ৰাভা। সম্মুখত একো ক'ব নোৱাৰি ঘৰলৈ অহাৰ গোটেই বাতত মিনতি বুঢ়াছাৰক বকি

বকি ঘৰ পালে।

২* দুইমাহ মান পিছত বিদ্যালয়খনত নতুন শিক্ষক এজন নিযুক্তি পালে, প্ৰথম দিনা শিক্ষকজন প্ৰথম শ্ৰেণীৰ শ্ৰেণীকোঠাত সুমালে, তেওঁ প্ৰথম বেঞ্চৰ পৰা শেষলৈ শাৰি-পাতি নিজৰ নামবোৰ কৈ যাবলৈ ক'লে ৰাম বালা দাস, অঞ্জী বালা বসুমতাৰী, অলকা বালা বৰা, অমলনেছ বালা ৰাভা, ভুন্দলু বালা বৰা আদি।

শিক্ষকে লক্ষ্য কৰিলে যে সিহঁতৰ সকলোৰে নামবোৰৰ পিছফালে 'বালা' শব্দটো লগ লগোৱা আছে।

শিক্ষক ঃ তুমালোকৰ নামবোৰৰ পিছফালে বালা শব্দটো আছে যে-

ছাত্ৰ-ছাত্ৰী ঃ বুঢ়া ছাৰে নাম লগাওঁতে সকলোৰে নামত বালা লগাই দিছে।

(নব নিযুক্ত শিক্ষক কাষৰ শ্ৰেণী কঠাতে থকা বুঢ়াছাৰে শুনিব বুলি মুখ টিপি-টিপি হাঁহি ৰখাব বিছাৰিছিল যদিওঁ বিফল হ'ল, ক্লাছটোৰ শেষত হাঁহিৰ কাৰণ সোধাত বুঢ়াছাৰক একো উত্তৰ দিব নোৱাৰিলে)

৩* ভুন্দলু বালা সদায় পিছফালৰ ডেস্ক-বেঞ্চত বহে তেনেতে এদিন বুঢ়া ছাৰে ক্লাছ কৰি থকা সময়ত অমনোযোগী ভুন্দলুই হঠাৎ পিছফালৰ ওৱালখনৰ কোনত চকু পৰিল....., দেখিলে যে ওৱাল খনৰ কোনত এটা সৰু গাটো এটাৰ কাষত নিগনী এটা বহু সময় এঠাইতে ৰয় আছে। আনফালে বুঢ়া ছাৰে পঢ়োৱাই আছে, পঢ়োৱাই থকাৰ মাজতে বুঢ়াছাৰে সুধিলে, "যি বুজাই আছো তোমালোকৰ মূৰত সুমাইছে নে নাই"। ইতিমধ্যে নিগনিটোৱে গাতটোৰ ভিতৰত মূৰটো সুমাইছে বুঢ়া ছাৰৰ কথা ভুন্দলু বালাৰ কানত পৰিল, 'ভুন্দলু বালাই হঠাৎ কৈ উঠিল "ছাৰ মূৰটো সুমাছি নেছডালহে বাকী আছে।

ভুন্দলু বালাৰ কথা শুনি সকলো ছাত্ৰ-ছাত্ৰী খিল-খিলকৈ হাঁহিবলৈ ধৰিলে, বুঢ়াছাৰে অভদ্ৰামী কৰাৰ অভিযোগেৰে ভুন্দলু বালা'ক বাহিৰত কানত ধৰাই থিয় কৰাই থলে।

৪* এনেতে, ছয়মাহেলী পৰীক্ষা আৰম্ভ হ'ল আৰু প্ৰথম শ্ৰেণীৰ মৌখিক পৰীক্ষা লোৱা হ'ল, সকলোৰে শেষত পালত পৰিল ভুন্দলু বালা ৰাভা'ৰ...।

বুঢ়াছাৰ ঃ তোমাৰ নামটো কোৱা?

ভুন্দলু বালা ঃ শ্ৰীভুন্দলু বালা বৰা

বুঢ়া ছাৰ ঃ তোমাৰ গাওঁখনৰ নাম কি?

ভুন্দলু ঃ পেট ছাৰ....!

বুঢ়া ছাৰ ঃ কি ভালদৰে ক তোমাৰ গাওঁখনৰ নাম কি?

ভুন্দলু বালা ঃ (অলপ চিন্তা কৰি) পিঠী ছাৰ...!

বুঢ়া ছাৰ ঃ (বিৰক্তীৰে...) অই গৰু তুমি ক'ত থকা?

ভুন্দলু বালা ঃ (অলপ সময় ৰয়) ছাৰ ছাংৰ ওপৰত?

বুঢ়া ছাৰ ঃ (ধমকী মাৰী) ভালদৰে কোৱা!

ভুন্দলু বালা ঃ (থৰ-থৰকৈ কপি) ঘৰত মা'য়ে বোৱা তলেপৰী।য়াখনৰ ওপৰত।

বুঢ়া ছাৰ ঃ অ....দেৱ এইফালে আহাছোন....! এই গাধোটোৰ বাকী থকা প্ৰশ্নবোৰ তুমিয়ে সুধা, মই তামোল এখন খাই আহো.....।

শিক্ষক ঃ হব ছাৰ আপুনি যাওঁক!

এনেতে বুঢ়াছাৰ বিদ্যালয়ৰ কাষৰ দোকানখনত তামোল খাবলৈ গ'ল। আৰু শিক্ষকে বাকী থকা প্ৰশ্নবোৰ —ভুন্দলুবালাক সুধিলে।

শিক্ষক ঃ বেলিটো কোন দিশে উলাই আৰু কোন দিশে মাৰ যায়।

ভুন্দলু বালা ঃ পাহাৰৰ গৰেৰে ওলাই আৰু আমাৰ বাৰীখনৰ পিছফালে মাৰ যায়।

শিক্ষক ঃ (হা...হা...হা... কি হাঁহি হাঁহি। তুমি যোৱা এতিয়া তোমাৰ পৰীক্ষা লোৱা হ'ল!

৫* পৰীক্ষা শেষ হোৱাৰ কেইদিনমান পিছত বুঢ়া ছাৰে পঢ়োৱাই থকাৰ সময়ত, "ছাত্ৰ-ছাত্ৰী সকলক "শগুন" টোক ইংৰাজীত কি কোৱা হয়? বুলি প্ৰশ্ন কৰিলে, বুঢ়াছাৰে চকীত বহি মুখত এখোপা তামোল লৈ বাহঁৰ চেকীনিপাতেৰে ইংগিত দি দি এফালৰ পৰা এজন এজন কৈ ছাত্ৰ-ছাত্ৰীক সুধি আছিল প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে থিয় হয় হয় মূৰ যোকাৰী নোৱাৰো বুলি কৈ নিজ নিজ ঠাইত বহিল। আনহাতে ভুন্দলু বালাই বুঢ়াছাৰে কি প্ৰশ্ন কৰিলে একো গমেই নাপালে, এফালৰ পৰা প্ৰত্যেককে থিয় হৈ হৈ মূৰ হিলাই হিলাই বহা দেখি ভুন্দলু বালাই ভাবিলে বুঢ়া ছাৰে হেনো সকলোকে খবৰ সুধিছে। সেয়েহে ভুন্দলু বালায়ো থিয় হয় 'ভাল ছাৰ বুলি ক'লে। বুঢ়া ছাৰে ভাল ছাৰ বুলি কওঁতে 'vulture' বুলি কোৱা যেন পালে।

বুঢ়াছাৰ একেঠিৰে ভুন্দলুবালাৰ ফালে চাই ৰ'ল। আনহাতে ছাত্ৰ-ছাত্ৰী সকলে ভুন্দলু বালাৰ কথা শুনি হাঁহিবলৈ আৰম্ভ কৰিলে।

বুঢ়া ছাৰ ঃ তোমালোকে কিয় হাঁহিছা ভুন্দলু বালাই একেবাৰে সঠিক উত্তৰ দিছে, 'শগুন' চৰাইক ইংৰাজীত 'vulture' বুলি কোৱা হয়।

বুঢ়াছাৰৰ কথা শুনি সকলো ছাত্ৰ-ছাত্ৰী আচৰিত হ'ল শেষত বুঢ়াছাৰে ছাত্ৰ-ছাত্ৰী সকলক ক'লে— 'ছোৱা ছাত্ৰ-ছাত্ৰী সকল তোমালোকে যাক সদায় গাধ বুলি লাজ দিয়া, জোকোৱা আজি তেওঁৰ পৰাই তোমালোকে নাজানা নতুন কিবা এটা শিকিলা।

আনহাতে ভুন্দলু বালাই "আচলতে কি হ'ল....?" একো ভাব-ভুৱাই নাপালে। □





# মোৰ আধৰুৱা.....কথা

✍ কৰবী দাস

স্নাতক, পঞ্চম ষান্মাষিক

আজি প্ৰায় এসপ্তাহ মানে হ'ব এই বৰুষুণ যাক এৰিব নহয় নে বৌ। কৃষ্ণা ঃ

বৌ ঃ কিয় ইমান চিন্তা কৰিছা অ তোমাৰ হুবলা ঘৰলৈ মনত পৰি আছে সেই কাৰণে হয়নে কৃষ্ণা!

কৃষ্ণা ঃ আপোনাৰো যে কথা আৰু।

বৌ ঃ কি তেতিয়া হ'লে?

কৃষ্ণ ঃ আজি আহিব লাহেকৈ এমাহ মানে হ'ব। ইফালে মায়ে বা আকৌ ঘৰত কিখনহে কৰিছে আৰু সেইডালকটো আপুনি জানেয়ে দিনৰ দিনটো অফিচ অফিচ।

বৌ ঃ হয় দিয়া চোন কৃষ্ণা, এই তোমাৰ দাদায়েৰা নো কি ইমান কাম কৰে মই বুজিকে নাপাওঁ। ইফালে আমাৰ এইজনৰ চোৱা চোন দিনৰ দিনটো ঢলং-ঢপৌ সেই ডলাৰ বগৰী হৈ ঘুৰি থাকে ক'ত এটা কাম নাই মোৰ আ-অলংকাৰ যত যিমান আছিল সকলোবোৰ বিক্ৰী কৰি ম'দ খাই যুৱা খেলি আৰু যে ক'ত কি কৰে ভগবানে হে জানে।

কৃষ্ণা ঃ বৌ আপোনাৰ অলংকাৰ বোৰ দাদাক বেছিবলৈ দিলে নো কেলেই?

বৌ ঃ মই দিব লাগেনে! চোৰে হে দেখে চোৰৰ ঠেং।

কৃষ্ণা ঃ মানে আপুনি চোৰ!

বৌ ঃ হে এইডাল মই লুকাই থৈ দিয়া বস্তু খিনিও যে তোমাৰ দদায়েৰাই বিচাৰি পাই সেইকাৰণে হে কৈছো।

কৃষ্ণা ঃ আপুনি ভালদৰে নথয় কিজানি নহলে আৰু চোৰে বিচাৰি পায়নে।

বৌ ঃ চোৰৰ হাত বহুত দীঘল বুজিচা তাতে আৰু জানাই নহয় তুমি। কি কম, মোৰ যেন জীৱনটোৱে স্তব্ধ হৈ গ'ল কি ভাবি থাকোতে কি হ'ল মই একো ভুটোকে নাপালো ও কৃষ্ণা। এতিয়াহে সেইবোৰ ভাবিলে দুখ লাগে। তাৰ কথা খিনি এবাৰ যদি শুনিলো হেতেন কি বা কব বিচাৰিছিল সি।

কৃষ্ণা ঃ কোনে বৌ আপুনি কাৰ কথা কব বিচাৰিছো নো, মই হ'লে একো ধৰিব পৰা নাই। ভলদৰে কওঁক চোন।

বৌ ঃ এতিয়া বহুত দেৰি হ'ল ও কৃষ্ণা তাৰ কথা ক'লে নো কি হ'ব সি হয়টো এতিয়া বিয়া বাৰু কৰালে কিজানি লৰা ছোৱালীয়ে দেউতা বুলিও মাতিব ল'লে। মোৰ এতিয়া যদি কেতিয়াবা হঠাৎ তাক দেখা পাওঁ মোৰ বহুত লাজ লাগিব জানা।

কৃষ্ণা ঃ সেইটো বাৰু বুজিলো কিন্তু কোন কাক আৰু সি সি যে কৰি আছা কোন বাৰু সেইজন আপোনাৰ x Boyfriend নহয় টো।

বৌ ঃ লাহেকৈ কোৱা তোমাৰ জেঠিমাৰে শুনিলে মোৰ কলিজা খাব।

কৃষ্ণা ঃ এ হ'ব দিয়া জেঠি মাঁ ইমান দূৰত আছে শুনি নাপায়।

বৌ ঃ অৱশ্যে হয় জেঠি মা মানে মোৰ শাহু মাঁয়ে anytime এই মোৰ শিক্ষিত মদাহী স্বামী জনলৈ অৰ্থাৎ তেওঁৰ পুত্ৰ বিনোদলৈ বৰ চিন্তা কৰি থাকেও। কি কম তেওঁৰ এজনেই নে পুত্ৰ কিমান আশাৰে দেউতাক নোহোৱা স্বত্বেও বহু কষ্ট কৰি ডাঙৰ দীঘল কৰিলে। পঢ়ালে লিখালে ভাবিছিল দেউতাক নোহোৱা লৰাটোৱে ও যেন মাকৰ কষ্ট খিনি সাৰ্থক কৰিব কিন্তু তেওঁ দেখোন দিনক দিনে বেয়াৰ ফালে হে ঢাপলি মেলিছে।

কৃষ্ণা ঃ আচ্ছা বৌ; আপুনি দাদা আগতে ইমান বেয়া বুলি

জনা নাছিলনে?

বৌ ঃ কৃষ্ণা মই তেওঁক আগতে বহুত ভাল আৰু কলেজখনৰ ভিতৰত টপত থকা আৰু খুব মেধাবী ছাত্ৰ হিচাপে হে চিনি পাইছিলো। মই এওত কৈ চাৰি বছৰ মানে সৰু। মই যেতিয়া H.S 1st year ত পঢ়ি আছিলো। তেওঁ তেতিয়া Degree last year ৰ student তেওঁৰ মেজৰ political science ত আছিল তেওঁ Degree টোও খুব ভালদৰে 1st class 1st হৈ পাছ কৰিছিল।

কৃষ্ণা ঃ তেতিয়া হলে তেওঁ ইমান মানে মই কৰলৈ বিচাৰিছো বৌ দাদাইটো ক'ৰবাত নহয় ক'ৰবাত বিচাৰিলে চাকৰি এটাৰ যোগাৰ কৰি লব পাৰে। i mean ডাঙৰ নহলেও atleast সৰু সুৰাকৈ হলেও কিবা এটা।

শাহু মা ঃ অ তহতৰ সেই পৰৰ পৰা এতিয়ালৈকে হোৱাই নাই নে। কি কৰিছা তহতেহে জানা। ভাতে বনাছা নে কি। মই এপাক ৰঙিলীহঁতৰ পৰা আহু ৰ।

বৌ ঃ মা এতিয়া নো আপুনি সিহঁতৰ ঘৰলৈ কিয় যাব লাগে দুপৰীয়া ২.৩০ বাজিছে মানুহে বেয়া নাপায় নে।

শাহু মা ঃ বোৱাৰী

বৌ ঃ অ মাঁ

শাহু মা ঃ ভাত হৈছে যদি বিনোদৰ কেইটা সাজি থ সি কেতিয়া আহে পাট্টা নাই নহয়। এই ছোৱালী জনীক এনেকৈ শুকাই মাৰিবিনে দিন দুপৰলৈকে যা আমাৰ ভাত পানী সাজ গৈ।

কৃষ্ণা ঃ জেঠী মোক নো আপোনালোকে ক'ত ইমান কৈ শুকাই মাৰিলে। মোৰ ইয়াত থাকি বৰ ভাল লাগিছে জানে নে, জেঠি আপোনাৰ বোৱাৰী অৰ্থাৎ মোৰ বৌ ইমান ৰসাল ৰসাল কথা কৈ থাকে নহয় মোৰ ঘৰলৈ মনতে নপৰে তথাপিও মই যাব লাগিব পৰহি মানলৈ যদি এই বৰষুণ যাক নেৰেও তথাপি মই আৰু বৰষুণক বাট চাই নাথাকো বতৰ যেনে কি নহওঁক কিয়!

শাহু মা ঃ কৃষ্ণা তই আমাৰ ইয়াত থাকি আমনি পাইছা নহয় নে?

কৃষ্ণা ঃ আপুনি যে কি কয় জেঠী মা মই যোৰহাটলৈ অহা এয়ে প্ৰথম আৰু শিক্ষা গ্ৰহণৰ সূত্ৰে জীৱনৰ ২৫ টা বছৰ বাহিৰত থাকোতে গ'ল এতিয়া আৰু ভাবিছো বাকি বিয়া নোহোৱালৈকে যি কেইটা দিন থাকো মা, দেউতা, দাদা আৰু মোৰ ঘৰৰ আলহী অতিথি সকলৰ লগতে থাকিম সেইকাৰণে প্ৰথম আপোনালোকৰ ঘৰলৈ আহিলো।

বৌ ঃ কৃষ্ণা তুমি টো বহুত পঢ়িলা এতিয়া কিবা এটা কৰিব পাৰা।

কৃষ্ণা ঃ বৌ মই বহুত Apply কৰিলো আৰু বহুত Interview দিলো কৰবাত নহয় কৰবাত পাই যাম।

বৌ ঃ তোমাৰ সংস্থাপন হলে আমাৰ এওক ও এটা সৰু সুৰাই হওঁক সংস্থাপন এটা কৰি দিবা কিজানি তোমাৰ কথা শুনে।

কৃষ্ণা ঃ বৌ দাদা ইমান পঢ়াই শুনাই চোকা আছিল তেওঁ বিচাৰিলে কবাত নহয় কবাত পাই যাব এনেকৈ অলৌ তলৌ কৈ ঘূৰি থাকিলে হবনে।

শাহু মাঁ ঃ উচ্চ শিক্ষা, ভাল উন্নত মানৰ ৰিজাল্ট লৈ ঘৰতে বহি থাকিলে দোকানে দোকানে আড্ডা মাৰি থাকিলে চাকৰি আহি হাতত নালাগে। বিচাৰিলেহে পাব।

কৃষ্ণা ঃ এতিয়া আৰু আগৰ দিন নাই। আপুনি ঠিকে কৈছে আগতে পকেট..তত কলম লৈ ঘূৰি ফুৰা মানুহকো সন্মান কৰিছিল। viii class পাছ কৰা লোকেও বেংকত চাকৰি কৰিব পাৰিছিল এতিয়া চাওকচোন viii পাছ কৰাটো দূৰৰ কথা B. Com, M.Com উচ্চ শিক্ষা লাভ কৰিলেও যদি টকা ঘোচ দিব নোৱাৰে তেতিয়া হ'লে চাকৰি মিচা।

বৌ ঃ এইবোৰ কাৰ দোষ কৃষ্ণা।

কৃষ্ণা ঃ কাৰ বুলিনো কম বৌ হয়টো এই সময়টোৰ দোষ, নহলেবা চৰকাৰ খনৰ দোষ, কিজানি আমাৰ কপাল বোৰোৰ দোষ।

শাহু মাঁ ঃ পঢ়িলে যে চাকৰি পাবি বা চাকৰি পাবই লাগিব এনেকুৱা কথা আছে নেকি। নাপাবও পাৰা কিন্তু পঢ়ি শুনি যি শিকিলি সেইখিনিৰ ওপৰত নিৰ্ভৰ কৰি তাৰ আনুসাংগিক বাকি দিশবোৰ নচোৱা কিয় চাকৰি চাকৰি কে হাবা থুৰি খাই থাকিলে কি হ'ব। যতে যি পোৱা কৰি যোৱা কাম কৰিলেটো লাজ নালাগে চোৰ কৰিলেহে লাজ লাগে। কাম সৰু বা ডাঙৰ নহয় সকলো কাম কামে সকলো কামৰ পৰা পৰিস্থিতিৰ পৰা অভিজ্ঞতা আহৰণ কৰিব পাৰি বা অভিজ্ঞতা লাভ হয় বহুটো লোকৰ লগত কথা পাতিব পাৰি মনৰ ভাব প্ৰকাশ কৰিব পাৰি শিকিব পাৰি, শিকাবও পাৰি, সমাজখনত এটা সুকীয়া পৰিচয় গঢ়ি তুলিব পাৰি।

বৌ ঃ বয়সত সৰু বা ডাঙৰ হৈ কাম নাই জ্ঞানত, কামত ডাঙৰ হ'ব লাগে। উচ্চ শিক্ষা লাভ কৰিলে যে ভাল মানুহ হব পাৰি তেনেকুৱা নহয় দেখি, শুনি, বুজিও ভাল হ'ব পাৰি।

কৃষ্ণা ঃ বাঃ বাঃ আপোনালোকে দেখোন কি বক্তৃতা দি



পেলালে। সচায় বৌ মানুহক জোৰ জবদস্তি একো কৰিব নোৱাৰি যেতিয়া নিজৰ শিকা বা কিবা এটা কৰা আগ্ৰহ থাকিব বুজি পোৱা সক্ষম হ'ব, অনুভূতিশীল এটা মন থাকিব। আনৰ Feelings বোৰ বুজি পাব লাগে তেতিয়াহে মোৰ Feelings বোৰো আনে বুজিব।

কিন্তু বৌ আপুনি x boyfriend ৰ কথা আধৰুৱা কোৱা কৰিলে।

বৌ ঃ এই ছোৱালী জনী কিয় যে গ'ল গৈ তাই থাকোতে কথা বতৰা পাতি ইমান ভাল লাগিছিল আকৌ সেই অন্ধকাৰ জীৱনটো ঘুৰি আহিল। বিনোদৰ গালি-গালাজ অৰ্থ নোহোৱাৰ অত্যাচাৰ শাহু মাঁৰ দুখ-বেদনা ইত্যাদি।

হে হৰি তুমি মোকহে পালানে এইখন ঘৰলৈ বোৱাৰী ৰূপত আনিবলৈ।

এনেকুৱা স্বামী পাম বুলি আগতে জনা হ'লে আত্মহত্যা কৰি মৰিলো হেতেন।

খাবলৈ পিন্ধিবলৈটো উন্নতমানৰ নহয় এ আনকি মুখৰ মাত কথা বতৰা বিলাকো নিম্ন তুচ্ছ। যিয়ে অন্তৰক আঘাত কৰে জীয়াই থকাৰ যেন কোনো তাড়না নাই। মৰি গলেও যেন কোনো আপত্তি নাই। মই কাৰ কাৰণে নো জীয়াই আছো মৰি গলেও হয় দেখোন।

মোক প্ৰভুয়ে কেতিয়া যে সিপাৰ কৰিব

মাঁ ঃ ঈশ্বৰৰ ইচ্ছাতে সকলো জন্ম, মৃত্যু, বিবাহ সকলো টো তেওঁৰ হাঁতত।

আমি নিমিত্তে হে মাথোন। ❑

✦✦✦✦✦

# জীৱনৰ ঘাত-প্ৰতিঘাত নেওচি

✍ মাম্পী মালী
স্নাতক, প্ৰথম ষাণ্মাষিক

নাই! নাই! তাই কান্দিব নোৱাৰে। তাই নিজকে দুৰ্বল কৰিব নোৱাৰে। জীৱনত বহুতো ঘাত-প্ৰতিঘাতৰ প্ৰাচীৰ ভাঙি তাই আগবাঢ়িছে তাইৰ লক্ষ্যত উপনীত হবলৈ।

প্ৰদীপ বৰুৱা এজন চকু বিশেষজ্ঞ আৰু কল্পনা বৰুৱা এজনী কৃতী শিক্ষয়িত্ৰী। তেওঁলোকৰ যুগ্ম জীৱনৰ সাক্ষী উপাসনা। উপাসনা বৰুৱা। মাক-দেউতাকৰ আলাসৰ লাডু উপাসনা বৰুৱা দিনে-দিনে চন্দ্ৰকলাৰ দৰে বাঢ়িবলৈ ধৰিলে। উপাসনা দেখাত যেনেকৈ ধুনীয়া তেনেকৈ তাইৰ আচাৰ-ব্যৱহাৰেও মানুহক মোহিত কৰিছিল। যেন সোণত সুৱগাহে চৰিল। এনেকৈয়ে আগবাঢ়িল প্ৰদীপ বৰুৱাৰ সুখৰ-সংসাৰ।

উপসনা তেতিয়া পঞ্চম শ্ৰেণীৰ ছাত্ৰী। ৰাতিপুৱাৰ নিত্যকৰ্মখিনি সামৰি কল্পনাই গা-পা ধুই উঠি গোসাইৰ থাপনাত পবিত্ৰ মনেৰে এগছি বন্তি প্ৰজ্বলন কৰি ঈশ্বৰলৈ প্ৰাৰ্থনা জনালে। তাৰ ঠিক পিছতে উপসনাক স্কুললৈ যাবলৈ প্ৰস্তুত কৰিলে। ঠিক সেই সময়তে School bus খনে horn বজোৱাত উপসনাক আগবঢ়াই দিলে।

প্ৰদীপ বৰুৱা আৰু কল্পনা বৰুৱাৰ কৰ্মস্থলী ওচৰা-ওচৰি হোৱা হেতুকে তেওঁলোকে সদায় একলগে চিন্তি উপসনাক তেওঁৰ লগত লৈ যোৱাৰ সিদ্ধান্ত ললে। ভবা মতেই কাম হৈ গ'ল।

দিনবোৰ গৈ থাকিল এখনি বোৱতী নৈ দৰে। লাহে লাহে

উপসনা কৈশোৰ এৰি যৌৱনত ভৰি দিলে। মোমায়েকৰ মৰমৰ বিপৰীতে মামীয়েক নমিতাৰ ককৰ্থনা, তিতা-কেহা তাই জীৱনৰ সংগী হবলৈ ধৰিলে। তাইৰ সপোনবোৰ যেন কাইটৰ আচোৰত ক্ষত-বিক্ষত হ'বলৈ ধৰিলে।

ঠিক সেই সময়তে এদিন নমিতাৰ ভাগিন অমৰ আহি উপস্থিত হ'ল নমিতাৰ ঘৰত। নমিতাৰ ঘৰত উপাসনাক দেখি অমৰে মাহীয়েকৰ মুখেৰে উপাসনাৰ বিষয়ে অদ্যোপান্ত গম পালে। প্ৰথম দেখাতে অমৰৰ মনত এক অজান শিহৰণ জাগিল। সি উপাসনাৰ প্ৰেমত পৰিল। কিন্তু এই কথা সি উপাসনাক অৱগত কৰাৰ বাট বিছাৰি পোৱা নাছিল। এদিন মনত সাহস গোটাই নমিতাৰ অনুপস্থিতিত উপাসনাৰ আগত মনৰ কথা ব্যক্ত কৰিলে। উপাসনাই প্ৰথমতে লাজ, ভয়, শংকাত কথাটো অগ্ৰাহ্য কৰিলে। কথাতে কয় বোলে ঘহোঁতে ঘহোঁতে শিলো ক্ষয় যায়। জুইৰ ওচৰত থলে ঘি গলিবই। লাহে লাহে উপাসনাৰ হৃদয়ত এক অজান শিহৰণে দোলা দিবলৈ ধৰিলে আৰু তাই অমৰক অহা-যোৱা কৰে। আন দিনাৰ নিচিনা সেইদিনাও তেওঁলোকে যাত্ৰা আৰম্ভ কৰিলে কৰ্মস্থলীলৈ। কিন্তু নিষ্ঠুৰ নিয়তিৰ কিযে মৰিহাস। বিধিৰ বিধান নাযায় খণ্ডন। সন্ত্ৰাসবাদীৰ বলী হ'ল বৰুৱা দম্পত্তি। মানুহে কোৱাৰ দৰে পৃথিৱীৰ ভাল মানুহবোৰক ভগৱানে বহুত বেছি ভাল পায়। সেইবাবে হেনো ভাল মানুহবোৰ পৃথিৱীত বেছিদিন থকাতো ভগৱানে নিবিচাৰে। বৰুৱা দম্পত্তিকো ভগৱানে লৈ গ'ল এখন নিজান দেশলৈ। য'ত নাই হিংসা-বিদ্বেষ, আশা-আকাঙ্খা, লোভ-মোহ।

বেছেৰী উপাসনা। তাইৰ জীৱনলৈ নামি আহিল অমানিশা। অন্ধকাৰৰ শীতল, ছায়াই গ্ৰাস কৰিলে তাইক। চাৰিওফালে যেন ধূসৰ মৰুভূমি। শূণ্যতাৰ বিষাক্ত হাতোৰাই খেদি ফূৰিছে তাইক। জীৱনৰ সেউজীয়াবোৰ হেৰাই গ'ল অসীমত নিঃশব্দে।

এই মৰ্মান্তিক ঘটনাটো শুনাৰ লগে লগে উপাসনাৰ মোমায়েক আহি উপস্থিত হলহি। ঘাট-মাউৰা ছোৱালীজনী যাৰ ফুল আৰু পখিলাৰ লগত খেলি ফূৰা বয়স, যিয়ে বাস্তৱ জীৱনৰ খলা-বমা, পথ চিনিবকে পৰা হোৱা নাই, কাৰ হাতত ধৰি তাই জীৱনৰ ওখোৰা-মোখোৰা পথ অতিক্ৰম কৰিব। এইবোৰ ভাবি ৰঙীন সপোন ৰচিবলৈ ধৰিলে। লাহে লাহে সিহঁত এজনে আনজনৰ ওচৰ চাপিবলৈ ধৰিলে।

কিছুদিন পিছত নমিতাই সকলো কথা গম পাই অমৰক উপাসনাৰ পৰা আতৰাই নিয়াৰ সিদ্ধান্ত ললে। কিন্তু তেতিয়া যে উপাসনা অন্তঃ সত্ত্বা। নমিতাই বহু কৌশলৰে অমৰক উপাসনাৰ পৰা বহু দূৰলৈ পঠাই দিলে। বেছেৰী উপাসানৰ মূৰত আকাশী স্বৰগ ভাগি পৰিল। তাই চাৰিওফালে অন্ধকাৰ দেখিবলৈ ধৰিলে। অমৰ আৰু নমিতাৰ বিতৃষ্ণাত তাইৰ ভ্ৰূ কুঞ্চিত হ'ল। নমিতাই তাইক গৰ্ভপাত কৰিবলৈ প্ৰৰোচিত কৰিছিল কিন্তু তাই দৃঢ় সংকল্পবদ্ধ যে তাই কোনো পধ্যে তাই তাইৰ গৰ্ভস্থ সন্তানটো নষ্ট নকৰে। তাই নিজেই মা-দেউতাকৰ দায়িত্ব পালন কৰিব। তাইৰ লক্ষ্য তাইৰ হবলগীয়া সন্তানটোক এজন সুদৃঢ় মানুহ ৰূপে গঢ়ি তোলা। যিয়ে মাক আৰু তাৰ প্ৰতি অন্যায়ৰ উচিত বিচাৰ কৰিব পাৰিব। ❑

✦✦✦✦✦

## জানিবলগীয়া কথা ঃ

- ইংৰাজী ভাষাৰ আটাইতকৈ বেছি ব্যৱহৃত আখৰটো হ'ল 'E' আৰু আটাইতকৈ কম ব্যৱহৃত আখৰটো হ'ল 'Q'
- মানুহৰ মূৰৰ চুলিবোৰৰ আয়ুস '২'ৰ পৰা '৬' বছৰ। চেলাউৰিৰ নোমবোৰৰ আয়ুস মাত্ৰ '১০' সপ্তাহ।
- পৃথিৱীত এনে মানুহৰ সংখ্যাই বেছি যিসকলে চিন্তা কৰে কমকৈ আৰু কথা কয় বেছিকৈ।

ঃ জন ড্ৰাইভেন

- শিক্ষাই হৈছে মূল আধাৰ যি মানৱ জীৱনলৈ সুখ শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।





# দহ বছৰীয়া ঘাঁ ডোখৰ

✍ যুতিকা ঠাকুৰীয়া
স্নাতক, পঞ্চম যান্মাষিক

আজি প্ৰায় ন/দহ বছৰীয়া ঘাঁ ডোখৰ জোনাকীৰ শুকুৱাই নাই। জানো এই ঘাঁ ডোখৰ আৰু কেতিয়া শুকাব। হয়তো কোনেও নাজানে এই ঘাঁ ডোখৰ শুকাব নে নাই।

কলেজত নাম ভৰ্ত্তি কৰি মনত সৰু-বৰ সপোন লৈ, চকুত দুস্বপ্ন ৰচি প্ৰথম খোজ পেলোৱাৰ দিনাই —Hi- Hello- ৰে আৰম্ভ কৰি গোলাঘাটৰ অবিনাশ আৰু নলবাৰীৰ জোনাকীৰ চিনা-পৰিচয় মাজেৰেই আৰম্ভ হ'ল এটি মধুৰ সম্পৰ্ক। যাক কোৱা হয়-বন্ধুত্ব। অবিনাশৰ ঘৰত মাঁক-দেউতাক আৰু সৰু ভায়েক। তাৰ দেউতাক এজন লেফাফাৰ ভিতৰত থকা মৰম আৰু খবৰ মিলোৱা এজন দাকোৱাল।

জোনাকী ঘৰৰ মাঁক-দেউতাকৰ একমাত্ৰ সন্তান। তাইৰ দেউতাক এজন খুব ভাল আৰু সন্মানীয় শিক্ষক। গাঁৱৰ সকলো লোকেই তেওঁক সন্মান জনায়।

দুয়ো বৰ্তমান কটন কলেজৰ উঃমাঃ প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰী। মেট্ৰিক পৰীক্ষাত দুয়োৰে ৰিজাল্ট খুব ভাল হৈছিল। দুয়োয়ে দুয়ো মনৰ ভাৱ সিহঁত দুইতাৰ মাজতেই ব্যক্ত কৰে। সকলো ইচ্ছা-অনিচ্ছাৰ কথা আদি সকলো বোৰেই প্ৰকাশ পায়।

এনেকৈয়ে লাহে লাহে দুয়োৰে বন্ধুত্বৰ মাজেৰেই দিনবোৰ পাৰ হৈ গৈছিল। এনেকৈয়ে দুয়োৰে বন্ধুত্বৰ মাজত আন এটা নতুন সম্পৰ্কৰ নামৰ প্ৰকাশ ঘটিল। মানে দুয়োৰে মাজত প্ৰেমৰ ঘড়ী বাজি উঠিল। যিটো সম্পৰ্ক দুয়ো গম নোপোৱাকৈয়ে আৰম্ভ হৈছিল। কোনেও নজনাকৈয়ে আজি এবছৰে দুয়োয়ে লুকাই ৰাখিছে। কিন্তু দুয়োয়ে এই সম্পৰ্কক ব্যক্ত নকৰি ফাইনেল পৰীক্ষাৰ বাবে গুৰুত্ব দিলে। দুয়ো-দুয়োকে ইমানেই ভাল পাই কিন্তু, কোনেও প্ৰকাশ কৰিব পৰা নাই। এই মৌনতাই হয়তো কোনোবাৰ জীৱনৰ পোহৰৰ শলিতা নুমাই এন্ধাৰক আমন্ত্ৰণ কৰিছে। পৰীক্ষা আৰম্ভ হৈ শেষো হ'ল। মাথো এতিয়া ৰিজাল্টৰ সময়। দুয়োৰে প্ৰেমৰ ঘড়ী চলিয়েই থাকিল। জোনাকীৰ ৰিজাল্ট খুব ভাল নহ'ল যদিও অবিনাশৰ ৰিজাল্ট পঞ্চম স্থানত অহাৰ আনন্দত তাই সকলো পাহৰি গৈছে। সি দুমাহ মান পাছত ইঞ্জিনিয়াৰিং শিক্ষাৰ বাবে দিল্লীলৈ ৰাওনা হ'ল। প্ৰেমৰ প্ৰস্তাৱ আজিও প্ৰকাশ নহ'ল। সি তাইক ভালদৰে পঢ়াৰ আশাৰ উৎসাহ জগাই গ'ল। সেই উৎসাহেৰে তাই বিঃ এচঃ চিঃ পাছ কৰিলে। তাই লাহে লাহে অনুভৱ কৰিলে যে, সি যোৱাৰ দিন ধৰি আজিলৈ তাইক এবাৰো ফোন কৰা নাই। নে সি গৈয়েই অকনো আহৰি নোপোৱা হ'ল। নানা ধৰণৰ প্ৰশ্নই তাইক ভিতৰে ভিতৰে চিন্তিত কৰি পেলালে। তাইৰ এনেকুৱা হৈছে দিন যায় ৰাতি নাযায়। খোৱা-লোৱাৰ কথা পাহৰিব ধৰিলে। তাইক ইমান চিন্তিত দেখি ঘৰৰ মানুহ বিপাঙত পৰিল।

হয়তো অবি আৰু তাইৰ জীৱনত কেতিয়াও উভতি নাহিব। সম্পূৰ্ণ পাঁচ টা বছৰ পাৰ হোৱাৰ পাছত তাই তাইৰ প্ৰেমিকলৈ এখন চিঠি লিখিবলৈ ঠিৰাং কৰিলে তাত লিখিব মাথো তাইৰ মৰম-স্নেহ আৰু ভালপোৱাৰ কথা।

তাইৰ ভাল পোৱা ইমানেই বেছি যে, তাই হিয়া দুফাল কৰি মৰম দেখুওৱাব নোৱাৰিব পাৰে। কিন্তু, তাই যিহেৰে চিঠি লিখিবলৈ ঠিৰাং কৰিলে সেয়াও কম নহয়।

তাই ভালপোৱাৰ নামত নিজৰে জীৱনটোকে উচৰ্গা কৰিব বিছাৰিলে। তাই নিজৰ শৰীৰৰ বুকুৰ কেঁচা মঙহ কাটি তাইৰ প্ৰেমিকলৈ চিঠি লিখি পঠিয়ালে। তাই চিঠিত এইখিনিও প্ৰকাশ

কৰিছিল— তাইৰ বুকুৰ মঙহহীন ঠাইখিনি মাথো অবিহে পূৰাব পাৰিব। নহ'লে তাৰ অবিহনে সেই মঙহহীন ঠাইখিনি হয়তো আৰু ডাঙৰ হৈ যাব। তাৰ পানীখিনি হ'ব তাইৰ বেদনাবোৰ।

দুমাহ মান পাছত তাইৰ ফোনলৈ এটা ফোন আহিল। হয়তো তাইৰ জীৱনলৈ এজাক ধুমুহা আহি জীৱনৰ শলিতা নুমাই অন্ধকাৰ কৰি থৈ যাব। হয় তাই ঠিকেই ভাবিছিল সেইতো অবিৰেই ফোন আছিল। তাই খুব উৎসাহেৰে মাত লগাইছিল বহুতো হেপাহেৰে কিছু কথা কবলৈ আৰম্ভ কৰিছিল। কিন্তু, কি হ'ব বিধাতাৰ বিধান নাযায় খণ্ডন। হঠাৎ তাইৰ মুখৰ মাত বন্ধ হৈ গ'ল। হয়তো চিৰ দিনলৈ। অবিয়ে ফোনত তাইক কৈছিল যে— তাৰ হেনো এসপ্তাহ পাছত দিল্লীৰ কোনোবা এজনীৰ লগত তাৰ বিয়া। তাই সেই কথা সহ্য কৰিব নোৱাৰিলে।

দুয়োৰে ভালপোৱা ইমানেই আছিল কিন্তু, অবিয়ে টকা-পইচাৰ বাবে আজি অন্ধ হৈ পৰিছে। যাৰ বাবে আজি সি সপোনৰ পৰীজনীকো সলনি কৰিব পাৰিলে।

তাইৰ বুকুৰ ঘাঁ ডোখৰ যি কাটিলে কেঁচাই থাকিল। য'ত-ৰ'দ, বতাহ, একো নপৰে। মাথো তাইৰ প্ৰেমৰ পুখুৰী বহলিয়েই থাকিল। সেয়াই তাইৰ জীৱনৰ অন্ধকাৰৰ খলকনি। তাইৰ জীৱনটো প্ৰেমিকৰ নামতেই উচৰ্গা কৰি দিলে।

সম্পূৰ্ণ দহটা বছৰ পাৰ হোৱাৰ পাছত এই বেদনাৰ পৰা তাই মুক্তি পাব বিছাৰিলে। তাইৰ সেই ঘাঁ ডোখৰৰ বাবে চিৰদিনলৈ চকু মুদিলে। তাইৰ জীৱন অন্তৰ একমাত্ৰ কাৰণ সেই দহ বছৰীয়া ঘা ডোখৰ। ☐

✦✦✦✦✦

## জানিব লগীয়া কথা

? মহাকাশলৈ যোৱা প্ৰথম প্ৰাণী কি?

উত্তৰ ঃ কুকুৰ।

? কোন দেশত দবা খেল জন্ম হৈছিল?

উত্তৰ ঃ ব্ৰহ্ম

? হকীৰ যাদুকৰ হিচাপে জনাজাত বিখ্যাত খেলুৱৈ গৰাকীৰ নাম কি?

উত্তৰ ঃ ভাৰতৰ ধ্যান চান্দ।

? ভাৰতৰ ৰাষ্ট্ৰীয় চৰাইৰ নাম কি?

উত্তৰ ঃ ম'ৰা চৰাই।





# বিশ্বাসৰ মুলতে অন্ধবিশ্বাস

✍ দিপ্তী ঠাকুৰীয়া
স্নাতক, পঞ্চম যাণ্মাষিক

হাঁহি কি বস্তু চিনিয়ে নোপোৱা হ'লো বাইদেউ। দুখেহে কেৱল মোৰ জীৱনৰ লগৰী হ'ল। এয়া চম্পাৰ কথা। চম্পা মালতীহঁতৰ ঘৰৰ কাম কৰা তিৰোতা। ইমানদিনে তাই আমাৰ (মালতী) ঘৰত কাম কৰিলে অথচ মই তাইৰ মনৰ ভিতৰত থকা তাইৰ জীৱনৰ ঘটনাবোৰ যে ইমান দুখলগা আছিল মই গমেই পোৱা নাছিলো। চম্পাই যৌৱন কালত ল'ৰা এজনক ভাল পাইছিল তাৰ নাম আছিল নৱজিৎ। চম্পাই নৱ'ক খুব ভাল পাইছিল। এদিন চম্পাই ঘৰত তাইৰ বিয়াৰ কথা বতৰা ওলোৱাত চম্পাই নৱৰ কথা ক'লে। ঘৰৰ মানুহে অমান্তি হোৱাত তাই নৱৰ বাবে ঘৰৰ সকলো পৰিয়ালক এৰি গুচি আহিলে আৰু এদিন দুয়ো বিবাহ পাশত বন্দী হ'ল। দুয়ো সুখেৰে জীৱন যাপন কৰি আছিল আৰু এসময়ত সিহঁত দুয়োজনৰ মাজত কণমানি ছোৱালী পাহিৰ জন্ম হৈছিল। পাহি জন্ম পোৱা দুদিনমান পিছতে সেই দুৰ্ঘটনাটো ঘটিল। নৱ ঘৰলৈ আহি থাকোতে এখন মালবাহি ট্ৰাকে খুণ্ডিয়াই থৈ যায়। আৰু তাৰ থিতাতে মৃত্যু হয়। সেই সময়ত চম্পা পাগলীৰ দৰে হৈ পৰিছিল। সেই কণমানিজনীক ভাল শিক্ষা, ভাল কাপোৰ, ভাল আশ্ৰয় দিৱৰ বাবে তাই মালতীৰ ঘৰত কাম কৰিছিল। তাই জীৱনটোত ভগৱানৰ ওচৰত বিশেষ একো বিচৰা নাছিল কেৱল বিচাৰিছিল যে নৱ যেন তাইৰ ওচৰত সদায় থাকে। কাৰণ ভগৱানেই তাইৰ জীৱনলৈ নৱক আনিছিল আৰু ভগৱানেই নৱক তাইৰ জীৱনৰ পৰা আতৰাই নিলে। যদি আমাৰ মিলন ইমান কম দিনৰ বাবে তেনেহ'লে.........??

এনেকুৱা বহুতো ধৰণৰ প্ৰশ্ন তাইৰ মনৰ ভিতৰত সোমাই আছে। কাৰো আগত প্ৰকাশ কৰিব পৰা নাই। লাহে লাহে পাহি ডাঙৰ হৈ আহিল। তাই পঢ়া শুনাত খুব ভাল। কিন্তু তাইক সমাজে ভাল ছোৱালী বুলি কোনো দিনে স্বীকৃতি দিয়া নাছিল। তাই পঢ়া শুনাত ভাল যদিও কোনো লগ বন্ধু নাছিল। কাৰণ তাইৰ জন্ম হোৱাৰ পিছতে যে তাইৰ দেউতাকৰ মৃত্যু হৈছিল সেইবাবে তাইকে জগৰীয়া কৰিছে। আচলতে আমাৰ সমাজবোৰ অন্ধ বিশ্বাসেৰে ভৰা। সময়, যুগ পৰিৱৰ্তন হয় কিন্তু আমাৰ মাজত থকা মানুহবোৰৰ চিন্তা ধাৰাবোৰ সলনি নহয়।

এদিন পাহিৰ জীৱনটো এজন নিয়ৰ নামৰ বন্ধু আহিল। সিহঁত দুজন খুব ভাল বন্ধু। এই বন্ধুত্ব এদিন ভালপোৱাত ৰূপান্তৰ হ'ল। পাহিয়ে মাকৰ ওচৰত সিহঁতৰ ভালপোৱাৰ কথা কলে। মাকৰ আনন্দ লাগিছিল যদিও ভয়ো লাগিছিল কাৰণ ভগৱানৰ ওপৰত তাইৰ অকনো বিশ্বাস নোহোৱা হৈছিল। ভগৱানেই মানুহৰ জীৱনলৈ বিশ্বাস হৈ মানুহ পঠাই। বিশ্বাস কৰি পেলাই মানুহে সপোন সাজে আৰু সেই সপোন ভগৱানেই ভাঙে। সেয়ে যদি মাকৰ দৰে পাহিৰ জীৱনতো পৰিৱৰ্তনৰ ধুমুহা আহে চম্পাই আৰু দ্বিতীয়বাৰৰ বাবে সেইবোৰ সহিব নোৱাৰিব। সেয়ে চম্পাই মালতীৰ আগত পাহিৰ বিয়াৰ প্ৰস্তাৱৰ কথা কৈছিল। চম্পাই ইমান ডাঙৰ সুখৰ খবৰ পায়ো তাইৰ মুখত হাঁহি নাই আৰু হয়তো নাথাকিবও। সেই হাঁহিয়ে তাইৰ ভয় হৈ ৰ'ল। ☐

# ক'লাজ

✍ শিল্পীসুধা গোস্বামী
*অংশকালীন অধ্যাপিকা, ইংৰাজী বিভাগ*

ৰমিলাই ততাতয়াকৈ বেগখন থৈ পাকঘৰত সোমাল। আঁচলটো কঁকালত খুচি লৈ চিংকটোৰ ওচৰ পালেগৈ। ভেকেটা ভেকেট গোন্ধটো তাইৰ নাকত লাগিলহি। টেপ্‌টো খুলি দিলে তাই। চৰ্ চৰ্ কৈ পানীৰ শব্দত আনদিনাৰ দৰে মালিকৰ মাতটো মিলি গ'ল, "পানী ইমান খৰচ নকৰিবি। কিমান খৰচ হয় তহঁতে কি বুজিবি।" "বাবা ফ্রিজৰ পৰা মাংসৰ বাতিটো উলিয়াই লৈ আহাচোন, ৰমিলাই লৈ যাব পাৰিব"— মালিকনীৰ মাতটো ৰমিলাৰ কাণত পৰিল। মালিকনীৰ ঘৰৰ এই বাহী মাংস, মাছ খাই তাইৰ ল'ৰাটোৱে বৰ আনন্দ পায়। মালিকৰ ঘৰৰ মানুহে বাহী বস্তু নাখায়; ৰমিলাহঁতৰ ঘৰত তেনে দস্তুৰ নাই, মাজে সময়েটো গোন্ধ ওলোৱা ভাতকেইটা ধুই বা মেকা আঞ্জাখনত খাৰ অলপ দি মোটোকা মাৰি খাই থয় তাই। মালিকনীয়ে দিয়া কানি-কাপোৰ, মাছ-মাংসইনো তাইক কমখন সহায় কৰিছেনে! তাইৰ ল'ৰাটোক তেনে কিবা দিব পৰা ক্ষমতা তাইৰ নাই। মালিকনীৰ ওচৰত তাই কৃতজ্ঞ। কিন্তু তথাপি মালিকনীয়ে যেতিয়া আলহী আহিলে তাইক দিয়া বস্তুবোৰৰ হিচাপে দিয়ে তাইক বুকুখন বিষাই যায়— কিবা এটা ক্ষোভ আৰু বিৰক্তিয়ে আগচি ধৰে তাইক। গিৰিয়েকজনেটো মদ খাই নিজৰ লগতে পৰিয়ালকো ধ্বংস কৰিলে। ঘৰখন ধৰি ৰখাৰ এই একমাত্র উপায়টো বাদ দিয়াৰ কথা তাই ভাবিবই নোৱাৰে।

মালিকনীৰ ল'ৰাটোৰ দৰে তাইৰ ল'ৰাটোকো সজাবৰ মন যায়। সি ডাঙৰ কলেজত পঢ়িব— গাড়ী চলাব — কত যে সপোন; বাস্তৱৰ পৰা বহু আঁতৰত তাই সপোন দেখে। মালিকনীৰ পৰা তাই গম পাইছে যে অনিৰ্বান পঢ়া-শুনাত ভাল, লেখা-মেলা কৰে, মানুহক সহায় কৰে আৰু গানো গায়। ল'ৰটো সম্পৰ্কত মালিকনী মানে মালতী বৰ সচেতন। ল'ৰাটোক ভাল কৰিবলৈ তেওঁ কাৰ যে পৰামৰ্শ নলয়; তেওঁৰ চিন্তা এই যুগটো বেয়া, যুগৰ লগত মিলিব পৰাকৈ ভাল কৰি কেনেকৈ ৰাখো— আজিকালিটো নাম নহ'লে কামো নাই। এইবাৰ স্থানীয় ৰাইজে পতা বিহুত অনিৰ্বানে গান গাব; তেতিয়াহে মানুহে তাক জানিব। এই কথাবোৰে ৰমিলাৰ মনত কিবা এটা খেলিমেলিৰ সৃষ্টি কৰে। কিবা এটা যোগ-বিয়োগত সোমাল ৰমিলা। অনিৰ্বাণৰ দৰে কি কি কৰিব দেবুৱে— "গান গাব......... নাই নাগালেও হ'ব, পঢ়া-শুনা কৰিলেই হ'ল — বিৰাট ধুনীয়া জোতা পিন্ধি, চুলিকেইডাল থিয় কৰি যাব নালাগে দেবুৱে— ৰ'ড শ্ব' চাব নগ'লেও হ'ব— অলপ বুজা হ'লে আৰু অনিৰ্বাণক শিক্ষকে ভাল পোৱাৰ দৰে তাকো পালে মই আনন্দিত হ'ম; কিন্তু ই যে লেখা-মেলা নকৰে— ভাল হ'বনে বাৰু মোৰ ল'ৰাটো— সি অৱশ্যে যথেষ্ট বুজা হৈছে। মই গ'লেই মোক পানী এগিলাছ দিব, মোৰ কষ্ট হয় বুলি কেতিয়াবা ভাতকেইটাকে বঢ়াই দিব— সেই চিঙা বেগটো আৰু চিলাই কৰা চেণ্ডেলযোৰ লৈ তাৰ কোনো অভিযোগ নাই।"

"ৰমিলা, অ'ৰমিলা" মালিকনীৰ মাতত তাই উচপ খাই উঠিল। চকুপানীখিনি মচি সপ্‌তিখন লৈ ওলাই আহিল তাই, "এইখিনি লৈ যাবি আৰু শুণ কালিলৈ পূজা এভাগ কৰিম, গতিকে আজি আমি বজাৰলৈ যাম।" "হ'ব দিয়ক বাইদেউ, মই আবেলি সোনকালে আহিম"— বুলি তাই আকৌ কামত লাগিল। মালিকনীৰ ঘৰটো ডাঙৰ। কিচ্‌চেন, ডাইনিংহল, বহাৰুম আৰু লগতে তিনিটা ডাঙৰ ডাঙৰ বেড্‌ৰুম। ৰুমবোৰত মাৰ্বলৰ মজিয়া। আচুতীয়াকৈ এটা ডাঙৰ শিৱ মন্দিৰো আছে। আৰ্কিটেক্টৰ পৰা অনা নক্সাৰে সজা হৈছে ঘৰটো, আটোমটোকাৰিকৈ বিভিন্ন বস্তুৰে ৰুমবোৰ সজোৱা হৈছে।





প্রত্যেকটো বস্তুই কিবা এটা আনকমন কৰাৰ চিন্তা বহন কৰিছে। ডাঙৰ একুৰিয়ামটোৰ নানাৰঙী মাছকেইটাই যে মালিকনীহঁতৰ কাৰ্য-কলাপ অনবৰত পৰ্যবেক্ষণ কৰিছে। এই ঘৰবোৰ চাফা কৰোঁতে ৰমিলাৰ বহু সময় লাগে। তাত আকৌ অনিৰ্বাণে জোতা পিন্ধি দপ্‌দপাই মচা ঘৰটোত খোজ কাঢ়িলে খং উঠে তাইৰ; ক'লেও ভ্ৰূক্ষেপ নকৰে সি। মানুহজনী বিশ্বাসী বাবে মালিকনীৰ চিন্তা নাই, নহ'লে এই ডাঙৰ ঘৰটোত পিছে পিছে যাব লাগিলে তেওঁৰ ভৰি বিষাই গ'লহেঁতেন। ঘৰ চাফা কৰি ৰমিলা যাবলৈ ওলাল। এহাতে টিফিন, আনখন হাতত বেগ। বেগৰ ভিতৰত আছে এটা ভঙা ছাটি আৰু একুৰিমান টকা। সেই সকলোখিনি লৈ তাই ৰাস্তাৰ দাঁতিৰে খোজ পেলালে। কাপোৰ জোৰৰ তলৰ অংশ ভিজি আছে, খোজ কাঢ়িবলৈ অসুবিধা হৈছে। ঘৰলৈ যোৱা এই সময়খিনিত তাই নিজৰ লগত কথা পাতে। কালিৰ কথাটোৱে বৰকৈ খুন্দিয়াইছে তাইক, ঠিক যেন বুজিব পৰা নাই, কাকো সুধিবও পৰা নাই। কিবা লেপটপ আৰু ইণ্টাৰনেটৰ কথা। তাত বোলে চাব নলগীয়া বস্তু কিছুমান থাকে, সেয়ে এই ক্ষেত্ৰত যাতে সকলো সাৱধান হয়, ডেকা ল'ৰাটো— কথাষাৰ সম্পূৰ্ণ নৌহওঁতেই মালিকনীয়ে মাত লগালে— "আজিৰ যুগৰ ল'ৰা হিচপে আমাৰ ই বহুত ভাল, ল'ৰা হিচাপে অলপটো চাবই— তাত কিয় বাধা দিব লাগে।" কথাষাৰ এতিয়াও ৰমিলাৰ কাণত বাজি আছে। " চাব নলগীয়া বস্তু", "কিয় চাব লাগে— নিজৰ ল'ৰাটোক সমাজৰ উৰ্ধত ৰাখিব খোজা বাইদেউৰ মুৰত এই কথাটো নেসোমালে কিয়'— কিবা এটা বিৰাট চিন্তাই ৰমিলাক আগচি ধৰিলে। চকু দুটা চলচলীয়া হৈ পৰিল। ক'ব নোৱৰাকৈয়ে তাইৰ মুখৰ পৰা ওলাই পৰিল— "দুখীয়া হোৱা ভাল, সমাজৰ সকলো নতুন চিন্তাই আমাক চুব নোৱাৰিলেও কোনো কথা নাই।

ৰমিলা ঘৰৰ চমু চাপিছে, মালিকৰ ঘৰৰ পৰা প্ৰায় দুই কিলোমিটাৰমান ভিতৰলৈ সোমাই আহিব লাগে। ওচৰৰ ঘাঁহনিডৰাত ল'ৰা-ছোৱালীবোৰে কেলকেলাই আছে, খালটোত বৰশী পেলাই আগ্ৰহেৰে বাট চাইছে। ৰাস্তাটো কেঁচা, বৰষুণ দিলে বৰ আলাই-আথানি হয়, তাতে আকৌ তাইৰ সৰু জুপুৰিটোক পানীয়ে বৰ আগ্ৰহেৰে স্পৰ্শ কৰে— ঘৰৰ ছালবোৰ উৰুলি গৈছে। বেৰবোৰৰ মাটি উখহিছে— দুটা কোঠালিৰ জুপুৰিটোত আছে এখন সৰু বিচনা, তাৰ কাষত থকা ট্ৰাংক দুটাত দেবুৱে তাৰ টেবুল কৰি লৈছে। ঘৰটোৰ আনটো ফালে আছে এটা ষ্টোভ আৰু এটা হাত লেম্প। অনিৰ্বাণৰ প্লাষ্টিকৰ আলমাৰীটো বন্ধ নহয়; গতিকে সেইটো এতিয়া দেবুৱে ব্যৱহাৰ কৰে। দেবুৱে তাৰ বেগ, কাপোৰ, ইটো-সিটো বনোৱা বস্তু, অনিৰ্বাণে দিয়া পুৰণি খেলা বস্তুবোৰ আৰু সেই ছাবি দিলে কথা কোৱা পুতলাটো আটোমটোকাৰিকৈ থৈছে তাত। আজিকালি পিছে পুতলাটোৱে কথা নকয়, ছাবিটো নুঘূৰা হৈছে এতিয়া। দেবুৰ ছবিবোৰো তাত থাকে। বৰ ধুনীয়া ছবি আঁকে দেবুৱে, অদ্ভুত কল্পনা তাৰ— ৰং তুলিকা, কাগজ য'ত পাই তাতেই বহে— বৰ দাম ছবি আঁকিবলৈ ব্যৱহৃত বস্তুবোৰৰ.... । ৰমিলা ভিতৰলৈ সোমাই আহিল, ঘৰত বৈ আছে তাইৰ পুত্ৰ, মাকক দিনটোৰ কথাবোৰ ক'বলৈ, কি কৰিলে, কি খেলিলে, পুখুৰীত গা ধোতে কি হ'ল, স্কুলত মাষ্টৰে কি কি শিকালে, সি কি বুজিলে— কথাৰ লানি নিছিগা শাৰী— কৈ কৈ কেতিয়া খালে, শুলে সি গমেই নাপালে।

ৰমিলাই নিজ ঘৰৰ কামখিনি আঁটাই পইচাখিনিলৈ চালে— "কালি এখন নৈবদ্যকে আগবঢ়াম— ৩০ টকাত হ'বনে? ১০০ টকাৰে আৰু কিমান দিন— কিন্তু নিদিলেও বেয়া লাগে"— কিবা এটা হিচাপ-নিকাচ কৰি ২০ টকীয়া নোটখন লগত ল'লে। এইবাৰ তাই পুতেককো লগত লৈ গ'ল। পুতেকৰ বিভিন্ন প্ৰশ্ন— "মা, আমি তাত কিয় যাম? কি হ'ব পূজা কৰিলে? আমিও সিহঁতৰ দৰে হ'ম নেকি?" ৰমিলাই যে তাক বুজাব পৰা নাই— তাৰ প্ৰশ্নবোৰৰ উত্তৰ আজি তাই দিব পৰা নাই।

মালিকনী ৰৈয়েই আছিল। অনিৰ্বাণ আৰু তাইৰ পুতেকৰ ব্যৱধান ছয় বছৰমান হ'ব। অনিৰ্বাণৰ লগতে তাক থৈ দুয়ো ওলালগৈ। দেবুৰ গাত হালধীয়া চোলাটো দেখি অনিৰ্বণে কৈ উঠিল— "এই চোলাটো মই বৰ ভাল পাইছিলো। মোক হেনচামো লাগিছিল।" দেবু অপ্ৰস্তুত হ'ল। অলপ সময় মনে মনে ৰৈ অনিৰ্বাণৰ সৈতে সি ভিতৰত সোমাল। অনিৰ্বাণৰ কোঠাটোত সোমায়েই দেবুৰ চকু কেইটাই ঘূৰা-ঘূৰি আৰম্ভ কৰিলে। কোঠাটোৰ বেৰত দিয়া ৰং বৰ মিহি। টেবুলখনো বেচ ডাঙৰ— ড্ৰয়াৰবোৰত বস্তু থ'ব পৰা ব্যৱস্থা আছে। টেবুলৰ ওপৰত বিভিন্ন কমাৰ্চৰ কিতাপৰ ওপৰি 'ফিল্মফেয়াৰ' 'কচম'পলিটান' জাতীয় আলোচনী কেইখনমান। এটা ধুনীয়া আলমাৰিৰ কাষত আছে কেইখনমান মজবুত চকী কোঠাটোৰ আনটো কোণত এখন ডাঙৰ আইনাৰ ওচৰতে থকা বিচনাখনৰ ওপৰতে সিঁচৰতি হৈ আছে কেইটামান টি-চাৰ্ট আৰু হাফ-পেণ্ট, ওচৰতে আছে লেপটপটো, অনিৰ্বাণৰ হাতত থকা ডাঙৰ মোবাইটোলৈ দেবুই থৰ লাগি চাই আছে, কিবা যেন আচৰিত বস্তু এটা। মাকহঁত অহালৈ সি অনিৰ্বাণৰ কাষতে বহিল। এইফালে বজাৰত

পূজাৰ বিভিন্ন সামগ্ৰীৰ লগতে মানুহক খুৱাবলৈ মিঠাই, পনীৰৰ বজাৰ কৰি মালতী সোমালগৈ কাপোৰৰ দোকানত— ৰমিলা তেওঁৰ বজাৰ কৰা ধৰণটোৰ লগত অভ্যস্ত — মাহত দুবাৰমান কাপোৰ কিনেই মালতীয়ে। ইফালে ৰমিলাই ২০ টকাটো উলিয়াই অলপ ধূপ, চাকি ল'লে। মালিকনীক সেইখিনি কিনি ক'লে— "পইচা কম আছে, সেয়ে......." "হ'বদে একো নহয়" বুলি মালিকনীয়ে খুচুৰা কিবা কিবি লৈ তাইক লৈ ঘৰ পালেহি।

সকলো আন্ধাৰ। অনিৰ্বাণৰ কোঠাত ৰিণি ৰিণি পোহৰ। মাকৰ চিঞৰত অনিৰ্বাণ ততাতয়াকৈ ওলাই আহিল— "কি হৈছে নো? লাইটটো দিলেই হ'ল। আমি কিবা চাই আছিলো, দিলে ডিষ্টাৰ্ব কৰি— " ৰমিলাৰ বুকুখন কঁপি উঠিল। ক'ব নোৱাৰাকৈয়ে পুতেকক লৈ তাই গেটৰ ফালে ৰাওনা হ'ল। দেবুৰ মুখত মাত নাই, মাকে বহুবাৰ "কি চাই আছিলা" সোধাৰ পিছতো সি আজি নিৰ্বিকাৰ। মাকৰ লগত হিয়া উজাৰি কথা পাতে দেবু আজি তাৰ আলমাৰীত থকা পুতলাটোৰ দৰেই স্তব্ধ। মাকে গ'ম নোপোৱাকৈ চাদৰৰ আঁচলখন উৰি ল'লে আৰু নিৰ্বিকাৰ দেবুৰ ফালে থ'ৰ লাগি ৰ'ল.....। ❑

✦✦✦✦✦

# বিশ্বৰ বিভন্ন দেশৰ ৰাজধানী আৰু মুদ্ৰাবিলাক

| দেশ | ৰাজধানী | মুদ্ৰা |
|---|---|---|
| ভাৰত | দিল্লী | টকা |
| আফগানিস্থান | কাবুল | আফগানী |
| আৰ্জেন্টিনা | বুনচ আয়ৰ্স | আস্ট্ৰল |
| বাংলাদেশ | ঢাকা | টাকা |
| ব্ৰাজিল | ব্ৰাজিলিয়া | ক্ৰুজাদো |
| কানাডা | উটাক | জৈৰে |
| চীন | বেইজিং | য়ুআন |
| কলম্বিয়া | বেগোটা | পেসু |
| ফ্ৰান্স | পেৰিছ | ফেংক |
| জাৰ্মানী | বাৰ্লিন | ডয়ুশমাৰ্ক |
| ঘানা | অকৰা | কেডী |
| আইচলেণ্ড | ৰিকজাবিক | ক্ৰুনা |
| আয়াৰলেণ্ড | ভৰ্বান | পাউণ্ড |
| ইটালী | ৰোম | লীৰা |
| পাকিস্তান | ইছলামাবাদ | ৰুপিয়া |
| জাপান | টকিত' | য়েন |
| শ্ৰীলংকা | কলম্বো | টকা |

সংগ্ৰাহক ঃ **বন্দনা নাথ**
*স্নাতক, তৃতীয় ষাণ্মাসিক*

# ত্রিশ অক্টোবৰৰ নষ্টালজিয়া

মমী চৌধুৰী
স্নাতক, প্ৰথম ষাণ্মাষিক

দেউ লগা ত্রিশ অক্টোবৰ!
আকৌ আহিলিনে তই!
যোৱাটো বছৰত তয়েই বোৱাইছিলি
অসমৰ তিনি ঠাইত তেজৰ নৈ।

সেই তেজৰ মাতাল বন্যাত,
কাৰ ক্রুৰতাৰ বশৱৰ্তী হৈ
উটুৱাই নিলি অক্টোপাছৰ হাতোৰাৰে
ক'ত জনৰ স্নেহ শ্রদ্ধাৰ আপোনজনক ঐ।

জানো, তই ধৰালৈ অহাটো শাশ্বত
তোৰ আগমণ ৰুধিবলৈ শক্তিও নাই গাত।
সেয়ে কাবৌ কৰিছোঁ— আহ তই
সোণালী সুদিন হৈ

নাহিবি নাহিবি দুই হাজাৰ আঠৰ
ত্রিশ অক্টোবৰ হৈ। □



# স্বাগতম

ৰুণু কুমাৰী ঠাকুৰ
স্নাতক, পঞ্চম ষাণ্মাষিক

এই অতিথিশাললৈ
চোতালত এশ-বিদ্ধ ঈশ্বৰ-পুত্ৰহ
আৰু নিৰ্য্যাতিত হেজাৰ পতিতাই
তোমাক জনাব সম্ভাষণ।
কৰিব মিনতি
গাই স্তৱগীত-সমস্বৰে
মহান সংস্কৃতিৰে
সেইজন প্ৰেমময় শান্তিময় সনাতন লৈ
স্বাগতম স্বাগতম। □

# ঘড়ী

পিংকি দাস
স্নাতক, পঞ্চম ষাণ্মাষিক

সময় হিচাপ কৰি
ৰাখিচা ধৰি,
জিৰণি তোমাৰ নাই,
টোপনিও নাই
থকা মাথো
ঘূৰি ঘূৰি
সময়ৰ কথা ভাবি। □



# মই নাৰী

✍ ৰশ্মিউল চুলতানা
উঃ মাঃ, দ্বিতীয় বৰ্ষ

নাৰীবাদী মোৰ মন
কিছুমান মানুহৰ কথাই
জুৰুলা কৰে মোৰ
সপোনৰ কাৰেং ঘৰ।
নাৰীয়ে হেনো
জগতৰ ধৰণী
তেনেহলে কিয় হয় নাৰী
কলংকিনী- অভাগিনী?
এই অজ্ঞান জগতৰ সুস্থ মানৱতাৰ
নাই কোনো লেষমান
নাৰীক কৰিবলৈ সন্মান।
নাৰীক ভাবে যে
ভোগৰ পুতলা,
সেইবাবেই হৈছে
সমাজ জুৰুলা।
মই নাৰী।
মানুহৰ দৰেই জীয়াই থাকিব বিচাৰো,
অজ্ঞানতাৰ আন্ধাৰবোৰক
উৰুৱাই দিব খোজো।
বিবাহ নামৰ শব্দটোৱে মোক
খাইছে খুলি খুলি
ইয়ে দেখো জগতত
ছটিয়াছে ধুলি।
মানুহবোৰে বিচাৰে
কুমলীয়া বোৱাৰী,
যেতিয়া ছোৱালীবোৰ হয়
সপোন কুৱৰী।
সপোনৰ মাজত থাকে
সিহঁত উটি ভাহি
তেতিয়া ভাগি যায়
সিহঁতৰ সপোনৰ চানেকি।
কি অদ্ভুত এই মানুহবোৰ
নিজৰ স্বাৰ্থৰ বাবে
কাৰোবাৰ ভাগি দিয়ে
সপোনৰ নিজৰাবোৰ।
মই নাৰী।
মই বিচাৰো এখন
নাৰী সমাজ,
য'ত থাকিব
নাৰীৰ স্বৰাজ। ❑

# আঘোণত তোমাক পোৱাৰ আশা

✍ বৰষা ঠাকুৰীয়া
স্নাতক, পঞ্চম ষান্মাষিক

শাওঁন মহীয়া ৰ'দত বোকাৰ মাজত
সপোন দেখো তোমাক পোৱাৰ আশাত,
ৰ'দ বৰষুণ একলগ কৰি
বন্ধুত্ব কৰো সোণবৰণীয়া
বোকাৰ লগত........।
পুৱতি নিশাও তোমাৰ ছবিকে
দেখো সপোনত........,
নদী, পথাৰবোৰ গাভৰু হয়
কেৱল তোমাক পোৱাৰ আশাত।
বোকাময় পথাঁৰত তোমাৰ ছবি আঁকি
প্ৰেমৰ চিঠি লিখো তোমালৈ
কেৱল তোমাক পোৱাৰ আশাত।
ৰ'দত গাৰ ছাল কলা পৰে
ভৰিৰ আঙুলিৰ মাজত ক'ত বেদনা,
তথাপিতো পাহৰি থাকো
তোমাক পোৱাৰ আশাত.... ❑





# নিষ্ঠুৰ নিয়তি

✍ আশা কলিতা
স্নাতক, পঞ্চম ষান্মাষিক

ক'ত ক'ত হেৰাই গলা তুমি?
বিচাৰি ফুৰিছো মই
সকলো ঠাইতে তোমাক।
তুলি তালি ডাঙৰ কৰিলা
মোৰ আই.........

মোৰ হেপাহ যেন
কিবা এটা আধৰুৱা
কিয় কিয় তুমি নাই?
আহি তুমি দিয়া মোক
নোপোৱা মৰমবোৰ ঘূৰাই। ❑

# পুৱাৰ বেলিটি

✍ পল্লৱী দাস
স্নাতক, তৃতীয় ষান্মাষিক

ৰাতিপুৱা শুই উঠি দেখা পালো বেলিটি
কিযে ৰ'দৰ চিকমিকণি,
পুৱাৰ বেলিটিক পায়,
পলাশ মদাৰেও হাঁহিব ধৰিছে।
গছ-গছনিয়ে হালিছে-জালিছে,
চৌদিশে মানুহক কেৱল ধূলিৰেই ঢাকি ধৰিছে।
পথাৰত ধান পকিছে।
গাভৰুৰ ধুনীয়া দুখনি গাল
ৰ'দত জিলিকিছে,
জান-জুৰি, দেশ-বিদেশলৈ বৈ গৈছে।
আকাশখনো মেঘে ঢাকি ধৰিছে। ❑



# মানুহৰ জীৱন

✍ টুটুমণি নাথ
স্নাতক, পঞ্চম ষান্মাষিক

জীৱনটো বাৰু কিয় এনেকুৱা?
কেতিয়াবা সুখ
কেতিয়াবা দুখ
কেতিয়াবা হাঁহি
কেতিয়াবা কান্দোন

আশা-নিৰাশা, আবেগ-অনুভূতি
জন্ম, মৃত্যুৰে ভৰা। ❑



# সময়

✍ সাধনা কুমাৰী
স্নাতক, পঞ্চম যান্মাষিক

খিৰিকীৰ সন্মুখত বহি
সৌ দূৰণিলৈ চাই আছিলো
নীলা আকাশ নীলা সাগৰ
অৰণ্য নগৰ.......
আৰু যে ক'ত অলেখ চৰাই।
কৰ্তব্য আৰু দায়িত্বৰ নৌকাত উঠি
সকলো গৈয়ে আছে
কাৰো এখন্তেক ৰৈ উভতি চাবলৈ সময় নাই
ব্যস্ত নগৰ-গাওঁ, ব্যস্ত মানুহ, পশু-পক্ষী
ব্যস্ততাই এই বিশাল পৃথিৱী।
লাহে লাহে বিয়পি পৰিছে
চৌদিশ হেঙুলী আভাৰে
বুকুৱে বুকুৱে বিয়পি পৰিছে নিৰৱতা
আশা আৰু নিৰাশাৰ মাদকতা,
দূৰণিত চৰাই জাকে
কিৰিলি পাৰি উভতিছে নিজৰ ঘৰলৈ
খন্তেকীয়া জিৰণি; দুদিনীয়া জীৱন।
নৈৰ বুকুত জ্বিলিকি থকা
বেলিটোওঁ লাহে লাহে
পাহাৰৰ বুকুত হেৰাল।
হে সময়...............
তুমি নিৰৱধি বৈ থকা সদায়। ❑

# সপোনৰ কলেজ

✍ যুতিকা ঠাকুৰীয়া
স্নাতক, পঞ্চম যান্মাষিক

জীৱন পথত যুঁজ কৰি আজি
লবৰ মন জ্ঞানৰ মান
তোমাৰ কোলাতেই জ্বলাই ৰাখিছো
আগুৱাই যোৱাৰ অযুত পণ।
তোমাৰ মনত নাই কোনো জাতি ভেদ
তুমি আমাৰ সপোনৰ কলেজ। ❑

# অপেক্ষা

✍ সান্তনা গোস্বামী
স্নাতক, প্ৰথম যান্মাষিক

সুৰুষ উঠা বাটেদি
ওলাই সিহঁত
ক'ৰবাত ফুলি উঠিল জিকা ফুল এপাহ।
ভুৰুকৈ উৰি গ'ল বালি মাহীৰ জাক।।
সিহঁত আমাৰ দৰে শূণ্য নহয়,
ঠুনুক-ঠানাক মাতেৰে শিকে
জীৱনৰ- "আদি পাঠ"।
অংকবোৰ জংক পংক(?)
হ'লেও প্ৰতিজ্ঞাবদ্ধ সিহঁত,
নিয়াৰিকৈ শিকাৰ।
ৰজাই হুকুম দিলেই নাগায়
"এদিম্ চেদিম্ বা'
কি হুকুম দিছে"
'ৰাতিৰ চৰাই' সিহঁত
নাজানে, আকাশৰ কিমান ৰং! ❑





# মৃত্যু

(গোকুল নাথ ছাৰ আৰু মোৰ দেউতাৰ সোঁৱৰণিত)

✍ দিপ্তী ঠাকুৰীয়া
স্নাতক, পঞ্চম যান্মাষিক

মৃত্যু, কিয় বাৰু আহা তুমি........... ?
হ'জাৰ হাজাৰ জনৰ চকুলো বোৱাবলৈ
কিয় আহা তুমি??
কাঁচ সদৃশ হৃদয়ত আঘাত দি
কাঢ়ি লৈ যোৱা এজনক আন এজনৰ পৰা
তাকো চিৰদিনৰ বাবে।
হেজাৰ হেজাৰ জনৰ হৃদয়ত
হৰ্ষ-বিষাদ নমাই কিয়ে আনন্দ পোৱা
মৃতদেহৰ ওচৰত হাজাৰ হাজাৰ আত্মীয়ৰ
বুকুফলা কান্দোন তুমি নেদেখানে....
নে তোমাৰ হৃদয়, নয়ন জুৰি
একোৱে নাই?
নে তুমি নেদেখাৰ অভিনয় কৰি থকা।
আমাৰ অপৰাধ ক'ত?
তুমি যে ক্ষমাৰও যোগ্য নহয়
তোমাৰ কালৈকেও ভয় নাই চাগে
সেয়ে.............
ভাল-বেয়া, ধনী-দুখীয়া
সকলোৰে ওপৰত কেৱল তোমাৰে অধিকাৰ
কোনেও কৰ্বা নাই ইয়াৰ প্ৰতিবাদ
সেয়ে আগবাঢ়ি গৈ আছা সুকলমে
মৃত্যু নামৰ শব্দৰে। ❑

# বুৰঞ্জী

✍ দিপ্তী ৰাজবংশী
উঃ মাঃ প্ৰথম বৰ্ষ

তুমি হ'লা
আই মাতৃ
তোমাৰ চৰণত পুজি
বিচাৰো আমি শান্তি
সকলোকে দিয়া তুমি
পুৰণি স্মৃতি
তুমি হ'লা,
সকলোৰে মাতৃ।
তোমাৰ অবিহনে,
কাৰো যে নাই চিনাকী। ❑

# ভালপাওঁ বুলি নকবা

✍ সংগীতা গোস্বামী
স্নাতক, পঞ্চম যান্মাষিক

কব পাৰি বাবেই
ভালপাওঁ বুলি নকবা
নুশুধিবা তুমিও
মোক ভালপোৱানে বুলি
কব পাৰি বাবেই নকবা
প্ৰেম কৰিব নোৱাৰি
প্ৰেম হৈ যায় বুলি।
দুচকুত মিচা সপোন ঢালি
সঁচা হৃদয়ক ভাঙি নেপেলাবা
ভাল পাওঁ বুলি নকবা। ❑



# শৰতৰ সুৱাস

✍ অনুপ্ৰভা নাথ
স্নাতক, পঞ্চম যান্মাষিক

বৰ্ষাৰ যৌৱনা প্ৰাকৃতিৰ
শৰতে দিয়ে স্নিগ্ধতা
শৰতৰ সুৱাসত
শেৱালী ফুলৰ
স্নিগ্ধ সুবাসে
প্ৰেমিক-প্ৰেমিকাৰ
মন কৰিছে বলিয়া।
কুহুৱা বনে
শৰতৰ বতাহত
হালিছে জালিছে
প্ৰেমিক-প্ৰেমিকা
নষ্টালজিয়া হৈ পৰিছে।
আৰু এই জাতিস্কাৰ
প্ৰকৃতিৰ ৰূপ [illegible]
পৰে মনোমোহা। ☐





# চকুপানী

✍ চন্দ্ৰানী কলিতা
উঃ মাঃ দ্বিতীয় বৰ্ষ

মুকুতামণি যেন লগা সেই চকুপানী খিনি
ধিমিককৈ যেতিয়া বাগৰি পৰিছিল
মোৰ বুকুখন চিৰিঙকৈ উঠিছিল
কিবা এক মধুৰ আৱেগ।
নিৰৱে কান্দিয়ো পাতল নালাগিল
যেন, কোনোবাই দেখিব,
ৰাখিব নোৱাৰিলো বৈ গ'ল...
বৈ গ'ল প্ৰেমৰ চকুপানীবোৰ
প্ৰতিটো শব্দই মোক প্ৰতিধ্বনি হৈ
মোলৈ চকুপানী আনে
দুগালেদি বৈ গৈ বুকু তিতি নিগৰি
ধৰণী সেমেকি যায়।
আৰু কিমান...........?
হ'ব,.........
বৈ থকা ধৰণী খন বুৰ যাওঁ যাওঁ,
মই যেন সমুদ্ৰৰ সোঁ মাজত আছো। ☐





# স্বৰ্গ যাত্ৰা

✍ ৰঞ্জন ভূএগ
উপাধ্যক্ষ

মোৰ আইৰ মৃত্যু হ'ল।
অশৌক্ৰান্তত দহ দিন পিণ্ড দিলো।
নিয়ম আছে বোলে'
গো-দান কৰিলো, বৈতৰণী পাৰ হবলৈ
স্বৰ্ণ দান, ভূমিদান,অৰ্থদান,বস্ত্ৰদান কৰিলো
ব্ৰাহ্মণে কলে, আত্মাৰ হেনো মঙ্গল হব।
গওঁৱাক ভোজ ভাত খোৱালো
নহলে সমাজে এঘৰীয়া কৰিব।
গয়াত পিণ্ড দিলো বাট কুৰি যায়
ৰামেশ্বৰমত অস্থি বিসৰ্জন দিলো
আত্মাই হেনো স্বৰ্গত স্থান পায়,

আই তই বৈতৰণী পাৰ হব পাৰিলিনে?
মই দিয়া দানেৰে তোৰ আত্মাই শান্তি পালেনে?

এতিয়া তই আই স্বৰ্গতে আছ, নহয়নে?
তই আই কুশলে থাক।
তই আই খবৰ পাৱনে
মোৰ যে ভেটিত আকালৰ লাও
অভাৱত হেদালিত ফুলৰ খেতি
মাটিৰ পৰা ভেটি গৈছে আঁতৰি। ☐



# স্বাগতম সুদক্ষিণা

✍ পূজা ডেকা
স্নাতক, প্ৰথম বৰ্ষ

সুদক্ষিণা তোমাক
জনাইছো আদৰণি
গুচাই দিয়াহি আমাৰ
অজ্ঞানৰ ঢাকনি
নৱ নৱ বৰ্ষত
ন প্ৰতিভাৰ পৰশত
জিলিকি উঠা তুমি
আমাৰ মানস পটত
বছৰে বছৰে তুমি
পৃষ্ঠা সলাই
জ্ঞানৰ জখলাত আমাক
নিয়া অগুৱাই
এইবেলিও আমাৰ জ্ঞান
যেন বঢ়োৱা কিছু
ইয়াকেই তোমাৰ পৰা
আশা কৰিছো। ☐

# প্ৰতাৰনা

✍ ৰোজবেৰী চুলতানা
স্নাতক, তৃতীয় ষান্মাষিক

তুমি আহিলা মোৰ জীৱনলৈ
ফাগুনৰ এজাক পছোৱা হৈ।
হঠাতে এজাক ধুমুহা আহিল,
মোৰ সপোন সপোন হৈয়েই ৰ'ল,
সেই সপোন কেতিয়াও দিঠকত পৰিণত নহল।
থাকি গ'ল মাথো এখন বিষাদে ভৰা হৃদয়,
এতিয়াহে বুজিলো এয়াই প্ৰতাৰণা। □



# আহত জীৱন

✍ বন্দনা ঠাকুৰীয়া
উঃ মাঃ প্ৰথম বৰ্ষ

এতিয়া কি কৰো
কাইটত বাজি ৰৈছে সময়ৰ পক্ষী
অশ্ৰুৰে ভৰা চকুহাল ৰঙা হৈ উঠে
তেজৰ প্ৰতিটো টোপাত জ্বলি উঠে
দুখ যেতিয়া মনলৈ আহে
সময়ে একেলগে গৰজি উঠে।। □

# ঈদ মোবাৰক

✍ চেমিম চুলতানা
স্নাতক, পঞ্চম ষান্মাষিক

ছালাম, ছালাম।
আমাৰ হাজাৰ ছালাম
ঈদ মোবাৰক।
ধনী গৰীব সকলোৰে ঈদ
নকৰো ভেদা ভেদ।
ছালাম জনাই, মোচাফা কৰি
বুকুৰে বুকুৰে মিলি
ঐক্যৰ চিহ্ন দেখুৱাওঁ
ঈদ মোবাৰক। □







# দেৱকান্ত বৰুৱাৰ অসাৰ্থক কবিতা

✍ ড° জগন্নাথ বৰ্মন
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

'সাগৰ দেখিছা ' দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতা সংকলন। অসমীয়া সাহিত্যৰ আধুনিক যুগটিত কম সংখ্যক কবিতা ৰচনাৰে যি সকল কবিয়ে সাহিত্য জগতত বিশিষ্ট আসন লাভ কৰিব পাৰিছে, তাৰ ভিতৰত দেৱকান্ত বৰুৱা অন্যতম। কবিৰ একমাত্ৰ কবিতাৰ সংকলন 'সাগৰ দেখিছা' মাথো একুৰি পোন্ধৰটা কবিতাৰ সমষ্টি। কবি দেৱকান্ত যুগসন্ধিৰ কবি। নন্দ তালুকদাৰৰ ভাষাত এওঁ ৰোমান্তিক যুগৰ পেটমোচা কবি, মুষ্টিময় কেইটামান কবিতাৰে নৱন্যাসৰ ৰ'দ কাঁচলিত যি আলোড়ন সৃষ্টি কৰিছিল, আন কোনো কবিয়ে সেই খ্যাতিৰ অধিকাৰী হ'ব পৰা নাই। আনফালে, মহেন্দ্ৰ বৰাৰ ভাষাত তেখেতৰ 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতা নতুন কবিতাৰ কপালত ৰঙা সেন্দুৰৰ অকণি তিলক। অৰ্থাৎ দেৱকান্ত বৰুৱা অসমীয়া ৰোমান্তিক আৰু আধুনিক কবিতাৰ মাজৰ কবি, যুগসন্ধিৰ কবি।

দেৱকান্ত বৰুৱাৰ কাব্য ধাৰাৰ উৎস কোনো এক গাভৰু, তেওঁৰ প্ৰিয়া-সখী, লাহৰী, ৰাণী, মনোৰমা, হিয়াহীন প্ৰিয়া। নাৰীপ্ৰেম বা নাৰী সৌন্দৰ্য্যই দেৱকান্তৰ প্ৰথমছোৱাৰ কবিতাবোৰৰ উৎস আছিল। কবিৰ মতে ৰক্ত-মাংসৰ যৌৱন কেৱল দেহাতীত প্ৰেমতেই তৃপ্ত হ'ব নোৱাৰে, গাভৰুৰ ওঁঠৰ লালিমা" অবিহনে জীৱন-যৌৱন দুয়োটাই অসাৰ্থক। বাস্তৱৰ এনে চৰম সত্যক যি চিন্তা, অনুভূতিৰে তথা ৰীতিৰে প্ৰকাশ কৰিছে তাতেই দেৱকান্তৰ কবিতাৰ বিশেষত্ব। প্ৰেম ব্যৰ্থ হলেই জীৱন ব্যৰ্থ নহয়, ইও দেৱকান্তৰ কবিতাৰ আন এক অহংকাৰ। এনে কাৰণেই দেৱকান্ত বৰুৱাৰ প্ৰথম পৰিচয়— তেওঁ প্ৰেমৰ কবি। মহেন্দ্ৰ বৰাৰ ভাষাৰে অসমীয়া কাব্য বুৰঞ্জীত যদি সঁচাকৈয়ে কোনোবা কামসিক কবি আছে, তেনেহলে তেওঁ দেৱকান্ত বৰুৱা। কাৰণ দেৱকান্তৰ কবিতাতে ইন্দ্ৰিয়জ প্ৰেমৰ সৰ্বোত্তম প্ৰকাশ ঘটিছে। 'সাগৰ দেখিছা'ৰ অন্তৰ্গত বেছিভাগ কবিতাই প্ৰেমৰ একোটি অপৰূপ বিষ্ময়।

দেৱকান্ত বৰুৱাৰ কবিতাৰ ৰীতিৰ ঘাই উৎস ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ Dramatic monologul বা নাটকীয় একোক্তি। আবাহন যুগৰ দুৱৰা, অম্বিকাগিৰী, গণেশ গগৈৰ কবিতাত ছন্দ শিল্পৰ বৈচিত্ৰ্য আছিল যদিও দেৱকান্ত বৰুৱাৰ কবিতাত ছন্দ শিল্পই যি ভূমিকা ল'লে সি তৎক্ষণাত বিদেশী সাহিত্যৰ বীজ হৈয়ো শ্ৰোতা পাঠকৰ মন আকৰ্যণ কৰিছিল। মুঠতে ব্ৰাউনিঙৰ দৰে লিৰিক ধৰ্মী নাটকীয় ফৰ্ম এটাকে তেওঁ সম্পূৰ্ণতা দি গ'ল। যেতিয়া এটা চৰিত্ৰই পৰিস্থিতি একোটাত পৰি নিজৰ ভাষাত কথা কৈ যায়, কিন্তু পৰিস্থিতিৰ স্পষ্ট বৰ্ণনা তাত দিয়া নহয়; অথচ পাঠকে কিন্তু মন দি পঢ়িলে গোটেই পৰিস্থিতিৰ উমান পায় তাকে নাটকীয় একোক্তি বোলে। দেৱকান্তৰ কবিতাত ওপৰোক্ত লক্ষণ মূৰ্ত্তমান। ব্ৰাউনিঙৰ নাটকীয় লিৰিকবোৰৰ বিশেষকৈ 'Last ride together' ৰ দৰে কবিতাই দেৱকান্তক যে আকৃষ্ট কৰিছিল তাৰ প্ৰমাণ দিয়ে এনে পংক্তিৰ তুলনাইঃ

And heaven just prove that I and she
Ride, ride together' forever ride.

আনহাতে,

আহাছোঁ ওচৰ চাপি, সঙ্কোচৰ ব্যৱধান নেৰাখিবা
বিদায় নিশাত;
ভাগৰ লাগিছে যদি, নকৰিবা একো লাজ থোৱা মূৰ
মোৰেই কোলাত
জীৱনৰ নশ্বৰতা, অসহায়তা, আৰু সঘন সংগ্ৰামৰ কলা ডাৱৰ

কবিয়ে কল্পনাৰে প্ৰিয়াৰ বাবে মালা গাঁথে, কিন্তু সেই ফুল প্ৰিয়াৰ ডিঙিত পৰে মানে শুকাই লেৰেলি যায়। গাঁথি থকা সময় খিনিৰ ক্ষণিক আনন্দই কবিৰ বাবে মহা আনন্দ। তাৰ বেদনা কিন্তু যুগমীয়া কবিয়ে প্ৰকৃতি জগতত বিভিন্ন উপাদান, গছ, লতা, ফুলত প্ৰিয়াৰ পৰশ পাবলৈ ব্যাকুল, কিন্তু সেই প্ৰচেষ্টাও ব্যৰ্থ। প্ৰকৃতিয়ে যিদৰে কবিৰ দুখৰ সমভাগী নহয়, প্ৰেয়সীয়েও তাৰ সমভাগী হ'ব নোখোজে। ইয়াৰ মাজেৰেই জীৱনলৈ নামি আহে মৃত্যু নীৰৱতা ঃ

পোহৰত হাঁহি নাচি উঠে যি পৃথিৱীখনি, সৌন্দৰ্য্যৰ
পিন্ধি পুষ্পহাৰ,
নিৰলে লেৰেলি পৰে, মৰণ ছাঁ লাহে লাহে
নামে সন্ধিয়াৰ।

মানুহৰ জীৱনৰ এটি বিন্দুত প্ৰেম তাৰ বিপৰীতে আছে মৃত্যু। মৃত্যুৰ গভীৰ উপলব্ধিৰ মাজতো ভাল পোৱাৰ ভাৱাবেগে কবিক বিচলিত কৰিব পৰা নাই। খন্তেকীয়া জীৱন কালত, ক্ষণভংগুৰ এই পৃথিৱীত কবি নিজেও মৰহি যাব। গতিকে দুদিনীয়া যৌৱনত কাৰোবাক ভাল পোৱাটো এটা স্বাভাৱিক সত্য। পাপ পুণ্যৰ অতীত এই উপলব্ধি। এনে এক উপলব্ধিয়ে কবিতাৰ মৰ্মবাণী ঃ

আমিও মৰহি যাম ? অসাৰ্থক প্ৰেম মোৰ ? পাপ মাথো
এই চুমাচুমি ?
কি কৰিম ? হক পাপ ক্ষতি নাই, মই পাম স্বৰ্গ তাতে
তুমি ৰ'বা তুমি।

প্ৰেমৰ নামত যি চুমাচুমি, মিলন তাক পাপ হলেও কবিয়ে ভ্ৰূক্ষেপ নকৰে। জীৱন খন্তেকীয়া। ধূলি ধুসৰিত পৃথিৱীয়েই স্বৰ্গ। মৃঠতে মৰতৰে স্বৰ্গ নিৰ্মাণৰ এক মানবীয় প্ৰচেষ্টা 'অসাৰ্থক' কবিতাৰ মাজেৰে ফুটি উঠিছে সেয়েহে কবিয়ে লিখিছে ঃ

ফুলিছো পদুমটি, ওঁঠতে লগাই ওঁঠ, মনোৰমা !
তুমি আৰু মই। □

ভেদ কৰি প্ৰেমৰ যি এটি ক্ষণিক প্ৰভাই জীৱন উজলাই তোলে তাকেই স্থায়ী কৰাৰ প্ৰয়াস দেৱকান্তৰ কবিতাত দেখা যায়। নিয়তিৰ ওচৰত আত্মসমৰ্পণ দেৱকান্ত কবিতাৰ আন এটি লক্ষণ। ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে টমাচ হাৰ্ডিৰ উপন্যাসৰ নিয়তিয়ে বৰুৱাৰ কবি দৃষ্টিত সামান্য প্ৰভাৱ পেলাইছে। কাৰণ তেজ মঙহৰ আকৰ্ষণত অধিক গুৰুত্ব দিয়া কবিয়ে নিয়তিৰ ওপৰতো ভৰসা কৰিছে এনেদৰেঃ

আমাক পাহৰি যাব অনাগত ভৱিষ্যই
মানুহৰ মিছা ইতিহাসে;
আমাক পাহৰি যাব প্ৰভাতৰ পূবেৰুণে
সন্ধিয়াৰ সুন্দৰ আকাশে।

সেয়েহে, সময় আৰু প্ৰকৃতি উভয়কে যেন কবিয়ে সন্দেহ কৰিছে। জীৱন ক্ষণিক, মৃত্যু প্ৰেমৰ সীমা। এই ক্ষণস্থায়িত্বৰো ইংগিত তেওঁৰ কবিতাত আছে।

দেৱকান্ত বৰুৱাৰ কবিতাত সমসমায়িক কবিতাত নোহোৱা এক পৌৰুষদীপ্ত শব্দচয়ন আৰু লেহুকা লয়ৰ ঠাইত নিয়ন্ত্ৰিত ছন্দ সজ্জাৰ বেগ আৰু সুষমা, যতি আৰু লয়ৰ অনায়াসা নিয়ন্ত্ৰণ আৰু তৎসম শব্দৰ সতেজ ব্যৱহাৰৰদ্বাৰা এক বলিষ্ঠ প্ৰকাশ দেখা যায়। দেহৰ মাজেদি প্ৰেমৰ অন্বেষণ ভাৰতীয় সাহিত্যত নতুন বস্তু নহয়, কিন্তু দেৱকান্তৰ কবিতাত ছন্দ স্পন্দনৰ নতুন হেন্দোলনি আৰু তৎসম প্ৰধান শব্দৰ প্ৰাণময় জোকাৰণিয়ে সেই অন্বেষণলৈ আনি দিছিল এক নতুন মাদকতা। অপূৰ্ব শব্দ বাচনি আৰু কথন ভংগীৰে তেওঁৰ কবিতাই পাঠকক অনাবিল আনন্দ দান কৰি আহিছে।

'অসাৰ্থক' 'সাগৰ দেখিছা'ৰ অন্তৰ্গত এটি গভীৰ প্ৰেমৰ কবিতা। 'হিয়াহীন প্ৰিয়াই' কবিৰ অনুৰাগ নুবুজাৰ ফলতে সৃষ্টি হৈছে 'অসাৰ্থক'ৰ নিচিনা কবিতাৰ। আবাহন কাকতৰ ষষ্ঠ বছৰৰ ৭ম সংখ্যাত অসাৰ্থক কবিতাটি প্ৰথমে প্ৰকাশ পাইছিল।

প্ৰেমৰ বাবেই প্ৰেম। কবিয়ে প্ৰেয়সীৰ পৰা প্ৰতিদান পাওক বা নাপাওক সেই কথালৈ তেওঁৰ ভ্ৰূক্ষেপ নাই। যি কবিৰ গানে আকাশ স্পৰ্শ কৰে, অথচ যাক উদ্দেশ্যি লিখা গানে হৃদয় স্পৰ্শ কৰে নে নকৰে সন্দেহ, তথাপি কবিয়ে প্ৰেয়সীক উদ্দেশ্যি গান গায়।

# ৰাভা সমাজত বিবাহ পদ্ধতি

✍ যমুনা মালী
*সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ*

ৰভা সমাজত পৰম্পৰাগত ভাৱে চলি অহা এটি সামাজিক উৎসৱ হৈছে বিবাহ উৎসৱ। ৰাভা জনগোষ্ঠীৰ কেবাটাও ফৈদৰ ভিতৰত ৰংদানী ৰাভা ভাষাত বিবাহক টোতাকাম বুলি কোৱা হয়। টো মানে ৰাভা ভাষাত কুকুৰা আৰু 'তুকাম' মানে মুৰ। ৰাভাসকল প্ৰাচীন কালৰে পৰা ঋষিপূজা বিশ্বাসী। আচলতে মহাদেৱক ঋষি বুলি মনা হয়। সেই ঋষি পূজাত ৰাভাসকলে কুকুৰা বলি দিয়ে। সেয়ে ঋষিপূজা বিশ্বাসী ৰাভাসকল পৰম্পৰাগত বিবাহত ঋষিপূজা কৰি দৰাকইনাৰ যুগ্ম জীৱনৰ সাক্ষী আৰু ভৱিষ্যৎ কল্যাণৰ কামনা কৰি কুকুৰা বলি দিয়া হয়।

ৰাভাসকলৰ বিবাহ উৎসৱক প্ৰধান তিনিটা পৰ্বত ভগাই আলোচনা কৰিব পাৰি। প্ৰথমপৰ্বঃ কইনা সোধপোচ কৰা। (জনপাগুৱানি/কায়ছিঙা ৰেংকায়) দ্বিতীয় পৰ্ব ঃ ভোজ (জেক/ৰছ) আৰু তৃতীয় পৰ্ব ঃ আঠমঙলা (নোক বাৰকায়/ঘৰ ফিৰানি)। অঞ্চল আৰু ফৈদ সাপেক্ষে সমাজিক বা অসমাজিক ভাৱে বিভিন্ন সময়ত বিভিন্ন বিবাহ অনুষ্ঠান ৰাভা সমাজত প্ৰাচীন কালৰে পৰা বৰ্ত্তমানলৈ প্ৰচলিত হৈ আহিছে।

ৰাভাসকলৰ মাজত বিশেষকৈ ৰংদানি আৰু মায়তাৰি ফৈদৰ মাজত অতি প্ৰাচীন কালত পাচপ্ৰকাৰৰ বিবাহ অনুষ্ঠানৰ প্ৰচলন আছিল বুলি গম পোৱা যায়। সেই কেইটা হল (ক) ভৰি ছিংকায়/থুছি ছেকায় (খ) কায় ভৰি বি'কায়, (গ) ধোক ধাংকায়/কায় পায়কায়। (ঘ) জাময় ধাংকায়/ছিংকায় আৰু (ঙ) ক্ৰাংছিভৰি।

(ক) <u>ভৰি ছিংকায় বা থুছি ছেকায় বিবাহ ঃ</u> (সমাজ দস্তুৰ মতে কৰা বিবাহ)

দৰাঘৰ আৰু কইনাঘৰে সৰ্ব সম্মতি ক্ৰমে পতা এই বিবাহ পদ্ধতিত কইনা পছন্দ কৰা পৰ্বৰ পিছত ছোৱালীজনীৰ লগতে অভিভাবক অভিভাবিকাৰ সন্মতি পালে দৰাঘৰে মদৰ হাড়ী, ধপাত-মলখু, তামোলপাণৰ জোলোঙা ৰাইজৰ উদ্দেশ্যে আগবঢ়াইছিল আৰু কইনাৰ উদ্দেশ্যে এখন হোৱা (খোক) ত এপুৰা চাউলৰ সান্দহ (আতা কুটা) আখৈ, কচু মাটি মাহৰ-টোপালা, বৰালি মাছৰ শুকাই থোৱা কলঠি (নাজেং নানিচেনা) কেইসাজমান আ অলংকাৰ, সামান্য পৰিমাণৰ চিকাৰূপ (কাচাটাকা) আৰু এটা মতা ৰঙা কুকুৰা আগবঢ়াই মান ধৰিব লাগিছিল। এই মানধৰা সমলকে একেলগে 'চিথাবুন্দা' 'চিতাবুন্দি' বোলা হৈছিল। চিথাবুন্দা সাধাৰণতে দৰাৰ মোমায়েকৰ ছোৱালীকহে এই কামটোৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। সেইদৰে দৰাঘৰৰ পৰা এহাল সুস্থ সবল দম্পত্তী 'জোৰকায়' হিচাপে যোৱাটো বাধ্যতামূলক আছিল।

দ্বিতীয়বাৰ দৰাঘৰে পুনৰ এটা মদৰ হাড়ী আৰু কিছুমান সামগ্ৰীৰে 'ভাৰখিছাকায়' অৰ্থাৎ জোৰণ দিবলৈ গৈছিল। ইয়াত 'লাখৰভাৰ' অৰ্থাৎ গৰখীয়া ভাৰ নিয়াটো বাধ্যতামূলক আছিল। বিয়াৰ গা-পণ আৰু দিনবাৰ নিৰ্দ্ধাৰণ কৰা হয় বাবে এই ব্যৱস্থাটো জানা/জানাকা/জনাত নামেৰেও জনাজাত হৈছিল। সিদিনাখনে দৰাঘৰৰ পৰা দি পঠোৱা এটা ৰঙা মতা কুকুৰা কাটি তাৰ মঙহেৰে কলাখাৰ আৰু পিঠাগুৰি দি কইনাই নিজহাতে প্ৰস্তুত কৰা মাটিমাহৰ আঞ্জা (তোবাখাজি)ৰে অতিথিক আপ্যায়ণ কৰা হৈছিল।

এইপ্ৰথাৰে সমাধা কৰা বিবাহ অনুষ্ঠান তিনিদিন ধৰি চলিছিল। মূল বিয়াৰ দিনাখন দৰাঘৰৰ পৰা যোৱা বিবাহ যাত্ৰীয়ে কইনাৰ সাজৰ বাবে প্ৰয়োজনীয় সকলো সা-সামগ্ৰী নি কইনাক সজাই পৰাই দিনৰ ভাগতে দৰা ঘৰলৈ লৈ অনা হৈছিল। ৰাভা সমাজত বোৱাৰী অনা

প্ৰথাহে প্ৰচলিত। সেয়ে ঋষি পূজা বিশেষকৈ দৰাঘৰতে পতা হয়। এই পূজা চোতালত স্থাপিত কৰা হয়। গাৱঁৰ এজন পূজাৰী নিৰ্বাচন কৰি দিয়া হয়। পূজাৰীজনে পূজাৰ সকলো কাম কাজ সম্পূৰ্ণ কৰে। পূজাৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত ন-কইনা আৰু দৰাক ৰাইজৰ সন্মুখত উপস্থিত কৰোৱায়। দৰা-কইনা উভয়ে ৰাইজ তথা পূজা থাপনাৰ সন্মুখত সেৱা জনাই যুগ্ম জীৱনৰ বাবে প্ৰতিজ্ঞা কৰে। ইয়াৰ পিছত পূজাৰীয়ে প্ৰাৰ্থনা মন্ত্ৰ পাঠ কৰি ঋষিৰ নামত কুকুৰা বলি দিয়ে। লগতে মদ দিয়া হয়। এই পৰ্বৰ পিছত দৰা কইনাই প্ৰথমতে দৰাৰ পিতৃ-মাতৃক বা অভিভাৱকক সেৱা জনায়। তাৰ পিছতে গাঁৱৰ পুৰুষ মহিলাক আশীৰ্বাদ বিচাৰি সেৱা জনায়। ইয়াতে গাঁৱৰ মানুহে দৰা কইনাৰ মংগল কামনা কৰি আশীৰ্বাদ জনায় আৰু দান-বৰঙণি দিয়ে।

বিবাহৰ খাওনা দেওনা (ভোজ) ঋষি পূজাৰ পিছৰ দিনা হয়। ভোজৰ বাবে গাঁৱৰ সমুহ ৰাইজৰ উপৰি নিজৰ আত্মীয় স্বজনক নিমন্ত্ৰণ জনোৱা হয়। ইয়াত মহিলা সমাজ আৰু পুৰুষ সমাজৰ বেলেগ বেলেগ ভোজমেল হয়। কইনাজনীয়ে নৱ বস্ত্ৰ পৰিধান কৰি ইতিপূৰ্ব প্ৰস্তুত হোৱা ভোজৰ ভাত এখন হেতা (ডেংগা বা হাতা) ত পৰিপূৰ্ণ কৰি লৈ সকলো অভ্যাগতৰ ভাতৰ পাতত অলপ-অলপকৈ বিলাবলগীয়া হৈছিল। বিবাহৰ ভোজত কইনাৰ হাতে বিতৰণ কৰা কাৰ্য্যকে হাতাছুৱানি বা হাতাছুনি বোলা হৈছিল। হাতাছুৱানি কৰাৰ পিছতহে অন্যান্য বিতৰকে ভাত আদি ৰাইজক বিতৰণ কৰিব পাৰিছিল।

ভৰ বিয়াৰ দিনাখন কইনা ঘৰীয়াৰ লগতে কইনাজনীয়েও দৰাঘৰতে ৰাতিটো কটাইছিল। পিছদিনাখন বাহী বিয়া। সিদিনাখন ভাল্দখে খুৱাই-বুৱাই অতিথি (নোকছামি) বৃন্দক এটা প্ৰকাণ্ড দঁতাল গাহৰি মাৰি তাৰ পৰা নেগুৰৰ সৈতে পিছ-পিৰাডোখৰৰ এফালে কাটি হোৰাত ভৰাই পঠিয়াব লগীয়া হৈছিল। সিদিনাই কইনাঘৰীয়াৰ লগতে কইনাজনীকো মাকৰ ঘৰলৈ কিছুদিনৰ বাবে পঠিয়াই দিয়া হৈছিল। ইফালে ৰাইজে ৰভা ভাণ্ডি মদৰ হাড়ীৰে প্ৰীতি ভোজ খাই নৃত্যগীত কৰিছিল। এইদৰে অতি উলহ-মালহেৰে কেইবাদিনো দিনজোৱা প্ৰস্তুতিৰে ৰাভাৰ প্ৰাচীন 'ভৰি ছিংকায়' বিবাহ পৰ্ব উদ্যাপিত হৈছিল আৰু এটা শুভদিনত দৰা-কইনাক নতুন বাসগৃহত সুমুৱাই ঘৰদিয়া (নোকছুনকায়া) পৰ্বৰে এই অনুষ্ঠানৰ সামৰণি পৰিছিল।

(খ) কায়বি'কায় বা ভৰি বি'কায় বিবাহ ঃ (বলপূৰ্বক কৰা বিবাহ)

মোমায়েকৰ জীয়েক, খুলশালী ছোৱালী, বৌয়েক বা বাকদত্তা এজনীক কিবা কাৰণত পূৰ্বৰ প্ৰতিশ্ৰুতি ভংগ কৰি বিয়াত অসন্মতি প্ৰকাশ কৰিলেও যতে দেখা পায় তাৰ পৰা (মাছলৈ যাওঁতে বা পূজা উছৱত ভাগ লওঁতে) ছল চাই দাং কোলালৈ হালেও তুলি নি কুকুৰা কাটি বিয়া কৰাই দিয়াৰ ব্যৱস্থা ৰাভা সমাজত একালত প্ৰচলন আছিল। অৱশ্যে এনে বিয়াত কইনাৰ মাক বাপেকৰ লগতে সগোত্ৰীয়ে লোককো (বাৰায়হুৰি) প্ৰচুৰ পৰিমাণে গাধন (ৰাংত্তিকাম) আৰু তামোলৰ উপঢৌকন দিবলগীয়া হৈছিল। বিয়াৰ ভোজ হিচাপে ব্যৱস্থা চাই বৰভোজ (পাকাৰছ) বা সাধাৰণ ভোজ (কাচাৰচ) একোটা দিবলগীয়া হৈছিল। এক পক্ষীয়ভাৱে আগবাঢ়িলেও কইনাঘৰীয়া বা কইনাক ফুচুলাই প্ৰলোভিত কৰিহে এই বিবাহ হাচিল কৰা হৈছিল।

(গ) নোক ধাংকায় বা কায় পায়কায় বিবাহ ঃ (ঘৰ সোমোৱা বিয়া)

ৰাভা মায়তাৰি ফৈদৰ ডেকাগাভৰুৱে জেঠ মাহত উদ্যাপিত বায়খো থলীতে প্ৰণয়মূলক গীত গাই দৰা কইনা নিৰ্বাচন কৰিছিল। আনহাতে ৰাংদানি ফৈদৰ ডেকা ল'ৰাক কোনোবা গাভৰুৱে মনে মনে ভাল পাই থাকিলে অকস্মাৎ কানি কাপোৰসহ দৰাঘৰত আহি ওলাই, কাম কাজ কৰি দি আলহী খপিছিল। কেতিয়াবা আলহী খপা কোনোবা ডেকা লৰাক মদ খাবলৈ দি ৰাইজৰ সন্মুখত সি গম নোপোৱাকৈ ফুলাম পাজাৰ এখন পিছফালে ৰাখি পূৰ্বৰ পৰা পীৰিতি থকা বুলি প্ৰত্যয় নিয়াই দৰা নিৰ্বাচন কৰিছিল। পৰস্পৰৰ সন্মতি সাপেক্ষে অভিভাৱক অভিভাৱিকাৰ অজ্ঞাতে এইদৰে ইজনে আনজনৰ ঘৰত পতি পত্নীৰ দৰে জীৱন যাপন কৰাকে ৰাভাসকলে 'নোক ধাংকায়' অৰ্থাৎ ঘৰ সোমোৱা বিয়া বুলিছিল। এই বিবাহ ঘৰ জোৱাই ৰখাৰ ক্ষেত্ৰতো প্ৰশস্ত আছিল। মনখাই কাৰোবাক পলুৱাই অনা ব্যৱস্থাটোক 'কায়-পায়কায়' বোলা হৈছিল। নোক ধাংকায় বা কায়পায়কায় উভয় ব্যৱস্থাতে ৰাইজক সাক্ষী কৰি এহাল কুকুৰা কাটি বিবাহ কাৰ্য্য সম্পাদন কৰা হৈছিল। অভিভাৱক অভিভাৱিকাক মান সহকাৰে গা-পণ, তামোলপাণ আদি সকলো সময়তে নিয়মানুযায়ী পৰিশোধ কৰিবলগীয়া হৈছিল। অৱশ্যে লগে লগে দিব নোৱাৰিলেও তিনিৰ পৰা পাচ বছৰৰ ভিতৰত ৰাইজৰ ভোজ বাধ্যতামূলক ভাৱে দিব লাগিছিল। ভোজৰ হাতাছুৱানি ব্যৱস্থাত কইনাই নিজে অংশ গ্ৰহণ কৰিব নোৱাৰিলেও (সগৰ্ভাৱস্থাত) নিজৰ ভনীয়েক বা ভগ্নীস্থানীয় লোকে সেই কাৰ্য্য প্ৰতীকী অৰ্থত সমাধা

কৰিব লগীয়া হৈছিল।

(ঘ) জাঙয় ধাংকায় জাঙয় ছিংকায় বিবাহঃ- (চপনীয়া ৰখা বিবাহ)

লৰা সন্তান নথকা কন্যাৰ বা মাতৃবংশীয় অগাধ সম্পত্তিৰ উত্তৰাধিকাৰিনী কোনোবা গাভৰুৰ বাবে দৰা নিৰ্বাচন হ'লে কইনাই বিয়াৰ বাবে দৰাৰ তালৈ নগৈ ওলোটাই দৰাকহে কইনাৰ তালৈ অনা হৈছিল। 'ভৰিছিংকায় প্ৰথাৰ দৰে সকলো শুভকাৰ্য্য এটাৰ পিছত এটাকৈ সমাপন কৰিবলগীয়া হৈছিল। পাৰ্থক্য মাথোন দৰাৰ ঘৰত নহৈ সেইবোৰ কইনাৰ ঘৰত অনুষ্ঠিত হৈছিল। আনকি দৰাৰ বাবে ঘৰৰ পৰা ছিথাবৃন্দাও নিবলগীয়া হৈছিল। দৰাজনক সজাই পৰাই, ঢোল কালি, বাদ্য বজাই কইনা ঘৰলৈ ৰণজয় উল্লাসত সদলবলে যাত্ৰা কৰিছিল। তাৰ পিছত আদৰ সাদৰ কৰি নি কইনাৰ বাওহাতে বহুৱাই 'ভৰিৰ্ছিকায়' প্ৰথামতে কুকুৰা এহাল কাটি বিয়া পাতি দিছিল আৰু বৰভোজৰ ব্যৱস্থা কৰিছিল।

(ঙ) ক্ৰাংছি ভৰি বিবাহ ঃ- (বিধৱা, বৰলাবিবাহ) ৰাভা সমাজত অতি পূৰ্বৰে পৰা বিধৱা বা বৰলাৰ পুনৰ বিবাহৰ প্ৰচলন আছিল। বিয়াৰ আগতে তেওঁলোকৰ গোত্ৰ বা মাহাৰীৰ অনুমতি লব লাগিছিল। ৰিছি দেৱতাক সাক্ষী কৰি এহাল কুকুৰা কাটি দুটা গোত্ৰৰ, মিলন ঘটাই দিয়া ব্যৱস্থা পুনৰ বিচ্ছিন্ন কৰি লবলগীয়া হৈছিল। এই ব্যৱস্থাকে খু'ম দিবিকায় বোলা হৈছিল। খু'ম দিবিকায় কৰাৰ পিছত যিকোনো সন্তানহীনা বা সন্তানবতী যুৱতী বা আদবয়সীয়া বিধবা এজনীয়ে জাঙয় খাকায় (ঢোকা ৰখা) বা নোক ধাংকায় (ঘৰ সোমোৱা) প্ৰথাৰে কোনোবা বৰলা বা ডেকা এজনক জীৱন সংগী হিচাপে নিৰ্বাচন কৰিব পাৰিছিল। বগেজৰী গীততো ইয়াৰ উমান পোৱা যায়—

*" ভীম কলৰ পাত পচলা*
*আঠিয়া কলৰ পুলি*
*বাটে বাটে বেৰায় ফুৰং*
*জঙায় ৰাখক বুলি।"*

অৱশ্যে এনে বিয়াত ভোজৰ ব্যৱস্থা থাকিলেও, ঢোল পেপা বজোৱা, হাতাছুৱানি আদিৰ ব্যৱস্থা কৰা নহৈছিল।

অৱশ্যে আজিকালি ৰাভা সমাজতো বিবাহ প্ৰথাত পৰিৱৰ্ত্তন ঘটিছে। গাওঁ তথা অঞ্চলভেদে বিবাহ প্ৰথা তথা নীতি নিয়ম বেলেগ বেলেগ। আজিকালি ৰাংদানীয়ে বিবাহতো ফুলৰ মালাৰে বিবাহ কাৰ্য্য সম্পন্ন কৰা দেখা যায়। ইয়াক 'লেমা বিয়া' বুলি কোৱা হয়। ভোজমেলৰ বাবে আগৰ দৰে বাধ্যতামূলক নিয়ম নাই। গাহৰি মাংসৰ ঠাইত মাছদাইলেৰে ভোজ দিলেও ৰাইজৰ কোনো আপত্তি নাথাকে। উল্লেখ্য যে ৰাংদানী ৰাভা বিবাহৰ নীতি নিয়ম পৰিৱৰ্ত্তন হোৱাৰ লগে লগে ইয়াৰ নামাকৰণ্যে সলনি হৈছে। আজিকালি বিবাহক টোতাকামৰ ঠাইত 'জোৰাছিনি' বুলিহে কয়। জোৰা মানে যুগ্ম। সি যিয়েই নহওক অঞ্চলভেদে তথা সমাজ অনুসৰি বিবাহৰ ৰীতি-নীতি ভিন্ন হ'লেও আজিও ৰাভা সমাজত বিবাহ প্ৰথাই এক স্বকীয়তাৰ মাজেৰে বিবাহ কাৰ্য্য সম্পন্ন কৰে। অতীতৰে পৰা চলি অহা নিয়মত নতুনত্ব আহিল যদিও নিজস্বতা হেৰোৱাই যোৱা নাই। ❑


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। কায়স্থ পুতলী ঃ অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিবাহ পদ্ধতি

২। সেতু ঃ নিয়মীয়া বাৰ্ত্তা ২০১২


✦✦✦✦✦

# অসমীয়া লোক-সংস্কৃতিত কলগছৰ ব্যৱহাৰ আৰু উপযোগিতা

✍ নিতা মালী
*বি.এম.চি. প্ৰথম যাণ্মাষিক*

<u>আৰম্ভণি ঃ</u> অসমীয়া লোক সমাজত কলগছে এক সুকীয়া আসন অধিকাৰ কৰিছে। আমাৰ সমাজত প্ৰচলিত কিছুমান ৰীতি-নীতি, মাংগলিক কাম-কাজৰ লগতে বিভিন্ন ধৰণৰ ঔষধ, ব্যঞ্জন আদিত কলগছ ব্যৱহাৰ কৰা হয়। কলগছৰ পাত, গা-গছ, ফল আদি প্ৰতিটো অংশই আমাৰ বাবে অতিকৈ প্ৰয়োজনীয়। ভাৰতৰ সকলোবোৰ ৰাজ্যৰ লগতে অসমতো প্ৰচুৰ পৰিমাণে কল উৎপন্ন হয়। বাণিজ্যৰ ক্ষেত্ৰতো কলগছে অসমত এক সুকীয়া আসন লাভ কৰিছে বুলি কব পৰা যায়।

<u>কলৰ প্ৰকাৰ ঃ</u> অসমত প্ৰচুৰ পৰিমাণে উৎপন্ন হোৱা কলসমূহ হ'ল— আঠিয়া, মালভোগ, মনোহৰ, চেনীচম্পা, জাহাজী, পোৱা, ইত্যাদি।

<u>ব্যঞ্জন হিচাপে কলগছঃ</u> অসমীয়া সমাজত কলগছৰ বিভিন্ন অংশৰ পৰা নানা ধৰণৰ ব্যঞ্জন তৈয়াৰ কৰা দেখা যায়। কলগছৰ পৰা ওলোৱা কলডিলৰ পৰা তৰকাৰী, ভাজি আদি বনোৱা হয়। ভীমকলৰ গা-গছ ৰদত শুকুৱাই পুৰি তাৰ পৰা ওলোৱা ছাইৰ পৰা কলাখাৰ প্ৰস্তুত কৰা হয় আৰু এই কলাখাৰ বিভিন্ন ধৰণৰ ব্যঞ্জনত ব্যৱহাৰ কৰা হয়। কলগছৰ ফল অৰ্থাৎ পকা কল চালনিৰে চালি পিঠাগুৰি আৰু পানীৰে সানি কলপাতত বান্ধি পানীত উতলাই পানীপিঠা বনোৱা হয় আৰু যথেষ্ট সোৱাদযুক্ত হয়। তাৰোপৰি কলগছৰ গা-গছৰ পৰা ওলোৱা পচলাৰ পৰা নানা ধৰণৰ বাঞ্জন তৈয়াৰ কৰা হয়।

<u>মাংগলিক কাম-কাজত কলগছৰ ব্যৱহাৰ ঃ</u> অসমীয়া সমাজত উৎসৱ পাৰ্বন, পূজা, বিয়া, সবাহ, সকাম ইত্যাদিত কলগছ অপৰিহাৰ্য। এই মাংগলিক কাম-কাজত কলগছৰ পুলিৰে মণ্ডপ বা পূজাঘৰ সজা হয় আৰু মাহ, প্ৰসাদ, ভোজভাত খাবলৈ কলগছৰ পাত, দোনা আৰু চটিয়া ব্যৱহাৰ কৰা হয়। কলগছৰ দোনা আৰু চটিয়াত মাহ, প্ৰসাদ বা ভোজভাত খোৱাটো যথেষ্ট তৃপ্তিকৰ আৰু ই স্বাস্থ্যৰ বাবেও উপকাৰী হয়। দুৰ্গা পূজাৰ নৱ পত্ৰিকা পূজাত কলগছৰ স্থান শীৰ্ষত। ইয়াৰ উপৰি পূজা ইত্যাদি কাম কাজত নৈবেদ্য আদি আগলি কলপাতত আগবঢ়োৱা হয়। আগৰ দিনত বিয়া সবাহ আৰু সকাম নিকাম আদিত কলগছৰ গা-গছ আৰু পাতেৰে ৰভা দিয়া হৈছিল। বিয়া আদিত দৰা কইনাক কলগছ পুতি তাৰ গুৰিত নুওৱা হয়। তাৰোপৰি অসমীয়া সমাজত পিতৃ-মাতৃৰ মৃত্যু হ'লে পুত্ৰসকলে কলপাতত শুইছিল আৰু কলপাততে খোৱা লোৱা কৰিছিল। অৱশ্যে এই নীতি নিয়মবোৰ লাহে লাহে কমি আহিছে যদিও গ্ৰাম্য অঞ্চলত এতিয়াও এই নীতি নিয়মবোৰ প্ৰচলিত হৈ থকা দেখা যায়।

<u>ঔষধ হিচাপে কলগছৰ ব্যৱহাৰ ঃ</u> বিভিন্ন ধৰণৰ বেমাৰ আজাৰৰ ক্ষেত্ৰত কলগছক ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়। কলগছৰ বিভিন্ন অংশই ৰোগ নিৰাময় হোৱাত সহায় কৰে। যেনে— শৰীৰৰ কোনো অংগত কাটিলে বা ছালৰ ৰোগ হ'লে সেইঠাইত কলপাতৰ ৰস লগালে ভাল ফল পোৱা যায়। শৰীৰৰ কোনো অংগত বৰলে কামুৰিলে বা কাইটে বিন্ধিলে সেই ঠাইত কলপাত বটি প্ৰলেপ দিলে উপকাৰ পোৱা যায়। সেয়েহে লোক বিশ্বাস মতে কলগছক ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়।





<u>অসমীয়া সকলৰ বিহুত কলগছৰ ব্যৱহাৰ ঃ</u> অসমীয়া লোক সমাজৰ তিনিটা বিহুত কলগছৰ স্থান বিশিষ্ট। বহাগ বিহুত কলগছৰ গা-গছৰ পৰা পচলা কাটি সেই পচলাৰ পৰা ব্যঞ্জন বনাই খোৱা হয়। মাঘ বিহুত মেজি সাজিবৰ বাবে কলগছৰ শুকান পাত ব্যৱহাৰ কৰা হয়। আকৌ কাতি বিহুত চোতালৰ আগত কলগছ পুতি কলগছৰ আগত ধূপধুনা জ্বলাই নৈবদ্য আগবঢ়াই দিয়া হয়। সেয়েহে অসমীয়া সকলৰ বিহুত কলগছক অপৰিহাৰ্য অংগ হিচাপে গণ্য কৰা হয়।

<u>বাণিজ্য সম্পদ হিচাপে কলগছ ঃ</u> কলগছক অসমৰ বাণিজ্য সম্পদ হিচাপে গণ্য কৰা হয়। অসমত প্ৰচুৰ পৰিমাণে উৎপন্ন হোৱা কলবোৰ বহিঃৰাজ্যলৈ ৰপ্তানী কৰা হয়। যাৰ ফলত অসমত কলখেতি কৰা মানুহৰ আৰ্থিকভাৱে যথেষ্ট উন্নত হয়। সেয়েহে অসমক বাণিজ্য সম্পদৰ বাবে চহকী ৰাজ্য হিচাপে গণ্য কৰা হয়।

<u>সামৰণি ঃ</u> অসমৰ লোকসমাজত কলগছৰ যথেষ্ট সমাদৰ অধিকাৰ কৰিছে। কিন্তু বৰ্তমান আমাৰ সমাজৰ পৰা কলগছৰ সংখ্যা লাহে লাহে কমি আহিবলৈ ধৰিছে ফলত কলগছৰ ফল অৰ্থাৎ কলৰ সংখ্যাও কমি আহিবলৈ ধৰিছে যাৰ ফলত আজি কালি বজাৰত কিছুমান অসৎ ব্যৱসায়ী তেওঁলোকৰ আৰ্থিক লাভৰ বাবে সস্তীয়া ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰি কলবোৰ ভেজলীকৰণ কৰে আৰু বজাৰত এই কলবোৰ অধিক দামত বিক্ৰী কৰে। এই কলবোৰ খোৱাৰ ফলত আমাৰ স্বাস্থ্যত বিৰূপ প্ৰভাৱ পৰে। সেয়েহে আমি কলগছ ৰোপণ কৰিব লাগে যাতে ই আমাৰ ভৱিষ্যত জীৱনৰ পৰা আতৰি নাযায়।

সেয়েহে তাহানিতে ডাকে কলগছক পৰিচয় দি কৈছে যে—

*" তিনিশ ষাঠি জোপা ৰুৱা কল*
*মাহেকে পষেকে চিকুনাৱা তল,*
*পাত পচলা লাভতে খাবা*
*লংকাৰ বনিজ হাতেতে পাবা।"* □

✦✦✦✦✦

## কৌতুক

➤ এখন গাঁৱলৈ এজন মাছ বেপাৰী আহিল। বাটত এজন বুঢ়া মানুহ দেখি বেপাৰীয়ে সুধিলে-

‘দেউতা, চিলভাৰ কাপ ল'ব নেকি?’

বাটৰুৱা ঃ নাই নালাগে, বোপাই। আমাৰ ঘৰত ষ্টিলৰ কাপেই বহুত আছে। -বুঢ়াই উত্তৰ দিলে।

➤ শিক্ষক ঃ সম্ৰাট আকবৰ কিমান চনত সিংহাসনত উঠে?

ছাত্ৰ ঃ নাজানো ছাৰ।

শিক্ষক ঃ নাজানা কিয়? বুৰঞ্জীত এয়া নামটোৰ কাষতে চনটো দিয়া দেখা নাই?

ছাত্ৰ ঃ ছাৰ, মই সেইটো আকবৰৰ ফোন নম্বৰ বুলিহে ভাবিছিলো।

# সাতপখলী গাঁওৰ ঐতিহ্য কলা সংস্কৃতি

✍ নন্দিতা দাস
বি.এম.চি. প্ৰথম ষান্মাষিক

<u>সাতপখলী গাঁওৰ উৎপত্তি</u> **:** ঐতিহ্য কলা-সংস্কৃতি আৰু ধৰ্মৰ ফালৰ পৰা অসম ৰাজ্যৰ কামৰূপ (গ্ৰাম্য) জিলাৰ পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামপুৰ মৌজাৰ এলেকাধীন ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা প্ৰায় ১ কিঃমিঃ মান দুৰত্বত দক্ষিণে সাতপখলী গাওঁখন অৱস্থিত।

প্ৰবাদ মতে মান সকলে যেতিয়া অসম আক্ৰমণ কৰিছিল তেতিয়া কিছুলোকে নিজৰ প্ৰাণ ৰক্ষাৰ কাৰণে নিৰাপদ ঠাই হিচাপে সাতপখলী গাওঁৰ বৰভিঠা নামৰ ওখ ঠাই এডোখৰত তেওঁলোকে বসতি স্থাপন কৰিবলৈ লৈছিল। সেই কাৰণে এইলোক সকলে জীৱন নিৰ্বাহৰ বাবে খাদ্য সামগ্ৰী তৈয়াৰ কৰিবলৈ যেনে— সান্দহগুৰি, ধানৰ পৰা চাউল আদি। আৰু তেওঁলোকে ওচৰা-ওচৰিকৈ থকা সাতোটা পখলীৰে সৈতে ঢেঁকী-শাল তৈয়াৰ কৰিছিল, কালক্ৰমত সেই বৰভিঠা নামৰ ঠাই ডোখৰত জনসংখ্যা বৃদ্ধি হোৱাত এখন গাওঁলৈ পৰিণত হ'ল আৰু তেতিয়াই গোটেই মানুহবোৰ একগোট হৈ গাওঁখনৰ নামকৰণ কৰিবলৈ ইচ্ছুক কৰাত কোনো এজন ব্যক্তিৰ মনত উদয় হোৱা বৰভিঠাৰ সাতোটা পখলীৰ লগত সংগতি ৰাখি গাওঁখনৰ নাম 'সাতপখলী ৰখা হ'ল। আকৌ, পূৰ্ব্বপুৰুষ সকলৰ প্ৰবাদ মতে চান্দ সদাগৰে যেতিয়া বাণিজ্যৰ সূত্ৰে ধান বনা, সান্দহগুৰি আদি খুন্দাৰ বাবে ঢেঁকী পাতিছিল আৰু এসময়ত সেই ঢেঁকীবোৰ নোহোৱা হৈ ওচৰ-ওচৰিকৈ সাতোটা পখলী পাইছিল আৰু তেতিয়াৰ পৰাই এই গাওঁখনৰ নাম সাতপখলী ৰখা হ'ল।

<u>অতীত আৰু বৰ্তমান কালছোৱাত সাতপখলী গাওঁখন</u> **:** আজোককা-ককাৰ প্ৰবাদ মতে আদি কালত গাওঁখনৰ মানুহবোৰ অতি সহজ সৰল, মৰমীয়াল পৰিশ্ৰমী আছিল। গাওঁখনৰ বাট-পথবোৰ সুচল নাছিল। ওখোৰা-মখোৰা ৰাস্তাৰে মানুহে অহা যোৱা কৰিছিল। বাৰিষা কালত গাওঁখনৰ মানুহবোৰ যাতায়ত হিচপে নাও একমাত্ৰ বাহন আছিল। আদি কালত গাওঁখনত খেতিয়ে একমাত্ৰ জীৱন নিৰ্বাহৰ পথ আছিল। ক্ৰমান্বয়ে মানুহবোৰৰ শিক্ষিত হৈ অহাত গাওঁখন উন্নতিৰ দিশলৈ আগবাঢ়ি আহি বৰ্তমান সময়ত ভৰি দিছে। আৰু ইয়াৰ চাৰিওফালৰ ৰাস্তা-ঘাট দোকান-পোহাৰ, মন্দিৰ, নামঘৰ, বিদ্যালয়, সংঘ আদি স্থাপন কৰি অসমৰ ভিতৰত এখন লেখত লবলগীয়া গাওঁত পৰিণত হ'ল। বৰ্তমান গাওঁখনৰ পৰিয়ালৰ সংখ্যা ১০০০ টা। এই পৰিয়ালবোৰৰ মাজত একে সম্প্ৰদায়ৰ লোকসকল একগোট হৈ চুবুৰী নামকৰণ কৰিছে। বৰ্তমান অৱস্থাত গাওঁখনত ৪খন বিদ্যালয় ইয়াৰে এখন হাইস্কুল, এখন এম.ভি স্কুল আৰু আন দুখন প্ৰাথমিক বিদ্যালয়। সাতপখলী গাওঁখন অতি মনোমোহা লগতে ইয়াৰ চাৰিওফালৰ পৰিৱেশটোও অতিশয় সুন্দৰ। মানুহ বেমাৰ আজাৰত ভূগি থাকিলে তাৰ চিকিৎসাৰ বাবে এখন উপস্বাস্থ্য কেন্দ্ৰ আছে। লগতে পানী গ্ৰহণৰ বাবে আঁচনিৰ ব্যৱস্থাও আছে। আৰু দুৰ-দুৰণিৰ মানুহৰ লগত বাৰ্তালাপ কৰিবলৈ মাধ্যম হিচাপে উপ ডাক-ঘৰ আছে। বৰ্তমান গাওঁখনত অলপ বৰষুণ দিলে বাট-পথবোৰ বোকা-পানীৰে উপচি পৰি তাৰ ফলত স্কুল, কলেজ যোৱাত অসুবিধাৰ সন্মুখীন হ'ব লাগে, লগতে কৃষক সকলৰ কপালৰ ঘাম মাটিত পেলাই অতদিনৰ পৰা কৰা কঠোৰ পৰিশ্ৰমৰ ফল এটি বানপানীয়ে নিঃশেষ কৰি পেলাই ফলত খেতিয়ক সকলৰ পানীত হাঁহ নচৰা অৱস্থাৰ সন্মুখীন হয়।

<u>গাওঁখনৰ ধৰ্মীয় অনুষ্ঠান</u> **:** পোন প্ৰথমে ধৰ্মীয় অনুষ্ঠানৰ কথা কবলৈ গলে আমি আজোককাৰ দিনৰ পৰা অনুস্থিত হোৱা





ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত ৬ টা মন্দিৰ হ'ল— কালী মন্দিৰ, বিষ্ণু মন্দিৰ, শণি মন্দিৰ, শিৱ মন্দিৰ, লক্ষ্মী মন্দিৰ আৰু সৎ সঙ্গ কেন্দ্ৰ।

গাওঁবাসীয়ে প্ৰতিবছৰে ফাগুন মাহৰ অমাৱস্য তিথিৰ দিনা অমংগল, বিপদ-বিঘিনি দুৰকৰণৰ অৰ্থে শ্ৰীশ্ৰীমাকালী দেৱীৰ ওচৰত পূজা-আৰধনা কৰি অহা হৈছে। শুনিবলৈ পোৱা মতে এই পূজাখন ১০০ বছৰ পুবে আমাৰ গাওঁৰে চৌধৰী পৰিয়ালৰ লোক সকলে আৰম্ভ কৰা বুলি জনা যায়। লাহে লাহে এই পূজা খন তেওঁলোকৰ পৰা ৰাইজৰ মাজলৈ অহাত গাওঁবাসীৰ মনত ধৰ্মীয় অনুষ্ঠান হিচাপে পৰিগণিত হ'ল। সাত পখলী শ্ৰী শ্ৰীবিষ্ণু দেৱ মঠনী সংঘৰ দ্বাৰা বিষ্ণু পূজা হোম যজ্ঞ, দৌল উৎসৱ সুঁৱৰী উৎসৱ আদি। বিভিন্ন দিনত পালন কৰি অহাঁ হৈছে। সুঁৱৰী উৎসৱৰ দিনা কংস বধ আৰু ধৰ্মীয় ভাওনাৰে শ্ৰীকৃষ্ণই কেনেদৰে দুষ্টক দমন আৰু শান্তক পালন কৰিছিল তাৰ ধৰ্মীয় তাৎপৰ্য পূৰ্ণ বিষয় দাঙি ধৰা হয়। প্ৰতিবছৰে গাওঁখনত এইসুঁৱৰী উৎসৱ বহাগ মাহৰ ১২ তাৰিখে পালন কৰা হয়।

সৎসঙ্গ কেন্দ্ৰ অনুকূল মন্দিৰটো ২০১০ চনত স্থাপিত হৈছিল। এই অনুকূল ধৰ্মাঅৱলম্বী লোক সকলে বহু বছৰ ধৰি তেওঁলোকৰ নেৰা-নেপেৰা প্ৰচেষ্টাত এই মন্দিৰটো গঢ়ি উঠে। এই মন্দিৰটোত প্ৰতিবছৰে কেইবাটাও উৎসৱ পালন কৰা হয়। প্ৰতিদিনে পুৱা-গধূলি নাম প্ৰসংগ, কীৰ্তন, ধৰ্মীয় আলোচনা আদি কৰা হয়। প্ৰতিবছৰে ভাদ্ৰ মাহৰ দিনাখন 'তালনবামী' উৎসৱটি অতি ধুম-ধামেৰে উদযাপন কৰে। মন্দিৰটো চাবলৈ বহু দুৰ-দুৰণিৰ পৰা মানুহ আহে। ইয়াৰ লগতে ওচৰ-চুবুৰীয়াৰ মানুহ খিনিক এটা ধৰ্মীয় বাৰ্তা প্ৰেৰণ কৰায়।

শ্ৰীশ্ৰীলক্ষ্মীদেৱীৰ পূজা-অৰ্চনা প্ৰতিবছৰে শাৰদীয়া দুৰ্গোউৎসৱৰ পিছৰ লক্ষ্মী পূৰ্ণিমাৰ তিথিত পালন কৰা হয়। এই পূজাখন গাওঁখনৰ কৃষ্ণক বনুৱা সকলে লগ-লাগি গাওঁখনৰ মধ্যস্থ ঠাই বাগিছা পাৰাত উৎযাপন কৰে।

শ্ৰীশ্ৰীমহাপ্ৰভু শণিদেৱৰ মন্দিৰটি বিষ্ণু মন্দিৰৰ গেটৰ সন্মুখৰ প্ৰধান চ'কত অৱস্থিত। এই মন্দিৰটোত গাওঁবাসীৰ কল্যাণৰ হকে শণিদেৱৰ কু-দৃষ্টিৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰতিশণিবাৰে মন্দিৰটোত পূজা অৰ্চনা কৰে।

শিৱ মন্দিৰটো ১৯৯১ চনৰ মে' মাহত স্বৰ্গীয় শিৱৰাম নাথ আৰু তেওঁ সহযোগী নগেন ঠাকুৰীয়াৰ তত্বাবধানত এই শিৱ মন্দিৰটো স্থাপন কৰা হয়। এই মন্দিৰটোত প্ৰতিবছৰে গোটেই ৰাইজ মিলিত হৈ শিৱৰাত্ৰি উৎসৱ পালন কৰে।

এই মন্দিৰ কেইটাৰ লগতে গাওঁখনত বিভিন্ন খেলীয়া ৰাইজৰ বহুকেইটা নামঘৰ আছে। সেইকেইটা হ'ল— মালীপাৰা নামঘৰ, হীৰাপাৰা নামঘৰ, কৈৱৰ্ত্তপাৰা নামঘৰ, বৰদেৰীয়া পাৰা নাম ঘৰ, আদি। এই নামঘৰ কেইটাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ তীৰভাৱে তিথিত গাওঁখনৰ খেলীয়া ৰাইজ বহি ধৰ্মীয় আলোচনাৰ মাজেৰে নাম প্ৰসংগ কৰি উৎসৱ পালন কৰে।

*আমাৰ গাওঁখন কলা-সংস্কৃতি ধৰ্মীয়ভাৱ*
*ধাৰাৰ মাজেৰে নানা বাধা বিঘিনি নেডচি এই*
*বৰ্তমান অৱস্থাত উপনীত হৈছে। এই অৱস্থাত*
*উপনীত হবলৈ অতীত আৰু বৰ্তমানৰ কিছুমান*
*আগবঢ়ীয়া ব্যক্তিৰ আশা সুদিয়া প্ৰচেষ্টাৰ*
*কথা মনলৈ আহে সেই ব্যক্তি*
*সকলোক শ্ৰদ্ধাৰে সোঁৱৰি গাওঁখনৰ উন্নতিৰ*
*কামনাৰে সামৰণি মাৰিলো।* ❑

✦✦✦✦✦

## আদৰ্শ বাণী

➢ তুমি যদি নিজৰ সমস্যাৰ কথা ভাবা তেন্তে ভাল সংগ লোৱা, নহ'লে অকলে থকাই ভাল।

— ৱাশ্বিংটন

➢ তোমাৰ ভোটটো এনে এজন মানুহক দিবা যিজনে আটাইতকৈ কম প্ৰতিশ্ৰুতি দিয়ে। তেনে মানুহে তোমাক নিৰাশ নকৰে।

— বাৰ্ণাৰ্ড বাৰুখ

# ৰজাৰ ইতিবৃত্ত

✍ জুতিকা শৰ্মা
স্নাতক, পঞ্চম যাণ্মাষিক

দক্ষিণ কামৰূপৰ বিভিন্ন সত্ৰসমূহৰ ভিতৰত এখন সু-প্ৰসিদ্ধ সত্ৰ হ'ল ৰাজাপুখুৰী সত্ৰ। এই সত্ৰখনৰ পূৰ্বৰ এটি মনোৰম কাহিনী জড়িত হৈ আছে ৰজাই খন্দা পুখুৰীটোৰ বিষয়ত। গুৱাহাটীৰ পৰা প্ৰায় ৩০ কিঃমি পশ্চিমে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ১কি.মি উত্তৰে ৰাজাপুখুৰী গাওঁত থকা এই সু-প্ৰসিদ্ধ সত্ৰখন। বিভিন্ন সম্প্ৰদায়েৰে সামৰা আৰু বহুতো পৌৰাণিক তথ্যৰে সমৃদ্ধ এটা সু-বৃহৎ অঞ্চল। এই অঞ্চলটো সামাজিক, ভৌগলিক, সাংস্কৃতিক আৰু বাণিজ্যিক আদি দিশৰ পৰাও অতি গুৰুত্বপূৰ্ণ।

প্ৰবাদতে কেইবা শ বছৰ আগতে ৰজা আৰিমত্তই ২০ পুৰা মাটিত পুখুৰী খান্দিছিল। পাৰৰ সৈতে ইয়াৰ আয়তন ১০০ বিঘা। স্থানীয় বয়োবদ্ধ মানুহে এই পুখুৰীটো ৰজা আৰিমত্তই খন্দা বুলি প্ৰবাদ আছে। এই পুখুৰীটো খন্দা বিষয়ত এটি মনোৰম কাহিনীও জড়িত হৈ আছে। এই কথা সত্য বুলি প্ৰতিপন্ন হয় যে ৰজা আৰিমত্তৰ সময়ত ৰাজ্যত অতি খৰাং আৰু পানীৰ আকাল হৈছিল। সেই সময়তে ৰজাই পুখুৰীটো খান্দিছিল যদিও এই পুখুৰীটোৰ পৰা পানী ওলোৱা নাছিল। ৰজাই অশেষ কষ্ট কৰিলে যদিও ৰজা সাৰ্থক হোৱা নাছিল। বিভিন্ন ব্ৰাহ্মণ, অধ্যাপক, পুৰোহিতে হোম, যাগ-যজ্ঞও কৰিলে যদিও তেওঁলোকও সাৰ্থকতা লাভ কৰিব পৰা নাছিল। সেই সময়তে ৰজাক ৰাতি সপোনত দেখুৱালে যে তেওঁৰ সৰু ৰাণী গৰাকীক পুখুৰীত দিলে পুখুৰীৰ পৰা পানী ওলাব। ৰজাৰ ৰাণী গৰাকীক পুখুৰীত দিলে পুখুৰীৰ পৰা পানী ওলাব। ৰজাৰ দুগৰাকী ৰাণীৰ ভিতৰত সৰু ৰাণীক তেওঁ বেছি ভাল পাইছিল আৰু সৰু ৰাণীকে পুখুৰীত দিছিল একমাত্ৰ সমাজৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত। পানীৰ আকালত শ শ মানুহৰ মৃত্যুৰ মুখৰ পৰা প্ৰাণ ৰক্ষা কৰিছিল। শেষত ৰজাই পুখুৰীৰ পৰা পানী পাইছিল। প্ৰবাদমতে এই পুখুৰীটোৰ নামকৰণ কৰিছিল এজন গৰখীয়া লৰাই। গৰু চৰাবলৈ আহি এই বৃহৎ পুখুৰীটো দেখি কব নোৱাৰাকৈয়ে তাৰ পৰা "বাপৰে কি ডাঙৰ পুখুৰী, ৰাজাপুখুৰী" এই শব্দ কেইটা কৈছিল আৰু তাৰ এই কথাখিনিকে ভিত্তি কৰি পুখুৰীটোৰ নাম ৰাজাপুখুৰী ৰাখিছিল। পুখুৰীটোৰ নামৰ দ্বাৰা গাওঁখনৰ নামো ৰাজাপুখুৰী হৈছিল।

এই পুখুৰীৰ দাতিতে আছে সতীৰ সতীত্বৰে মহিমা মণ্ডিত সতীৰ থান মন্দিৰ। এই মন্দিৰৰ উদ্ভৱৰ কাৰণ এতিয়াও গাওঁৰ প্ৰতিজন মানুহৰ মুখে মুখে প্ৰচলিত। উল্লেখযোগ্য যে সেই সময়তে উত্তৰ পাৰৰ বামুণী চিৰহেতী নামৰ ঠাইখনৰ পৰা সেই সময়ত শৰণ কৰা গোসাই বলাদেৱ গোস্বামী ৰাজাপুখুৰী গাওঁত থকা তেওঁৰ শিষ্যসকলৰ ঘৰলৈ আহিছিল। সেই সময়ৰ পৰম্পৰা মতে হিন্দু ধৰ্মত শৰণ হোৱা পৰম্পৰা প্ৰচলিত। গোসাই এই গাওঁলৈ শৰণ কৰিবলৈ আহিছিল যদিও তাৰ কিছুদিন পিছত তেওঁৰ মৃত্যু হৈছিল। উল্লেখযোগ্য যে সেই সময়তে তেওঁৰ পত্নীৰ সকলো আ-অলংকাৰ খুলি গৈছিল। তেতিয়া তেওঁ কিবা বিপদৰ উমান পাই তেওঁৰ শাহুৱেকৰ আগত কলে যে তেওঁৰ স্বামীৰ কিবা অঘটন ঘটিছে সেয়ে তেওঁক যাবলৈ অনুমতি দিব লাগে। প্ৰথমে তেওঁৰ কথাত শাহুৱেকে অস্বীকাৰ কৰিছিল যদিও পিছত যাবলৈ অনুমতি দিছিল। উল্লেখযোগ্য যে গোসাইৰ পত্নীয়ে উত্তৰ পাৰৰ পৰা দক্ষিণ পাৰ হৈছিল ব্ৰহ্মপুত্ৰ নদীৰ ওপৰেৰে এখন আগলতি কলপাতেৰে। সেয়াই তেওঁৰ প্ৰথম সতীত্বৰ প্ৰমাণ আছিল। এনেদৰে আহি তেওঁ এই গাওঁখন পাইছিল। কিন্তু সেই সময়ত তেওঁৰ স্বামীক স্থানীয় লোকে শ্মশানলৈ নিছিল যদিও গোসাইৰ অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰাৰ আগতেই তেওঁ আহি পাইছিল। কিন্তু তেওঁৰ পত্নীয়ে তেওঁকো গোসাইৰ লগতে একেখন চিতাতে অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰিবলৈ অনুৰোধ কৰিছিল। কিন্তু স্থানীয় লোকে তেওঁ কথাত অমান্তি হৈছিল আৰু তেওঁক সতীত্বৰ প্ৰমাণ দিবলৈ কৈছিল। তেওঁৰো নিজকে সতীত্বৰ প্ৰমাণ দিছিল কেইটামান অবান্তৰ আৰু অসম্ভৱ কথাৰে। দেখাত অবান্তৰ বা অসম্ভৱ হলেও সেয়াই সত্য বুলি প্ৰবাদ আছে। প্ৰথম প্ৰমাণ দিছিল ওচৰতে থকা ৰাজাপুখুৰীৰ পানীৰ তলৰ এটা সোণৰ পোলোঙাৰে এক পোলোঙী পানী আনি ৰাইজৰ আগত দেখুৱাইছিল। দ্বিতীয় প্ৰমাণ দিছিল পানীৰ তলৰ পৰা একঠোক কল আনি ৰাইজৰ আগত দেখুৱাই। তৃতীয় প্ৰমাণ দিছিল সেই পুখুৰীৰ পৰাই ধানৰ গজালি আনি ৰাইজৰ আগত নিজৰ সতীত্বৰ প্ৰমাণ দিছিল। ইয়াৰ দ্বাৰাই তেওঁৰ সতীত্বৰ প্ৰমাণ পাই আৰু তেওঁৰ অনুৰোধ মৰ্মে তেওঁক গোসাইৰ লগতে একোখন চিতাতে তেওঁলোকৰ অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰে। তাৰ পিছতে সেই ঠাইখিনিতে এটা মাটিৰ ভিঠাৰ সৃষ্টি হয়। সেই ভিঠাটোকে তেতিয়াৰ পৰা বৰ্তমানলৈকে সতীৰ থান মন্দিৰ হিচাপে পালন কৰি আহিছে। প্ৰতিদিনে পুৱা-গধূলি ধূপ-চাকি জ্বলাই। ইয়াৰ উপৰিও গাওঁ তথা বহু দূৰ-দূৰণিৰ পৰা এই থানলৈ ভোগ-প্ৰসাদ লৈ মানুহৰ সমাগম। প্ৰতিদিনে মানুহৰ সমাগম হোৱা দেখা যায়।

এই গাওঁ তথা সত্ৰখনৰ উল্লেখনীয় নিদৰ্শন ৰজাৰ মহত্ত্বৰে খন্দা ৰাজাপুখুৰী আৰু সতীৰ মহত্ত্বৰে থকা সতীৰ থান মন্দিৰ। এই নিদৰ্শন সমূহ গাওঁৰ প্ৰতিজন মানুহৰ মনত লিপিবদ্ধ। গাওঁৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰতিজন মানুহেই এই সমূহৰ নিদৰ্শন বুলি কব পৰা যায়। ❑

✦✦✦✦✦

*নিচেই ওচৰত থিয় কৰাই লৈ মৌজোদাৰ দেউতাই কয়, "ধনী, ৰূপেক তই লৈ গ'লে অকল আমাৰেই যে ভাল হ'ব এনে নহয়, তইৰ নিজৰো ভাল হ'ব। তই ভালদৰে থাকিব পাৰিব, অৱশ্যে অলপ বুধিৰে চলিব লাগিব। আৰু তই যদি মন কৰ তোৰো কম লাভৰ কথা নহ'ব। ঘৰ-সংসাৰৰ ভাৰ লৈছ যেতিয়া তিৰোতা এজনী নহ'লে কেনেকৈ চলিবি?"*

✦ ✦ ✦ ✦ ✦

*"ঘৰৰ পদুলিত ঘোঁৰা-গাড়ী এখন ৰৈ আছিল। আন্ধাৰত থিয় হৈ আছিল বৰ বোপা। গাড়ীৰ দুৱাৰখন খুলি সি ৰূপেক উঠিবলৈ দিয়ে। তাৰ পিছত সিও উঠি দুৱাৰ মাৰি দিয়ে। বৰ বোপাই যোৱা বুলি কোৱাত কাচোৱানে গাড়ীখন চলাই দিয়ে। সি বৰ বোপাক মাত লগাবলৈ পাহৰিলে। সি ভাবিছিল ঃ এদিন মদাৰ তলত পাণ বোটলোঁতে সি ৰূপেক ঘোঁৰা-গাড়ীত পলুৱাই নিম বুলি চুপতি কৰি কৈছিল।"*

*— কলপটুৱাৰ মৃত্যু ঃ যোগেশ দাস*

# বিহুৱতীৰ খোপা শুৱনি কৰা কপৌফুল

✍ অনুপ্ৰভা নাথ
স্নাতক, পঞ্চম যান্মাসিক

*"শীতৰ অন্তত আকৌ আহি*
*নিলাজী ফাগুন*
*ব'হাগী বিহু কপৌফুল*
*কুলি-কেতেকীৰ গানৰ শৰাই।*
*আকৌ আহিবা দিখৌত বান।।"*



কবি-সাহিত্যিক হেম বৰুৱাই সচাঁ অৰ্থতে যেন এই কবিতাফাঁকি লিখিছে। শীতৰ শেষত প্ৰকৃতিৰ বুকুলৈ সজীৱতাৰ অফুৰন্ত বতৰা লৈ আগমন ঘটে বসন্তৰ। নিলাজী ফাগুনে লঠঙা গছবোৰত এক সেউজীয়াৰ সমাবেশ। কুলি-কেতেকীৰ সুৰীয়া মাতে আৰু কপৌফুলে সকলোকে বহাগ অহাৰ বাতৰি দিয়ে। মানুহৰ মন আনন্দৰে ভৰি পৰে। ফাগুনৰ উৰুঙা বতাহৰ আঁচল এৰি বতৰে গম্ভীৰ ৰূপ লয়। আৰু কেতিয়াবা একো জাননী নিদিয়াকৈ মূষলধাৰে পৃথিৱীলৈ নামি আহে দোপালপিটা বৰষুণ। হেমন্তই লঠঙা কৰি যোৱা গছৰ ডালত পানী পাই কুঁহিপাত মেলে। বসন্তৰ পৰশত গছ-বন ফুলেৰে জাতিষ্কাৰ পৃথিৱীলৈ ৰূপান্তৰ হয়।

ফুলৰ সৌন্দৰ্য্যই মানুহৰ মনলৈ আনি দিয়ে কোমলতা, প্ৰেৰণা আৰু অনাবিল আনন্দ। ফুলৰ প্ৰতি মানৱ জাতিৰ আগ্ৰহ, আকৰ্ষণ এক সহজাত প্ৰবৃত্তি। অসমীয়া সমাজত ফুলৰ আদৰ অসীম। ফুলৰ নামেৰে মানুহৰ নাম ৰাখে, পুৰণি ধৰ্মপুথি 'কীৰ্ত্তন'টো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ফুলৰ নাম উল্লেখ কৰি গৈছে। বিয়ানাম, আইনাম, ধাই নাম, নিচুকণি গীত আদিতো বিভিন্ন ফুলৰ নাম উল্লেখ পাওঁ। ফুলৰ নামেৰে অসমীয়া বিহু নামবোৰত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। তাৰ ভিতৰত অন্যতম হ'ল কপৌফুল। ব'হাগৰ বতৰত ফুলি উঠা এই ফুলে অসমীয়া লোকক যেন সোঁৱৰাই দিয়ে বিহুৰ বতৰা। ৰমকজমক বিহুটিক আদৰিবলৈ যেন সুৱা গুৰি তুলিছেহি প্ৰকৃতি ৰাণীয়ে। ঋতুৰাজ বসন্তৰ বতৰাই পাই আগতীয়াকৈ আকাশ ৰঙাই ফুলি উঠিছে পলাশ, শিমলু-মদাৰ ফুলিছে নাহৰ, তগৰৰ দৰে সুবাসিত ফুলবোৰে দিয়েহি বহাগৰ বতৰা।

'কপৌফুল' যাৰ উপস্থিতিয়ে সকলো তল পেলাই বিহু অহাৰ কথা ঘোষণা কৰে। অইন গছৰ গাত ভেজা দি ফুলি উঠা কপৌফুলপাহ অসমীয়া জাতীয় জীৱনৰ উচ্ছাস বিজড়িত ৰঙালী বিহুটিৰ সৈতে সম্পৰ্কিত এটি নাম। অতীজত শকুন্তলা, দ্ৰৌপদী, সীতাৰ পৰা আৰম্ভ কৰি আমাৰ চহৰীয়া গাৱঁলীয়া ৰহদৈ, বগীতৰা, তৰামাই আদিৰ খোপাৰ সৌন্দৰ্য্যবৰ্ধন কৰাই হ'ল কপৌফুলৰ কাম। কপৌফুলক স্থানীয় ভাৱে 'গেজেং ফুল' বুলিও কোৱা হয়। সেয়েহে বিহুগীতত গাই—

*'কিনো ঐ আমোলমোল*
*খোপাতে গেজেংফুল*
*হাতত জেতুকাৰ বোল......"*





বিহুৱতীৰ কলডিলীয়া খোপা শুৱনি কৰি থকা কপৌফুল অসমীয়াৰ অতি আদৰৰ আৰু চেনেহৰ। বিহুৰ মাজেৰে থকা নাচনীজনীৰ খোপাত কপৌফুল নাথাকিলে নাচনীৰ সাজোনেই যেন আধৰুৱা লাগে।

বিহুগীতত নহ'লে জানো গাই—

*"পকি নেমুটেঙা সৰিল*
*বহীয়া নাহৰফুলপেলাওঁ দলি মাৰি*
*কপৌফুলৰ জেউতি চৰিল।"*

বিহুৱা ডেকাই পাহাৰ বগাই নাচনীলৈ কপৌফুল বিচাৰি আনিছিল অতীজতে। নাৰীৰ সৌন্দৰ্য্য দুগুণে চৰাবলৈকে যেন কপৌফুলৰ জন্ম। বিহুনাম-বনঘোষাতো এক সুকীয়া স্থান দখল কৰা এই বিচিত্ৰ ফুলপাহৰ ৰূপ। পৃথিৱীত পোৱা প্ৰায় বিশ হাজাৰ প্ৰজাতিৰ অৰ্কিডৰ ভিতৰত কপৌফুল অন্যতম। অসমৰ হাবিত সততে দুটা প্ৰজাতিৰ কপৌফুল পোৱা যায়। সেয়া হ'ল— ৰাইনোকোষ্টাইলিছ ৰেটুছা আৰু ৰাইনোকোষ্টাইলিছ ডিস্কিফ্লোৰা।

কপৌফুল পৰাশ্ৰয়ী উদ্ভিদ হ'লেও ই পৰজীৱী নহয়। এই স-পুষ্পক আৰু একবীজপত্ৰী উদ্ভিদ। ইহঁতে আশ্ৰয়ী গছৰ কোনো দিনে ক্ষতি নকৰে। ইহঁতে বায়ুমণ্ডলীয়া শিপাৰ জৰিয়তে প্ৰয়োজনীয় অক্সিজেন, নাইট্ৰজেন আৰু কাৰ্বন-ডাই-অক্সাইড আদি গেছ আহৰণ কৰি নিজৰ আহাৰ নিজে প্ৰস্তুত কৰি লয়।

একোপাহ কপৌফুল দীঘল ঠাৰি একোটাত ঘনকৈ ফুলে বাবে দেখাত বৰ শুৱনি। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত বিশেষকৈ অৰুণাচলৰ কামেং আৰু টিৰাপ জিলাত ব্যৱসায়িক ভিত্তিত অৰ্কিডৰ খেতি কৰা হৈছে।

বসন্তকালৰ প্ৰতীক স্বৰূপ এই কপৌফুলপাহ বসন্ত কালতহে ফুলে। ডাঠ হাবিৰ মাজৰ পৰা আদিম কালত কোনে আনি নাচনীৰ খোপা শুৱনি কৰিলে সেয়া এক আশ্চৰ্য্যৰ বিষয়। ৰঙালী বিহুৰ আগমনৰ বতৰা অনা এই কপৌফুলপাহ আমাৰ সদায়েই আদৰৰ। ইয়াৰ ঔষধি গুণো আছে। জনবিশ্বাস অনুসৰি বিহুৰ উৰুকাৰ দিনা পুৰা কপৌফুলৰ শিপাৰ ৰস খুন্দি খালে হাড়ৰ বেমাৰ ভাল হয়। বনৰ এপাহি ফুল, আমাৰ সাংস্কৃতিক জীৱন প্ৰতীক হৈ পৰিল। ৰঙালী বিহুৰ আনন্দ সম্পূৰ্ণৰূপে উপভোগ কৰিবলৈ কপৌফুল পাহৰ উপস্থিতি অনস্বীকাৰ্য্য। পৃথিৱীখনৰ যিমান পৰিবৰ্তন হ'লেও কপৌফুলৰ মৰ্য্যদা অসমীয়া সমাজত সদায় বৰ্তি থাকিব।

বৰ্তমান অৰণ্যবোৰ কমি যোৱাৰ বাবে কপৌফুলৰ উৎপাদন হ্ৰাস পালেও কিন্তু অসমীয়া জাতিৰ মনৰ অৰণ্যখনত কপৌফুলপাহৰ আদৰ চিৰদিন চিৰকাল থাকিব আৰু মনৰ ফুলনিত ফুলি ৰ'ব। ❑

✦✦✦✦✦

*"বিয়া পবিত্ৰ, সৃষ্টিধৰ্ম ৰক্ষাৰ প্ৰয়োজনীয় অনুষ্ঠান। সেয়ে কৃষি আৰু বিয়াৰ লোকাচাৰসমূহত উৰ্বৰা-বিশ্বাসৰ প্ৰভূত প্ৰভাৱ অনুভূত হয়। মংগোলীয় সমাজত নাৰীৰ মূল্য অধিক, যিহেতু নাৰী সৃষ্টিধৰ্মীতাৰ প্ৰতীক। নাৰী কেৱল সন্তানদাতৃ মাতৃয়েই নহয়, পথাৰৰ, কৃষি কৰ্মৰো সহকাৰিণী। সেয়েহে গা-ধনৰ ব্যৱস্থা। দৰাই গা-ধন দিব লাগে। ধনৰ সলনি মেথন, গাহৰি, অন্যান্য সম্পদ দিয়াৰো নিয়ম।"*

*— অসমৰ সংস্কৃতি ঃ লীলা গগৈ*

# নাৰী আৰু সামাজিক নিৰ্যাতন

✍ বনস্মিতা ঠাকুৰীয়া
স্নাতক, পঞ্চম ষান্মাষিক

যেতিয়াৰ পৰাই পৃথিৱীত জীৱৰ সৃষ্টি হৈছে তেতিয়াৰ পৰাই উচ্চ-নীচৰ মনোভাৱ গা কৰি আহিছে। আৰু উচ্চ-নীচৰ বলি হৈছে নাৰী সমাজখন। এইটো ঠিক যে যেতিয়া অন্যায়ৰ সৃষ্টি হয় তেতিয়াই জন্ম হয় বিপ্লৱৰ। সেয়েহে মহিলাসকলৰ ওপৰত চলোৱা নিৰ্যাতনৰ ওপৰত বহুজনে বহুধৰণৰ বিৰোধ কৰি আহিছে। ইয়াৰ ফলস্বৰূপে আইন আৰু সংবিধানে মহিলা সকলক পুৰুষৰ সমতুল্য জ্ঞান কৰিছে যদিওঁ সম্পূৰ্ণ সমাজখনে কৰা নাই। আদিমযুগৰ পৰাই নাৰীসকলৰ ওপৰত নানা অত্যাচাৰ চলি আহিছে। কোনো এটা ক্ষেত্ৰত নাৰী সমাজখনে স্বাধীনভাৱে চিন্তা কৰিব নোৱাৰে। বিয়াৰ আগতে মাক-দেউতাক, ককায়েক আদিৰ কথামতে চলিব লাগে বিয়াৰ পিছত স্বামী, শাহু, শহুৰ আদিৰ মতে চলিবলগীয়া হয় বিশেষকৈ গাওঁৰ ছোৱালীসকলৰ বিষয়ে ভাৱিলে বৰ দুখ লগীয়া। "জীৱনৰ মুল ভেটি হৈছে শিক্ষা"। শিক্ষা অবিহনে জীৱনৰ কোনো অৰ্থ নাই। এজন নিৰক্ষৰ আৰু এজন পংগু মানুহৰ মাজত প্ৰভেদ কোনো নাই। কিন্তু এই কথা গাৱলীয়া সমাজখনে নুবুজে। গাওঁৰ মানুহে এইটোৱে জানে যে ছোৱালী পৰৰ ঘৰৰ স্ত্ৰী আৰু বিয়াৰ পিছত ৰান্ধনী ঘৰহে চম্ভালিব লাগিব। গতিকে লিখা পঢ়াৰ অৰ্থ কি? তেওঁলোকে এইটো নুবুজে যে ছোৱালী এজনীয়ে বিয়াৰ পিছত ৰান্ধনী ঘৰৰ লগতে সমস্ত ঘৰখনৰে দায়িত্ব গ্ৰহণ কৰিব লগা হয়। যদিহে তাই সমাজখনক নুবুজে, নিজৰ দায়িত্বৰ কথা নুবুজে ঘৰখনৰ মানুহৰ মনবোৰ নুবুজে তাই ঘৰখনৰ লগত মিলিব পাৰিব বা সেইখন ঘৰত সুখী হব পাৰিবনে? নোৱাৰে, কাৰণ এই প্ৰয়োজনীয় জ্ঞানখিনি এজনী ছোৱালীয়ে তেতিয়া পায় যেতিয়া ছোৱালী জনীক শিক্ষা দিয়া হয়। যদিহে ছোৱালী এজনীক প্ৰয়োজনীয় শিক্ষা দিয়া নহয় তেতিয়াহ'লে ছোৱালীজনী কেতিয়াওঁ স্বাধীন ভাৱে কোনো কথা ভবা চিন্তা কৰিব নোৱাৰিব আৰু ছোৱালীবোৰক অন্ধবিশ্বাসে বিপথগামী কৰি তুলিব। তেওঁলোকে কেতিয়াওঁ পোহৰলৈ আহিব নোৱাৰিব আৰু লগতে সমাজখনওঁ প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰিব। গতিকে আমি ভালদৰে ভাবি চালে বুজিব পাৰিম যে ছোৱালীবোৰক নিৰক্ষৰ কৰি ৰখাতো নাৰীৰ ওপৰত এটা মানসিক নিৰ্যাতন। আনহাতে, বৰ্তমান যুগৰ আটাইতকৈ চিন্তাৰ বিষয় হৈ পৰিছে যৌতুক প্ৰথা। যৌতুক বুলিলে আমি জানো যে ছোৱালীৰ বিয়াৰ সময়ত অভিভাৱকে দৰা ঘৰৰ দাবী মানি লৈ সমাজৰ কু-প্ৰথা। কাৰণ যৌতুকৰ নামত বলি হৈছে নিৰ্দোষী পত্নীৰ আৰু যৌতুকৰ বাবে বহুতো অভিভাৱকে ছোৱালীক বিয়া দিব নোৱাৰি আৰু সময়ত এটা ডাঙৰ সমস্যা হৈ পৰে। অভিভাৱক সকলে ভাৱে যে ছোৱালীবোৰ তেওঁলোকৰ বাবে এটা ডাঙৰ "বোজা" ইয়াৰ বাবে ভংগ হৈ পৰে মনৰ শান্তি। সৃষ্টি হয় এটা অশান্তিৰ পৰিবেশ।

যদিহে যৌতুক দিয়াৰ প্ৰতিশ্ৰুতিৰে ছোৱালী বিয়া দিয়া হয় আৰু বিয়াৰ পিছত সেই যৌতুক দিব নোৱাৰে বা তাৰ পৰিমাণ কমি যায় তেতিয়া হ'লেওঁ আৰম্ভ হয় বোৱাৰী এজনীৰ ওপৰত অত্যাচাৰৰ তাণ্ডৱ নৃত্য। ইয়াত অন্তৰ্ভূক্ত হয় স্বামী, শাহু, শহুৰৰ লগতে অন্য সম্বন্ধীয় লোক। যৌতুকৰ বাবে এগৰাকী নৱ-বিবাহিতা পত্নীয়ে গা পাতি লবলগীয়া হয় শাৰীৰিক আৰু মানসিক বহুতো নিৰ্যাতন। যাৰ ফলস্বৰূপে বহুতো জীয়ৰী বোৱাৰীয়ে স্বামী গৃহ ত্যাগ কৰে লগতে যৌৱনৰ পাতনি বেলাত মৃত্যুক সাৱটি লবলগীয়া হৈছে। বিবাহিত নাৰীৰ বাবে এয়াজানো উপহাৰ? নে অভিশাপ? আনহাতে, যৌতুক প্ৰথাই এফালে নাৰী সকলক মৰ্যদা হানী কৰিছে আৰু অনফালে পুৰুষসলকৰ মানৱতা ধ্বংস কৰিছে। গতিকে সময় থাকোতে আমি আটায়ে মিলিজুলি যৌতুকৰ দৰে এনে কু-প্ৰথাবোৰ সমাজৰ পৰা





দূৰ কৰাৰ চেষ্টা কৰিব লাগে। নহ'লে যৌতুকৰ এই বিষাক্ত শিপাই চৌদিশে জ[illegible] দিব ব্যাভিচাৰ আৰু দুৰ্নীতি। বিবাহৰ দৰে পবিত্ৰ সম্বন্ধ এটা সময়ত হৈ পৰিব ব্যৱসায়িক সম্বন্ধ। যদিহে যৌতুকৰ নামত এনেদৰে এচাম স্বাৰ্থ লোভীৰ হাতত নাৰী সমাজখন বলি হৈ থাকে তেতিয়াহলে এদিন নিঃশেষ হব পৃথিৱীৰ পৰা নাৰীজাতিৰ ধ্বংসৰ লগে লগে সমগ্ৰ মানৱজাতিৰ ধ্বংস হব।

গতিকে স্বেচ্ছাসেৱী অনুষ্ঠান, ৰাজনৈতিক দল, ছাত্ৰ সংগঠন সাহিত্য সভা আদিয়ে যৌতুক প্ৰথাৰ বিৰুদ্ধে জনমত সৃষ্টি কৰি যৌতুক সম্পৰ্কীয় অপৰাধীক কি কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আনহাতে, আমাৰ দেশৰ চৰকাৰে মহিলাসকলৰ নিৰাপত্তাৰ বাবে যিবোৰ আইন প্ৰণয়ন কৰিছে তাৰ কাৰ্যকৰিতাৰ ওপৰত উপযুক্ত গুৰুত্ব দিব লাগে। ☐

✦✦✦✦✦

# নাৰী

✍ মন্দিৰা মালী
স্নাতক, প্ৰথম ষান্মাষিক

নাৰী আৰু পুৰুষ এখন সমাজৰ এক অবিচ্ছেদ্য অংগ। এটা মূদ্ৰাৰ ই পিঠি আৰু সি পিঠি। এখন সমাজ আগবাঢ়িবলৈ হ'লে পুৰুষ আৰু নাৰী দুয়োজনৰে সমানে গুৰুত্ব থাকে। কিন্তু আজিৰ সমাজত নাৰীয়ে সমান মৰ্যদা, সমান গুৰুত্ব লাভ কৰিছেনে? নাৰীৰ মাজতসকলো গুণকে দেখা যায়। যেনে— ধৈৰ্য্য, ক্ষমা, সহনশীলতা, মমতা, ত্যাগ, মাতৃত্ব আৰু সহযোগিতা। কিন্তু আজিকালি আধুনিক সমাজখনত নাৰীক এতিয়াও গুৰুত্ব দিয়া হোৱা নাই। বলাৎকাৰ, ধৰ্ষণ, হত্যা, যৌতুক দাবী আদি ঘটনাবোৰে আজিৰ সমাজখন নাৰীক যে গুৰুত্ব দিয়া হোৱা নাই তাৰেই এক প্ৰমাণ। আগৰ দৰে আজিৰ সমাজতও নাৰী সম্পৰ্কে যিবোৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বাধা-নিষেধ আদিৰ চৰ্চা এতিয়াও হৈ আছে, কিন্তু এইবোৰ পুৰুষৰ ক্ষেত্ৰত দেখা নাযায়। সাহিত্যৰ সৃষ্টি হোৱাৰ পৰাই নাৰীক ডাক-বচন আৰু ফকঁৰা যোজনাৰ মাজেৰে অপমানিত কৰি আহিছে। উদাহৰণ স্বৰূপে কেইটামান ডাক-বচন হ'ল 'লাও যিমান ডাঙৰ হ'লেও সদায় পাতৰ তল," তিৰীমিৰি ভাটো কোৱা এই চাৰি জাতিৰ আঁসে নোপোৱা,'নদী, নাৰী, মৃংগধাৰী এই তিনিক বিশ্বাস নকৰিব।"

সমাজৰ বিভিন্ন দোষ সমূহ নাৰীৰহে মূৰত পৰিছে। যেনে বাল্য বিবাহ, বিধৱাৰ, আজীৱন, ব্ৰহ্মচৰ্য পালন, সতী দাহ প্ৰথা আদি ভাৰতীয় সমাজৰ কু-সংস্কাৰৰ বলি কেৱল মাত্ৰ নাৰীসকলেহে হয়। সমাজ এখন সুস্থ ৰখাত সহায় কৰে কেৱল নাৰীয়ে। এগৰাকী নাৰীয়ে এজন পুৰুষকো জন্ম দিয়ে। এই কথাতো পুৰুষসকলে জনা উচিত। নাৰী সম্পৰ্কে বিভিন্ন মহান ব্যক্তিয়ে বিভিন্ন উক্তি দাঙি ধৰিছে। শংকৰদেৱে কৈছিল নাৰী-পুৰুষ হৈৱা একমতি, তেহে সিজিব ভাত মুঠি।' মহাত্মা গান্ধীয়ে কৈছিল, 'নাৰী শিক্ষিত হ'লেহে এখন সমাজ শিক্ষিত হব।' বৰ্তমান সময়ত নাৰীক যিমানেই ৰীতি-নীতিয়ে বান্ধি ৰাখিব বিচাৰিলেও কিন্তু তাৰ মাজতেই বহু নাৰীয়ে পুৰুষক চেৰ পেলাই বিভিন্ন দিশত আহবাঢ়ি গৈছে। বৈদিক যুগৰ নাৰী মৈত্ৰেয়ী গাৰ্গী, অদিতি, মেধা, শ্ৰী আদি বিদুষী নাৰীৰ পৰা আৰম্ভ কৰি মাদাৰ টেৰেছা, কল্পনা চাওলা, সুনীতা উইলিয়ামছ, ইন্দিৰা গান্ধী, মূলাগাভৰু, জয়মতী, কনকলতা নাৰীৰ উপৰিও আৰু বহু নাৰী আছে যিসকলৰ গুনৰ লেখ নাই। পুৰুষৰ দৰে যিকোনো ক্ষেত্ৰতে নাৰী কোনো গুনেই কম নহয়। কেৱল নাৰীসকলে নিজকে চিনি পোৱাত দেৰি কৰে।

শেষত ইয়াকে ক'ব পাৰি যে নাৰীসকল মানসিকভাৱে সুস্থ-সবল হৈ উঠক। সকলো কু-সংস্কাৰ, অন্ধবিশ্বাস, অপ্ৰয়োজনীয় ৰীতি-নীতি, অন্যায়-অবিচাৰৰ বিৰুদ্ধে মাত মাতি সমাজখন সঠিক দিশত আগবঢ়াই নিয়াত আগ ভাগ লওঁক। লগতে পুৰুষসকলেও নাৰী সকলক আগবাঢ়ি যোৱাত সহায়ৰ হাত আগবঢ়াব লাগে। তেতিয়াহে সমাজ এখন সু-পৰি কল্পিত ভাৱে পৰিচালিত হব। ☐

# মা-দেউতাৰ প্ৰতি আমাৰ কৰ্তব্য

পিংকি দাস
স্নাতক, পঞ্চম ষান্মাষিক

পৃথিৱীৰ আটাইতকৈ পবিত্ৰ সম্বন্ধ হ'ল মা-দেউতাৰ লগত থকা আমাৰ সম্বন্ধ। এই মা-দেউতা শব্দ দুটাই পৃথিৱীৰ আটাইতকৈ শুৱলা শব্দ। যাৰ সহায়ত আমি এই বিচিত্ৰ পৃথিৱীৰ সৌন্দৰ্য্য চাবলৈ, মৰম পাবলৈ সক্ষম হৈছো সেয়াই হৈছে মা-দেউতা, যাৰ সহায়ত আমি এই অমূল্য জীৱন পাইছোঁ, সেয়াই হৈছে আমাৰ মা-দেউতা। মা-দেউতা যিয়ে আমাক ডাঙৰ মানুহ কৰাবলৈ চেষ্টা কৰে। যিয়ে আমাৰ মুখত এটা হাঁহি দেখিবৰ বাবে নিজৰ বহু স্বাৰ্থ ত্যাগ কৰে। এই মা-দেউতাই আমাক সৰুৰে পৰা ডাঙৰ কৰিলে, কিমান কষ্ট, দুখ সহিছে আমি এতিয়াও বুজা নাই। কিন্তু এই কথা আমি নিজে পিছলৈ বুজি পাম। এই মা-দেউতাই আমাক ইমান কষ্টৰে তুলি-তালি ডাঙৰ-দীঘল কৰিছে সেই মা দেউতাৰ মুখত আমি অলপ হ'লেও সুখৰ, গৌৰৱৰ হাঁহি বিৰিঙাবলৈ চেষ্টা কৰিব লাগে। আমি মা-দেউতাৰ মুখত যিমানেই গৌৰৱ আৰু সুখৰ হাঁহি নিদিওঁ সেয়া তেওঁলোকে আমাক দিয়া এই অমূল্য জীৱনৰ তুলনাত তেনেই কম।

জীৱনৰ প্ৰত্যেক মুহুৰ্ত্ততে আমি বিভিন্ন ধৰণৰ বাধা বিঘিনি পাওঁ। এই বাধা-বিঘিনি অতিক্ৰম কৰি আগবাঢ়ি যাবলৈ শিকাই আমাৰ মা-দেউতাই সকলো মাক-দেউতাকৰ বাবে নিজৰ লৰা-ছোৱালী অতিকৈ মৰমৰ। আমি তেওঁলোকৰ সকলো কথাই মানা উচিত। তেওঁলোকে কেতিয়াও আমাৰ বেয়া চিন্তা নকৰে। সেয়ে আমি সদায় তেওঁলোকৰ মনত যাতে দুখ নালাগে সেই কথা চিন্তা কৰি আমি কাম কিৰব লাগে। আমিও আমাৰ মা-দেউতাক গৌৰৱৰ সন্তোষৰ হাঁহি দিব পাৰো। বিভিন্ন লৰা-ছোৱালীয়ে পঢ়া-শুনাত, খেলা ধুলাত, নাচ-গানত ভাল ফল দেখুৱাই তেওঁলোকৰ মাক দেউতাকৰ নাম উজ্জ্বল কৰিছে। আমিও বিভিন্ন ক্ষেত্ৰত ভাল ফল দেখুৱাই আমাৰ মা-দেউতাৰ নাম উজ্জ্বল কৰিব পাৰো।

কিছুমান ল'ৰাই বিয়া পাতি নিজৰ ঘৰত নিজৰ মাক-দেউতাকক ৰাখিবলৈ লাজ পায়। ইয়াৰ কাৰণ কি? তেওঁলোকৰ বয়স পৰি অহাৰ কাৰণে নে তেওঁলোকে নিজৰ মাক-দেউতাকক তেওঁলোকৰ ওপৰত এটা বোজা বুলি ভাবে। যি কেইজনে আমাক এনে অমূল্য জীৱন দিছে তেওঁলোক আমাৰ ওপৰত কেতিয়াও বোজা হ'ব নোৱাৰে।

*"এটি এটি ক্ষণ*
*যেন মুকুতাৰে ধন*
*এনেয়ে হেৰুৱালে*
*নাহে উভতি"।*

✦✦✦✦✦





# পৰেশ চন্দ্ৰ দাস দেৱৰ বিষয়ে কিছু অনুভৱ

কুশল কলিতা
কাৰ্যালয় সহায়ক

ব্যক্তিগতভাৱে মোক যি কেইজন মানুহে আজিলৈ নিস্বাৰ্থভাৱে ভাল পাই আহিছে বা পাইছিল সেইসকলৰ অন্যতম আছিল পৰেশ চন্দ্ৰ দাস । মোক কোনোদিনেই কোনো বিশেষ কথা বা কামে বিৰক্ত বা বিদ্বেষ সৃষ্টি নকৰা অন্যতম মানুহজনো আছিল এই দাস দেৱেই। লগতে মোৰ দৃষ্টিত, এখেতেই আছিল বোধহয় আমাৰ মহাবিদ্যালয়ৰ শিক্ষকসকলৰ আটাইতকৈ বেছি গ্ৰহণীয় কৰ্মচাৰীজন। একেদৰে আমাৰ মহাবিদ্যালয় পৰিয়ালৰ আটাইতকৈ সৰল আৰু সহজ মানুহজনো আছিল এখেতেই। যি কথা আন সকলোৰ লগতে অধ্যক্ষ মহোদয়েও লক্ষ্য নকৰাকৈ থকা নাছিল। যাৰ বাবে তেখেতৰ শোক সভাত অধ্যক্ষ মহোদয়ে ভাষণ প্ৰসঙ্গত অশ্ৰুসিক্ত নয়নেৰে কৃতজ্ঞতা স্বীকাৰ কৰি কৈছে -"পৰেশ চন্দ্ৰ দাস দেৱ আছিল আমাৰ মহাবিদ্যালয়ৰ আটাইতকৈ সৰল, সৎ আৰু নিষ্কলুষ মানুহজন।" সেয়ে এনে এজন মানুহৰ বিয়োগে আমাক যি দুখ আৰু শোকৰ অথাই সাগৰত পেলাই থৈ গ'ল- তাৰ পৰা সাতুৰি-নাদুৰি পাৰ পাবলৈ ভালেখিনি সময় লাগিব নিশ্চয়।

পৰেশ চন্দ্ৰ দাসৰ স্বভাৱ, কথা-বতৰা, চাল-চলনৰ লগত আমি সৰুতে পঢ়া লক্ষ্মীনাথ ফুকন দেৱৰ মেধি গল্পটোৰ মেধি চৰিত্ৰটোৰ যেন বহুখিনিত মিল আছে- তেনে লাগে। কোনো কথাত তেওঁ খং নকৰে । কাৰোবাই বেয়াকৈ ক'লেও কোনো উত্তৰ নাকাটে। দেহৰ বা মনৰ কষ্টটো কোনো হেটকেট নকৰে এই মানুহজনে। গৰমৰ দিনত আমি যেতিয়া কলেজৰ কামত গুৱাহাটীলৈ যাবলগীয়া হয় - আমি ভাগৰে-যুগৰে ক্লান্ত হৈ উভতি আহো। বা প্ৰায়ে ভোকে-পিয়াহে আগুৰি ধৰাৰ ফলত আমাক খঙে-বিৰক্তিয়ে হেঁচি ধৰে। কিন্তু তেখেতৰ মুখত আমি কোনো- কাহানিও এনে অভিব্যক্তি দেখা পোৱা নাছিলো - যিয়ে আমাক কষ্ট দিব পাৰে। ইয়াৰ কাৰণ বোধহয় তিনিটা। এটা হ'ল তেখেতৰ তেজত থকা সৰলতা। এটা কৰ্তব্যবোধ। আন এটা কষ্টসহিষ্ণুতা। যিটো জীয়াই থকাৰ তাগিদাত তেখেতে সৰু কালৰ পৰাই বহন কৰি আহিছিল। এইখিনিতে দাস দেৱৰ কষ্টসহিষ্ণুতাৰ আন এটা চানেকি উনুকিয়াছো। তেখেত বহা টেবুলখন চিলিং ফেন খনৰ কিছু আঁতৰত থকা বাবে, ফেন খনৰ পৰা বতাহ নাহে বুলিয়েই ক'ব পাৰি। ফলত উৎকত গৰমতযথেষ্ট আহুকাল হয় তেখেতৰ । এই বিষয়ে আমি বহুদিন উনুকিয়াইছিলো। অধ্যক্ষ মহোদয়েও কথাটো লক্ষ্য কৰি, এখন ৱাল ফেন আনি তেখেতৰ কাষত লগাই লোৱাৰ পৰামৰ্শ দিছিল ভালেকেইদিন । কিন্তু দাস দেৱ আছিল বোধহয় সকলো অসুবিধা জয় কৰিব পৰা লোক । ফলত মৃত্যু পৰ্য্যন্ত আৰু ফেনখন লগোৱা নহ'ল ।

তেখেতক মই অন্তকৰণেৰে ভাল পাইছিলো যদিও দুটা কথা মই সহৃদয়তাৰে মানি ল'ব পৰা নাছিলো কোনো দিনেই। এটা হ'ল তেখেত বোধহয় জোখতকৈ কিছু হিচাপী আছিল । আন এটা হ'ল, যিয়ে যি কাম নাপাঁচক কিয়, ইতিমধ্যে কৰি থকা কামটো এৰি, ভুটংকৈ পাঁচা কামটো কৰিবলৈ উদ্যত হোৱা স্বভাৱ । অৰ্থাৎ তেখেতে নোৱাৰো বুলি কাকো একো ক'ব নোৱাৰে । যাৰ ফলত হয় কি - এটা গুৰুত্বপূৰ্ণ কামো পিছ পৰি ৰয় বা আনে তাত লাগি দিব লাগে। মোৰ কথা হ'ল - তেখেতে পাঁচা কামটো কৰক, কিন্তু কিনো গুৰুত্বপূৰ্ণ

কাম কৰি আছিল সেই কথাটো বক্তাক জনাওক । কিজানি বক্তাই তেখেতক নতুন কামটোৰ পৰা ৰেহাই দিয়েই । কিন্তু তেখেতৰ সৰলতাই তেনে কথা ভাবিব পৰা নাছিল ।

দাস দেৱে মানুহক যেনেদৰে ভাল পাইছিল বা সন্মান কৰিছিল সেই একেদৰে জীৱ-জন্তুৰ প্ৰতিও তেখেতৰ ভাল পোৱা আছিল কিজানি অপৰিসীম । বহুসময়ত তেখেতৰ মুখত তেখেতৰ ল'ৰা-ছোৱালী দুটাতকৈয়ো বেছিকৈ শুনিছিলো তেখেতৰ গৰু কেইটাৰ কথা । গধূলি ইঞ্জিনিয়াৰিং কলেজৰ সন্মুখৰ পৰা সিহঁতক ঘৰলৈ লৈ যাব লাগিব । নহ'লে সেইকেইটাৰ কি আলাই-আথানি হয় ঠিক নাই । এনে চিন্তাই প্ৰতিদেনে গোটেই আবেলিটো তেখেতক উদ্বিগ্ন কৰি ৰাখিছিল ।

মানুহজনৰ বেশ-ভূষা সাধাৰণ হ'লেও বা দেখাত নিৰস যেন লাগিলেও বৰ ফূৰ্তিবাজ আছিল তেখেত । বিশেষকৈ কল্পনা বাইদেউ (কল্পনা ময়ী মজুমদাৰ) আৰু ৰুক্মিণী বাইদেউ (ৰুক্মিণী বড়া) - ৰ লগত তেখেতে প্ৰায়ে ধেমালি কৰিছিল । চাবা দে, এবাৰ কল্পনাক অলপ জোকাই আহো বা ৰুক্মিণীক এবাৰ জোকাই আহো বুলি কৈ- তেখেতে, তেখেতসকলৰ কাণত খং উঠা শব্দ ঢালি দিছিল । কেতিয়াবা সেই শব্দৰ চোকৰ প্ৰতিক্ৰিয়া সোৱাদ আঞ্জাও নিমখ বেছি হ'লে তিতা হোৱাৰ দৰে হৈ পৰে । কিন্তু সেই আঞ্জাকো তেখেতে তিতা নাভাবি পৰম তৃপ্তিৰে পান কৰিছিল হাঁহি হাঁহি ।

এনে এজন মানুহ আজি আমাৰ মাজৰ পৰা আকস্মিকভাৱে চিৰদিনৰ বাবে হেৰাই গ'ল । সি অকাল নহ'লেও তেখেতৰ পৰিয়ালৰ লগতে আমাৰ বাবেও অপূৰণীয় আৰু হৃদয় বিদাৰক । কিন্তু তাক নিষ্ঠুৰ সময়ৰ স্বাভাৱিক বিচাৰ বুলি ধৰি নলৈ উপাও নাই । আশা কৰো তেখেতৰ পৰিয়ালৰ সদস্য সকলেও এনে বিচাৰেৰে আগ বাঢ়িব আৰু ইশ্বৰেও তাত সহযোগ কৰিব। ❑

✦✦✦✦✦

> *"আমাৰ দেশত সত্ৰ আৰু নামঘৰবোৰৰ মাজেদি লিখিব-পঢ়িব নজনা অসমীয়া জনসাধাৰণৰ মাজলৈ জ্ঞান প্ৰবাহিত হৈছিল। অসমীয়া ৰাইজৰ কাৰণে লিখিব-পঢ়িব নজনাটো জ্ঞান লাভৰ একো অন্তৰায় নহয়। কাৰণ সত্ৰ আৰু নামঘৰৰ যোগেদি জনসাধাৰণৰ আগত ধৰ্মীয় শাস্ত্ৰবোৰ পঢ়ি দিয়া আৰু প্ৰয়োজনীয় অংশৰ ব্যাখ্যা কৰাৰ ব্যৱস্থা আছে।"*
>
> *— সূৰ্য্য কুমাৰ ভূঞা*



# উপ সভানেত্ৰীৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা 'মিচাইল মেন' খ্যাত ড° এ.পি.জে. আব্দুল কালাম দেৱলৈ মোৰ অশ্ৰুভৰা অঞ্জলি যাচিছোঁ। লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সমূহ শিক্ষাগুৰু সকললৈ মোৰ সশ্ৰদ্ধা প্ৰণিপাত তথা সমূহ ছাত্ৰী সকললৈ আন্তৰিক অভিনন্দন তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**<u>মোৰ কাৰ্যকালৰ চমু-বিৱৰণ</u> ঃ** ২০১৪-১৫ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত উপ-সভানেত্ৰীৰ পদত নিৰ্বাচিত হোৱাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ ২৭ তম প্ৰতিষ্ঠা দিৱস উদযাপন। অইন বেলিৰ দৰে এই বেলিও ২০-১১-২০১৪ ইং তাৰিখে উলহ মালহৰে প্ৰতিষ্ঠা দিৱস পালন কৰা হ'ল। মোৰ কাৰ্যকালৰ দ্বিতীয় কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" পাচঁদিনীয়া কাৰ্যসূচীৰে অতি সুন্দৰ তথা পৰিপাটীকৈ মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰে। ইয়াৰ পাছৰ কাৰ্যৱলী সমূহ ক্ৰমে সৰস্বতী পূজা, ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ হেঁপাহৰ অনুষ্ঠান নৱাগত আদৰণী সভা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি, স্বাধীনতা দিৱস, শিক্ষক দিৱস, আদি সকলোবোৰ কাৰ্য্যই সুচাৰু ৰূপে অনুষ্ঠিত কৰা হয়। শেহত মোৰ এই কাৰ্য কালছোৱাত বিভিন্ন দিহা পৰামৰ্শ দি সহায় সহযোগিতা কৰা মোৰ শ্ৰদ্ধাৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী তথা মহাবিদ্যালয়ৰ উপধ্যক্ষ ড° ৰঞ্জন ভূএগ্ৰা ছাৰলৈ মোৰ অন্তৰ ভৰা শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। মোক বিভিন্ন দিশত সহায় কৰা সকলো ছাত্ৰী বান্ধৱীক (অগ্ৰজ/অনুজ) ধন্যবাদ জনালোঁ।

সদৌশেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি তথা গৌৰবোজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ কাৰ্যকালত হোৱা অনিচ্ছাকৃত দোষ ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"

"জয় আই অসম"

*ধন্যবাদেৰে—*

**শ্ৰীবৰ্ণালী তালুকদাৰ**



# ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে মই যি সকল বৰেণ্য ব্যক্তিৰ অসীম ত্যাগ আৰু কষ্টৰ ফলত আমাৰ এই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা হৈছিল সেইসকল শ্ৰদ্ধাস্পদলৈ মোৰ আন্তৰিক প্ৰণাম জনাইছো। এই সুযোগতে দেশ মাতৃৰ জাতীয় অস্তিত্ব ৰক্ষাৰ্থে নিজৰ কলিজাৰ কেঁচা তেজৰ বোলেৰে ইতিহাস ৰচি থৈ যোৱা জ্ঞাত-অজ্ঞাত শ্বহীদ সকললৈ মোৰ শ্ৰদ্ধাঞ্জলি নিবেদিছো। লগতে বিগত ২৭ বছৰ মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াই অহা সকলো সংশ্লিষ্ট লোকলৈ মোৰ শ্ৰদ্ধা নিবেদিছো।

মই অতিকৈ আনন্দিত হৈছিলো, যেতিয়া মহাবিদ্যালয়ৰ বছৰেকীয়া নিৰ্বাচনত "সহঃ সাধাৰণ সম্পাদিকা" পদৰ বাবে নিৰ্বাচিত হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ পাইছিলো। মোক সঠিকভাৱে দিহা-পৰামৰ্শ আৰু সহায়-সহযোগ কৰা আটাইকে আন্তৰিক অভিনন্দন আৰু হিয়াভৰা কৃতজ্ঞতা যাচিছোঁ।

সহকাৰী সাধাৰণ সম্পাদিকাৰ দায়িত্বত থাকি সাধাৰণ সম্পাদিকাৰ অনুপস্থিতিত সকলো দিশৰ পৰা কৰিবলগীয়া কামখিনি কৰিবলৈ আগ্ৰহেৰে মনোযোগ দিছিলো। সহকাৰী সাধাৰণ সম্পাদিকাৰ দায়িত্বত থাকি মই সাধাৰণ সম্পাদিকা নমিতা দাস তথা অন্য বিভাগীয় সম্পাদিকাসকলৰ লগত মিলি মহাবিদ্যালয়খনৰ প্ৰতিটো দিশেই সৰ্বাংগসুন্দৰ ৰূপত প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলাইছিলো।

সহকাৰী সাধাৰণ সম্পাদিকা হৈ শপত গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ ২৭ তম প্ৰতিষ্ঠা দিৱস। ২০১২ চনৰ ২০ নৱেম্বৰৰ তাৰিখে আমাৰ মহাবিদ্যালয়খনে ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰে। সেয়ে প্ৰতি বছৰ ২০ নৱেম্বৰত মহাবিদ্যালয়ত প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। কিন্তু এইবেলি ২০ নৱেম্বৰৰ পৰাই মহাবিদ্যালয়ৰ ষান্মাষিকৰ পৰীক্ষাসমূহ আৰম্ভ হোৱা বাবে আমি অতি থুলমূলকৈ প্ৰতিষ্ঠা দিৱস পালন কৰিবলগীয়া হয়। এই প্ৰতিষ্ঠা দিৱসৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ পতাকাৰে আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ে।

দ্বিতীয় কাৰ্যসূচী হিচাপে আছিল মহাবিদ্যালয়ৰ সপ্তাহ পালন। ২০ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈ ৪ দিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ সুচাৰুৰূপে পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি সাংস্কৃতিক বিভাগৰ আৰু ছাত্ৰীজিৰণী কোঠা বিভাগৰ তৰফৰ পৰা বিভিন্ন গীত-মাত, নৃত্য নাটক, কুইনা প্ৰতিযোগিতা, জেতুকা বোলোৱা, ৰন্ধন প্ৰতিযোগিতা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সাজ-পাৰকে ধৰি বিভিন্ন প্ৰতিযোগিতা পতা হয়। সাহিত্য-আলোচনীৰ আৰু তৰ্ক বিভাগৰ তৰফৰ পৰাও বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিভিন্ন খেলা ধূলাৰ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। যি সকল ছাত্ৰী-বান্ধৱীয়ে এই প্ৰতিযোগিতা সমূহ সাফল্যমণ্ডিত কৰাত সহায় কৰিছে তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিছো। মহাবিদ্যালয় সপ্তাহৰ অন্তিম দিন আছিল ২৩ জানুৱাৰী। এই অন্তিম দিনৰ প্ৰথম কাৰ্যসূচী আছিল "হাৰাঘাট" উন্মোচন। উন্মোচন কৰে আমাৰ শ্ৰদ্ধাৰ ড° মালবিকা ৰয় বাইদেৱে। উক্ত দিনা মহাবিদ্যালয়ৰ মুকলি সভাৰ ভিন্নৰঙী সাংস্কৃতিক অনুষ্ঠানৰ লগতে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। মুকলি সভাৰ সভাপতিৰ আসন গ্ৰহণ কৰে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে। বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য তথা পলাশবাৰী সমষ্টিৰ বিধায়ক শ্ৰীযুত যতীন মালী দেৱে। নিৰ্দিষ্ট বক্তাৰ আসন গ্ৰহণ কৰে গুৱাহাটী মহকুমাৰ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত নিৰোদ কুমাৰ দাস দেৱে মহাবিদ্যালয় সপ্তাহৰ বিশেষ আকৰ্ষণ আছিল কণ্ঠশিল্পী "মানস প্ৰতীম" ৰ গীতৰ শৰাই। তেওঁ নিজৰ পৰিৱেশনেৰে মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠানটি অতি সুন্দৰ পৰিৱেশৰ ৰূপ দিয়াৰ বাবে আৰু মহাবিদ্যালয়ৰ সৌন্দৰ্য বৃদ্ধি কৰি তোলাৰ বাবে মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।





ইয়াৰ পিছতে তৃতীয় কাৰ্যসূচী আছিল সৰস্বতী পূজা। অইনবেলিৰ দৰে এইবেলিও সমূহীয়াভাৱে আমাৰ মহাবিদ্যালয়ৰ সৰস্বতী পূজাখন উলহ-মালহেৰে পালন কৰা হয়। সমাজ সেৱা বিভাগৰ তত্বৱধানত পূজাখন সুচাৰুপে চলাই নিয়া হৈছিল। পূজাৰ প্ৰথম কাৰ্যসূচী আছিল ফলি আলোচনী 'শ্ৰীপঞ্চমী' উন্মোচন। 'শ্ৰীপঞ্চমী উন্মোচন কৰে মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ড° নৰকান্ত অধিকাৰী ছাৰদেৱে। এই সুযোগতে মই উৎসৱ পালন সমিতিৰ সম্পাদক, সভাপতি, সদস্য তথা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সমূহ স্বেচ্ছাসেৱিকা আৰু এই গোটৰ তত্বৱধায়িকা বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছো।

মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকাৰ বিশেষ অসুবিধাৰ বাবে মৌক মহাবিদ্যালয় কতৃপক্ষই ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদিকা হিচাপে নিয়োজিত কৰে। যোৱা কেইবাবছৰ ধৰি আমাৰ মাহবিদ্যালয়ৰ ছাত্ৰী বান্ধৱীসকলে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ Uniformৰ ওপৰত থকা আপত্তি আৰু আবেদন মৰ্মে এই বছৰ মহাবিদ্যালয়ত Unifrom ৰ ৰং সলনি কৰা হৈছে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ কতৃপক্ষ তথা শিক্ষাগুৰু সকলৰ পৰামৰ্শ আৰু সহযোগত নতুন ৰঙৰ Uniform ৰ ব্যৱস্থা কৰিবলৈ পায় নিজকে ধন্য মানিছো।

নৱাগতসকলক লৈয়ে শিক্ষানুষ্ঠান এখনে সদায় নতুন সপোন দেখে। আমাৰ মহাবিদ্যালয়লৈ অহা নতুন ছাত্ৰ-ছাত্ৰীসকলক স্বাগত অভিনন্দন জনোৱা হৈছিল ২১-০৮-১৫ ইং তাৰিখ শুক্ৰবাৰে নৱাগত আদৰণী সভাৰ যোগেদি। সভাৰ সভাপতিত্ব গ্ৰহণ কৰিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী মহোদয়ে। ৰাতিপুৱা মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট' উন্মোচন কৰিছিল সাহিত্য বিভাগৰ তত্বাৱধায়ক ড° লীলাৱতী চৌধুৰী বাইদেৱে; হাতে লিখা আলোচনী 'নীহাৰিকা' উন্মোচন কৰে মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি ড° মালবিকা ৰয় বাইদেৱে আৰু মহাবিদ্যালয়ৰ দ্বিতীয় তোৰণ উন্মোচন কৰিছিল ড° বসন্ত কুমাৰ ভূএগ্ৰা দেৱে। সভাৰ মূখ্য অতিথি আৰু বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে শ্ৰীযুতা বিৰুবালা ৰাভা (বিশিষ্ট সমাজ সংস্কাৰক), শ্ৰীযুতা এলি আহমেদ (সাহিত্য একডেমী বঁটা প্ৰাপ্ত, শিশু সাহিত্যিক)। এখেতসকলৰ বক্তব্যই সভা অধিক সুস্থিৰ আৰু এক মধুৰ পৰিৱেশৰ সৃষ্টি কৰে। এই সভাৰ বিশেষ আকৰ্ষণ আছিল জনপ্ৰিয় কণ্ঠশিল্পী শ্ৰীযুতা প্ৰিয়ংকা ভৰালী। অসমৰ সুকণ্ঠী গায়িকা প্ৰিয়ংকা ভৰালীয়ে নিজৰ সুমধুৰ গীত পৰিৱেশনেৰে মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠানটি অতি সুন্দৰ আৰু উৎসৱমুখৰ পৰিৱেশৰ ৰূপ দিয়া বাবে মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ইং ৫-৯-২০১৫ তাৰিখে শিক্ষক দিৱস যদিও সেইদিনা শ্ৰীকৃষ্ণৰ জন্মষ্টমী উপলক্ষে সকলো অনুষ্ঠান, প্ৰতিষ্ঠান বন্ধ থকাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ বিভিন্ন বিভাগে ৪ তাৰিখে অৰ্থাৎ আগদিনা উদ্‌যাপন কৰে।

এইবেলি মহাবিদ্যালয় চৌহদত পোনপ্ৰথমবাৰৰ বাবে বিশ্বকৰ্মা পূজা উদ্‌যাপন কৰা হয় আৰু ১৫ ছেপ্তেম্বৰ তাৰিখে মহাপুৰুষ শংকৰদেৱৰ তিথি অতি সুন্দৰ ভাৱে অনুষ্ঠিত কৰা হয়।

আমাৰ মহাবিদ্যালয়ৰ কাৰণে ২০১৪-১৫ ইং শিক্ষা বৰ্ষটো অতি গুৰুত্বপূৰ্ণ আৰু গৌৰৱজ্বল বৰ্ষ। এই বৰ্ষতেই আমাৰ মহাবিদ্যালয়তে আৰম্ভ হৈছে অসমীয়া বিভাগৰ বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয় IDOL ৰ জৰিয়তে সকলো বিষয়তে স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষা লাভৰ ব্যৱস্থা হৈছে। তাৰোপৰি ছাত্ৰীসকলৰ সুবিধা হোৱাকৈ Girl's Hostel, Sports Complex, Modern Toilet, Digital Class Room আদিৰে কাম প্ৰায় সম্পূৰ্ণ হৈ আহিছে। আকৌ আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ, তথা ইংৰাজী বিভাগৰ মুৰব্বী ড° ৰঞ্জন ভূএগ্ৰা আৰু ডাঃ বন্দনা ভূএগ্ৰাৰ দানেৰে নিৰ্মিত ড° বসন্ত কুমাৰ ভূএগ্ৰা শ্ৰদ্ধাৰ্থ তোৰণখনে আমাৰ মহাবিদ্যালয়ৰ গাম্ভীৰ্যতা বহুখিনি বঢ়াই তুলিছে। এই ছেগতে ভূএগ্ৰা ছাৰলৈ ছাত্ৰীএকতা সভাৰ হৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

এইসুযোগতে মোক সকলো সময়তে দিয়া পৰামৰ্শ দি আগবাঢ়ি যোৱাত সহায় কৰা বাবে অধ্যক্ষ মহোদয় ড° গজেন্দ্ৰ অধিকাৰী উপাধ্যক্ষ ড° ৰঞ্জন ভূএগ্ৰা ছাৰৰ লগতে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° নৰকান্ত অধিকাৰী ছাৰদেৱ, ড° জগন্নাথ বৰ্মন ছাৰদেৱ, ড° হৰেণ চন্দ্ৰ কলিতা ছাৰদেৱ, ড° মিতালী কাঠকটীয়া বাউদেউ, শ্ৰীযুত হৰেণ দাস ছাৰদেৱ, ড° মালৱিকা ৰয় বাইদেউ, ড° লীলাৱতী চৌধুৰী বাইদেউ আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মোৰ হিয়া ভৰা শ্ৰদ্ধা যাচিলোঁ।

শেষত মই আমাৰ মহাবিদ্যালয়ৰ নতুন ছাত্ৰীসকললৈ হিয়া ভৰা শুভেচ্ছা যাচিছোঁ। তেওঁলোকে যাতে আমাৰ মহাবিদ্যালয়ৰ জৰিয়তে নিজৰ ব্যক্তিত্ব সুন্দৰভাৱে গঢ়ি তুলিব পাৰে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো আৰু তেখেতসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

সদৌ শেষত ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদিকা হিচাপে অজানিতে হোৱা ভুলক্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো। লগতে সৰ্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয় আই অসম"

'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'

'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় ছাত্ৰীএকতা সভা'

*ধন্যবাদেৰে—*

**শ্ৰীঅলিভিয়া তালুকদাৰ**



# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক মূহুৰ্ত্তত যি সকল দেৱতুল্য ব্যক্তিৰ মহানুভৱতা, লোক হিতৈষী চিন্তাধাৰা, অক্লান্ত পৰিশ্ৰম আৰু অবিৰত প্ৰচেষ্টাৰ ফলশ্ৰুতিত মানৱ সম্পদ গঢ়াৰ এক উল্লেখনীয় শিক্ষানুষ্ঠান 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে' গঢ় লৈ উঠিলে, সেইসকল চিৰ নমস্য ব্যক্তিলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা তথা শ্ৰদ্ধা জ্ঞাপন কৰিলো।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০১৪-১৫ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত সাংস্কৃতিক সম্পাদিকাৰ পদত নিৰ্বাচিত কৰি মোক সেৱা আগবঢ়াবলৈ সুবিধাকণ কৰি দিয়াৰ বাবে মহাবিদ্যালয়ৰ অনুজ, অগ্ৰজ ছাত্ৰী বান্ধৱী সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**মোৰ কাৰ্যকালৰ চমু অৱলোকন ঃ**

**মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস ঃ**

মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল ২৭ তম মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। বিগত বছৰৰ দৰে এইবেলিও ২০ নৱেম্বৰৰ দিনাখন বিভিন্ন কাৰ্যসূচীৰ দ্বাৰা মহাবিদ্যালয়ৰ ২৭ তম প্ৰতিষ্ঠা দিৱস পালন কৰিম বুলি ভাৱছিলো যদিও মহাবিদ্যালয়ৰ ষান্মাষিকৰ পৰীক্ষা চলি থকাৰ বাবে অনুষ্টুপীয়াকৈহে পালন কৰা হয়। সেইদিনাখন ৰাতিপুৱা ৯ বজাত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী ছাৰদেৱে পতাকা উত্তোলন কৰে। তাৰ পাছত মহাবিদ্যালয়ৰ শ্বহীদ বেদীত স্মৃতি তৰ্পন কৰা হয়। লগতে গধূলি বন্তি প্ৰজ্বলন কৰি মহাবিদ্যালয়খন উজ্জলাই তোলা হয়।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ**

মোৰ দ্বিতীয় কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ' মহাবিদ্যালয় সপ্তাহ ২০ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈ অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা সমূহ এনেধৰণৰ— বৰগীত, লোকগীত, জ্যোতিসংগীত, বিষ্ণুৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, আধুনিক গীত, দিহানাম, বিয়ানাম, অসমৰ জাতীয় সংগীত পৰিৱেশন, একক আধুনিক নৃত্য, দলীয় আধুনিক নৃত্য, দলীয় বিহু নৃত্য, আকস্মিক নৃত্য, পৰাম্পৰাগত সাজপাৰ প্ৰতিযোগিতা; ভেশচন প্ৰতিযোগিতা ইত্যাদি। এই প্ৰতিযোগিতা সমূহত যথেষ্ট সংখ্যাক ছাত্ৰীয়ে যোগদান কৰিছিল। সকলো প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰীৰ প্ৰদৰ্শনো আছিল উচ্চ মানদণ্ডৰ। কিন্তু দুখৰ বিষয় এই যে এইবাৰ মহাবিদ্যালয় সপ্তাহত ছাত্ৰী বান্ধৱীসকলে একাংকীয়া নাট প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম নহল। নাটকৰ দিশৰ পৰা চাবলৈ গ'লে বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী বান্ধৱীসকল দুৰ্বল হৈ পৰিছে। ছাত্ৰী বান্ধৱীসকলে ভালে সংখ্যক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিযোগিতা সমূহ চলাই নিয়াত মোক সহায় কৰা শ্ৰদ্ধাৰ বিচাৰক মণ্ডলীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।





**সৰস্বতীপূজা ঃ**

বিগত বছৰৰ দৰে এইবেলিও ২৫ জানুৱাৰী ২০১৫ ইং তাৰিখে মহাবিদ্যালয়ত উলহ-মালহেৰে সৰস্বতী পূজা পালন কৰা হয়। সেইদিনাখন ওচৰত থকা কলেজ সমূহৰ পৰাও ছাত্ৰ-ছাত্ৰী আহি আমাৰ লগতে মা সৰস্বতীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰে। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, অধ্যাপিকাবৃন্দ, কৰ্মচাৰী বৃন্দৰ লগতে ছাত্ৰী বান্ধৱী সকল উপস্থিত থাকি সৰস্বতী পূজাখন সুচাৰুৰূপে চলাই নিয়াত সহায় কৰে।

**নৱাগত আদৰণি সভা ঃ**

